সমাজ আৰু সমালোচনা

হীৰেন গোহাঁই

REFERENCE
Not to be lent out

গুৱাহাটী বুক ষ্টল গুৱাহাটী-৩

STATE CENTRAL ... ASSAM

SAMAJ ARU SAMALOCHANA

A Selection of Aesamese Articles on different Topics Written by Hiren Gohain and Published by Bangshidhar Sarmah, M/s. Gauhati Book Stall, Gauhati-3. Price Rupees Four only.

॥ প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী-৩ ॥

॥ প্ৰথম প্ৰকাশ : এপ্ৰিল ১৯৭১ চন ॥

॥ বেটুপাতৰ ছবি আৰু অঙ্গসজ্জা : ত্ৰৈলোক্য দত্ত ॥

॥ ছপা : শ্ৰীৰাধানাথ মাঁতৰা ● সাৰদা প্ৰিন্টিং ৱৰ্কছ ● ঘোষ লেন ● কলিকতা-৬ ॥

॥ মূল্য : চাৰি টকা মাথোন ॥

উচর্গা

অসমৰ কৃষকৰ বন্ধু, সাহসী আৰু তীক্ষ্ণধী বুদ্ধিজীৱী শ্ৰীযুত তাৰকচন্দ্ৰ গোস্বামীৰ হাতত।

॥ এক আম্বাৰ ॥

অসমত চিন্তাচৰ্চাৰ সকলোতকৈ ডাঙৰ অভাৱ কি? সি হ'ল নৈৰ্ব্যক্তিকতা। চিন্তা যে ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ মুখা বা সৰঞ্জাম নহয়, খুব কম মানুহেহে বুজে। সত্যৰ অন্বেষণ ইতিহাসৰ ঊৰ্দ্ধত অৱশ্যে নহয়। কিন্তু সেই অন্বেষণ মুহূৰ্ত্তৰ স্বাৰ্থসিদ্ধিৰ নামান্তৰ হোৱা হ'লে ছক্ৰে'টিছৰ দিনৰ পৰা সত্যৰ শ্বহীদ ইমানবোৰ নোলালহেঁতেন। অৱশ্যে আমাৰ মাজত তেনেধৰণৰ চিন্তাচৰ্চাৰ দাম নাই। কাৰণ স্থাণু, স্থবিৰ আৰু ৰক্ষণশীল সমাজ আৰু সংস্কাৰৰ ওপৰত আঘাত হানে তেনে চিন্তাইহে। কিন্তু তাৰ ঠাইত অশালীন আৰু নিতান্ত ব্যক্তিগত বিতৰ্ক আৰু নিন্দাবাদ আমাৰ সমাজত প্ৰচুৰ।

আচৰিত নহয় যে এনে পৰিবেশত সৎচিন্তাৰ ঠাইত সাংবাদিকতা বা সাংবাদিকসুলভ চিন্তাহে লহ্‌পহ্‌কৈ বাঢ়ি আহে। সমসাময়িক কোনো প্ৰবল গোষ্ঠী, আন্দোলন, ভাবাবেগ আৰু হুজুগৰ সমৰ্থনত যুক্তিহীন ভাষাৰ ফুলজাৰি উৰালেই যেন বুদ্ধিজীৱীৰ ভূমিকা পালন কৰা হয়। জনপ্ৰিয়তাৰ স্বাৰ্থত তেনেধৰণৰ "মনিষী" সকলে "জনপ্ৰিয়" কোনো বস্তুকে আক্ৰমণ নকৰে– সি যিমানেই ঘৃণণীয় নহওক। আত্মসমালোচনাতো দুষ্প্ৰাপ্য বস্তুৱেই। Appearance-ৰ মাজৰ পৰা আচল সত্য উদ্ধাৰ কৰাৰ আগ্ৰহ আৰু অধ্যৱসায় তেওঁলোকৰ যেন নাই। কোনো এটা বস্তুকে সম্ভৱপৰ সকলো দিশৰ পৰা পৰীক্ষা কৰাৰ শিক্ষা তেওঁলোকে নিজেও লব পৰা নাই, আনকো দিব পৰা নাই। বিশেষকৈ প্ৰতিক্ৰিয়াৰ বিভিন্ন ভাও-ভংগিমা উদঙাই দেখুৱাত এনে "চিন্তাৰ" অৱদান নগণ্য। তেওঁলোকৰ "চিন্তা" বহুৰূপী মধ্যবিত্ত সুবিধাবাদৰে শব্দবহুল সংস্কৰণ মাত্ৰ।

প্ৰকৃততে এনে নৈৰ্ব্যক্তিক আৰু নিৰাসক্ত মনোবৃত্তি বৈজ্ঞানিক চিন্তাধাৰাৰে অৱদান। অসমত বিজ্ঞান তথা বুৰ্জোৱা বিপ্লৱ পিছপৰা আৰু দুৰ্বল হোৱা বাবেই আমাৰ চিন্তা এনে সংকীৰ্ণ। অথচ ইতিমধ্যে আৰু মহান, আৰু ব্যাপক সমাজবিপ্লৱৰ ডাক আহিলেই। সমাজবাদৰ বাবে সংগ্ৰাম কেইবোৰ নতুন ধাৰণা আৰু সিদ্ধান্তৰ ওপৰত নিৰ্ভৰশীল হব। কিন্তু তাৰ লগে লগে সনাতন নাইবা বুৰ্জোৱা মোহ, ভ্ৰান্তি আৰু অন্ধবিশ্বাসৰ ওপৰতো তীব্ৰ আক্ৰমণ চলিব লাগিব।

তেনে সৎ আৰু ক্ৰান্তিকাৰী চিন্তাৰ ক্ষণ আহিছে। আনহাতে

তাৰ সম্ভাৱনাৰ বিৰুদ্ধে থিয় দিছে মধ্যবিত্ত সুবিধাবাদ আৰু ফেছিবাদী বৌদ্ধিক গুণ্ডামি। চৰিত্ৰহনন, নিৰ্লজ্জ স্বাৰ্থৰ ওকালতি আৰু বিতৰ্কৰ নামত চক্ৰান্ত হ'ল ৰক্ষণশীল চিন্তাহীনতাৰ প্ৰধান অস্ত্ৰ। নতুন সৃষ্টি আদৰিব পৰা নৈতিক সংসাহস আৰু মনোবল নহলে পাঠকেও এনে ধৰণৰ খেলিমেলিৰ ওচৰত আত্মসমৰ্পণ কৰিব। "সমাজ আৰু সমালোচনাৰ" প্ৰেৰণা হ'ল এনে খেলিমেলিৰ বিৰুদ্ধে ক্ৰোধ আৰু ঘৃণা।

ইয়াৰ প্ৰবন্ধবোৰৰ কেইটামান পূৰ্ণবিকশিত আৰু কেইটামান আংশিক, ইংগিতময়, নক্সাধৰ্মী। কোনো চূড়ান্ত সত্য উদ্ঘাটন কৰাৰ দুঃসাহসেৰে এইবোৰ ৰাইজৰ আগলৈ উলিওৱা নাই। বৰং প্ৰগতিশীল আৰু মাৰ্ক্সবাদী তত্ত্ব আৰু চিন্তাৰ নাওখন বঠা মাৰি পোনাবলৈ শিকাৰ উদাহৰণ স্বৰূপেই প্ৰবন্ধবোৰ লোৱা ভাল হব। অৱশ্যে এনে শিক্ষাৰ গতিপথ অনুসৰণ কৰিলে পঢ়ুৱৈ সমাজৰো উপকাৰ হব বুলি ভবা হৈছে।

তথ্য আৰু সিদ্ধান্তৰ ফালৰ পৰা কোনো কোনো ঠাইত ভুল হৈ গ'ল। উদাহৰণ স্বৰূপে ৰুছদেশৰ পিছপৰা পুঁজিবাদো বৈদেশিক পুঁজিবাদৰ সহায়ত সাম্ৰাজ্যবাদৰ ফালে আগুৱাই গৈছিল। ১৯১৭ৰ আগৰ দুইতিনি দশকত ৰুছ দেশত পুঁজিবাদী শিল্পৰ অগ্ৰগতি চমকপ্ৰদ। এইবাবেই তাত শ্ৰমিক শ্ৰেণীয়ে বিপ্লৱৰ নেতৃত্ব দিব পাৰিলে। এই কথাটো মোৰ গান্ধীবাদৰ ওপৰত প্ৰবন্ধত উল্লিখিত হোৱা নাই। আনহাতে ৰুছদেশৰ ১৯১৭ চনৰ বিপ্লৱ মাৰ্ক্স-এংগেল্ছৰ কল্পনাৰ উন্নত পুঁজিবাদী দেশৰ বিপ্লৱ নাছিল। বেজবৰুৱাৰ ওপৰত থকা প্ৰবন্ধত উনুকিওৱা নাই যে বি. বৰুৱাৰ লগত বিচ্ছেদৰ সময়তে তেওঁ তেওঁৰ প্ৰিয়তমা কন্যা সুৰভিক হেৰুৱাইছিল। এই দুখে বি. বৰুৱাৰ "শঠতা"ৰ আঘাত তীব্ৰতৰ কৰিছিল। এনে ধৰণৰ খুঁট আৰু ওলালে ৰাইজে আঙুলীয়াই দিয়ে যেন। পৰৱৰ্ত্তী সংস্কৰণত সংশোধন কৰাৰ চেষ্টা কৰা হব।

প্ৰবন্ধবোৰ লেখাৰ সময়চোৱাত লেখকে যথাক্ৰমে শ্ৰীযুত তাৰকচন্দ্ৰ গোস্বামী, ডঃ প্ৰণবজ্যোতি ডেকা, শ্ৰীযুত হীৰেন দত্ত, শ্ৰীযুত পবিত্ৰ ডেকা, শ্ৰীমান অশোক ভাগৱতী আৰু শ্ৰীমান ৰঞ্জিৎ দেবগোস্বামীৰ পৰা আলাপ-আলোচনাৰ জৰীয়তে বা আনধৰণে সহায় আৰু প্ৰেৰণা পাইছিল। এই সুযোগতে তেওঁলোকৰ প্ৰতি আন্তৰিক ধন্যবাদ জনালোঁ।

—হীৰেণ গোহাঁই

•• ইয়াত আছে •••

১। সমাজ আৰু সমালোচনা ... ৯
২। গান্ধীজীৰ সমাজবাদৰ ব্যুৎপত্তি ... ১৭
৩। গান্ধীজীৰ সমাজবাদৰ নৈতিক দিশ ... ৩৯
৪। মফিজুদ্দিন আহমদ হাজৰিকাৰ আধ্যাত্মভাৱ ... ৫১
৫। গান্ধীবাদ আৰু লেনিনবাদ ... ৬৩
৬। বেজবৰুৱাৰ জীৱনৰ এটা অধ্যায় ... ৬৯
৭। শংকৰদেৱৰ চৰিত্ৰ অধ্যয়ন ... ৭৩
৮। বুদ্ধিজীৱীৰ ভূমিকা ... ৮২
৯। দুটা সম্পাদকীয় ঃ অসম সাহিত্য সভা ... ৯২
১০। অসমত সাংবাদিকতা ... ৯৬
১১। বুৰ্জোৱা দেশৰ প্ৰশংসাত ... ১০১
১২। বোম্বে' চিনেমা মুৰ্দ্দাবাদ ... ১১০
১৩। সাহিত্য আৰু ৰাজনীতি ... ১১৫
১৪। লেনিনৰ সাহিত্য চিন্তা ... ১২২
১৫। লে'নিন আৰু অৰ্থনীতিবাদ-বিৰোধী সংগ্ৰাম ... ১২৬
১৬। অসমৰ বৌদ্ধিক জীৱন ... ১৪০

॥ সমাজ আৰু সমালোচনা ॥

সাহিত্য সমালোচনা সূক্ষ্ম কাৰিকৰিৰ শিল্প। সাহিত্যবস্তুৰ খুটিনাটি বিচাৰ কৰোঁতে যদি ক'ৰবাত সামান্যও ভুল হয়, তেন্তে সমগ্ৰ বস্তুৰ ওপৰত বায় দিওঁতে আউল লাগিব পাৰে—কাৰণ ক'লৃৰিজ্ প্ৰমুখ্যে সমালোচকসকলে কৈ যোৱা মতে সাহিত্যৰ অংশ আৰু অবয়ব (parts আৰু whole)ৰ মাজত স্পষ্ট সীমাৰেখা নাই। খুটিনাটিৰ বিশ্লেষণ আৰু বিচাৰত আধুনিক সমালোচনা বহুত আগবাঢ়ি গৈছে। বিশেষকৈ আধুনিক মাৰ্কিন সাহিত্য-আলোচনীত তাৰ সূক্ষ্মাতিসূক্ষ্ম বিচাৰে তুলাধুনাদি কবিতা ধুনিব ধৰিছে। এইবোৰ চেলাৰ আদিগুৰুসকলে কবিতাৰ ভাষাত কেতবোৰ স্বতন্ত্ৰ বৈশিষ্ট্য লক্ষ্য কৰিছিল সংযোগ (communication) আৰু বচনৰ (discourse) দিশৰ পৰা। উদাহৰণস্বৰূপে মাৰ্কিন তাত্ত্বিক জন ক্ৰ' ৰেন্সমৰ মতে কবিতাৰ ভাষা হ'ল মানুহৰ বাবে জগতৰ শৰীৰ : বিজ্ঞানে যদি বিশ্বজগতক কেতবোৰ সাধাৰণ ভাবগত নিয়মৰ সংগঠন যেন দেখে, কবিতাই আবিষ্কাৰ কৰে ৰূপ-ৰস-গন্ধে ভৰা তাৰ বিশেষ ইন্দ্ৰিয়গ্ৰাহ্য সত্তা, সাধাৰণ নিয়মে যাক কেতিয়াও প্ৰকাশ কৰিব নোৱাৰে। ক্লে'য়াস্থ ব্ৰুক্‌ছৰ মতে সাহিত্যবস্তুৰ ভাষাৰ প্ৰাণ হ'ল

পেৰাডক্স্ আৰু আয়ৰ্নি—যুক্তিৰ সীমাৰ বাহিৰলৈ যোৱা, আপাত-দৃষ্টিত বিৰোধপূৰ্ণ অথচ গভীৰ সত্যৰ আভাস দিব পৰা ধৰণৰ উক্তি আৰু বচনভংগী। ব্ৰিটিছ্ সমালোচক উইলিয়ম্ এ'ম্প্‌ছনেও ভাবে যে কবিতাৰ লক্ষণ হ'ল তাৰ বিচিত্ৰ দ্ব্যৰ্থতা (ambiguity)। কবিতাৰ ৰহস্য অলৌকিক বুলি এৰি নিদি এওঁলোকে তাক ৰাজহুৱা ভাবে বিশ্লেষণ কৰিব খুজিছে। কিন্তু তাৰ পৰিণাম আৰু প্ৰচ্ছন্ন উদ্দেশ্যত আন এক ৰহস্যৰহে সন্ধেদ পোৱা যায়।

অৰ্থাৎ কবিতাৰ স্বকীয় স্বৰূপ তন্নতন্নকৈ বিশ্লেষণ কৰিলেও এওঁলোকৰ শেষ আশ্ৰয় সাহিত্যৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বাহিৰৰ এটা মেটাফিজিক্ল ধাৰণা। বৈজ্ঞানিক দৃষ্টিকোণৰ বিকল্প হিচাবে যে আন এটা দৃষ্টিকোণ থাকিব পাৰে, সেয়ে তেওঁলোকৰ কেন্দ্ৰীয় বক্তব্য। কবিতাবোৰ তাৰেই উদাহৰণ মাত্ৰ। আচৰিত নহয় এ'ম্প্‌ছনৰ বাহিৰে এওঁলোকৰ অনেকেই অৱশেষত ঈশ্বৰচিন্তাত শৰণ লৈছে। এলে'ন টেইট্ কেথলিক ধৰ্ম্মাৱলম্বী, ব্ৰুক্‌ছে তেওঁৰ শেহতীয়া কিতাপখনৰ নাম দিছে The Hidden God (গোপন ঈশ্বৰ)। বৈজ্ঞানিক চিন্তাৰ বিৰুদ্ধে প্ৰতিক্ৰিয়াস্বৰূপে এওঁলোকে বিষয়ীগত আৰু সাংস্কৃতিক দৃষ্টিকোণ তথা বচনভংগীৰ হৈ ওকালতি কৰিছে। এই ভাবধাৰা উলাই কৰিব পৰা নহলেও ভগবৎভক্তিত শৰণ লবলৈ বহুতৰে প্ৰবল আপত্তি থাকিব পাৰে।

বিদগ্ধ ইংৰাজ সমালোচক এফ্ আৰ্ লীবিচৰ দৃষ্টিকোণ ইমান মে'টাফিজিক্ল নহয়। কবিতাৰ সাংস্কৃতিক পটভূমি সম্পৰ্কে তেওঁ সচেতন। তেওঁৰ মতে প্ৰতিটো জাতীয় সাহিত্যৰ ধাৰা এক বিশেষ ঐতিহাসিক সংস্কৃতিৰ প্ৰকাশ। আৰু সংস্কৃতি হ'ল মানবাত্মাৰ (human spirit) অভিব্যক্তি। সাহিত্য সমালোচনা সেইবাবে শেহান্তৰত সেই জাতীয় ঐতিহ্যৰ তথা সংস্কৃতিৰ ৰেহ-ৰূপ আবিষ্কাৰ কৰাৰ আৰু জীৱিত ৰখাৰ উপায়। নব্য সমালোচনাৰ নানা পদ্ধতি আৰু কৌশল তেওঁ ব্যৱহাৰ কৰিছে

বিজ্ঞানে ধৰিব নোৱাৰা সাংস্কৃতিক প্ৰমূল্য আৰু উপলব্ধি সমূহ আবিষ্কাৰ আৰু প্ৰকাশ কৰিবলৈ। তেওঁৰ ধাৰণা যে এই মানবীয়, আধ্যাত্মিক ঐতিহ্যৰ মাৰাত্মক শত্ৰু হ'ল যন্ত্ৰশিল্পৰ বহুতীয়া আৰু পুঞ্জ সমাজৰ (mass society) অনুকূল একধৰণৰ অন্তঃসাৰশূন্য সম্ভোগবাদ। লীবিচৰ ৰচনাৱলী ঘাইকৈ এই সম্ভোগবাদৰ বিৰুদ্ধে এটা সুদীৰ্ঘ আৰু সমৃদ্ধ ভাষণ। সনাতন বিশ্বাসৰ পাপপুণ্যৰ সংগ্ৰামে যেন লীবিচৰ ৰচনাত আধুনিক দেহ ধাৰণ কৰিছে।

বৰ্ত্তমানৰ সাহিত্য সমালোচনা সেয়ে "বিশুদ্ধ" সমালোচনা নহয়। আগতে দেখুৱাই অহা মতে সি আধুনিক জগতৰ বিজ্ঞানসৰ্বস্ববাদৰ বিৰুদ্ধে পৰোক্ষ প্ৰতিবাদ। এই বিজ্ঞানসৰ্বস্ববাদৰো উহ আন এঠাইতহে। মোৰ বিশ্বাস যে "বিজ্ঞান আৰু যন্ত্ৰশিল্পৰ" ওপৰত কেতবোৰ বুৰ্জোৱা মনিষীৰ অত্যধিক আস্থা বুৰ্জোৱা সমাজৰ স্বভাৱগত fetishismৰ (জড়োপাসনাৰ) লক্ষণহে। সি উৎকেন্দ্ৰিক পুঁজিবাদৰ পৰিণাম। যেহেতু পুঁজিবাদী সমাজত বিজ্ঞান আৰু যন্ত্ৰশিল্পৰ উন্নতি হয় ব্যৱসায় তথা পুঁজিৰ খাটিৰত, সেয়ে তাৰ ওপৰত সমাজৰ শাসন নাথাকে। তেনে সমাজত সমাজৰ বিকাশ আৰু পৰিৱৰ্ত্তনৰ নিয়মবোৰ বৈজ্ঞানিক ধৰণে অধ্যয়ন কৰা নহয়। সেয়ে সমাজৎ শাসনে যে বিজ্ঞানক বাট দেখুৱাই নিব পাৰে তেনে ধাৰণা কাৰো মনলৈ নাহে। যি দেশত দুখদাৰিদ্ৰ্যৰ অৱসান হোৱা নাই, তাতো এইবাবেই মানুহমৰা অস্ত্ৰ নাইবা বিলাসসামগ্ৰীৰ গৱেষণাত কোটি কোটি টকা খৰচ হয়। ফলত বৈজ্ঞানিক গৱেষণাৰ মাজতো সংকীৰ্ণ পেছাদাৰী মনোভাব বদ্ধমূল হয় আৰু বিজ্ঞানচৰ্চাৰ সামাজিক তথা মানবীয় লক্ষ্য অস্পষ্ট হৈ পৰে, এনেকৈয়ে সমাজত একধৰণৰ লক্ষ্যহীন scientism বা বিজ্ঞান-আৰাধনা প্ৰবল হৈ পৰে। কাৰো কাৰো চকুত এই স্বয়ংক্ৰিয় বিজ্ঞানৰ অগ্ৰগতিয়েই জীৱনৰ চৰম সাৰ্থকতা হৈ পৰে। আনহাতে শিল্পী, মানববিদ্যাৰ ৰক্ষক আৰু মূল্যবোধৰ সন্ধানী সকলৰ চকুত বৈজ্ঞানিক গৱেষণাৰ প্ৰসাৰ

আৰু অগ্ৰগতি এটা মোহগ্ৰস্ত দানৱৰ অগ্ৰগতি যেন লগা হয়। (কোৱা বাহুল্য দুয়োটা ধাৰণাই আংশিক আৰু অৰ্দ্ধসত্য।) এনে বিজ্ঞানপূজাৰ বিৰুদ্ধে কিছুমান সাহিত্য সমালোচকেও জেহাদ ঘোষণা কৰে—সাহিত্যৰ স্বকীয় প্ৰদেশৰ স্বাধীনতা ঘোষণা কৰি।

কোৱা বাহুল্য সাহিত্য সমালোচনাৰ মাজত আন বহু ধৰণৰ প্ৰচ্ছন্ন মতবাদ থাকিব পাৰে। কোনো কোনো ফৰাচী অতি বামপন্থীৰ মতে সাহিত্য সমালোচনা বস্তুটোৱেই প্ৰতিক্ৰিয়াশীল। খেনোৰ মতে ভাষা বস্তুটোৱেই ৰক্ষণশীল আৰু বৰ্জনীয়। এওঁলোকে যে মানুহৰ এটা তেজমঙহৰ শৰীৰ থকাবাবে আপত্তি তোলা নাই, সি আমাৰ সৌভাগ্য! এনেবোৰ অসংগত বা অসত্য ভাবধাৰা সমালোচনাত আত্মগোপন কৰি থাকিব পাৰে বুলিয়েই সমালোচকৰ পৰা তেওঁৰ যুক্তিৰ প্ৰমাণ স্বৰূপে পাঠকে বিশ্লেষণ আৰু খুটিনাটিৰ আলোচনা দাবী কৰা উচিত। তেনেহলে সেইবোৰ detailৰ ব্যাখ্যা তেওঁৰ মনঃপূত হৈছে নে নাই সেই সম্পৰ্কে পাঠকে স্বাধীনভাবে বিচাৰ কৰি কিবা এটা সিদ্ধান্তলৈ আহিব পাৰে। তাতোকৈ ডাঙৰ কথা, সমালোচকৰ মূল ধাৰণা আৰু প্ৰমূল্যবোৰৰ সম্পৰ্কে তেওঁ স্বয়ং সচেতন আৰু স্পষ্টবাদী হব লাগে। কাৰণ detail বা খুটিনাটিৰ নিৰ্বাচন আৰু ব্যাখ্যা সমালোচকৰ কেন্দ্ৰীয় ভাবধাৰা অনুযায়ীহে হয়।

অৱশ্যে সাহিত্য সমালোচনাৰ পদ্ধতিৰ এটা নিজস্ব বৈশিষ্ট্য আছে। ইয়াত মূল্যবোধ আৰু কেন্দ্ৰীয় ভাবধাৰাৰ পৰা অংক কচাদি সমালোচকে তেওঁৰ সিদ্ধান্ত deduce কৰিব নোৱাৰে। আৰু খুটিনাটিৰ আলোচনাও বিশুদ্ধ খুটিনাটিৰ মাজত সোমাই থাকিব নোৱাৰে। হে'গেলে সংজ্ঞা দিয়া concrete universalৰ বিচাৰৰ পদ্ধতিত বিষয়বস্তুৰো প্ৰতিফলন ঘটে। সমালোচক সহৃদয় আৰু সমালোচনাৰ প্ৰাণ হ'ল ৰসবোধ। মূল principle বোৰৰ লগত তেওঁৰ বিভিন্ন বিশেষ বিশেষ মন্তব্যৰ সম্পৰ্ক নিগূঢ় আৰু অবিচ্ছেদ্য। কিন্তু এনে ক্ষমতা থকা মানুহ সমাজত কেইজন ওলাব পাৰে?

সেয়ে Leavis প্ৰমুখ্যে সকলোৱে এটা enlightened minority-ক—যি কোনো বিশেষ সংস্কৃতিৰ প্ৰধান বাহক—সমালোচনাৰ দায়িত্ব লব পৰা যোগ্য ৰসিকৰ দল বুলি ভাবে। কাৰণ তেওঁলোকৰ মনত সাধাৰণ মূল্যবোধ আৰু ৰুচিয়ে আলাপ আলোচনাৰ যোগেদি এক সাধৰ্ম্য আৰু সহৃদয়তা সৃষ্টি কৰিব পাৰে। কিন্তু আন্তৰিকভাবে প্ৰতিটো জাতিতে কেৱল এটা মাত্ৰ এনে গোষ্ঠী আছে বুলিব নোৱাৰি —প্ৰকৃততে গণতান্ত্ৰিক পুঁজিবাদী সমাজত এনে elite কেইবাটাও থাকিব পাৰে যাৰ মতামতৰ মাজত বিশেষ প্ৰভেদ আছে। তদুপৰি আজি সমগ্ৰ পৃথিবী জুৰি এনে elitismৰ crisis (সংকট) দেখা গৈছে। সকলো ঠাইতে সৰ্বসাধাৰণে উচ্চশিক্ষা আৰু সংস্কৃতিৰ বাবে হেঁপাহ প্ৰকাশ কৰিছে। জীৱনৰ চূড়ান্ত সিদ্ধান্তবোৰ মুবুজাকৈ এটা শিক্ষিত গোষ্ঠীৰ নিৰ্দেশমতে লবলৈ সৰ্বসাধাৰণ যেন ক্ৰমাৎ অনিচ্ছুক হৈ উঠিছে। বাস্তৱ অভিজ্ঞতাত সদায় তাৰ ফল বেয়া হোৱা নাই। অৱশ্যে ব্যৱসায়প্ৰধান পুঁজিবাদী সমাজত এনে ধৰণৰ শিক্ষাপ্ৰসাৰ বিকৃত হোৱাটোও আচৰিত নহয়। কিন্তু বিভিন্ন সংস্কৃতিৰ মিশ্ৰণ আৰু উচ্চশিক্ষাৰ ব্যাপক প্ৰচাৰৰ দিনত লীবিচহঁতৰ আক্ৰমণ সংগত হলেও তেওঁলোকৰ সমাধান বাস্তৱধৰ্মী নহয়। কেম্ব্ৰিজ বিশ্ববিদ্যালয়েই লীবিচৰ সকলো আঁচনি মানি লবলৈ টান পালে।

লীবিচহঁতৰ ধ্যানধাৰণাই যদি সমালোচনাৰ ভবিষ্যৎ ভূমিকা নিৰ্দ্ধাৰণ নকৰে, তেন্তে কব লাগিব যে ভবিষ্যৎ সমাজৰ গঢ় গতিয়েই সেই ভূমিকা নিৰ্দিষ্ট কৰিব। সাহিত্যক ভবিষ্যতে কি ধৰণে গ্ৰহণ কৰা হয়, তাৰ পৰা ৰক্ষণশীল ভাবধাৰা শিক্ষা কৰা হয় নে অন্ধ প্ৰগতিবাদ আয়ত্ত কৰা হয়, নে কোনো পূৰ্ণাংগ দ্বান্দ্বিক দৃষ্টিকোণ সাহিত্যই সমৃদ্ধ কৰিব—সমাজৰ গঠনেহে তাক ঠিৰাং কৰিব। আৰু সেয়ে সাহিত্য সমালোচনা সমাজতত্ত্ব তাক সামাজিক সমালোচনাৰ পৰা আঁতৰত ৰাখিব নোৱাৰি। তাহানিয়েই মেথ্যু আৰ্ণল্ডে সমালোচনা (criticism) শব্দটো বহল অৰ্থত ব্যৱহাৰ কৰি থৈ

গৈছিল। যাইকৈ তেওঁ আঙুলীয়াইছিল জীৱনযাত্ৰাৰ সৌষ্ঠৱ আৰু বৌদ্ধিক অনুশীলনৰ ব্যাপকতা আৰু গভীৰতালৈ। কিন্তু আৰ্ণল্ডে তেওঁৰ সমাজখনৰ ভিত্তিমূলত আঘাত কৰিব খোজা নাছিল। তেওঁৰ কল্পিত সমালোচনাই প্ৰতিষ্ঠিত সমাজখনকে ঘঁহিমাজি সুন্দৰ কৰিব। কিন্তু এনে ধৰণৰ অৰ্দ্ধৰক্ষণশীল লিব্‌ৰেলিজ্‌মৰ ওপৰত আজিকালি আস্থা ৰখা টান।

মাৰ্ক্সবাদে বিশ্বাস কৰে যে বহুদূৰ অচেতন হ'লেও সমাজৰ পৰিৱৰ্ত্তন অদৃষ্টৰ নিয়মত নহয়। সচেতনভাবে মানুহে তাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। সমাজ আৰু সভ্যতা সম্পৰ্কে মাৰ্ক্সবাদৰ সামগ্ৰিক দৃষ্টিকোণ আছে। সেয়ে সাহিত্যসমালোচনাত মাৰ্ক্সবাদৰ প্ৰয়োগ পূৰ্বোক্ত ৰক্ষণশীলতা বা ঈশ্বৰচিন্তাৰ দৰে নিষ্ক্ৰিয় নহয়। বহল অৰ্থত মাৰ্ক্সবাদী সাহিত্যচিন্তা প্ৰয়োগবাদী। অৱশ্যে তাৰ সংকীৰ্ণ ব্যাখ্যাও যে হব পাৰে, তাকে এই সংকলনৰ "লেনিনৰ সাহিত্যচিন্তা" প্ৰবন্ধত ব্যাখ্যা কৰিছোঁ। সমাজ বস্তুটো এনে জড়পদাৰ্থ নহয় যে লেবৰেটৰিৰ বস্তুৰ দৰে তাক যেনি ইচ্ছা তেনি পোনাব পাৰি। সচেতন মানুহক পৰিৱৰ্ত্তনমুখী কৰিবলৈ হলে নেতা তথা পথপ্ৰদৰ্শক-সকলৰ মাজত মানুহ সম্পৰ্কে concrete understanding লাগিব —এই বোধ বা শিক্ষাৰ সকলোতকৈ ডাঙৰ মাধ্যম হ'ল সাহিত্য। এই concrete understanding অবিহনে জবৰদস্তি কৰাৰ ফলত চোবিয়েʼৎ ৰাষ্ট্ৰত সাহিত্যয়ো মাৰ খাইছে, সমাজতো বিকৃতি ঘটিছে।

কিন্তু অসমত যথাৰ্থ সাহিত্যচিন্তা প্ৰবৰ্ত্তন কৰিবলৈ ডাঙৰ অসুবিধা আমাৰ ইয়াত বিশ্লেষণধৰ্মী, বস্তুনিষ্ঠ চিন্তাচৰ্চাৰ ঐতিহ্যৰ অভাব। আমাৰ অতীতৰ আধ্যাত্মিক শাস্ত্ৰসমূহত কেতিয়াবা মনস্তাত্বিক আৰু সাংসাৰিক অন্তৰ্দৃষ্টি থাকিলেও সি ধৰ্ম্মনিৰপেক্ষ আধুনিক জীৱনৰ চিন্তাৰ আহি হব নোৱাৰে। তাৰ প্ৰধান সম্পদ যুক্তিবাদ নহয়, তাৰ পদ্ধতি সাক্ষ্যপ্ৰমাণৰ ভিত্তিত পৰীক্ষামূলক

সিদ্ধান্ত অৱলম্বন নহয়, উপলব্ধি আৰু অন্তর্দৃষ্টিহে। প্ৰকৃততে বুর্জোৱা শ্ৰেণীৰ সামন্তবাদ আৰু ধৰ্মানুষ্ঠান বিৰোধী সংগ্ৰামৰ অস্ত্ৰ হিচাবেই আধুনিক যুক্তিবাদ আৰু বৈজ্ঞানিক চিন্তাধাৰাই গঢ় লয়। অসম দুৰৰে কথা, প্ৰাচীন ভাৰতৰ তৰ্ক আৰু ন্যায়শাস্ত্ৰত বিদগ্ধ পণ্ডিতসকলৰ মাজতো সনাতন সমাজব্যৱস্থা আৰু ঐতিহ্যৰ প্ৰতি পৰীক্ষামূলক মনোভাব দকৈ শিপাব নোৱাৰিলে। (দেবীপ্ৰসাদ চট্টোপাধ্যায়ৰ Indian Philosophy : a popular introduction পঢ়ক) তাৰ পিছত ব্ৰিটিছ ঔপনিবেশিক আমোলতো যি বুৰ্জোৱা শ্ৰেণীক চৰকাৰে পৃষ্ঠপোষকতা কৰি ডাঙৰদীঘল কৰিলে, তেওঁলোকৰ মাজতো বৈজ্ঞানিক দৃষ্টিকোণ গজগজীয়া ন'হল। হয় সাম্ৰাজ্যবাদ নহয় সনাতন ঐতিহ্য—তাৰে বহতীয়া হিচাবেই আমাৰ চিন্তাৰ্চৰ্চাই যেন বাট বুলিলে।

অসমত এনেতৰহৰ যুক্তিবাদ নিষ্ঠাৰে চৰ্চা কৰা মানুহ আছিল "হেমকোষ"ৰ ৰচয়িতা হেমচন্দ্ৰ বৰুৱা। তেওঁ বস্তুবাদী আছিল বাবে আত্মাত বিশ্বাস নকৰিছিল, কৈছিল যে সুৰাৰ spiritতহে তেওঁৰ বিশ্বাস আছে। তেওঁৰ শেষ ইচ্ছা আছিল যেন ধৰ্মীয়মতে তেওঁৰ দেহ সংকাৰ কৰা নহয়। সেই ধৰণৰ স্বাধীনচিন্তা আৰু যুক্তিবাদী সংসাহস তাৰ পিছত বিৰল। এতিয়াও নানাধৰণৰ গোঁজামিল আৰু আপোচৰ মাজেৰেই আমাৰ ভাবুকসকলৰ ভাবৰ লহৰ বৈ আছে। তেওঁলোকৰ নাই এটা সত্য শেষ পৰ্য্যন্ত অনুসন্ধান কৰাৰ ধৈৰ্য্য, নাই সেই আবিষ্কাৰৰ পিছত তাৰ হৈ জীৱন দিব পৰা সাহস আৰু মনোবল। সেয়ে আমাৰ বৌদ্ধিক জগতত কুৎসা আৰু চেলেপু ব্যঙ্গকবিতাই যিমান আলোড়ন তোলে, দিগ্‌দৰ্শী চিন্তাই তাৰ শতাংশও নোৱাৰে। ব্যক্তিগত ভালপোৱা আৰু হিংসা, চাকৰি আৰু ধনলাভ, নাইবা বঞ্চিত মানুহৰ মাজত প্ৰবল নৈৰ্ব্যক্তিক ঈৰ্ষা—এনেধৰণৰ টনা-আঁজোৰাত অসমীয়া চিন্তাৰ পিট মৰি গৈছে। বুদ্ধিজীৱীৰ মাজতে য'ত এনেধৰণৰ ফিলিষ্টিনিজম্—তাত বুদ্ধিৰ

দাম হব ক'ৰ পৰা ? বৰ বেছি কার্ট ক্লাছ পালে বাইজে অলপ স্বীকৃতি দিয়ে ছুদিনৰ বাবে।

এতিয়া আকৌ প্রগতিবাদৰ ধাৰা শতধাবিচ্ছিন্ন হৈ আকৌ সেই অৱস্থাকে চালু ৰাখিব ধৰিছে। আমাৰ বিভিন্ন বামপন্থী দলৰ মাজত পাৰিবাৰিক কুৎসা ৰটনা যিমান চলে, তাত্ত্বিক বিতর্ক তাতকৈ বহুত কম হয়। ইয়াক এটা সুস্থ পৰিবেশ বুলিব পাৰিনে ? চিন্তা আৰু বোধক এনে পৰিবেশে পুষ্ট কৰিবনে ?

আশা কৰিছোঁ আমাৰ পিছৰ যুগৰ ছাত্রছাত্রীয়ে সেইকণ ধৈর্য্য, নিষ্ঠা আৰু মনোবল আয়ত্ত কৰি অসমৰ বৌদ্ধিক জীৱন সম্পূর্ণ কৰিব আৰু সমাজ আৰু সভ্যতাৰ প্ৰকৃত ৰূপান্তৰৰ পথ মুকলি কৰিব।

॥ গান্ধীজীৰ সমাজবাদৰ ব্যুৎপত্তি ॥

"Things happen in quite a different way from what M. Proudhon imagines. The very moment civilisation begins, production begins to be founded on the antagonism of orders, estates, classes, and finally on the antagonism of accumulated labour and actual labour. No antagonism, no progress. This is the law that civilisation has followed up to our days." —Karl Marxs: The Poverty of Philosophy,'

সমাজবাদ কেৱল দুৰ্গত আৰু দৰিদ্ৰ শ্ৰমিক শ্ৰেণীৰে সপোন নহয়। তাহানিয়েই মাৰ্ক্সে দেখুৱাই থৈ গৈছিল যে পুঁজিবাদৰ অগ্ৰগতিয়ে নিম্ন-মধ্যবিত্তৰ ওপৰত যি হেঁচা দিয়ে আৰু অতীত সমাজৰ ক্ষয়িষ্ণু সামন্ত শ্ৰেণীৰ ওপৰত মৃত্যুৰ যি ছাঁয়া নমাই আনে, তাৰেই প্ৰতিক্ৰিয়া স্বৰূপে উক্ত দুটা শ্ৰেণীৰ মাজতো এবিধ সমাজ-বাদী চিন্তাধাৰাৰ উদ্ভৱ হয়। বিলুপ্তিৰ পূৰ্ব-মুহূৰ্তত এইবোৰ শ্ৰেণীৰ মানস জগতত এখন সুখী, শান্ত, নিৰাপদ আৰু ন্যায়নিষ্ঠ সমাজৰ

কল্পৰূপ ফুটি উঠে। কোৱা বাহুল্য এইবোৰ শ্ৰেণীয়ে পূৰ্বে ভোগ কৰা ক্ষমতা বা সুযোগ-সুবিধা এই নতুন সমাজৰ ছবিত সাৰ্বজনীন হিচাপে সংৰক্ষণ কৰা হয়। সিহঁতৰ শ্ৰেণী-স্বাৰ্থ আৰু শ্ৰেণী-বুদ্ধিয়ে নানা কৌশলে সিহঁতৰ অজ্ঞাতসাৰে এই ছবিৰ চেহাৰা নিৰ্দ্ধাৰণ কৰে। 'কম্যুনিষ্ট মেনিফেষ্ট' পুস্তিকাৰ তৃতীয় অধ্যায়ত এনে হৰেক ৰকমৰ 'সমাজবাদ'ৰ সমালোচনা কৰা হৈছে। উনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত ইংলণ্ড আৰু ফ্ৰান্সত যি 'সামন্ত সমাজবাদ' (Feudal Socialism) গঢ় লৈ উঠে, তাৰ ভাবাদৰ্শত এহাতে যেনেকৈ বুৰ্জোৱা সভ্যতাৰ প্ৰতি তীব্ৰ আৰু বিষাক্ত সমালোচনা, আনহাতে তেনেকৈ ইতিহাসৰ গতিধাৰা সম্পৰ্কে এটা আঁকোগোজা ধৰণৰ অজ্ঞতা দেখা গৈছিল। আধুনিক যুগৰ সৰ্বহাৰা শ্ৰেণীৰ বিপত্তিৰ বাবে সিহঁতে বুৰ্জোৱা শ্ৰেণীক নিন্দা কৰে, কিন্তু পাহৰি যায় সিহঁতেও এদিন অন্য এক বাতাবৰণত দুখকাৰী মানুহক শোষণ কৰিছিল। তদুপৰি দেখা যায় সৰ্বহাৰা শ্ৰেণীৰ বৈপ্লৱিক চৰিত্ৰও ইহঁতৰ পছন্দ নহয়। ফলত পোনতে ইহঁতলৈ আকৃষ্ট হ'লেও ইহঁতৰ ভিক্ষাপাত্ৰৰ আঁৰত প্ৰাচীন সামন্তযুগীয় মথুৰা পাগটিৰ চিক্‌মিকনি দেখি অৱশেষত সৰ্বহাৰাই বিদ্ৰুপেৰে ইহঁতৰ সঙ্গ ত্যাগ কৰে।

আৰু এক শ্ৰেণীৰ 'সমাজবাদ' হ'ল নিম্ন-মধ্যবিত্ত সমাজবাদ (petty bourgeois Socialism)। মধ্যযুগৰ ধনী কৃষক আৰু অৱস্থাপন্ন বেপাৰী আছিল পৰৱৰ্তী যুগৰ মধ্যবিত্তৰ পূৰ্বপুৰুষ। শিল্প-বিপ্লৱ নোহোৱা অনুন্নত দেশবোৰত এইবোৰ শ্ৰেণী আধুনিক মধ্যবিত্তৰে সৈতে সহঅবস্থান কৰি থাকে। কিন্তু য'তেই মধ্যবিত্ত সভ্যতাৰ বয়ঃপ্ৰাপ্তি ঘটিছে ত'তেই ইহঁতৰ ভূমিকা হৈছে নতুন। সৰ্বহাৰা আৰু বুৰ্জোৱাৰ মাজত ইহঁতে দ্ৰুত উঠা-নমা কৰি থাকিব লগাত পৰিছে, ব্যক্তিগতভাৱে বহুতৰে সমুখত চৰম দাৰিদ্ৰ্যৰ বিভীষিকা, শ্ৰেণীগতভাৱে কৃষিশিল্প-ব্যৱসায়ত সিহঁতৰ স্বাধীন অস্তিত্বৰ বিলোপৰ সম্ভাৱনাও যেন সমাগত। ফ্ৰান্স আদি দেশত য'ত স্বাধীন

কৃষকৰ অনুপাত সৰহ—বুর্জোৱা সভ্যতাৰ সমালোচকসকলে এই কৃষক আৰু নিম্ন-মধ্যবিত্তৰ মানদণ্ডকে গ্ৰহণ কৰিছিল। এই দলৰ প্ৰতিও অৱশেষত পূৰ্বোক্ত দলটোৰ প্ৰতি থকা ৰূঢ়তাকে অৱলম্বন কৰিছে কাৰ্ল মাৰ্ক্সে। কিন্তু এওঁলোকৰ প্ৰতি মাৰ্ক্স কিছু সদয়:

"এই সমাজৱাদী সম্প্ৰদায়ে আধুনিক উৎপাদনৰ ব্যৱস্থাত থকা দ্বন্দ্বসমূহ বিশেষ তৎপৰতাৰে বিশ্লেষণ কৰি দেখুৱাইছিল। তথাকথিত অৰ্থনীতিবিদবিলাকৰ সকলো কপট ওকালতিৰ মুখা খুলি পেলাইছিল। যন্ত্ৰশিল্প আৰু শ্ৰম-বিভাজনৰ শোকাবহ পৰিণামবোৰ উদ্ঘাটন কৰিছিল: পুঁজি আৰু ভূসম্পত্তি এমুঠি মানুহৰ হাতত জমা হোৱাটো, বজাৰে গ্ৰহণ কৰিব নোৱাৰাকৈ অত্যধিক উৎপাদন (over-production) আৰু ফলস্বৰূপে হোৱা সঙ্কট। এওঁলোকে নিম্ন-মধ্যবিত্ত আৰু কৃষকৰ অনিবাৰ্য ক্ষয়, সৰ্বহাৰাসকলৰ বিপত্তি, উৎপাদনৰ অৰাজকতা, ধন বণ্টনত দেখা দিয়া মৰ্মান্তিক বৈষম্য, বিভিন্ন জাতিৰ মাজত শিল্পৰ স্বাৰ্থত হোৱা ক্ষয়ঙ্কৰ যুদ্ধ, সনাতন নৈতিক বন্ধনসমূহৰ অবক্ষয়, প্ৰাচীন পৰিয়াল-ব্যবস্থা আৰু গোষ্ঠীসমূহৰ অন্তিম দশালৈ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল।

"কিন্তু এওঁলোকৰ কাৰ্যকৰী লক্ষ্য আছিল প্ৰাচীন উৎপাদন আৰু বিনিময় ব্যৱস্থাৰ পুনঃপ্ৰৱৰ্তন। তাৰ লগে লগে আগৰ সম্পত্তি সম্পৰ্কসমূহ, আগৰ সমাজ ব্যৱস্থাৰ পুনৰুজ্জীৱন। অথবা আগৰ সম্পত্তি-সম্পৰ্কৰ গণ্ডীৰ ভিতৰত আধুনিক উৎপাদন আৰু বিনিময়ৰ পদ্ধতিক বন্দী কৰিব পাৰিলেও এওঁলোকৰ উদ্দেশ্য সিদ্ধি হ'লহেঁতেন —যদিও উক্ত প্ৰাচীন সম্পত্তি-সম্পৰ্কসমূহ এই নতুন উৎপাদন প্ৰক্ৰিয়াৰ বিকাশে ছিন্ন-ভিন্ন কৰাটো ধ্ৰুৱনিশ্চিত।

"উভয় ক্ষেত্ৰতে এই সম্প্ৰদায়ৰ কাৰ্যকৰী লক্ষ্য একাধাৰে প্ৰতিক্ৰিয়াশীল আৰু স্বপ্নবিলাসী (reactionary and utopian)……": ('Manifesto of the Communist Party': Foreign

Languages Publishing House, Moscow, 1949; pp 83-84).

মাৰ্ক্সৰ এই বুদ্ধিদীপ্ত আলোচনা Sociology of Knowledgeত নিশ্চয় এক গুৰুত্বপূৰ্ণ অৱদান। যিসকলে 'কমিউনিষ্ট মেনিফেষ্ট'ক কেৱল প্ৰপাগাণ্ডাৰ শাৰীত থয় তেওঁলোকে মন দি পঢ়িলে ইয়াত এনেধৰণৰ আৰু বহুত জানিবলগীয়া কথা পাব। এতিয়া প্ৰশ্ন হ'ল, মহাত্মা গান্ধীৰ সমাজবাদৰ আলোচনাত এই দৃষ্টিকোণৰপৰা কিবা নতুন পোহৰ পেলাব পৰা যাবনেকি ?

গান্ধীজীৰ চিন্তাধাৰাৰ পটভূমি অৱশ্যে আছিল সাম্ৰাজ্যবাদী শোষণৰ গৰাহত পৰা এখন দেশ আৰু তাৰ সমাজ। সন্দেহ নাই তেওঁৰ চিন্তাধাৰাৰ অন্যতম প্ৰধান ধৰণী হ'ল সাম্ৰাজ্যবাদৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া। সাম্ৰাজ্যবাদী শোষণৰ মাৰ্ক্সীয় ব্যাখ্যা যোগাইছে লেনিনে ! 'Imperialism, the Highest Stage of Capitalism' গ্ৰন্থত তেওঁ এই নতুন সাম্ৰাজ্যবাদৰ স্বৰূপ উদ্‌ঘাটন কৰিছে।

"ঔপনিৱেশিক নীতিৰ বহু 'পুৰণি' অভিপ্ৰায়ৰ লগত বিত্ত-পুঁজিয়ে (finance-capital) যোগ দিছে কেঁচামালৰ উৎপত্তি-স্থানৰ বাবে প্ৰতিযোগিতা, মূলধন ৰপ্তানিৰ বাবে অৰিয়াঅৰি আৰু 'প্ৰভাৱৰ পৰিসৰ' (spheres of influence)লৈ খোৱা-কামোৰা অৰ্থাৎ লাভজনক কাৰবাৰ, বেহাই আৰু একচেটিয়া মুনাফাৰ বাবে খোৱা-কামোৰা। মুঠতে অৰ্থনৈতিক অঞ্চলৰ বাবে প্ৰতিযোগিতা……"

"একচেটিয়া অধিকাৰ (monopolies), এমুঠি মানুহৰ অখণ্ড প্ৰতাপ (oligarchy), মুক্তিৰ ঠাইত ক্ষমতা লৈ অৰিয়া-অৰি, ক্ষুদ্ৰ বা দুৰ্বল জাতিবোৰৰ ওপৰত ধনী আৰু বলৱান জাতিবোৰৰ ক্ৰমবৰ্দ্ধমান শোষণ—সাম্ৰাজ্যবাদৰ এনেবোৰ স্বকীয় বৈশিষ্ট্যৰপৰাই বুজা যায় যে ই মাত্ৰ পৰাশ্ৰয়ী (parasitic) আৰু পতনমুখী পুঁজিবাদৰে ৰূপ।"

Imperialism, the Highest Stage of Capitalism', Chapter X, লেখকৰ অনুবাদ)

উক্ত কিতাপখনৰ ৬ষ্ঠ অধ্যায়ত লেনিনে দেখুৱাইছে ১৮৬০ চনৰ-পৰা উনবিংশ শতিকাৰ শেষ-ছোৱালৈকে এহাতে যেনেকৈ পুঁজিবাদে মুকলি প্ৰতিযোগিতাৰপৰা একচেটিয়া পুঁজিবাদ তথা বিত্ত-পুঁজি (financc-capital) লৈ উত্তীৰ্ণ হ'ল, সেইদৰে বিশ্বৰ সমস্ত ভূখণ্ডকে উপনিৱেশত পৰিণত কৰাত য়ুৰোপীয় পুঁজিবাদী দেশবোৰৰ তৎপৰতাও বাঢ়িল। মুঠতে পুঁজিবাদী সমৃদ্ধিৰ ফল সমগ্ৰ জনসাধাৰণৰ মাজত বিলাই নিদি য়ুৰোপৰ বিভিন্ন দেশে আন মহাদেশৰ অপুঁজিবাদী দেশবোৰৰ স্বাধীনতা হৰণত বিশেষ উদ্যম দেখুৱায়। উপনিৱেশৰ ভাগ লৈ সিহঁতৰ মাজত খোৱা-কামোৰাও বাঢ়ি যায়। মুনাফাৰ নিয়মৰ ই স্বাভাৱিক পৰিণতি।

এয়া হ'ল সম্ৰাজ্যবাদী দেশবোৰৰ কথা। সিহঁতৰ উপনিৱেশ-বোৰতো সিহঁতৰ বহু 'দস্থা-চৌড়া' কথা সত্ত্বেও মুনাফাৰ পৰাক্ৰম হ'ল। মালিক দেশবোৰৰ বাবে সিহঁতৰ একমাত্ৰ দাম হ'ল প্ৰচুৰ মুনাফা। সেইবোৰ দেশৰ গোলামিৰ প্ৰধান প্ৰধান বোজা আছিল আধুনিক শিল্পত ব্যৱহৃত কেঁচামাল সস্তাতে যোগান ধৰা, বিদেশী মহাজনৰ লাভৰ বাবে চাহ (ভাৰতবৰ্ষ), ককো (ঘানা), কুঁহিয়াৰ (ৱে'ষ্ট্ ইণ্ডিজ্), প্ৰভৃতি অৰ্থকৰী শস্যৰ ব্যৱসায়ী উৎপাদন, মূল সাম্ৰাজ্যবাদী দেশৰ মূলধনৰ বাঢ়নিকণ খটুৱাবলৈ প্ৰভূত সুবিধা দিয়া, আৰু বিদেশী পুঁজিবাদৰ বাবে দৰিদ্ৰ কিন্তু বিৰাট বজাৰ মুকলি কৰা। এনে পৰিস্থিতিত উপনিবেশসমূহৰ স্বকীয় পুঁজিবাদপূৰ্ব (precapitalistic) অৰ্থনীতিৰ অপূৰণীয় ক্ষতি হ'ল। অথচ সেই স্তৰ অতিক্ৰম কৰি স্বাধীন পুঁজিবাদী উন্নয়ন বা বিকাশৰ পথ লোৱাৰপৰাও সেইবোৰ দুৰ্ভগীয়া দেশক নিৰস্ত কৰা হ'ল।

১৯৩৯ চনত সেয়ে লিয়ঁ ট্রৎস্কিয়ে* লেখিছিল: "পুঁজিবাদৰ মাতৃভূমিসমূহত গণতন্ত্র নাকচ কৰি সাম্রাজ্যবাদে আনহাতে অনুন্নত দেশবোৰত গণতন্ত্রৰ অভ্যুত্থান বন্ধ কৰে। নতুন যুগটোত যে এখনো উপনিবেশ বা আধা' উপনিবেশে (semi-colony) বুর্জোৱা-গণতান্ত্রিক বিপ্লৱ সম্পন্ন কৰিবপৰা নাই—বিশেষকৈ কৃষিৰ ক্ষেত্রত—তাৰ প্রধান কাৰণ হ'ল সাম্রাজ্যবাদ: অৰ্থনৈতিক আৰু ৰাজনৈতিক প্রগতিৰ প্রধান অন্তৰায়। অনুন্নত দেশবোৰৰ প্রাকৃতিক সম্পদ দুহাতে লুণ্ঠন কৰি, সিহঁতৰ স্বাধীন শিল্পায়ন জোৰকৈ ৰোধ কৰি একচেটিয়া পুঁজি-সম্রাটহঁত আৰু সিহঁতৰ চৰকাৰবিলাকে লগে লগে ধন-বল, অস্ত্র-বল আৰু ৰাজনৈতিক সমৰ্থনেৰে সেইবোৰ দেশৰ স্থানীয় শোষকবিলাকৰ সকলোতকৈ প্রতিক্রিয়াশীল, পৰভোজী আৰু আধা-সামন্তবাদী দলবিলাকক থাপিত-সাঞ্চিত কৰি ৰাখিছে। কৃত্রিম উপায়ে সংৰক্ষিত কৃষিধৰ্মী বৰ্বৰতা (agrarian barbarism) বৰ্তমান বিশ্ব-অৰ্থনীতিৰ সবাতোকৈ মাৰাত্মক ব্যাধি।"

: Introduciion, The Living Thoughts of Karl Marx, (Premier Books, New York, 1963 P. 49। লেখকৰ অনুবাদ)

সাম্রাজ্যবাদেই ভাৰত আদি দেশৰ অনুন্নত অৱস্থাৰ বাবে ঘাইকৈ দায়ী। এই অনুন্নত অৱস্থাই অৱশ্যে ঔপনিবেশিক জনসাধাৰণৰে এচাম মানুহক সহায় কৰিছিল। বিদেশী পুঁজিবাদৰ মাল-মছলা সংগ্রহত সহায় কৰি তেওঁলোকে প্রচুৰ ধন ঘটিছিল। সেইদৰে দুৰ্বল সামন্তৰাজসকলৰ আয়ুস কৃত্রিম উপায়ে দীঘলীয়া

---

* প্রবন্ধ লেখকে নজনা নহয় বহু মাৰ্ক্সবাদী দলৰ চৰকাৰী নীতি মতে ট্রৎস্কিৰ নামোল্লেখ মহাপাপ। এই উল্লেখৰ পিচত নিঃসন্দেহে মোক 'ট্রৎস্কিপন্থী কুকুৰ' প্রভৃতি মধুৰ উপাধি দিয়া হ'ব কোনো কোনো চক্রত।

স্বয়ং লেনিনে তেওঁৰ নীতি আৰু ভাবধাৰাৰ বিৰোধী কাউৎস্কি আৰু হিল্‌ফে'ডিং প্রভৃতিৰ মন্তব্য যুক্তিযুক্ত হ'লে গ্রহণ কৰিছিল। এয়ে মোৰ কৈফিয়ৎ।

কৰিছিল সাম্ৰাজ্যবাদে—যাতে এইবোৰ পাগজামা পিন্ধা দালালৰ হাতত শান্তি ৰক্ষা আৰু শৃঙ্খলাৰ ভাৰ তুলি দি খাজানা সংগ্ৰহ আৰু অন্যান্য শোষণত সি মনোনিৱেশ কৰিব পাৰে। এইবোৰ দেশৰ প্ৰাচীন শোষক শ্ৰেণীয়ে বাহিৰৰপৰা যি অস্ত্ৰ-বল এইদৰে লাভ কৰিলে সি সিহঁতৰ প্ৰজাসমূহৰ বিক্ষোভ দমনত প্ৰধান সহায় হ'ল। সামন্তবাদী প্ৰভাৱ, উৎপাদনৰ লগত সম্পৰ্কহীন, অথচ শোষণধৰ্মী অৰ্থোপাৰ্জন, আৰু দেশীয় পুঁজিৰ যথাৰ্থ বিকাশত বাধাদান আজিও শেষ হোৱা নাই।†

বঙ্গদেশত হেনো প্ৰথমতে জমিদাৰবিলাকক চিৰস্থায়ী পট্টা দিওঁতে ইংৰাজ চৰকাৰে আশা কৰিছিল জমিদাৰবিলাকে ইংলেণ্ডৰ পুঁজিপতি কৃষকৰ দৰে ধন খটুৱাই কৃষি আৰু উৎপাদনৰ উন্নতি সাধিব। কিন্তু ফল হ'ল বেলেগ। ৰায়তৰ মাটিৰ ওপৰত অপাৰ ক্ষমতা লাভ কৰি দায়িত্বজ্ঞানশূণ্য জমিদাৰবিলাকে প্ৰজাৰপৰা নিৰ্মমভাৱে খাজানা চুঁচিবলৈ ধৰিলে। য'ত আকৌ চিৰস্থায়ী বন্দোৱস্তৰ প্ৰৱৰ্ত্তন নহ'ল তাতে সুদ-খোৰ মহাজনৰ প্ৰকোপ বাঢ়িল। মাটিৰ মালিকানা আইন-আদালতৰ বিষয় হৈ পৰাৰ লগে লগে আৰু ভূ-সম্পত্তিৰ ক্ৰয় আৰু হস্তান্তৰ আইন সম্মত হোৱাৰ লগে লগে মহাজনবোৰৰ লোলুপ দৃষ্টি পৰিবৈগে মাটিৰ ওপৰত। চৰা হাৰত নিৰক্ষৰ খেতিয়কক ধন ধাৰলৈ দি তেওঁলোকে হয় মাটিবোৰ নিজৰ হাতলৈ আনিলে, নহয় একালৰ স্বাধীন (দৰিদ্ৰ যদিও) খেতিয়কক ঋণ-দাসত্বৰ মহাপঙ্কত পেলালে। শোষণৰ সুবিধাৰ্থেই ইংৰাজে ভাৰতত মাটিৰ ব্যক্তিগত মালিকানা—সি ৰায়তৰে হওক বা জমিদাৰৰে হওক—আইনসম্মত

---

† ১৯২১ চনৰ চৰকাৰী বাৰ্ষিক বিবৃতি মতে লণ্ডনৰপৰা নিৰ্দেশ আহিছিল ভাৰতীয় শিল্পৰ উন্নতিত ভাৰত চৰকাৰে যেন সহায় নকৰে।

১৯২৭ চনৰপৰা Imperial Preference নীতি অনুসৰি ভাৰতত বৃটিছ পুঁজিবাদী শিল্পৰ প্ৰভুত্ব স্থাপিত কৰিবলৈ চৰকাৰী প্ৰচেষ্টা চলে।

এনে উদাহৰণ বহুতো।

কৰিছিল; আৰু এই শোষণৰ অনিবাৰ্য পৰিণাম আছিল আধুনিক ভাৰতীয় কৃষক শ্ৰেণীৰ শোকাবহ, নাৰকীয় দাৰিদ্ৰ্য। উনবিংশ শতিকাৰ মাজভাগতে মাৰ্ক্সে বৰ্ণাই গৈছিল বিদেশী পুঁজিবাদে কিদৰে ছলে বলে-কৌশলে ভাৰতীয় অৰ্থনীতিৰ অন্যতম ধৰণী—হস্ত-শিল্প (handicrafts)—বিধ্বস্ত কৰিছিল। ভাৰতৰ চুকে-কোণে তাৰ পিচতো লক্ষ লক্ষ হস্তশিল্পীয়ে লেলাই-ধেন্দাই জীৱন ধাৰণ কৰিছিল —জীৱন নিৰ্বাহৰ অইন বাট হিচাপে তেওঁলোকৰ বাবে নাছিল যথেষ্ট মাটি, নাছিল বৃহৎ কাৰখানা। এহাতে তেওঁলোকৰ স্বল্পপুঁজি আৰু অনুন্নত উৎপাদনৰ নগণ্য উৎপাদন-ক্ষমতা—আনহাতে আক্ৰমণাত্মক বিদেশী পুঁজিবাদৰ মুনাফালোভী শোষণ: দুয়োৰে যাঁত-কলত তেওঁলোকৰ জীৱন হৈছিল নিষ্পিষ্ট।

এনে পৰিৱেশত সাম্ৰাজ্যবাদৰ ধ্বংসাত্মক প্ৰভাৱৰ কৰাল গ্ৰাসত ভাৰতীয় সমাজৰ সকলো দিশেই পৰিছিল। আনহাতে আকৌ কোনো বিকল্প উৎপাদন ব্যৱস্থা ভাৰতত প্ৰৱৰ্তন কৰিবলৈ ইংৰাজ চৰকাৰৰ অনিচ্ছাই মৰণোন্মুখ সেই সমাজৰ বহু অনুষ্ঠান (institution) সেইবোৰৰ মুমূৰ্ষ অৱস্থাতো সংৰক্ষণ কৰিছিল। দেশীয় হস্ত-শিল্প বিধ্বস্ত হ'ল, কিন্তু তাৰ ভিত্তিত গঢ় লৈ উঠা শই শই বৰ্ণ বা জাতিয়ে তাৰ বৰ্ণ-সত্তা (caste identity) হেৰুৱাব পৰা নাছিল। গতিকে তাহানিৰ ভাৰতত এহাতে উৎপাদন তথা সাংস্কৃতিক জীৱনৰ পঙ্গুতা আৰু আনহাতে প্ৰাচীন অনুষ্ঠান আৰু সমাজবিধিৰ অনৱচ্ছিন্ন প্ৰভাৱ দেখা গৈছিল। শিক্ষিত মানুহৰ মনত ই এক ধৰণৰ ভ্ৰমৰ জন্ম দিছিল। ভাৰতীয় মানুহে দেশৰ অৱনতিৰ মূল কাৰণ হৃদয়ঙ্গম কৰিব নোৱাৰিছিল। তেওঁলোৱে ভাবিছিল ভাৰতীয় সমাজ একেই আছে, তাৰ কোনো পৰিবৰ্তন হোৱা নাই। ভাবিছিল যে দেশৰ সুস্পষ্ট অৱনতিৰ কাৰণ বিদেশী ভাবধাৰাৰ প্ৰভাৱ। সাম্ৰাজ্যবাদী শোষণৰ ব্যাপকতা আৰু সৰ্বনশীয়া ৰূপ তেওঁলোকে বুজা নাছিল। এনে পৰিবেশত বস্তুবাদী

বিশ্লেষণতকৈ ভাববাদী বিশ্লেষণ জয়ী হোৱাৰ সম্ভাৱনা বেছি আছিল। সেয়ে ৰবীন্দ্ৰনাথ আৰু গান্ধীজীয়ে দোষাৰোপ কৰিছিল পাশ্চাত্যৰ সভ্যতাক।

বিদেশী সাম্ৰাজ্যবাদৰ এই গভীৰ অথচ গোপন ভূমিকাৰ বাবেই দেশত শ্ৰেণী-সংগ্ৰামৰ ঐতিহ্য গঢ়ি উঠাতো পলম হ'ল। প্ৰথমতে শ্ৰেণীচেতনাৰ সাৰুৱা মাটিত নতুন উৎপাদন ব্যৱস্থাৰ ব্যাপক প্ৰৱৰ্তন নহ'ল। দ্বিতীয়তে বিদেশী পুঁজিৰ দেশীয় দালালবোৰৰ প্ৰতিও সামন্ত-কালীন, বৰ্ণাশ্ৰমজনিত আনুগত্যই জনসাধাৰণক শ্ৰেণী-সংগ্ৰামৰ শিক্ষাৰপৰা কিছু নিলগত ৰাখিলে। কৌটিকলীয়া নৈৰাশ্য আৰু নিয়তিবাদ সাম্ৰাজ্যবাদৰ অন্যতম সহায় হৈ জনসাধাৰণক আচ্ছন্ন কৰি ৰাখিলে।*

অৰ্থনৈতিক আৰু সামাজিক পশ্চাৎগামিতাৰ ফল আছিল ব্যাপক আৰু বহুধাবিভক্ত। সেইবোৰ আমি যথাস্থানত উল্লেখ কৰিম। কিন্তু এই কথা লক্ষণীয় যে ব্যাপক শ্ৰেণী-চেতনাৰ উন্মেষ আৰু বিকাশ এই ঔপনিৱেশিক অৰ্থনীতিয়ে বহু বিলম্বিত কৰি পেলালে। কোৱা বাহুল্য যে ভাৰতৰ নৱশিক্ষিত শ্ৰেণীৰ মাজতো বহুদিনলৈকে শ্ৰেণী-বুদ্ধিতকৈ অখণ্ড জাতীয়তাবাদৰ প্ৰভাৱহে বেছি দেখা যায়। এনেকি এসময়ত ভাৰতীয় মাৰ্ক্সবাদী সকলৰ মনোবৃত্তিও এই শ্ৰেণী-বুদ্ধিৰ অভাৱে বেয়াকৈ প্ৰভাৱিত কৰিছিল।

---

* ১৮৭২ চনত ভাৰতত নগৰৰ জনসংখ্যা আছিল সৰ্বমুঠ জনসংখ্যাৰ দহ ভাগৰ এভাগ, দেখা গ'ল যে ১৯২১ চনতো সেই অনুপাত সলনি হোৱা নাই। ইয়েই ভাৰতত প্ৰকৃত শিল্পায়নৰ অভাৱ সূচায়।

মহাজনৰ শোষণে কিয় শ্ৰেণী চেতনা আনিব নোৱাৰিলে? আগতে কৈ অহা হৈছে যে পুঁজিবাদী শোষণৰ প্ৰত্যক্ষ অভিজ্ঞতা—যথা, কল-কাৰখানাত—বেছিভাগ ভাৰতীয় মানুহৰ হোৱা নাছিল। আৰু মহাজনৰ শোষণ বিচ্ছিন্ন ধৰণৰ। সি পুঁজিবাদী উৎপাদনৰ দৰে সৰ্বহাৰাক একত্ৰিত কৰি সংঘবদ্ধ হোৱাত সহায় নকৰে।

কেম্ব্রিজ বিশ্ববিদ্যালয়ৰ দঃ পূঃ এছিয়াৰ ইতিহাসৰ অধ্যাপক ডঃ সৌম্যেন বানাৰ্জীয়ে আমাক এখন আপুৰুণীয়া ছাত্ৰ-আলোচনী দেখুৱাইছিল। ১৯১৭ চনৰ কছ বিপ্লৱৰ ঠিক পিচতে প্ৰকাশ পোৱা এইখন আলোচনীত কলিকতা বিশ্ববিদ্যালয়ৰ তাহানিৰ কেইবাজনো কৃতী ছাত্ৰই কছ বিপ্লৱক অভিনন্দন জনাইছিল। (এওঁলোকৰ মাজত উত্তৰকালৰ প্ৰসিদ্ধ পদাৰ্থ বিদ সত্যেন বসু আৰু ঐতিহাসিক ৰমেশ মজুমদাৰৰ নাম মোৰ মনত আছে।) এটাইকেইজনেই একবাক্যে কৈছিল যে ভাৰতত বিপ্লৱৰ বাট class-war (শ্ৰেণী-সংগ্ৰাম) নহয়, class-unity হে!! কোৱা বাহুল্য যে জাতীয় আন্দোলনৰ প্ৰতি সহানুভূতিশীল এই কেউজন তৰুণ বুদ্ধি-জীৱীয়ে মাৰ্ক্সবাদী তত্ত্বৰ মূল কথাটোকে ধৰিব পৰা নাছিল। ই কেৱল তেওঁলোকৰ শ্ৰেণী-স্বাৰ্থৰ মোহ নহয়—সাম্ৰাজ্যবাদৰ কবলত ভাৰতীয় সমাজৰ সংঘৰ্ষহীন, স্থাণু চৰিত্ৰও এই ধাৰণাৰ বাবে দায়ী।

ভাৰতীয় সমাজৰ আৰু অৰ্থনীতিৰ অনুন্নতাৱস্থা নিশ্চয় গান্ধীজীৰ সমাজবাদৰ আন এটা দিশৰ বাবে দায়ী। সি হ'ল বিজ্ঞান, যন্ত্ৰ-শিল্প আৰু যুক্তিবাদৰ প্ৰতি তেওঁৰ অনাস্থা। বিজ্ঞান আৰু যন্ত্ৰ-শিল্প বহুতে ভবা দৰে কেৱল এক ধৰণৰ মনোবৃত্তিয়েই নহয়—ই এক নতুন আৰু যুযুৎসু শ্ৰেণীৰ হাতিয়াৰ। যুক্তিবাদ এই শ্ৰেণীৰ স্বভাৱগত বিশ্ববীক্ষা (world outlook)। বিশেষকৈ সামন্ত যুগৰ নানা বিশ্বাস আৰু শক্তিশালী অনুষ্ঠানৰ (যেনে Church প্ৰভৃতি ধৰ্মীয় অনুষ্ঠানবোৰৰ) বিৰুদ্ধে সংগ্ৰামত এই যুক্তিবাদ ক্ষমাহীন যোদ্ধা। কিন্তু ভাৰতৰ শ্ৰেণী-সংগ্ৰামৰ পৰিস্থিতিত এই যুক্তিবাদ হ'ল অকামিলা। যুক্তিবাদৰ প্ৰবক্তা ইংৰাজেও ভাৰতত নিজৰ স্বাৰ্থৰ সঙ্গী হিচাপে ক্ষয়িষ্ণু সামন্তযুগীয় শক্তিবোৰকে বাছি ল'লে। ফলত জাতিভেদ, বৰ্ণাশ্ৰম, ধৰ্মান্ধতা আদি বহু কুসংস্কাৰৰ লগত ইংৰাজ চৰকাৰে মিত্ৰতা স্থাপন কৰিলে। এইবোৰ শক্তিৰ বিৰুদ্ধে যুঁজ দিব পাৰিলেহেঁতেন অৰ্থবলত বলী বুৰ্জোৱা শ্ৰেণীৰ বুদ্ধিজীৱীসকলে। কিন্তু

ইতি পূৰ্বেই কৈছোঁ সাম্ৰাজ্যবাদী ইংৰাজে ভাৰতৰ দেশীয় পুঁজি-পতিবিলাকৰ উন্নতিৰ বাটত দুৰ্লঙ্ঘ্য হেঙাৰ ধৰিছিল। এই দুৰ্বল পুঁজিপতি শ্ৰেণীয়ে কোনো সামাজিক আন্দোলনৰ মূল প্ৰেৰণা যোগাব পৰা নাছিল। তথাকথিত শিক্ষিত সমাজৰ মাজত অৱশ্যে নতুন ভাবধাৰাৰ ঢৌৱে সঘনে খলক লগাই আছিল। কিন্তু কোনো প্ৰকৃত সামাজিক তথা অৰ্থনৈতিক ভিত্তি নথকা বাবে এনে ভাবৰ ঢৌৰ অধিকাংশ মাজবাটতে ভাঙি পৰিছিল। যুক্তিবাদী, সংস্কাৰমুক্ত মনৰ গ্ৰেজুৱেট যেতিয়া অৱশেষত ইংৰাজ চৰকাৰৰ বেতনভোগী চাকৰীয়াল হৈছিল, অথবা ওকালতিত নামি জমিদাৰ মহাজনৰ স্বাৰ্থ ৰক্ষা কৰিছিল, তেতিয়া তেওঁলোকৰ নতুন ভাবধাৰাই ভাৰতৰ সমাজ-জীৱনত কোনো গভীৰ পৰিবৰ্তন অনা আছিল অসম্ভৱ। এই যুক্তিবাদ আছিল প্ৰায় এক উচ্চশ্ৰেণীৰ বিলাস। অনুৰূপ কাৰণতে মেধাবী বৈজ্ঞানিক কেইবাজনো ওলালেও ভাৰতত বহল বৈজ্ঞানিক পৰিবেশ গঢ়ি নুঠিল। পাহৰিলে নচলিব সৌ সিদিনা-খনলৈকে ভাৰতত বৈজ্ঞানিক গৱেষণাগাৰৰ সংখ্যা আছিল আঙুলি মূৰত লেখিব পৰা।*

বুৰঞ্জীৰ বোধে ভাৰতৰ নতুন বাতাবৰণত আছিল অপৰিপক্ক। ১৬৪০-১৬৪৯ চনৰ ইংৰাজ বিপ্লৱ আৰু ১৭৮৯ৰ ফৰাচী বিপ্লৱত য়ুৰোপীয় সমাজে যি প্ৰবল জোঁকাৰ খালে সি আছিল এখন গতিশীল

* সামন্তকালীন আৰু আধুনিক বহু বিশ্বাসৰ সহ-অৱস্থান ভাৰতীয় ব্যক্তিত্বৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য। আধুনিক যুক্তিবাদৰ প্ৰধান ধ্বজাধাৰী নিৰদ চৌধুৰীৰ (যি কলিকতাৰ কোনো কোনো বামপন্থী চক্ৰৰ আদৰৰ দুলাল!) যুক্তিবাদৰ নিদৰ্শন দেখা গ'ল Continent of Circe ত অসমীয়া আহোমৰ প্ৰতি বিষোদ্গাৰত। ভূগোল আৰু নৃতত্ত্বৰ কেতবোৰ সাধাৰণ তথ্য নজনাকৈ, কোনো বিশেষ গৱেষণা বা অনুসন্ধান নকৰাকৈ, সাম্প্ৰদায়িক আবেগত মতলীয়া হৈ মিষ্টাৰ চৌধুৰীয়ে যি যুক্তিবাদৰ পৰাকাষ্ঠা দেখুৱালে তাত হতবাক্ নহৈ উপায় নাই।

সমাজৰ প্ৰগতিৰ লক্ষণ। যুগ পৰিৱৰ্তনৰ এই চেতনাই য়ুৰোপৰ মধ্যবিত্তক নতুন বুৰঞ্জী ৰচিবলৈ অনুপ্ৰেৰণা দিলে। কাল—প্ৰবাহৰ এই চেতনা হেগে'লৰ নৈষ্ঠিক ৰক্ষণশীল মনেও আওকাণ কৰিব নোৱাৰিলে—পৰিবৰ্তন আৰু বিপ্লৱৰ ভেৰীধ্বনি যেন নিৰ্মম সৈন্য-বাহিনীৰ অগ্ৰগতিৰ দৰে তেওঁৰ ইতিহাস-কল্পনাত ধ্বনিত হৈছে। অৱশেষত মাৰ্ক্সৰ ইতিহাসবোধত বুৰ্জোৱা ডেম'ক্ৰেটিক বিপ্লৱৰ এই নতুন ইতিহাসবোধ ৰূপান্তৰিত হৈছে অন্য এক শক্তি অন্য এক শ্ৰেণীৰ বিশ্বজয়ৰ সাৰথিলৈ। কিন্তু অৰ্থনীতি আৰু সমাজৰ এই ঐতিহাসিক বিশ্লেষণ আৰু আলোচনাই ভাৰতত দকৈ শিপাব নোৱাৰিছিল। এনেকি নতুন ভাৰতীয় মধ্যবিত্তৰো ইতিহাসকল্পনা আছিল হয় সম্পূৰ্ণ অতীত-বিলাসী, নহয় গতিবেগশূন্য।*

গান্ধীজীৰ সমাজবাদৰ ধাৰণাও সাম্ৰাজ্যবাদৰ কবলত থকা এখন পৰিবৰ্তনহীন উপনিৱেশ আৰু তাৰ পৰিস্থিতিত সৃষ্ট ভাবধাৰাৰ মাজৰপৰাই ওলাই আহিছিল। অৱশ্যে ই ধ্ৰুৱ যে গান্ধীজীৰ অভিজ্ঞতা আৰু চিন্তা ক্ৰমাগতভাৱে সমৃদ্ধ আৰু প্ৰসাৰিত হৈছিল। একালত আবেদন-নিবেদনত আৰু আলোচনাত তেওঁৰ দৃঢ় আস্থা আছিল—ইংৰাজ সততা আৰু সৎ অভিপ্ৰায়ত তেওঁ একচিত্তে বিশ্বাস কৰিছিল। তেওঁৰ আত্ম-জীৱনীত তেওঁ লেখিছে:

"Hardly ever have I known anybody to cherish such loyalty as I did to the British Constitution" (My Experiments with Truth, Ahmedabad, 1958, p. 124). কিন্তু স্বাধীনতা আন্দোলনত গভীৰভাৱে জড়িত হৈ পৰাৰ লগে লগে তেওঁৰ বিশ্বাসৰ আমূল পৰিৱৰ্তন হয়:

"The struggle that is going on started because

* ইয়াৰ এটা থুলমূল আভাস পোৱা যাব R. S. Sarmaৰ 'Political Ideas and Institutions of Ancient India' (Motilal Banarsidas 1959)ৰ প্ৰথম অধ্যায়ত।

the British rule has done India no good... For a time I had thought that love would put everything right. But the experience of the Punjab and the injustice committed against the Muslims in the name of justice have convinced me that in no other regime would such tyranny be possible··· And since then I have called this a Satanic regime." (Collected Works, Ahmebabad, Vol. XXI., p. 20)। সেইদৰে 'Hind Swaraj' গ্ৰন্থত ১৯০৯ চনত তেওঁ ইংৰাজ সাম্ৰাজ্যবাদক এটা আসুৰিক সভ্যতাৰ দপ্দপনি বুলি ভাবিছে, তাৰ অৰ্থনৈতিক দিশটোত বৰ গুৰুত্ব আৰোপ কৰা নাই। কিন্তু ভাৰতৰ জাতীয় আন্দোলনত নিগাজিকৈ লাগি যোৱাৰ লগে লগে আৰু নিঃসন্দেহে তেতিয়া প্ৰচাৰ ক'ৰলৈ ধৰা চিন্তাধাৰাৰ প্ৰভাৱত** সাম্ৰাজ্যবাদৰ অৰ্থনৈতিক শোষন সম্পৰ্কে তেওঁ সজাগ হৈ উঠে। "স্বদেশী" আন্দোলনৰ সময়ত তেওঁ কৈছিল :

"It should be intolerable for all thinking Indians that our raw materials should be exported to Europe and that we have to pay heavy prices therefore." (Collected Works XV, p. 200). কোৱা বাহুল্য তেওঁৰ এই নতুন চিন্তাধাৰাৰ প্ৰমাণ আৰু বহুত পোৱা যাব পাৰে।

** ১৮৭৬ চনতে দাদাভাই নৌৰজীয়ে 'Poverty and Un-British Rule in India'ত ইংলণ্ডৰ শোষণকাৰী স্বৰূপ ফঁহিয়াই দেখুৱায়। তেওঁৰ সমসাময়িক ৰমেশচন্দ্ৰ দত্তবো এনে গৱেষণাত যথেষ্ট অৱদান আছিল। বাল-গঙ্গাধৰ তিলকেও এই মত পোষণ কৰিছিল। বিপন চন্দ্ৰৰ 'Rise of Economic Nationalism in india' চাওক। মাৰ্ক্সৰ সূক্ষ্ম বিশ্লেষণ হয়তো উক্ত দেশ-নেতাসকলৰ অজ্ঞাত আছিল।

এই নতুন বাস্তৱবোধে তেওঁক ভাৰতৰ নাগৰিক মধ্যবিত্ত শ্ৰেণীক বুজাতো সহায় কৰিছিল। ১৯২২ চনৰ মাৰ্চৰ 'Young India'ত তেওঁ এটা অতি তীব্ৰ আৰু কঠোৰ মন্তব্য কৰে।

"Little do town-dwellers know how the semi-starved masses of India are slowly sinking to lifelessness. Little do they know that their miserable comfort represents the brokerage they get for the work they do for the foreign exploiter, that the profits and the brokerage are sucked from the masses."

সেইদৰে এসময়ত তেওঁৰ দৃষ্টিভঙ্গী আছিল আন দহজন শিক্ষিত ভাৰতীয় মধ্যবিত্তৰ দৰে শ্ৰেণী-সংগ্ৰামৰ প্ৰতি অন্ধ। "জাতি" কিংবা "সমাজ"ক এটা অভিন্ন গোট বুলি ভবা স্বাৰ্থপৰ মধ্যবিত্তৰ দৰে তেৱোঁ শ্ৰেণী সংগ্ৰামৰ অস্তিত্ব নুই কৰিছিল। ভাবিছিল ভাৰতীয় সভ্যতাই পুঁজিবাদৰ স্বাভাৱিক ধৰ্ম সংশোধন কৰিব পাৰিব। ভাৰতীয় পুঁজিবাদৰ শৈশৱত এনে সপোন দেখাটো কষ্টকৰ নাছিল। ১৯১৯ চনৰ উনত্ৰিশ মাৰ্চৰ দিনাখন নাগপট্টমৰ শ্ৰমিকসকলক তেওঁ কয়:

"In the West, practically labour and capital are opposite interests. Each distrusts the other. It was not so in ancient India and I am glad the leaders of the labour movement here had not introduced the Western form of agitation between capital and labour." (Collected Works, XV. p. 163)

ক্ৰমশঃ এনে সহজ সমাধানৰপৰা তেওঁ আঁতৰি আহিল। কিছুদূৰ জনসাধাৰণৰ সংগ্ৰামৰ হেঁচাত (কৃষকৰ আন্দোলন আৰু শ্ৰমিকৰ ধৰ্মঘটৰ প্ৰাবল্য তৃতীয় দশকত ভাৰত বুৰঞ্জীৰ এটা উল্লেখযোগ্য ধাৰা) আৰু কিছুদূৰ জয়প্ৰকাশ নাৰায়ণ, নেহৰু প্ৰভৃতি তাহানিৰ বুৰ্জোৱা সমাজবাদী (Social-democrat)ৰ প্ৰভাৱত সমাজত শ্ৰেণীগত

অনৈক্য আৰু বিবাদ তেওঁ কিছুদূৰ মানি ল'বলৈ বাধ্য হ'ল। ১৯৪৭ চনৰ এক জুনৰ 'Harijan' কাকতত তেওঁ লেখে: "The present power of the zamindars, the capitalists and the rajas can hold sway so long as the people do not realize their own strength. If the people non-co-operate with the evil of zamindari or capitalism, it must die of inanition····" সেইদৰে 'অহিংসাৰ' তাৎপৰ্যও পূৰ্ব্বৰ ঠেক গণ্ডীৰপৰা বহলি গৈ 'অ-শোষণ'ত পৰিণত হোৱা দেখা যায়:

"The greatest obstacle in the path of non-violence is the presence in our midst of the indigenous interests that have sprung up from British rule, the interests of monied men, speculators, scrip-holders, landholders, factory-owners and the like. All these do not always realise that they are living on the blood of the masses, and when they do, thy become as callous as the British principals whose tools and agents they are...". (Young India, 6-2-30)

কিন্তু এই কথাও ঠিক যে শ্রেণী-সংগ্রাম সম্পৰ্কে গান্ধীজীৰ ধাৰণা শেষ পৰ্যন্ত মোহাচ্ছন্ন আৰু দ্বিধাগ্রস্ত। তেওঁৰ মতামতৰ বিকাশ আৰু বিবৰ্তন ঘটিলেও এটা নির্দিষ্ট সীমা-ৰেখা অতিক্রম কৰিব পৰা নাছিল। আৰু এই অচেতন সঙ্কোচ আৰু প্ৰতিক্ৰিয়াশীলতা ভালদৰে নুবুজি কেৱল গান্ধীজীৰ দুইএটা বাক্যকে সাৰোগত কৰি বহুতে তেওঁক মাৰ্ক্সতকৈ অগ্ৰসৰ সমাজবাদী বুলি ঘোষণা কৰিছে!

এনে দাবী অনেকেই কৰিছে। কিন্তু অসমীয়া পাঠকৰ সহজলভ্য বাবেই বন্ধুবৰ তাৰকচন্দ্ৰ গোস্বামী দেৱৰ 'মণিদীপ'ত ওলোৱা এটা প্ৰবন্ধ (মাৰ্ক্স, গান্ধী আৰু সমাজবাদৰ ঐতিহাসিক ভিত্তি)* বিশ্লেষণ

* শ্ৰীযুত তাৰকচন্দ্ৰ গোস্বামীদেৱৰ প্ৰবন্ধটোৰ লগত মোৰ মতভেদ সত্বেও

কৰিয়েই এনে ধাৰণা খণ্ডন কৰিবলৈ প্ৰয়াস কৰিম। গোস্বামীদেৱৰ প্ৰবন্ধত অধ্যয়ন আৰু বিশ্লেষণৰ এটা ঐকান্তিক প্ৰচেষ্টা আছে; কিন্তু মাৰ্ক্সবাদ সম্পৰ্কে তেওঁৰ ধাৰণা শুদ্ধ বুলিব নোৱাৰি। 'ঐতিহাসিক বস্তুবাদ' আৰু 'শ্ৰেণী'—মাৰ্ক্সবাদৰ এই দুই ধৰণীস্বৰূপ ধাৰণাৰ আংশিক আৰু অগভীৰ ব্যাখ্যাৰে গোস্বামীদেৱে ইয়াত গান্ধীবাদৰ সাৰবত্তা প্ৰমাণ কৰিব বিচাৰিছে। তেওঁ পাহৰিছে মাৰ্ক্সবাদ এটা সামগ্ৰিক চিন্তাধাৰা, কেৱল কেতবোৰ সূত্ৰ নহয়। তেওঁৰ প্ৰবন্ধত লেনিনৰ সাম্ৰাজ্যবাদ-ব্যাখ্যা (theory of imperialism)ৰ কোনো উল্লেখ নাই। তেখেতে ভাবে যে যেহেতু ৰাশ্যা আৰু চীনত পুঁজিবাদৰ চূড়ান্ত বিকাশৰ বহু পূৰ্বে বিপ্লব হ'ল, আৰু যেহেতু মাৰ্ক্সে সমাজবাদক পুঁজিবাদী বিকাশৰ অৱশ্যম্ভাৱী পৰিণতি বুলিছিল, সেয়ে মাৰ্ক্সৰ ইতিহাস ভুল প্ৰমাণিত হৈছে। মাৰ্ক্সীয় ইতিহাস-তত্ত্বৰ ব্যাখ্যাত গোস্বামীদেৱে দুটা গুৰুতৰ ভুল কৰিছে:

(১) মাৰ্ক্সৰ তত্ত্ব শাস্ত্ৰ নহয়, বিজ্ঞানহে। পৰিৱৰ্তিত পৰিস্থিতিত বাস্তৱ ঘটনা মাৰ্ক্সৰ কোনো কোনো মন্তব্যৰ বিপৰীতে যাব পাৰে। সেইক্ষেত্ৰত মাৰ্ক্সবাদীৰ কৰ্তব্য হ'ব মূল মাৰ্ক্সীয় সূত্ৰ প্ৰয়োগ কৰি সেই নতুন পৰিস্থিতিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰা। লেনিনে তাকেই কৰিছিল। ফলত উদ্ভৱ হৈছিল এক নতুন মাৰ্ক্সীয় তত্ত্ব: সাম্ৰাজ্যবাদৰ ব্যাখ্যা। ৰাশ্যাৰ বিপ্লৱ সম্পৰ্কেও লেনিনৰ ধাৰণা সম্পূৰ্ণ বস্তুনিষ্ঠ আৰু বস্তুবাদী। তেওঁ কাহানিও ভবা নাই যে সাম্ৰাজ্যবাদৰ পৰিচয় পোৱা ৰাশ্যা পুঁজিবাদী বিকাশৰ শীৰ্ষ-বিন্দুত উপনীত হৈছিল। আনহাতে তেওঁৰ এনে ভুল ধাৰণাও নাছিল যে বিপ্লৱৰ বাবে অনুপযুক্ত ৰাশ্যাত কেইজনমান উচ্চমনা সমাজবাদী মিলি অসাধ্য সাধন কৰিলে। সেইদৰে চীন-ভিয়েৎনাম-কিউবাত যি বিপ্লৱ হ'ল সি

স্বীকাৰ কৰো যে গান্ধীবাদৰ সমাজবাদী লক্ষ্য সম্পৰ্কে তেখেতে মোৰ ধাৰণা স্পষ্ট কৰিলে।

প্ৰথমতঃ তাহানি লেনিনে বিশ্লেষণ কৰা সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে "জাতীয় মুক্তি আন্দোলন"ৰ নিদৰ্শন। **

(২) গোস্বামীদেৱে ভবা দৰে ১৯৪৯ চনত চীন আৰু ১৯১৭ চনত ৰাশ্যাত সমাজতান্ত্ৰিক বিপ্লৱ ঘটা নাছিল, সামাজিক পুঁজি তথা যন্ত্ৰ-শিল্পৰ যথাৰ্থ উন্নতি অবিহনে সমাজ সেই স্তৰলৈ উত্তীৰ্ণ হ'ব নোৱাৰে। কেৱল দুয়োখন দেশৰে সমাজবাদী শক্তিবোৰে নেতৃত্ব দি প্ৰগতিশীল শক্তিবোৰক ঐক্যবদ্ধ কৰি সেই দুই ঐতিহাসিক চনত পুঁজিবাদী আৰু অন্য প্ৰতিক্ৰিয়াশীল শক্তিক পৰাস্ত কৰিছিল, আৰু সমাজবাদৰ পিনে দুয়োখন দেশকে আগুৱাই লৈ গৈছিল।

গোস্বামীদেৱে দেখুৱাইছে যে গান্ধীজীয়ে "শ্ৰেণীসংগ্ৰামৰ অস্তিত্ব কাৰ্যতঃ মানি লৈছে।" আমি দেখুৱাম ই এটা অতি ভুল ধাৰণা। 'শ্ৰেণী-বিভাজন' আৰু 'শ্ৰেণী-সংগ্ৰাম' একে কথা নয়—সমাজত দুটা বিবদমান শ্ৰেণী থকা বুলি স্বীকাৰ কৰিলেই শ্ৰেণী-সংগ্ৰামৰ অস্তিত্ব স্বীকাৰ কৰা নহয়। একোটা শ্ৰেণী কেৱল উৎপাদন প্ৰক্ৰিয়াৰ একোটা

** It is perfectly clear that in the coming crucial battles of world revolution, the efforts of the majority of the world's population, initially bent on national liberation, will be directed against capitalism. and imperialism and will, perhaps, play a far greater revolutionary part than we expect ...... The working masses, the peasantry of the colonial countries, despite their present backwardness, still have to play a great revolutionary part in the subsequent phases of the world revolution." Lenin, 'Collected Works', Vol. XXXII.

লেনিন গ্ৰন্থাৱলীৰ দ্বাবিংশতম গ্ৰন্থত থকা 'The Socialist Revolution and the Right of Nations to Self determination' নামৰ পুস্তিকাখনো উল্লেখযোগ্য।

মাৰ্ক্স'ও তেওঁৰ চীনৰ ওপৰত লেখা প্ৰবন্ধত স্পষ্টকৈ কৈছে শোষিত, অনুন্নত চীনৰ বিপ্লৱেই বিশ্বপুঁজিবাদ ধ্বংস কৰিব পৰা বিপ্লৱৰ সূচনা কৰিব পাৰে!

সামাজিক দিশ নহয়—প্ৰত্যেক শ্ৰেণীৰে ঐতিহাসিক ভূমিকা থাকে। মাৰ্ক্সৰ মতে শ্ৰেণী-সংগ্ৰামৰ শেষ অন্তত সৰ্বহাৰা শ্ৰেণীয়ে শ্ৰেণী-বিলোপৰ ভিত্তি ৰচনা কৰিব। তাৰ কাৰণ কোনো ধৰ্মীয় বা আধ্যাত্মিক আন্দোলন নহয়—উৎপাদনৰ ঐতিহাসিক বিবৰ্তনত, সমাজৰ অৰ্থনৈতিক বিকাশৰ এটা বিশেষ স্তৰত, এই শ্ৰেণীয়ে (সম্পূৰ্ণ বাস্তৱ দৃষ্টিভঙ্গীৰপৰা চালে) এই ক্ষমতা অৰ্জন কৰিব। গান্ধীজীৰ শ্ৰেণীৎসংগ্ৰামৰ ধাৰণা স্থায়ু (static) আৰু পৰিৱৰ্তনহীন। তেওঁৰ মনত শ্ৰেণী-সংগ্ৰাম কেতিয়াবা এটা অস্বাভাৱিক ব্যাধি আৰু কেতিয়াবা এটা স্বাভাৱিক কন্দল—যি সামাজিক ঐক্য কেতিয়াও বিপন্ন কৰিব নোৱাৰে বা নালাগে।

ভাৰতৰ সমাজখন গান্ধীজীয়ে এক ধৰণে চিনি পাইছিল, সঁচা; কিন্তু তেওঁৰ সেই জ্ঞানত ঐতিহাসিক বিশ্লেষণ আৰু ভৱিষ্যৎমুখী দৃষ্টিভঙ্গী সক্ৰিয় নাছিল। সেয়ে সমাজবাদৰ প্ৰাণত যি বৈপ্লৱিক জ্ঞান অঙ্কুৰিত হয়, সি তেওঁৰ ভাবধাৰাত অদৃশ্য। সেইবাবেই বিকাশ-মুখী আৰু পৰিৱৰ্তনশীল সামাজিক শক্তিৰ ওপৰত নিৰ্ভৰ নকৰি তেওঁ এক একদেশদৰ্শী আত্মিক শোধন আৰু ইচ্ছা শক্তিৰ ওপৰতহে জোৰ দিলে। গান্ধীজীৰ বাস্তৱবোধ মাৰ্ক্সবাদীৰ দৃষ্টিকোণৰপৰা আধা সিজা।

শ্ৰেণী-সংগ্ৰাম সম্পৰ্কে গান্ধীজীৰ মতামত কৌতূহলোদ্দীপক। প্ৰথমতে পাশ্চাত্যৰ অমানুষিক দয়া-মায়াহীন সভ্যতাৰ কুপ্ৰভাৱ হিচাপেই তেওঁ শ্ৰেণী-সংগ্ৰামৰ কথা ভাবে। পুঁজিপতিৰ পুঁজি তেওঁৰ ধাৰণাত দীৰ্ঘস্থায়ী শোষণৰ ফল নহয়, সেয়ে তেওঁ সহজে সিদ্ধান্ত কৰিলে স্বদেশী পুঁজিপতি বিদেশী পুঁজিপতিৰ দৰে শোষণকাৰী নহয়! এখন অনগ্ৰসৰ দেশৰ মানুহৰ মনত অতীতৰ সামন্তকালীন সামাজিক 'ঐক্য' আৰু সংহতিৰ প্ৰতি স্বাভাৱিকতে এটা ভাবালু ভক্তি থাকে—যি 'ঐক্য' পাশ্চাত্যৰ সামন্তযুগীয় সমাজতো বেচ বলৱানেই আছিল। গান্ধীজীৰ মনতো সেই ধৰণৰ ভাব-প্ৰবণ বিশ্বাস বেচ দকৈ শিপাই আছিল।

"Thousands, indeed, tens of thousands, depend for their existence on a very active working of this force. Little quarels of millions of families in their daily lives disappear before the exercise of this force." ১৯০৯ চনৰ 'Hind Swaraj' বোলা কিতাপখনত তেওঁ এই উক্তি কৰিছিল।* এই force টোনো কি? সি হ'ল প্ৰেম-ধৰ্ম তথা সামাজিক ঐক্যৰ আদৰ্শ।

আকৌ কৈছে: "Hundreds of nations live in peace. History does not and cannot take note of this fact. History is really a record of every interruption of the even working of the force of love". (Ibid) এই উক্তি বিশ্লেষণ কৰিলে আমি পাওঁ সামাজিক ঐক্য আৰু তাৰ এনাজৰীবোৰৰ (bonds) সম্পৰ্কে এক ভাবপ্ৰৱণ, অপৰিমিত আস্থা। তদুপৰি দেখা যায় ইতিহাস সম্পৰ্কে এক সংশয়ী, প্ৰতিক্ৰিয়াশীল মনোবৃত্তি।

এই মনোবৃত্তিৰ অন্তঃসিদ্ধান্ত আছিল শ্ৰেণী-সংগ্ৰামৰ প্ৰতি এক প্ৰবল বিৰাগ। ২।৮।৩৪ তাৰিখৰ 'Amrita Bazar Patrika'ত তেওঁৰ এই বিৰাগে এক উগ্ৰৰূপ ধাৰণ কৰিছে। জমিদাৰসকলক সম্বোধন কৰি তেওঁ কৈছে:

"Class war is foreign to the essential genius of India which is capable of evolving communism on the fundamental rights of all on equal justice. Ramarajya of my dream ensures rights alike of prince and pauper.

"You may be sure that I shall throw the whole weight of my influence in preventing class war.

*'Hind Swaraj': 'Sources of Indian Tradition,' (Motilal Banarsidas, Delhi, Benaras & Patna, 1963) p. 811

Supposing, that there is an attempt unjustly to deprive you of your property, you will find me fighting on your side."

তেওঁৰ এই অদ্ভুত ধাৰণা যে প্ৰাচীন,ক্ষয়িষ্ণু সমাজৰ আহিঁৰপৰাই ধাৰ কৰা, সেই বিষয়ে সকলো সন্দেহৰ নিৰসন কৰি নিজেই কৈছে :

"What is the system of Varnashrama but a means of harmonizing the difference between high and low, as well as between capital and labour" (Ibid).

গান্ধীজীয়ে এক সাক্ষাৎকাৰত এনে এটা মন্তব্য কৰিছিল যাৰপৰা শ্ৰেণী-সংগ্ৰাম সম্পৰ্কে তেওঁৰ ধাৰণাৰ অবাস্তৱতা বা ভাববাদী মোহ সুস্পষ্ট হৈ উঠে :

"... I do not believe that the capitalists and the landlords are all exploiters by an inherent necessity, or that there is a basic or irreconcilable antagonism between their interests and those of the masses. All exploitation is based on co-operation, willing or forced." (অমৃত বাজাৰ পত্ৰিকা—২. ৮. ৩৪)

শোষণৰ বাবে যদি পুঁজিপতি আৰু শ্ৰমিকৰ দায়িত্ব সমান হয় তেনেহ'লে শোষণৰ বস্তুগত ভিত্তি কিঞ্চিৎ ৰহস্যময় হৈ পৰে। তদুপৰি যদি শোষণৰ বাবে উভয়ৰে 'সম্মতি'হে দায়ী, তেনেহ'লে উৎপাদন-ব্যৱস্থা, শ্ৰেণী-ব্যৱস্থা, সকলোৰে নিয়ম আওকাণ কৰি এই 'সম্মতি' নাকচ কৰিলেই সমাজতন্ত্ৰ প্ৰতিষ্ঠা হৈ যায় দেখোন। গান্ধীজীৰ পৰিকল্পনাও সেয়ে। ইয়াক কিমান বাস্তৱবাদী বুলিব পাৰি পাঠকে ভাবি চাব।

শ্ৰেণী-সংগ্ৰামক তেওঁ ক্ৰমাৎ এটা বস্তুগত আৰু আনুষ্ঠানিক ভিত্তিৰপৰা এটা মানসিক পৰিসৰলৈ ঠেলি লৈ গৈছে। যদি শ্ৰেণী-সংগ্ৰাম মানুহৰ অভ্যস্ত হিংসা-নীতিৰ অন্যতম লক্ষণ হয়,

তেনেহ'লেতো অন্তৰ শোধন কৰিলেই শ্ৰেণী-সংগ্ৰাম বিলুপ্ত হ'ব। প্ৰণিধান কৰক :

(১) I do not want to destroy the zamindar, but neither do I feel that the zamindar is inevitable. I expect to convert the zamindars and other capitalists by the non-violent method : 'Harijan', 5-12-26.

(২) The correspondent is wrong in suggesting that I do not believe in the existence of class struggle. What I do not believe in is the necessity of fomenting and keeping it up. I entertain a growing belief that it is perfectly passible to avoid it...Monied men after all form a microscopic minority in the world. They will act on the square, immediately labour realizes its power and yet acts on the square. To inflame labour against monied men is to perpetuate class hatred and all the evil consequences flowing from it.' : 'Harijan', 16-10-45.

(৩) The present inequalities are surely due to people's ignorance. With a growing knowledge of their natural strength, the inequalities must disappear... 'Harijan', 2-8-42.

ইতিহাসৰ গতি আৰু সামাজিক বাস্তৱ সম্পৰ্কে এই অবাস্তৱ ধাৰণা লোৱা বাবে গান্ধীজীয়ে স্বভাৱতে হিংসাত্মক বিপ্লৱক ঘৃণা কৰিছিল। আনহাতে সামাজিক বৈষম্যৰ অৱসান ঘটাবলৈ তেওঁৰ অন্তৰত এটা অকৃত্ৰিম হাবিয়াস আছিল। অতএব বৈষম্য আৰু শোষণৰ বিৰুদ্ধে অস্ত্ৰ হিচাপে তেওঁ প্ৰচাৰ কৰিছিল অসহযোগৰ বাণী। শোষক শ্ৰেণীৰ হাতৰপৰা পৰিত্ৰাণৰ আন পথ নেথাকিলে তেওঁৰ মতে অহিংস অসহযোগৰ বাটকে ল'ব পাৰি।

: The rich cannot accumulate wealth without the

cooperation of the poor in society. If this knowledge were to penetrate to and spread amongst the poor, they would become strong and would learn how to free themselves by means of non-violence : 'Harijan', 25-8-40.

আকৌ :

: The moment the cultivators of the soil realize their power, the zamindari evil will be sterilized. What can the poor zamindar do when the peasants say that they will simply not work the land themselves unless they are paid enough to feed and clothe and educate themselves and their children in a decent manner. In reality the toiler is the owner of what he produces : 'Harijan', 5-12-36.

এনে এখন অৱিয়া-অৰি যদি সঁচাকৈ লাগে, তেনেহ'লে জমিদাৰেই জিকিব। কাৰণ উৎপাদন বন্ধ থকা সময়ছোৱা চলিবলৈ তেওঁৰ হাতত ধন-বিত থাকিব, কিন্তু পুঁজিহীন দৰিদ্ৰ কৃষকসকলে তেওঁলোকৰ অসহযোগ বেছিদিন চলাব নোৱাৰিব। ভোকৰ তাড়নাত তেওঁলোকে জমিদাৰৰ ওচৰত আত্ম-সমৰ্পণ কৰিবলৈ বাধ্য হ'ব। আৰু যদি তেওঁলোকে জমিদাৰৰ মাটিত মালিকৰ বিনানুমতিত খেতি কৰিব খোজে, তেতিয়া জমিদাৰ-মহাজনৰ স্বাৰ্থৰক্ষাকাৰী ৰাষ্ট্ৰ আহি তেওঁলোকক বিতাড়িত কৰিব। আৰু যিসকল অসংখ্য কৃষকৰ নিজৰ নাঙল-গৰু নাই, বীজ কিনিবলৈ সামৰ্থ্য নাই, তেওঁলোকতো পুঁজিপতিৰ ক্ৰীতদাসৰ দৰে। গান্ধীজীৰ ধাৰণা ভুল। আত্মিক দুৰ্বলতা নহয়, ভোকৰ তাড়নাইহে, জীয়াই থকাৰ অনিবাৰ্য দাবীয়েহে কৃষকৰ দাসত্ব স্থায়ী কৰিছে। ভূ-সম্পত্তি আৰু অন্যান্য পুঁজি শ্ৰেণীগতভাৱে তেওঁলোকৰ হাতলৈ ননালৈকে সৰ্বহাৰাৰ ওপৰত শোষণ অব্যাহত।

অসমীয়া, অক্টোবৰ-নবেম্বৰ, ১৯৬৯

॥ গান্ধীজীৰ সমাজবাদৰ নৈতিক দিশ ॥

প্ৰবন্ধৰ প্ৰকাশিত পূৰ্বাংশত কোৱা হৈছিল যে গান্ধীজীৰ ভাবধাৰা একধৰণৰ সমাজবাদী ভাবধাৰা—ঔপনিবেশিক শাসনত কঁপি উঠা অথচ আমূল পৰিবৰ্ত্তন নোহোৱা এক অনগ্ৰসৰ সমাজত উদ্ভূত এই ভাব ধাৰাৰ মাজত সমাজবাদী লক্ষ্য মিহলি হৈ থাকিলেও সমাজৰ আৰু ইতিহাসৰ বস্তুনিষ্ঠ ধাৰণাৰ অভাৱত সি পঙ্গু। ঐতিহাসিক পৰিবৰ্ত্তন আৰু শ্ৰেণীসংগ্ৰাম উভয় বিষয়তে গান্ধীজীৰ ধ্যান-ধাৰণা ভাববাদী আৰু প্ৰতিক্ৰিয়াশীল। অতীতমুখী বাবেই এই সমাজ-বাদী দৰ্শন প্ৰতিক্ৰিয়াশীল আৰু ক্ষতিকৰ।

প্ৰবন্ধৰ শেষছোৱাত গান্ধীজীৰ সমাজবাদৰ অন্যতম ভিত্তি—তেওঁৰ প্ৰখ্যাত নৈতিকতা—বিবেচনা কৰা হৈছে : লেখক]

গান্ধীজীৰ ভাবধাৰাৰ ওপৰত যুক্তিৰ পোহৰ পেলোৱাত গান্ধী-ভক্তসকলৰ মাজৰ পৰা এটা নতুন আৱাজ উঠিছে : গান্ধীবাদ বুলি কোনো বস্তু নাই, আছিল মাত্ৰ গান্ধীজীৰ যাদুকৰি ব্যক্তিত্ব। এই অন্ধকাৰবাদী Obscurantist ওকালতিৰ পৰা গান্ধীজীৰ অসন্মানেই হৈছে। সমাজৰ গঢ়-গতি আৰু আদৰ্শ সম্পৰ্কে গান্ধীজীৰ স্পষ্ট ধাৰণা আছিল, সেই আদৰ্শত উপনীত হবলৈ তেওঁ কেতবোৰ কৌশল উদ্ভাৱন কৰিছিল। সেইবোৰে যে এটা তত্ত্ব (theory) ৰ যোগ্য মৰ্যাদা তথা সমালোচনা পাব লাগে, সত্যসন্ধানী মাত্ৰেই

স্বীকাৰ কৰিব। তদুপৰি গান্ধীজীৰ বৰ্তমান ভক্তসকলে কেনেকৈ তেখেতৰ শাৰীৰিক অনুপস্থিতিত তেখেতৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচাৰিছে? যদি তেখেত সকলে কিবা ভৌতিক উপায়ে গান্ধীজীৰ আত্মাৰ অংশীদাৰ হৈ আমাক মুহিব খুজিছে, তেনেহলে আমি অসহায়। কিন্তু তেখেতসকলৰ কাৰ্যকলাপে সংশায়াতীত ভাবে প্ৰমাণ কৰিছে যে গান্ধীজীৰ কেতবোৰ ব্যক্ত আৰু প্ৰকাশ্য লক্ষ্য, যুক্তি আৰু ধাৰণাকে তেওঁলোকে কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ বিচাৰিছে। অৰ্থাৎ গান্ধীজী আৰু গান্ধীবাদক বেলেগ কৰি চোৱাটো আত্মপ্ৰবঞ্চণা মাত্ৰ।

গান্ধীজীৰ ব্যক্তিত্বক তেওঁৰ ভাবধাৰাৰ পৰা আঁতৰাই নিবলৈ এই প্ৰয়াসৰ বহু অৰ্থ হব পাৰে। এই ধাৰণাও অমূলক নহয় যে তেওঁৰ প্ৰতিক্ৰিয়াশীল আৰু শ্ৰেণীস্বাৰ্থজড়িত চিন্তাধাৰাৰ পৰা স্বাধীনতা যুদ্ধত তেওঁৰ নেতৃত্ব আৰু জনপ্ৰিয়তাক কোনো কোনোৱে বেলেগ কৰি চাব খোজে। সেই বাবেই যুক্তিযুক্ত সমালোচনাৰ পৰা তেওঁৰ প্ৰভাৱক ৰেহাই দিয়াৰো এটা অপচেষ্টা চলে। কিন্তু ৰজনী পাম দত্তয়ো, তেখেতৰ অসহিষ্ণু আৰু ক্ষুব্ধ সমালোচনাৰ মাজতো স্বীকাৰ কৰিছে—ভাৰতৰ স্বাধীনতা আন্দোলনৰ অবিসম্বাদী নেতা আছিল গান্ধীজী *। এই বিষয়ে তৰ্কৰ অৱকাশ নাই। কিন্তু তাতেই ক্ষান্ত হৈ গান্ধীজীৰ ভূমিকা আৰু আবেদনৰ বিশ্লেষণ নকৰিলে আমাৰ স্বাধীনতা আন্দোলনৰ বিশেষ ব্যৰ্থতা চকুত নপৰিব। স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰা আৰু তাৰ পিছৰ পৰ্যায়ত ভাৰতৰ সামাজিক ৰূপান্তৰত আগভাগ লব পৰা নেতৃত্ব আৰু জনসাধাৰণৰ বিশেষ চৰিত্ৰত ঔপনিবেশিক আৰু আধাসামন্তবাদী সমাজৰ প্ৰভাৱ উলাই কৰিব নোৱাৰি। এই সম্পৰ্কে সচেতন নহলে আমাৰ বাস্তৱবোধ মোহগ্ৰস্ত হৈ থাকিব। সেয়ে গান্ধীজী আৰু

* ৰজনী পাম দত্তৰ India today গ্ৰন্থৰ একাদশ অধ্যায় এই প্ৰসংগত দ্ৰষ্টব্য।

গান্ধীবাদ বেলেগ বুলিব খোজা বুদ্ধিজীৱী সকলৰ পৰামৰ্শ আমি মানিব নোৱাৰোঁ। * * ।

আমি ইতিপূৰ্বে কৈ আহিছোঁ যে সনাতন ভাবাদৰ্শৰ স্মৃতিত শ্ৰেণী সংহতি সম্পৰ্কে গান্ধীজীৰ এটা অতীতবিলাসী, ভাবপ্ৰৱণ ধাৰণা আছিল। শ্ৰেণীসংগ্ৰামৰ যোগেদি সামাজিক শক্তিসমূহৰ বিকাশত সহযোগিতা কৰাতকৈ সংশোধিত কিন্তু মূলতঃ অপৰিৱৰ্ত্তিত বৰ্ণাশ্ৰমধৰ্মহে তেওঁ প্ৰবৰ্তন কৰিবলৈ বিচাৰিছিল। তেওঁ ভাবিছিল যে "মূলতঃ জাতিভেদ বৃত্তিভেদ মাত্ৰ (functional division of labour)। তাৰ পৰিণামত হোৱা বৈষম্য, শোষণ আৰু অস্পৃশ্য-তাৰ দৰে কদাচাৰকো তেওঁ কেৱল বিশুদ্ধ বৰ্ণাশ্ৰমৰ বিকৃতি বুলিয়েই সন্তুষ্ট হৈছিল। এই বিষয়ে আৰু তেওঁৰ কল্পনাৰ গ্ৰামীণ সভ্যতাৰ বিষয়ে আমি ভবিষ্যতে পুনৰ আলোচনা কৰিম।

শ্ৰেণী-সংগ্ৰাম আৰু সামাজিক বাস্তৱ সম্পৰ্কে তেওঁৰ অবাস্তৱ আৰু প্ৰতিক্ৰিয়াশীল ধাৰণাৰ লগতে উদ্দেশ্যসাধনৰ উপায় সম্পৰ্কে তেওঁৰ ভাববাদী ধাৰণা যুক্ত হৈছিল। কেৱল শোষক সকলৰে নহয় শোষিত সকলৰো কাৰ্যসাধনৰ ঘাই পদ্ধতি হব লাগিব হেনো আত্মিক শোধন। এই আত্মিক শোধনৰ ওপৰত দিয়া গুৰুত্বত যেন এক আত্ম-সম্মোহনকাৰী ভ্ৰান্তি আছে। শোষণ আৰু দমনৰ যি সামাজিক আৰু অৰ্থনৈতিক ভিত্তি, তাৰ যথাযোগ্য অধ্যয়ন অবিহনে কেৱল আত্মিক শোধনৰে সিদ্ধিলাভ কৰিব পৰা যাব—এনে ধাৰণাত সেই অনগ্ৰসৰ ঔপনিৱেশিক তথা সামন্ততান্ত্ৰিক সমাজৰে মোহ মিহলি হৈ আছে। সামাজিক আন্দোলনৰ কৰ্মীসকলৰ নিষ্ঠা, সাহস আৰু মনোবল লাগিব সন্দেহ নাই—কিন্তু বাস্তৱ সমাজৰ লগত খাপ খুৱাই কাৰ্যপন্থা

** গান্ধীবাদৰ অধ্যয়নত যুক্তিতকৈ উপলব্ধিহে প্ৰয়োজন বুলি—এনেধৰণৰ ওকালতিও ওলাইছে।

"থাকৰ" আলোচনীৰ অক্টোবৰ মাহৰ সংখ্যাত লেখকে সেই ওকালতিৰ উত্তৰ দিছে।

অৱলম্বন নকৰিলে সেই আত্মিক সাধনাও অণিমা-লঘিমা বিচাৰি কৰা যোগাভ্যাসৰ দৰে বাতুলতাহে হব।

১৯৩৪ চনত "হৰিজন" কাকতত তেওঁ লেখিছিল:

It is because the rulers, if they are bad, are so, not necessarily or wholly by reason of their environment, that I have hopes of altering their course.... But the environment are we the people who make the rulers what they are. They are thus an exaggerated edition of what we are in the aggregate."

Harijan. 21. 9. 34.

শোষক শ্ৰেণীৰ বিৰুদ্ধে জনসাধাৰণ স্বাভাৱিক বিদ্বেষ আৰু ঘৃণাক তাৰ স্বাভাৱিক লক্ষ্যৰপৰা আঁতৰাই নিজৰ প্ৰতি প্ৰয়োগ কৰিবলৈ যেন ইয়াত শিক্ষা দিয়া হৈছে। আত্মিক শোধনৰ এই পৰিণাম গমি চাবলগীয়া। তদুপৰি আত্মিক শোধনৰ এই ভোজবাজীৰ পৰা আন্দোলনৰ প্ৰকৃত গতি নিশ্চয় বিশেষ বলিষ্ঠ হোৱা নাছিল। ১৯।১।২১ তাৰিখৰ Young India আলোচনীত তেওঁ লিখিব পাৰিছিল:

"Is it such a difficult thing for India to realize that thirty crores of human beings have but to feel their strength, and they can be free without having to use it? সামাজিক পৰিৱৰ্তনৰ মূল অন্তৰায়বোৰৰ (যথা ৰাষ্ট্ৰযন্ত্ৰ) বিষয়ে সতৰ্ক অধ্যয়নৰ প্ৰয়োজন এই মন্তব্যই অস্বীকাৰ কৰিছে। সেইদৰে সমাজৰ মূল সমস্যাও শোষণ গুছি অজ্ঞতা হৈ পৰিছে:

"And if labour and capital have the gift of intelligence equally developed in them and have confidence in their capacity to secure a fair deal, each at the hands of the other, they would get to

respect and appreciate each other as equal partners in a common enterprise, They need not regard each other as inherently irreconcilable antagonists.

Harijan, 3-7-37.

Hind Swaraj গ্ৰন্থত গান্ধীজীৰ ধাৰণা আছিল যে ভাৰতীয় সভ্যতাৰ মূল বৈশিষ্ট্য তাৰ নৈতিক উৎকৰ্ষ। ভাৰতৰ বৰ্তমান অৱনতিৰ কাৰণ ভাৰতীয় মানুহৰ আত্মিক স্খলন। স্বৰাজ পোনতে হয় অন্তৰ্জগতত। তাৰ পিছতহে সি বাহিৰত আৰু আন মানুহৰ মাজত প্ৰতিষ্ঠিত হয়।

কিন্তু গান্ধীজীয়ে নিজেই বুজিব পাৰিছিল এনে আত্মিক বলেৰে তেওঁৰ সপোনৰ সমাজ সুপ্ৰতিষ্ঠিত হব নোৱাৰে—তাৰ মানে এক সুদৃঢ় অৰ্থনৈতিক ভিত্তি লাগিব। এইখিনিতে গান্ধীজীৰ প্ৰতিক্ৰিয়াশীলতা আৰু অবৈজ্ঞানিক মনোবৃত্তি স্পষ্ট হৈ উঠে—যি তেওঁক প্ৰকৃত বৈজ্ঞানিক সমাজবাদৰ পৰা নিলগত ৰাখিছে।

অতীতৰ সমাজ যে ন্যায়, শান্তি আৰু প্ৰেমৰ ভিত্তিত ৰচিত হৈছিল, সেই বিষয়ে গান্ধীজী ইমান নিশ্চিত আছিল যে তেওঁ আধুনিক জগতৰ সকলো বস্তুগত মূল ভিত্তিকে বৰ্জন কৰিবলৈ প্ৰস্তুত। এই বিষয়ে অন্য এক অধ্যায়ত আমি বিশদ আলোচনা কৰিছোঁ। এতিয়া মাত্ৰ এই কথা ক'লেই চলিব যে যন্ত্ৰশিল্প আৰু বৃহৎ উদ্যোগৰ ভিত্তিত উৎপাদনৰ প্ৰাচুৰ্যতকৈ সীমিত হস্তশিল্প অৰু সনাতন উৎপাদন পদ্ধতিকহে এখন সুখী আৰু সুবিচাৰপূৰ্ণ সমাজৰ সঁচাৰকাঠি বুলি তেওঁ ভাবিছিল।

কোৱা বাহুল্য অতীত ভাৰত আৰু তাৰ উত্তৰাধিকাৰী ব্ৰিটিশ আমোলৰ ভাৰতৰ সাধাৰণ গাওঁভূঁইৰ উৎপাদন পদ্ধতি আছিল অতি পশ্চাৎপদ। গ্ৰামকেন্দ্ৰিক এই উৎপাদনে (সুদূৰ অতীতত যিমানেই প্ৰগতিশীল নহওক্, পিছলৈ) এহাতে গাওঁভূঁইবোৰ বিচ্ছিন্ন, দ্বীপধৰ্মী হোৱাত সহায় কৰিছিল। যিকণ উদ্বৃত্ত জমা হল হয় তাকো শাসক

গোষ্ঠিয়ে চুঁচিয়াজি জনসাধাৰণক কোনোমতে পেটেভাতে খাই থাকিবলৈ দিছিল। সুপণ্ডিত ইৰ্ফান হবিবে লেখিছে :

'Under these conditions, it must have been inevitable that the actual burden on the peasantry should become so heavy in some areas as to amount to depriving them of their means of survival. The collection of revenue of this magnitude from peasants who had "no possessions or assets from which to pay' could not be a refined process......Frequently, therefore, the peasants were compelled to sell their women, children, and cattle in order to meet the revenue demand."

'The Agrarian System of Mughal India' (Asia Publishing House, 1963 p. 322.) D. H. Buchanan এ ভাৰতৰ উৎপাদন পদ্ধতি সম্পৰ্কে লেখিছে :

'The technique of village agriculture and industry was on a low leval. Simple agricultural equipment and the hand-manipulated tools for manufacture were all that were known. Even wind mills and waterwheels were seldom employed.

The Development of capitalist Enterprise in India (1934).

স্বাভাৱিকতে এনে উৎপাদন প্ৰক্ৰিয়াৰ পৰা সমাজ বিশেষ সমৃদ্ধ হোৱাৰ আশা নাই। হিন্দু সভ্যতাৰ অৱনতিৰ সময়ত ভাৰতবৰ্ষত যোগাভ্যাস আৰু আন নানা বিধ আত্মনিপীড়নকাৰী আত্মনিগ্ৰহকাৰী ধৰ্মানুষ্ঠানৰ উদ্ভৱৰ মূল কাৰণ সম্ভৱতঃ এই দুৰ্বল, অভাৱপীড়িত জীৱনৰ হেঁচা। অন্তৰেন্দ্ৰিয়ৰ শক্তিৰে বাহ্যিক জীৱনৰ অভাৱ নাশিবলৈ এক

বৃথা প্ৰয়াস। গান্ধীজীৰ ভাৱধাৰাতো অধিক উৎপাদনৰ ভিত্তিত স্বাধীন, সৃষ্টিশীল আৰু বলবান ব্যক্তিত্ব গঠনৰ প্ৰতিশ্ৰুতি নাই—আছে তথাকথিত আত্ম-সংযম তথা আত্মনিগ্ৰহৰ বাট।

পুৰুষাৰ্থ আৰু সুখৰ এই ধাৰণা প্ৰকৃত সমাজবাদ তথা মানবপ্ৰগতিৰ পৰিপন্থী:

"We notice that the mind is a restless bird; the more it gets the more it wants, and still remains unsatisfied. The more we indulge in our passions the more unbridled they become. Our ancestors, therefore, set a limit to our indulgences. They saw that happiness was largely a mental condition."

Hind Swaraj, p. 807.

মানুহৰ সুখ তেনেহলে জগতৰ পৰা আঁতৰাই আনিব পৰা আত্মাৰ অৱস্থা। এনে ধাৰণাত "প্ৰকৃতিৰ" লগত মানুহৰ চিৰন্তন সংগ্ৰামৰ কোনো উল্লেখ নাই। সমাজবাদৰ অন্যতম মূল নীতি—শ্ৰম (labour)—গান্ধীজীৰ ধাৰণাত মানুহৰ সংগ্ৰামৰ লক্ষণ নহয় বৰং এক বিচ্ছিন্ন আত্মাৰ কৰ্তব্যবোধৰ পৰিচয়। অৱশ্যে কাৰ্ল মাৰ্ক্সেও সকলোতকৈ আগতে স্বীকাৰ কৰিব যে এই সংগ্ৰামত মানুহে শিল্পীয়ে পোৱা আনন্দ আৰু শান্তি আৰু প্ৰেম অনুভৱ কৰিব পাৰে। কিন্তু গান্ধীজীৰ bread labourৰ ধাৰণাত এক আত্মনিপীড়নকাৰী তপস্যাৰহে যেন আভাস আছে।* প্ৰকৃতিৰ লগত আদান-প্ৰদানৰ যোগেদি প্ৰকৃতিৰ ৰূপান্তৰ যেন এই শ্ৰমৰ পৰিচয় নহয়।

---

* "Beyond doubt a profound sense of mortification, of tapas or ascetic burning is inherent in the Indian make-up. Gandhi's exaltation of the hard life, his horror of luxury, his need of being poor…echoes all India's past……. Louis Renou, 'Gandhi and Indian Civilisation' in Visva-Bharati Quarterly, Santiniketon 2 Oct., 1949.

১।৯।৪০ তাৰিখে “হৰিজন” কাকত তেখেতে লেখিছিল :

“Body labour was at the core of these industries and occupations, and there was no large-scale machinery. For when a man is content to own only so much land as he can till with his own labour, he can not exploit others. Handicrafts exclude exploitation and slavery.”

কায়িক শ্ৰম আৰু যন্ত্ৰশিল্পবৰ্জনৰ যোগেদি তেখেতে শোষণ আৰু দাসত্বৰ অৱসান বিচাৰিছিল। কিন্তু এই বিষয়ে বুৰঞ্জীৰ সাক্ষ্যপ্ৰমাণ বিশেষ উৎসাহজনক নহয়। এনে ধৰণৰ কায়িক শ্ৰমৰ ওপৰতেতো প্ৰাচীন অসম আৰু ভাৰতৰ শোষণধৰ্মী সমাজ গঢ়ি উঠিছিল। * * তদুপৰি এনে এখন সমাজ উৎকট পৰিশ্ৰম আৰু প্ৰাকৃতিক শক্তিৰ প্ৰভুত্বত পোত গৈ থাকিব—মানুহৰ জীৱনলৈ উত্তৰোত্তৰ উন্নতিৰ হকে সম্পদ আৰু আজৰিৰ উদ্বৃত্ত বৈ আনিব নোৱাৰিব। শোষক গোষ্ঠি অপসাৰিত হ'লেও ন্যায় ৰক্ষা পৰিব সামাজিক প্ৰগতিৰ বিনিময়ত। অৱশ্যে গান্ধীজীয়ে কৈছিল যে তেওঁৰ আদৰ্শ সমাজৰ ভিত্তি হ'ব স্বয়ং-সম্পূৰ্ণ গাঁও—য'ত কেৱল কায়িক শ্ৰমেই নহয়, শিক্ষা, সংস্কৃতি আৰু স্বাস্থ্যৰক্ষা (hygiene and sanitaion)ৰ সকলো সুবিধা থাকিব। অৰ্থাৎ শোষণ, শ্ৰেণীবিভাগ আৰু আধুনিক বিজ্ঞানৰ সকলো “সুফল” তাৰ বস্তুগত ভিত্তি বাদ দিও তেওঁ সংৰক্ষণ কৰিব খোজে। এই ধাৰণা কল্পনাশ্ৰয়ী আৰু ভ্ৰান্ত। দ্বীপধৰ্মী গাওঁভুঁইৰ পৰিবেশত কায়িক শ্ৰমত ব্যস্ত আৰু বৈজ্ঞানিক গৱেষণাৰ সময় আৰু সজুঁলি নথকা মানুহে স্বাস্থ্যবিধিৰ মূল নীতিবোৰ হয় পাহৰি যাব, নহয় অন্ধ সংস্কাৰত

---

* Elphinstone প্ৰমুখ্যে পণ্ডিতসকলে চালু কৰা “গ্ৰাম-গণৰাজ্য” (Village republic)ৰ ধাৰণা কেনে কল্পনাবিলাসী আছিল তাক অন্যান্য সমালোচকৰ লগতে E. M. S. Nambudiripad এ দেখুৱাই গৈছে।

(Economics and Politics of India's Socialist Pattern)

পৰিণত কৰিব। সেইদৰে তাৰ শিক্ষাও ক্ৰমশঃ কৌতূহলহীন যান্ত্ৰিক আবৃত্তিলৈ পৰ্যবসিত হ'ব। অৰ্থাৎ গান্ধীজীৰ সুখী গ্ৰাম্য জীৱনৰ কল্পনাতে স্ববিৰোধ পাক খাই আছে। ঐতিহাসিক বাস্তৱ অস্বীকাৰ কৰি কালৰ গতিশীল ধৰ্ম নেওচা দি এক স্থায়ী সমাজৰ সপোন ৰচিলে সি চিৰদিন সপোন হৈয়ে থাকে। কেতিয়াবা আকৌ ধুৰন্ধৰ শোষক শ্ৰেণীয়ে সেই সপোনৰ মায়াৰে শোষিত জনসাধাৰণক ফুচুলাই ৰাখিব খোজে। পাৰলৌকিক সৰগৰ ঠাইতএখন কাল্পনিক "ৰামৰাজ্য'ৰ ধোঁৱাৰেও যে সাধাৰণ মানুহৰ স্বাভাৱিক আশাআকাঙ্ক্ষা আচ্ছন্ন কৰি পাৰি তাৰ প্ৰমাণ বিচাৰি দূৰলৈ নগলেও চলে।

ভাৰতীয় ঐতিহ্যৰ নামকীৰ্তনত ব্যস্ত বুদ্ধিজীৱি সকলে কব খোজে যে আধ্যাত্মিকতা ভাৰতীয় সমাজৰ স্বকীয় বৈশিষ্ট্য। কিন্তু শিল্পবিপ্লৱৰ পূৰ্বে য়ুৰোপীয় সামন্ততান্ত্ৰিক সমাজতো ধৰ্মভাব আৰু আধ্যাত্মিকতা প্ৰবল আছিল। ডাণ্টে', ছে'ন্ট্ ফ্ৰান্সিচ্ আৰু অন্যান্য হাজাৰ হাজাৰ নাম এই প্ৰসংগত উল্লেখ কৰিব পাৰি—সামন্ত যুগৰ য়ুৰোপীয় সাহিত্যত যি ভাৱাদৰ্শ প্ৰতিফলিত হৈছে, সি সনাতন ভাৰতীয় ভাৱাদৰ্শৰ দৰে আধুনিক বস্তুবাদী চিন্তাধাৰাতকৈ বেলেগ! ঔপনিবেশিক শাসনত ভাৰতীয় সমাজৰ পশ্চাদ্‌ৱৰ্তিতাৰ ওপৰতে ইংৰাজ সাম্ৰাজ্যবাদৰ স্থায়িত্ব নিৰ্ভৰ কৰিছিল! কিন্তু ঔপনিবেশিক শাসনৰ অন্তৰ্দ্বন্দ্ব মাৰ্ক্সে তাহানিয়েই Future results of British Rule in India নামৰ প্ৰবন্ধত ফঁহিয়াই গৈছে। ঔপনিবেশিক শোষণৰ স্বাৰ্থতে সামান্য পৰিমাণে হলেও আধুনিক বস্তু কিছুমান ব্ৰিটিছে প্ৰবৰ্তন কৰিবলৈ বাধ্য হ'ল। শিক্ষা, পৰিবহন, যোগাযোগ, সংবাদপত্ৰ, আধুনিক বেপাৰী সভ্যতাৰ নানা সাজসৰঞ্জাম, প্ৰশাসন—আদিৰ সম্মিলিত প্ৰভাৱতে ভাৰতত এক আধুনিক মধ্যবিত্ত শ্ৰেণী গঢ় লৈ উঠিছিল।

কোৱা বাহুল্য ঔপনিবেশিক শাসনৰ অপচ্ছায়াত গঢ় লোৱা এই শ্ৰেণীৰ ভাবাদৰ্শত আগৰে পৰা অন্তৰ্দ্বন্দ্ব আছিল তীব্ৰ। আধুনিক

ভাৱধাৰাৰ লগতে তাৰ লগত খাপ নোখোৱা বহু সনাতন ধ্যানধাৰণা এই নতুন মধ্যবিত্ত শ্ৰেণীৰ চেতনাত সক্ৰিয় হৈছিল। (ইতিমধ্যে বহল বিশ্লেষণৰ জৰীয়তে লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীত সেই স্ববিৰোধ এই লেখকে উদ্ঘাটন কৰিছে।) কোৱা বাহুল্য তাহানিৰ সমাজৰ নানা ধৰ্মবিশ্বাস আৰু ধৰ্মমূলক ধাৰণা আধুনিক ভাৰতীয় বুদ্ধিজীৱীৰ মনতো নিগাজী হৈ ৰ'ল। আধুনিক ভাৰতৰ মধ্যবিত্ত শ্ৰেণীয়ে য়ুৰোপৰ জড়বাদতকৈ ভাববাদহে বেছি পছন্দ কৰিলে—খুব সম্ভৱ প্ৰাচীন চিন্তাধাৰাৰ লগত ভাববাদৰ সাদৃশ্যৰ বাবে। * আমাৰ ৰাজনৈতিক নেতাসকলৰ ভাবধাৰাতে সেয়ে আধ্যাত্মিকতাৰ চাবমোহৰ সুস্পষ্ট। ৰামমোহন ৰায়, বিবেকানন্দ, তিলক, অৰবিন্দ আদি বহু সামাজিক আৰু ৰাজনৈতিক নেতাৰ জীৱন আৰু ভাৱধাৰাত ধৰ্ম তথা আধ্যাত্মিকতাৰ প্ৰভাৱ নৈৰাশ্যজনক ভাবে প্ৰবল। গোখেল, তেজবাহাদুৰ ছাপ্ৰু প্ৰভৃতি লিব্‌ৰেল নেতাৰ জনপ্ৰিয়তা তথা প্ৰভাৱ সদায় সীমিত আছিল। কিন্তু ভাৰতমাতাক দুৰ্গাৰূপে উপাসনা কৰা বিধৰ দেশসেৱকৰ সাম্ভাব্য প্ৰভাৱ আছিল অসীম।

গান্ধীজীৰ ক্ষেত্ৰতো এই সমন্বয়বাদৰে নতুন সংস্কৰণ দেখা যায় মাত্ৰ। তেওঁৰ কৰ্মপদ্ধতিতে তাৰ বহু উদাহৰণ ওলাব। এহাতে তেওঁ হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ ভিত্তিত নতুন ভাৰতৰ জাতীয়তা স্থাপন কৰিবলৈ বিচাৰিলে—আনহাতে প্ৰাৰ্থনা, উপাসনা আৰু নানা ধৰ্মীয় অনুষ্ঠান ব্যৱহাৰ কৰি দুয়ো সম্প্ৰদায়ৰ আত্মচেতনা তথা পাৰ্থক্য সবল হোৱাত সহায় কৰিলে। এহাতে দৰিদ্ৰ কৃষকৰ গো-সম্পদ সমৃদ্ধ তথা উন্নত কৰাত তেওঁৰ অৱদান বাস্তৱমুখী—কিন্তু তাতে পুৰণিকলীয়া গো-মাতাৰ জয়গান সানি পুটকি তাক এটা

---

* কেইবছৰমান আগতে Sterling Lamprecht নামৰ এজন মাৰ্কিন শিক্ষাবিদে লক্ষ্য কৰিছিল যে ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত দৰ্শনৰ পাঠ্যক্ৰমত পাশ্চাত্য ভাববাদৰ প্ৰভাৱ অপৰিমিত। তেওঁ আৰু লক্ষ্য কৰিছিল ভাৰতীয় চিন্তাধাৰা আৰু পাশ্চাত্য ভাৱবাদৰ সমন্বয়ৰ এটা অদ্ভুত প্ৰচেষ্টা।

দুৰ্বোধ্য মন্ত্ৰত পৰিণত কৰাত তেওঁৰ ভূমিকা সংশয়জনক। তেওঁৰ লক্ষ্য আৰু কৌশল সিয়ান ৰাজনীতিজ্ঞৰ সম্বলৰ যুৰীয়া—কৌশল (Practics) প্ৰয়োগ আৰু ৰাজনৈতিক চাতুৰ্যত তেওঁ আছিল অদ্বিতীয়। সুভাষ বসুক নিৰস্ত্ৰ কৰোঁতেই তেওঁ তাৰ প্ৰমাণ দিছিল। অনহাতে তেওঁৰ জীৱন আৰু কথাবতৰাই নিঃসন্দেহে তাহানিৰ চৈতন্য, কবীৰ প্ৰভৃতি সাধুসন্তৰ কথা মনত পেলায়। জনসাধাৰণ বা অন্যান্য দলীয় নেতাই তেওঁৰ নীতি অগ্ৰাহ্য কৰিলেই তেওঁ প্ৰয়োগ কৰিছিল অনশন অস্ত্ৰ। (যেনেকৈ Communal e ectorateৰ প্ৰশ্নত) এই অনশন তেওঁ ব্যাখ্যা কৰিছিল আত্মিক শোধনৰ উপায় বুলি। কিন্তু তাৰ কাৰ্যকৰী পৰিণাম আছিল এক আবেগিক ভাবুকি। আচৰিত নহয় ক্লিমেণ্ট্ এট্লীয়ে তেওঁক বৰ্ণাইছিল "a curious mixture of a Saint and a Politician বুলি।

এই প্ৰসংগতে ব্যক্তিৰ প্ৰতি গান্ধীজীৰ শ্ৰদ্ধা থকা বুলি যিসকলে ঘোষণা কৰে (উদাহৰণ স্বৰূপে নবেম্বৰ সংখ্যাৰ "অসমীয়া"ত শ্ৰীযুত হোমেন বৰগোহাঞিয়ে)—তেওঁলোকৰ এটা ভ্ৰান্তি দূৰ কৰাৰ প্ৰয়োজন আছে। গান্ধীজীৰ অনুসৃত নীতিৰ শ্ৰেষ্ঠতা হেনো প্ৰমাণ হয় ব্যক্তিৰ প্ৰতি সেই নীতিৰ আস্থাৰ পৰা। ই ধুৰুপ যে বল প্ৰয়োগ কৰি ব্যক্তিৰ মত বা মনোভাবৰ সংস্কাৰ সাধন কৰিবলৈ গান্ধীজীয়ে বিচৰা নাছিল। কিন্তু তাৰ অৰ্থ এনে নহয় যে বেলেগ বেলেগ ব্যক্তিৰ বিভিন্ন আৰু বিচ্ছিন্ন সত্তাক তেওঁ এটা প্ৰাথমিক আৰু অপৰিবৰ্তনীয় সত্য বুলি ধৰি লৈছিল। এনে ধাৰণা এটি লিব্‌ৰেল ভ্ৰান্তি মাত্ৰ। আৰু কোনো প্ৰকৃত সমাজবাদীয়ে তাক গ্ৰহণ কৰিব নোৱাৰে। শোষক আৰু শোষিত ব্যক্তিৰ মতবাদৰ পাৰ্থক্যক শ্ৰদ্ধা কৰিব নোবাৰি। সমাজবাদী হিচাবে গান্ধীজীয়েও বিচাছিল শোষক শ্ৰেণীৰ প্ৰতিভূসকলৰ ভাবধাৰা, বিশ্বাস আৰু ব্যক্তিত্বৰ পৰিবৰ্তন। উদাহৰণস্বৰূপে তেওঁৰ কল্পিত আদৰ্শ সমাজত

নির্বিশেষে সকলোৱে শ্ৰম কৰিব—শ্ৰমবিমুখ ব্যক্তিৰ ব্যক্তিত্বৰ বাবে জাগা তাত নাই। সেইদৰে শৃংখলা আৰু অনুশাসনৰ বিষয়তো তেওঁ আছিল প্ৰায় উগ্ৰপন্থী। ধেমালিৰ ছলতে তেওঁ এবাৰ কৈছিল যে সকলো প্ৰকৃত সমাজবাদীৰ দৰে তেৱোঁ একনায়কত্বত বিশ্বাস কৰে। (Harijan, 4-8-46)

কিন্তু বলপ্ৰয়োগ বা অস্ত্ৰাঘাতৰ দ্বাৰা মতপৰিৱৰ্তনত তেওঁৰ আস্থা নাছিল। সেয়ে বিড়লা প্ৰমুখ্যে পুঁজিপতিৰ সমাদৰ তেওঁ দলিয়াই দিয়া নাছিল। হয়তো তাৰ সুযোগ লৈয়েই বহু পুঁজিপতিয়ে তেওঁৰ নিশান তুলিবলৈ আস্পৰ্দ্ধা কৰিছিল।

কিন্তু মত পৰিবৰ্তন তথা ব্যক্তিত্বৰ সংস্কাৰত বিশ্বাস কৰিলে প্ৰশ্ন উঠে: অস্ত্ৰাঘাত নকৰাকৈয়ো বলপ্ৰদৰ্শনৰ দ্বাৰা ব্যক্তিৰ সংস্কাৰ কিয় অসংগত ? সমাজতান্ত্ৰিক দেশবোৰত প্ৰাচীন বুৰ্জোৱা সমাজৰ অৱশিষ্ট ব্যক্তিক নিধন কৰাত কোনো আগ্ৰহ দেখা নেযায়। কিন্তু তেওঁ লোকৰ বুৰ্জোৱা ভাবধাৰাক সক্ৰিয় হবলৈকো সুবিধা দিয়া নহয়। সকলো সময়তে চলে তেওঁলোকৰ মত আৰু ব্যক্তিত্ব পৰিবৰ্তনৰ চেষ্টা।

তদুপৰি "ব্যক্তিত্ব সংস্কাৰ" এক বিশেষ পৰিবেশতহে ফলৱতী হয়। অপৰাধীক মানসিক চিকিৎসা কৰি অন্নসংস্থানৰ দিহা নিদিলে অপৰাধৰ পুনৰাবৃত্তি যিদৰে অৱধাৰিত—সেইদৰে সমাজ ব্যৱস্থাৰ সংস্কাৰ নাসাধিলে শোষক ব্যক্তিত্বৰ অৱলুপ্তি অসম্ভৱ। আত্মিক শোধনৰ তন্ত্ৰমন্ত্ৰৰ পৰা মাত্ৰ এটাই ফল হয়—অহিংসাৰ নামত হৈ-ধ্বনি কৰি শোষক ব্যক্তিয়ে নিজকে আৰু জনসাধাৰণক ভুককিয়াবলৈ শিকে।

(আৱাহন, ১৮৯১ শক, ৪ৰ্থ সংখ্যা)

॥ মফিজুদ্দিন আহমদ হাজৰিকাৰ আধ্যাত্মভাৱ ॥

উনবিংশ শতিকাৰ শেহচোৱাত ডিব্ৰুগড়খন এখন বৰ্দ্ধিষ্ণু প্ৰাণচঞ্চল চহৰ আছিল। ১৮৯১ চনৰ চেন্সাচ ৰিপটত গেইট চাহাবে লিখি গৈছে যে ১৮৭২ চনত ডিব্ৰুগড় এখন গাঁও আছিল ; কিন্তু তাৰ পাচৰ নটা বছৰত তাৰ জনসংখ্যা ডেৰগুণ বাঢ়ে ; আৰু ১৮৯১ চনলৈ তাৰ পাচত তাৰ জনসংখ্যা বৃদ্ধি তাৰ ১৮৭২ চনৰ সমূহ জনসংখ্যাৰ সমান হয়গৈ। এই চমকপ্ৰদ উদ্‌গতি আৰু প্ৰসাৰণ আকস্মিক নহয়। তেতিয়া চাহৰ বজাৰ ভাল আছিল আৰু ডিব্ৰুগড়ৰ ওচৰত কেইবাখনো নদন-বদন চাহ-বাগিচাই গঢ় লৈছিল। ওচৰৰ হাবি-বনৰ কাঠ আৰু অন্যান্য সম্পদ কলিকতালৈ ৰপ্তানি হৈছিল। ১৮৮৯ চনত ডিগবৈৰ ওচৰত তেল আৰু কয়লা আহৰণৰ যো-জা চলে। সেইবোৰ অঞ্চলৰ প্ৰয়োজনীয় নানা সামগ্ৰী যোগানৰ বাবে, আৰু তাৰ উৎপন্ন বাহিৰলৈ নিবলৈ ডিব্ৰুগড় এটা প্ৰধান ঘাটি হৈ পৰিছিল। ওচৰতে জাহাঁজঘাট থকা বাবে এই কামত বৰ সুচল হৈছিল। তদুপৰি ডিব্ৰুগড় আছিল জিলাৰ সদৰঠাই। অসমৰ বাহিৰৰ বঙালী, বিহাৰী, মাৰোৱাৰী বহু মানুহে তাহানিয়েই চুবুৰি পাতি ডিব্ৰুগড়ত বহিছিল। কামৰূপ জিলাৰ কেইবাজনো উদ্যোগী

মানুহ ডিব্রুগড়ৰ নিগাজী বাসিন্দা হৈ পৰিছিল। সেয়েই প্ৰাচীন ঐতিহ্য বিশেষ নথকা সত্বেও ডিব্রুগড় দোপত-দোপে আগবাঢ়ি আহিল। আমোলা-মহৰীয়েই হওক, ব্যৱসায়ীকেই হওক, নতুন অসমীয়া মধ্যবিত্ত এদল এই চহৰত পোখা মেলি গজিবলৈ ধৰিলে। পাচলৈ আধুনিক অসমীয়া সংস্কৃতিৰ চৰ্চাও তাত যথেষ্ট হয়। যাইকৈ চাহ-খেতিয়কৰ পৃষ্ঠ-পোষকতাত বিখ্যাত Times of Assam ওলাবলৈ ধৰে। "আসাম বান্ধৱ" আৰু "আলোচনী"য়েও লিখা ভাষাৰ গঢ়-গতি লৈ আলোড়ন সৃষ্টি কৰে। অৱশ্যে "জ্ঞান মালিনী" প্ৰকাশ হ'বৰ সময়ত (১৮৯৬ চন) সেইবোৰ তেতিয়াও ভৱিষ্যতৰ গৰ্ভত।

এনে এখন চহৰৰ উলহ-মালহ আৰু হেন্দোলদোপ চাই কিন্তু এজন মানুহ ভোল যোৱা নাছিল। তেওঁৰ দৃষ্টিত এই নতুন জীৱনৰ ব্যস্ততা আৰু সমাৰোহৰ আঁৰত থকা শূন্যতা আৰু অৰ্থহীনতা প্ৰকট হৈ ধৰা দিছিল। এই চহৰৰ লীলা-খেলা তেওঁৰ মনত আছিল যেন মায়াত বান্ধ-খোৱা সংসাৰৰ ছাঁয়াছবি। এই মানুহজন আছিল কবি মফিজুদ্দিন আহমদ হাজৰিকা। পৰীক্ষাৰ জখলাৰে তেতিয়াৰ মধ্যবিত্ত শ্ৰেণীয়ে চাকৰি-বাকৰি, সম্পত্তি আৰু প্ৰতিষ্ঠা অৰ্জন কৰিছিল। এনে এক পৰীক্ষাত উজুটি খোৱাৰ পিচতে মফিজুদ্দিনৰ স্পৰ্শকাতৰ, কল্পনাপ্ৰৱণ মনত যি জোঁকাৰ লাগিল, সিয়েই তেওঁক সমকালীন সংসাৰখনৰ মায়াজাল ছেদ কৰিবলৈ বল দিলে।

"জ্ঞানমালিনী"ৰ আধ্যাত্মিক ভাব সহজ আৰু গভীৰ। গভীৰতা আৰু Sophistication (মসৃণতা ?)ৰ মাজত বহুত সমালোচকে এতিয়াও পাৰ্থক্য নেদেখে। কিন্তু চহা মানুহৰ মাজতো সহজ অনুভূতিৰ গাঢ়তা আৰু গভীৰতা নেদেখিলে সমালোচকৰ অনভিজ্ঞতা আৰু অজ্ঞতা হে প্ৰকাশ পায়। প্ৰকৃততে "জ্ঞানমালিনী"ৰ সহজ-সৰল ভাষা এটা উপকৰা অলঙ্কাৰ নহয়—গ্ৰামীণ সংস্কৃতিৰ কেতবোৰ প্ৰাচীন আৰু গভীৰ সংস্কাৰ তথা বিশ্বাস প্ৰকাশ কৰাৰ একমাত্ৰ উপযুক্ত বাহন।

নতুন অসমীয়া মধ্যবিত্তৰ মানসিক জগৎখন সনাতন গ্ৰামকেন্দ্ৰিক সংস্কৃতিৰপৰা বিচ্ছিন্ন নাছিল। বেচিভাগ অসমীয়া চহৰ আছিল প্ৰশাসন আৰু কাৰবাৰৰ কেন্দ্ৰ। শিল্পই গা কৰি উঠা নাছিল। কাৰবাৰবো সৰহখিনি অনা-অসমীয়া গোষ্ঠিৰ হাতত পৰিছিল। বেচিভাগ চহৰীয়া মধ্যবিত্তৰ গাঁৱত আধি দিয়া খেতিৰ মাটি আছিল। নিজা থকা ঠাই এৰি বঙালী শিক্ষিত মানুহৰ দৰে অলৈতলৈ ভাগ্যান্বেষণত যাবলৈ অসমীয়া মানুহৰ এতিয়াও দোৰ্ঘোৰ আপত্তি। নতুন অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ এই গ্ৰামীণ বা গ্ৰাম সংলগ্ন চৰিত্ৰই বঙালী মধ্যবিত্তৰপৰা তেওঁলোকক বেলেগ কৰিছিল। তাহানিৰ অসমীয়া—বঙলা ভাষাৰ থৈয়া-নথৈয়া ৰণখনৰ অন্যতম কাৰণ আছিল এটা নাগৰিক সভ্যতাৰ প্ৰভাৱৰ বিৰুদ্ধে গভীৰভাৱে গাঁৱৰ লগত জড়িত এটা মধ্যবিত্ত সংস্কৃতিৰ প্ৰতিবাদ। আধুনিক অসমীয়া ভাষাই গাঁৱত চলা, গাঁৱৰ জতুৱা ঠাঁচেৰে ভৰা ভাষাৰে সংস্কৃতগন্ধী নাগৰিক বঙলা ভাষাৰ সম্প্ৰসাৰণত বাধা দিলে। ঠিক এই কাৰণেই অতীত অসমৰ মহাপুৰুষীয়া ঐতিহ্য সম্পৰ্কে নতুন অসমীয়া মধ্যবিত্ত শ্ৰেণী অত্যধিক সচেতন হৈ পৰিল—চিন্তাজগতত বঙ্গদেশৰ দৰে বৈপ্লৱিক নতুন আন্দোলন অসমত নহ'ল (অসমৰ বাহিৰত বহুদিন কটোৱা বাবে বেজবৰুৱা ঋজু, দৃঢ়চেতা, সাহিয়াল আৰু প্ৰাণৱন্ত ইংৰাজ চৰিত্ৰৰ প্ৰতি আকৃষ্ট হৈছিল। গল্প আদিৰ উপৰিও বাঁহীৰ সম্পাদকীয়, কৃপাবৰী মন্তব্য আৰু সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত তেওঁ এই নতুন মূল্যবোধ প্ৰচাৰ কৰিছে। কিন্তু তেতিয়াৰ সকলো অসমীয়া লিখকে এই ধৰণৰ আধুনিক মূল্যবোধ গ্ৰহণ বা প্ৰচাৰ কৰিব পৰা নাছিল)। সেয়ে অসমীয়া মধ্যবিত্তৰ মানসিক পৰিমণ্ডল বহুদিনলৈ গঞা হৈ থাকিল। মফিজুদ্দিনৰ কাব্যত সেই ঐতিহ্যগত ভাবমণ্ডলৰে নতুন প্ৰকাশ ঘটিছে।

আমাৰ ঐতিহ্যগত ভাবমণ্ডলত সংসাৰ-বৈৰাগ্য প্ৰবল। সাংসাৰিক সুখ-সম্পদৰ অনিত্যতা আৰু তুচ্ছতা অসমৰ মহাপুৰুষীয়া ধৰ্মই যিমান

গভীৰভাৱে প্ৰচাৰ কৰিছে, জীৱনৰ গৌৰৱ আৰু মহিমা সিমান গভীৰ-ভাৱে ঘোষণা কৰা নাই।

পাৱে পৰি হৰি কৰোঁহো কাতৰি
প্ৰাণ ৰাখবি মোৰ।
অথিৰ ধনজন জীৱন যৌৱন
অথিৰ এহু সংসাৰ
নাইবা—
ধনে ধনে কৰি ধনকে ঘটিলোঁ।
পৰমে যতনে কৰি।
ধন গ'ল উছলি দেহা গ'ল পিছলি
লগত গ'ল ঢুছলি খৰি।

বেজবৰুৱা—চন্দ্ৰকুমাৰে দেখা সুন্দৰৰ আৰাধনা আৰু মানৱ জীৱনৰ মহিমা এই ঐতিহ্যগত বিষাদ আৰু বৈৰাগ্যৰ মাজত নিষ্প্ৰভ হৈ পৰিছিল। "জয়মতী কুঁৱৰী" নাটকৰ জয়মতীৰ সংসাৰ-যাতনা আৰু ঈশ্বৰ-চিন্তা বাস্তৱ অভিজ্ঞাৰ প্ৰতিলিপি; ডালিমীৰ নিৰ্মল, নিষ্কলুষ আনন্দ অপাৰ্থিব স্বপ্নৰ পোহৰত উদ্ভাসিত। এনে পৰিস্থিতিত সহজে অনুমান কৰিব পাৰি 'জ্ঞানমালিনী"ৰ সংসাৰ-বৈৰাগ্যই কিদৰে অনুভূতিৰ অতলত প্ৰবেশ কৰিছে। এটা জাতি আৰু তাৰ ঐতিহ্যলব্ধ সংস্কৃতিৰ নিৰ্যাস এইখন কবিতাৰ পুথি। মধ্যযুগৰ ইংৰাজী ৰূপক নাটক Everymanৰ দৰে ইয়াৰ সহজ-সৰল কৃত্ৰিমতাহীন আঙ্গিকৰ মাজেদি প্ৰকাশ পাইছে এটা পুৰণি সংস্কৃতিৰ হৃদয়স্পৰ্শী অভিজ্ঞতা।

সংসাৰ-যন্ত্ৰণাৰপৰা মুক্তি দিব পৰা স্বৰ্গীয় অনুভূতি (beatitude) "জ্ঞানমালিনী"ত তাকৰীয়া। সংসাৰৰ মায়াৰ আবিষ্কাৰ আৰু কালৰ সংহাৰ মূৰ্তিৰ কল্পনাতহে কবিৰ কৃতিত্ব যেন অধিক :

যত্তমানে প্ৰাণীমনি,
কাকতৰ চিলাখনি,

উশাহেৰে উৰি ফুৰে ধৰা-ওপৰত ;
হায় ! কাল কাষৰিব,
আয়ু-ডোল সামৰিব,
একেটানে চপাব-নি নিজ-ওচৰত : (বিশ্বখনিকৰ)

"মৰিশালিখনি" শিতানৰ অংশটোৰ মাজত সংসাৰৰ অনিত্যতা আৰু শূন্যতা যি বাস্তৱতা আৰু গভীৰতাৰে প্ৰকাশ পাইছে সেই বোধৰ গভীৰতা অসমীয়া সাহিত্যত দুৰ্লভ :

(১)

আহা ! কেনে নিজমীয়া,— কেনে নিজঞ্জাল !
যেনি চাওঁ, দেখা পাওঁ,— নিমাত নিতাল !
কাঁহী পৰি যায় ক্ষীণ,—গভীৰ গহীন !
কিযে এটি বাজি আছে নিৰাশাৰ বীণ।
কিযে এটি কেনে জানো ৰিঙা-ভাৱ ধৰা
ৰই ৰই বায়ু বয় মৈদামৰ পৰা !
কিযে এটি ছাটি-ফুটি বেজাৰৰ ঠাই
শুনো যেন কিবা হেন কান্দে—হায় ! হায় !"

(২)

আত্মা সকলোৱে যেন, আহি বাৰে বাৰে
দেহা-জঁকা চাই চাই হুমুনীয়া কাঢ়ে ;
সেই হুমুনীয়া যেন, উৰ্দ্ধে উৰি উৰি,
পাকে পাকে বতাহত ফুৰি ঘূৰি ঘূৰি,
শেহান্তৰে শূন্যে মিলি শূন্যে মাৰ যায় ;—
শূন্য গৰভতো যেন সেই—"হায় ! হায় !"

এই দুই স্তৱকৰ আবেদন কেৱল তাৰ খোকোজা নলগা সহজ ভাষাতে সীমাবদ্ধ নহয়। পৰিবেশৰ মাজেদি এটা গভীৰ বৈৰাগ্য আৰু বেদনাভৰা মোহমুক্তি ৰূপায়ন কৰিব পৰা বাবেহে কবিতা দুফাকি সাৰ্থক কবিতা। ইংৰাজ মেটাফিজিকেল কবি ডনৰ দৰে, নাট্যকাৰ

ৰে'ব্‌ষ্টাৰৰ দৰে (এলীয়টে কোৱাৰ লেখীয়াকৈ) মফিজুদ্দিনেও দেখিছে সংসাৰৰ নিশ্চিন্ত লাহ-লোটনৰ আঁৰত নিশ্চিত মৃত্যুৰ কৰাল ছাঁয়া :

এনি-তেনি দেখোঁ মানে যত মৰা শৱ,
পৰি আছে নিশৱদে নাই কোনো ৰৱ।
কি যে ভয়ানকভাৱে দাঁত নিকটাই,
হাঁহি হাঁহি আছে, যেন ভাবি চাই চাই—
পৃথিৱীৰ গতি-মতি লাহ-বিলাহক ;—
আৰু এই মতলীয়া জীয়া মানুহক। (পৃঃ ২১)

* * *

হিয়া ধুনি, বুকুপিটি, বংশ পৰিয়াল
যদিস্যাতো, কান্দি কান্দি, হ'ব লালকাল ;
কিন্তু তোমালোকে সৈতে মৈদামত গ'ই,
কেও নাথাকিব হায়! নগৰীয়া হই!

....

পেৰেঙনী ওপৰত চাৰিজনে লই,
ভাই বন্ধু সকলোৱে মিলিজুলি গ'ই ;
এৰি থৈ আহিবগৈ মৰিশালনীত ;—
আত্মম্ভৰি জগতৰ এয়ে হৈছে ৰীত। (পৃঃ ৬০-৬১)

সংসাৰৰ প্ৰতি এই অবিশ্বাস আৰু আতঙ্কৰ বাবেই সতৰ্কবাণীয়ে এক বুকু কঁপোৱা গাম্ভীৰ্য্য অৰ্জন কৰিছে :

নেভাবিবি—নৰ জীৱ, অজৰ অমৰ।
নেভাবিবি—ডঁৰ নাই, ফিতাহি-ভেমৰ।
নেভাবিবি—ৰক্ষা পাম, ধনৰ বলত।
নেভাবিবি—সাৰি যাম, বুধিৰ ছলত।
নেভাবিবি—কাম নাই, কোনো ধৰমত।
নেভাবিবি—লাভ নাই, প্ৰভু-মৰমত।

কিন্তু এই নৈৰাশ্য, উৎকণ্ঠা আৰু আতঙ্কৰ বাবে যে কবিৰ পাৰ্থিব সৌন্দৰ্য্যৰ অনুভূতি হেৰাই গৈছিল তেনে নহয়। বৰং চিনাকী জগতখনৰ প্ৰকৃতিৰ ৰেহ-ৰূপে, মানুহৰ সমাজৰ বেথা-মৰমে কবিৰ অন্তৰৰ গভীৰতম প্ৰদেশত প্ৰতিধ্বনি তোলা বাবেই কবিৰ নৈৰাশ্য প্ৰবল হৈছে। "জ্ঞানমালিনী"ৰ কেতবোৰ স্তবক পৃথিৱীৰ প্ৰতি কবিৰ মোহৰ মৰ্মস্পৰ্শী সাক্ষ্য :

গধূলি হইছে, মলয়া বইছে,
বেলিটি গইছে বুৰি ;
সোনালী বৰণে, পৰি হাবি-বনে
চমকে পৃথিৱী যুৰি।
("মুনিচুনি বেলি")

* * *

সন্ধিয়া লাগিছে, মেলানি মাগিছে,
দিনেও ৰাতিলৈ চাই ;
ৰ'দালী নুমালে, ৰান্ধনী সোমালে
লৰায়ো পাতিছে হাই।
("মুনিচুনি বেলি")

* * *

ইপিনে দেখিলোঁ— শূন্য আকাশত
ওলালে অলেখ্য তৰা ;—
মিচিকি মিচিকি হাঁহিটি মাৰিয়ে,
জোনালী কৰিলে ধৰা,
দেখি সি তৰাৰ টালুকি ভালুকি ;
উঠিলে ভাবৰ ঢ'উ ;
লাগিলে এনেহে সুৱদি সি যেন,
মাণিকি-মধুৰী মউ।

ডিবুৰুৰ চাহেবী পটিত ডেকাইঁতৰ লয়লাসৰ আৰু হাঁহি-খিকিন্দালিৰ যি বৰ্ণনা কৰিয়ে দিছে, তাৰ মাজতো যৌৱনৰ মাদকতাৰ প্ৰতি কবিৰ সঁহাৰি সুস্পষ্ট। কেৱল সংসাৰৰ নিষ্ঠুৰ স্পৰ্শ ই তাৰ বাগী চাই থাকোঁতেই হৰি নিব :

এই ডেকা-ধেমালি ও এই হলিগলি
নেথাকেতো বাৰকাল, একেদৰে চলি।
গলে পতি ল'বা যেবে বিয়া-ফাঁহি ডোল,
তেতিয়াহে ওলাব ই ধেমালিৰো জোল।
টানি নিব দিহাদিহি যাক যেনি পায় ;
ধনকেহে বিচাৰিবা হাবাথুৰি খাই।
ধনতেহে ধাউতিটো,—ধনতেহে মন,—
ধন-ঘটা বাজে একো নেদেখিবা বন। (পৃঃ ৪০-৫০)
সেই মিল, খিল্‌খিল্‌—হাঁহি-খিকিন্দালি,
হালিজুলি, টালিভুলি আৰু টকছালি ;
কোমলালি, সৰলালি, মিতিৰালি গুচি,
চতুৰালি, কপটালি হ'ব খোঁচা-খুচি।
ভাই ভাই ঠাই ঠাই হ'বা ভিন্‌ ভিন্‌ ;
মৰমৰ ধৰমৰ নাথাকিব চিন (পৃঃ ৫১)

অতি আখৰুৱা হই, তাৰো পিছে হ'বাগৈ
নাতিপুতিবিলাকৰ এটি হাৰমাল ;
তথু আল-ধৰোঁতাই কব, আহকাল পাই,—
"এনে আপদীয়াবোৰ মৰিলেও ভাল।" (পৃঃ ৫৭)

* * *

মাজে মাজে একোবাৰ, জীৱনৰ, পাপ ভাৰ,
আদি পৰা অন্তলৈকে, সুঁৱৰি সুঁৱৰি,
নিজে নিজে ভাবি চাই, নিজেই বিচূৰ্তি খাই,
প্ৰতিপলে গাৰ নোম উঠিব শিয়ঁৰি ! (পৃঃ ৫৮)

"জ্ঞানমালিনী"ৰ শেষ কবিতা "দিনকণা" নিঃসন্দেহে অসমীয়া কাব্য সাহিত্যৰ অন্যতম শীৰ্ষবিন্দু। অৱশ্যে তাৰ পটভূমিৰপৰা তাক আঁতৰাই আনিলে তাৰ তেজ বহুত হ্ৰাস পায়। সংসাৰৰ মায়া আৰু কালৰ নিষ্ঠুৰতা পূৰ্বৰ কবিতা কেইটাত প্ৰকট হোৱা বাবেই নাটকৰ চৰম মুহূৰ্তৰ দৰে "দিনকণা"ৰ আবেগিক শক্তি হৈছে অবিস্মৰণীয়। ইয়াত মানবাত্মাৰ চৰম নিঃসঙ্গতা আৰু সহায়হীনতা, অৱমাননা আৰু দুৰ্বলতা অদ্ভুত স্বচ্ছতা আৰু প্ৰত্যক্ষতাৰে ফুটি ওলাইছে। নায়কৰ শাৰীৰিক তথা মানসিক পৰিস্থিতি ইয়াত উন্মোচিত হৈছে নাটকীয়-ৰূপত। পহিলা ছেওতে সন্দেহাতীত সত্যতাৰে বাজি উঠিছে এটা সহায়হীন, অকলশৰীয়া প্ৰাণৰ সহায়ভিক্ষা :

হেৰা ! হেৰা ! হাটৰুৱা !
মৰমৰ ভাইহঁত।
নেৰিবা নেৰিবা মোক,
এই মায়া বজাৰত।
দুহাত যুৰিছোঁ মই
কাবউ কাকুতি কৰি ;
অকলে নেৰিবা মোক,
আলাই আথানি কৰি।

সেই প্ৰাণৰ সাহসৰ অভাৱ আৰু শৰণাৰ্থীৰ করুণ নম্ৰতা তাৰ পাচত আমাৰ চকুত পৰে :

বেচিতো নালাগে মোক ;
এফেৰি পোহৰ মুঠে ;
তাকে পালে উলাহতে
হিয়া মোৰ নাচি উঠে।

কিন্তু দুৰ্গতি আৰু দুৰ্দশাৰ বোধত মগ্ন এই প্ৰাণে বিচৰা সহায় কণ পোৱা নাই। ক্ৰমাৎ শাৰীৰিক ক্লেশৰ যোগেদি বাঢ়ি অহা যন্ত্ৰণা প্ৰকাশ পাইছে :

খোজে পতি উজুটিত
চুলি আগে গৈছে জীৰ ;
হায় ! আগে জনা হ'লে
আজি এনে দশা কিয় ?

*　　*　　*　　*

খোজে পতি ঘৰামুটি
　　ঘনে টেলেঙনী খাওঁ ;
"সহায় সহায়" কৰি
　　ইপিনে সিপিনে চাওঁ।

*　　*　　*　　*

হায় ! কি কপাল মোৰ,
　　এয়েনে আছিল লেখা ?
উহু ! কি এন্ধাৰ বাট ;
　　নাপাওঁ একণো দেখা !!

লগে লগে দিন শেষ হোৱাৰ, হাট ভগাৰ সামৰণি সুৰ আৰু নৈৰাশ্য গভীৰ স্বৰত ধ্বনিত হৈছে :

বজাৰতে ভোল গ'লোঁ
লীলা-মলা চাই চাই ;
চাকি, তেল, সলিতা যে
নেবেহালোঁ হায় ! হায় !

*　　*　　*　　*

এতিয়া বুৰিলে বেলি ;
　　　হ'লেহি এন্ধাৰ ঘোপ।
লাহে লাহে ভাগিলেহি
　　　গৰাকীবো দলদোপ।

হাট এৰি আঁতৰি অহা সকলোটি নিজকে লৈ ব্যস্ত। কাৰোপৰাই সহানুভূতিৰ আশা নাই :

যাৰেই গুৰিলৈ যাওঁ,
সেয়ে মুখ ওফোন্দায় ;
চকুহে টেলেকা কৰি,
গোঙোৰাকৈ ঘূৰি চায় ;

* * * *

এখুজি দুখুজি কৰি
আহিছোঁ, হে ভাই ইঁত।
নেঠেলিবা, নেঠেলিবা,—
লোৱা মোকো কাষৰত।

এই অতলস্পৰ্শী সহায়হীনতা আৰু দুৰ্বলতাই মনত পেলায় King Lear নাটকৰ সেই হিয়া পুৰি নিয়া উক্তি ঃ

"Is man no more than this ? a poor, bare, forked animal. ঠিক এইবাবেই ভগৱানৰ ওচৰত কবিৰ আত্মসমৰ্পণত কৃত্ৰিমতা বা চপলতা নাই ঃ

দেখোঁ-অত কাকুতিতো
নাহিলে যে কেওঁ হায় !
মানুহৰ পৰা তেন্তে,
আশা আৰু নাই নাই।

* * * *

এবে তোমাকেহে খাটো
হে প্ৰভু ! দয়াময় !—
আজি মহা বিপদত
বিতত বিচুৰ্তি মই ; (পৃঃ ১০৬)

সংসাৰৰ মাজত মানুহৰ সহায়হীনতা, নিৰাপত্তাহীনতা, ধনতান্ত্ৰিক সমাজৰ অমানুষিকতাৰ বিৰুদ্ধে কবিৰ প্ৰতিক্ৰিয়াৰ পাৰমাৰ্থিক ৰূপ। মফিজুদ্দিন আহমদ হাজৰিকাৰ দিনতে প্ৰাচীন সমাজৰ সকলো বন্ধনত ধনতন্ত্ৰৰ আবিৰ্ভাবে কেৰোণ সুমুৱাইছিল। এই অমানুষিক

পৰিবেশৰ প্ৰথম আবিৰ্ভাৱতে কবিৰ মনপ্ৰাণ শিয়ঁৰি উঠিছিল। সনাতন সমাজৰ ভাব-ভাষাৰেই তেওঁ প্ৰকাশ কৰিছিল তেওঁৰ বেদনা আৰু আশ্ৰয় কামনা :

এটুপি চকুৰ লো
এখনি কোমল হিয়া
এযাৰি "আয়ৈ দেহি !"
আৰু এটি হুমুনিয়া ;—

*　　*　　*　　*

—ইয়াৰ উপৰি, আৰু
একোকে নালাগে মোক ;
ইয়াকে পালেই, মোৰ
গুচি যাব যত শোক। (পৃঃ ৯৯)

"জ্ঞানমালিনী"ৰ সৌন্দৰ্য সৰ্বাংশে নিখুঁত নহয়। ঠায়ে ঠায়ে ছন্দপতন, ঠায়ে ঠায়ে নীৰস বৰ্ণনাৰ বাহুল্য দেখা যায়। কিন্তু কবিৰ জীৱনবোধৰ গভীৰতা আৰু বিশেষত্ব সম্পৰ্কে আশাকৰোঁ। ইয়াৰ পাচত কোনেও সন্দেহসূচক প্ৰশ্ন নুতুলিব। (নীলাচল) পৃঃ ৬২

॥ গান্ধীবাদ আৰু লেনিনবাদ ॥

দুখীয়া ৰাইজৰ দুখমোচনৰ বাবে গান্ধীবাদ কাৰ্যকৰী পন্থা বুলি কোনো কোনোৱে এতিয়াও কব খোজে। নেহৰুৰ পৰা বিনোৱালৈকে বিভিন্ন গান্ধীবাদী নেতাই ইতিমধ্যে বহুত চেষ্টা কৰিলে বেলেগ বেলেগ ধৰণে। তেওঁলোক সফল হোৱা হলে ইতিমধ্যে আমি খবৰ পালোহেঁতেন। এনেস্থলত গান্ধীবাদক লেনিনবাদৰ বিকল্প পন্থা বুলি কোৱাৰ যুক্তি নাই।

গান্ধীজী এসময়ত জনপ্ৰিয় নেতা আছিল—লক্ষ লক্ষ মানুহে এসময়ত দেশৰ স্বাধীনতা আন্দোলনত তেওঁৰ নিৰ্দেশ পালন কৰিছিল। কিন্তু তেওঁৰ অহিংস মতবাদৰ মূৰত কংলক সানি দেশ-বিভাজন আহিছিল স্বাধীনতাৰ লগে লগে—আৰু অগণন নৰনাৰী পাশবিক হত্যালীলাত নিপাত গৈছিল। দুখীয়া ৰাইজৰ দুকে যে তেওঁৰ প্ৰাণে কান্দিছিল তাত হয়তো সন্দেহ নাই—কিন্তু স্বাধীনতাৰ বাইশ বছৰৰ পিছতো আমাৰ ৰাইজে পেটৰ ভাতমুঠিৰ কাৰণেই হাহা-কাৰ কৰি আছে, আৰু আন হাতে পুঁজিপতি বিড়লাৰ পুঁজি ২৫ কোটিৰ পৰা ৬০০ কোটিলৈ ফুলি উঠিছে। চাফ কথাত গান্ধীজীৰ প্ৰধান উদ্দেশ্যৰ কোনোটোৱে সফল নহ'ল। অবৈজ্ঞানিক আৰু কল্পনা-বিলাসী ভাবধাৰাৰ বাবেই তেওঁৰ উদ্দেশ্য সমূহৰ এনে বিপৰ্যয় হ'ল।

গান্ধীজীৰ ছবি বা প্ৰতিমূৰ্ত্তিত বোমা মৰাটো, ভূতৰ পূজা দি বেমাৰ ভাল কৰাৰ ব্যৱস্থাৰ দৰে। তাৰ দৰ্কাৰ নাই। যুক্তি-তৰ্কেৰেই গান্ধীবাদৰ প্ৰভাৱ খণ্ডন কৰিব পৰা যায়। তদুপৰি লেনিনবাদী চিন্তাধাৰাৰ সাফল্য ক্ৰমশঃ যেতিয়া প্ৰমাণ হব, ৰাইজে তেতিয়া তাৰ শিক্ষা গ্ৰহণ কৰিব। গান্ধীজীৰ ভুল বহুত মতবাদৰ আপোনা আপুনি অৱসান ঘটিব।

লেনিন মানুহ হিচাবে এজন মহাপুৰুষ আছিল। তেওঁৰ বিদ্যা-বুদ্ধি যিদৰে প্ৰথম শ্ৰেণীৰ, সেইদৰে তেওঁৰ কৰ্মক্ষমতা আছিল অতুলনীয়। সংগঠনত তেওঁৰ উৎসাহ আৰু কৌশল আটায়ে ভূৰি ভূৰি প্ৰশংসা কৰে। তেওঁৰ ধৈৰ্য, বিশ্বাস আৰু প্ৰত্যুৎপন্ন মতিত্বই গুৰুতৰ বিপদৰ মাজতো তেওঁৰ সহকৰ্মী সকলৰ মনত বল যোগাই-ছিল। সুদীৰ্ঘকাল ধৰি অক্লান্ত পৰিশ্ৰম কৰি তেওঁ মেহনতী ৰাইজৰ ভুৱা বন্ধু বোৰৰ মুখা খুলিলে, বলশ্বেভিক দলটোক শক্তিশালী আৰু কৰ্মক্ষম কৰি তুলিলে, আৰু অৱশেষত বিপ্লৱ সফল কৰি ছোভিয়েট ৰাছিয়াত পৃথিৱীৰ প্ৰথম সমাজতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিলে। এনে বহুমুখী প্ৰতিভাৰ অধিকাৰী হৈও লেনিন ব্যক্তিগত জীৱনত সম্পূৰ্ণ নিঃস্বাৰ্থ, নিৰহংকাৰ মানুহ আছিল। সকলোৰে পৰা নজনা কথা শিকি লবলৈ তেওঁৰ নম্ৰতা আৰু আগ্ৰহ আছিল। তেওঁ পৰৰ দুখ বুজিছিল। আন হাতে কেৱল জনপ্ৰিয়তাৰ লোভত তেওঁ সদায় সকলোকে মিঠা কথা কৈ ফুৰা নাছিল। আধুনিক পৃথিবী জোৰা সমাজতান্ত্ৰিক আন্দোলনৰ তেওঁ যথাযোগ্য নেতা আছিল।

কিন্তু কেৱল মহৎ গুণৰ বাবেই আমি তেওঁক স্মৰণ নকৰোঁ। তেওঁ এনে এপাত অস্ত্ৰ গঢ়ি দুখীয়া ৰাইজ আৰু ৰাইজৰ বন্ধুসকলক দি গ'ল যাৰ বলত পুঁজিবাদ আৰু সমাজবাদক উৎখাত কৰি ৰাইজে নিজৰ দুখমোচনৰ পথ নিজে বিচাৰি লব পৰা হৈছে—ৰাছিয়া, চীন, উঃ কোৰিয়া, উঃ ভিয়েটনাম, কিউবা, পূৰ্ব য়ুৰোপৰ বহুত দেশত। আন বহুত দেশত এইপাত অস্ত্ৰ প্ৰয়োগ কৰি প্ৰতিক্ৰিয়াশীল

শক্তিবোৰক বিপৰ্য্যস্ত কৰি সমাজতান্ত্রিক দলবোৰ শক্তিমান হৈ উঠিছে। এই অস্ত্রপাত হ'ল আজিৰ যুগৰ উপযোগী বৈজ্ঞানিক সমাজ তন্ত্ৰবাদৰ কেতবোৰ সূত্ৰ আৰু এই সমাজতন্ত্রবাদ প্রতিষ্ঠা কৰিব পৰা সংগঠন-ব্যৱস্থাৰ আৰ্হি। এইবোৰ সূত্ৰ অনুসৰণ কৰিয়েই বিভিন্ন দেশৰ প্রকৃত সাম্যবাদী দলসমূহে নিজৰ নিজৰ সমাজৰ গঢ়-গতি ফঁহিয়াই চাই বৈপ্লৱিক আন্দোলনৰ উপায়, পন্থা আৰু ধাৰা উলিয়াই লব পাৰিছে—শত্ৰুপক্ষৰ বল বুজিব পাৰিছে আৰু সেই বল মষিমূৰ কৰিব পৰা সংগঠন গঢ়ি তুলিব পাৰিছে।

কিন্তু গান্ধীবাদত তেনে বিশ্লেষণৰ নামগোন্ধ নাই। গান্ধীবাদৰ মতে প্রতিজন মানুহৰ মনত থকা বেয়াভাৱ বোৰেই আচল শত্ৰু আৰু সেই ভাববোৰ দমন কৰিব পাৰিলেই সামাজিক অন্যায়, উৎপীড়ন, শোষণ আদি অমঙ্গল দূৰ হব। কাৰ্ল মাৰ্ক্সৰ তত্ত্বৰ ওপৰত প্রতিষ্ঠিত লেনিনবাদে কিন্তু বিশ্বাস কৰে যে মালিক আৰু মেহনতী মানুহ, এই দুই শ্রেণীত সমাজ বিভক্ত হোৱাৰ পৰাই শোষণৰ উদ্ভৱ হৈছে। এই শোষণ কেৱল নিজৰ মন নিৰ্ম্মল কৰিলেই দূৰ নহব—বৰং সদায় অভাৱ আৰু দাৰিদ্র্যৰ মাজত থকা মানুহে নিজৰ অন্তৰ নিৰ্মল কৰাৰ কোনো উপায় নেপায়, তদুপৰি পুঁজিপতি সকলবো লাভৰ মূলতে আছে মেহনতী মানুহৰ শ্রমৰ ফল আত্মসাৎ কৰাৰ সুবিধা। অৰ্থাৎ মন শুদ্ধ কৰাৰ পৰামৰ্শটো কোনো কামতে নাহে। আনহাতে শ্রেণীবিভক্ত সমাজত মালিক আৰু মেহনতী মানুহৰ স্বাৰ্থৰ সংঘাত অহৰহ চলি আছে—শোষিত শ্রেণীক এই সংগ্রামৰ বিষয়ে সচেতন কৰি, মালিক শ্রেণীক পৰাস্ত কৰি, তেওঁলোকৰ হাতৰ পৰা খেতিৰ মাটি, কল-কাৰখানা আদিৰ মালিকানা কাঢ়ি আনি শোষিত শ্রেণীৰ তথা গোটেই সমাজৰ হাতত দিলেহে শোষণৰ অৱসান ঘটিব। শ্রেণীহীন সমাজবো জন্ম হব তেনেকৈহে। এইটো মানুহৰ সামাজিক জীৱনৰ বৈজ্ঞানিক নিয়ম। কিন্তু গান্ধীবাদে এই শ্রেণী সংগ্রামৰ পিনে পিঠি দিয়া বাবেই শোষণৰ যথাযোগ্য প্রতিকাৰ উলিয়াব পৰা

নাই। মালিকসকলৰ লগত মিলিজুলি কাম কৰিলে শোষণ ব্যৱস্থা থাকিলেও সকলোৱে সমান লাভ হব বুলি তেওঁ ভাবে—শ্ৰেণীসংগ্ৰামৰ ঠাইত তেওঁ "অহিংসা" প্ৰৱৰ্ত্তন কৰিব খোজে। কিন্তু এনে ধাৰণা যে অবাস্তৱ মনেগঢ়া কথা, তাৰ প্ৰমাণ সংসাৰত সদায় পোৱা যায়।

শ্ৰেণী সংগ্ৰামৰ মূল কথাটো আওকাণ কৰা বাবে গান্ধীজীৰ মনত আৰু বহুত অবাস্তৱ কথাই ঠাই পাইছিল। উদাহৰণ স্বৰূপে তেওঁ বেলেগ বেলেগ গাওঁত স্ব-নিৰ্ভৰশীল সমাজ পাতি তাৰ যোগেদি "ৰাম ৰাজ্য" গঢ়াৰ সপোন দেখিছিল, তেওঁ ভাবিছিল গাৱঁৰ মানুহে নিজে পৰিশ্ৰম কৰি, সূতা কাটি, কাপোৰ বৈ, ধৰ্ম চৰ্চা কৰি থাকিলেই ৰাইজৰ অৱস্থাৰ উন্নতি হ'ব, শিক্ষা-দীক্ষাও বাঢ়িব। কিন্তু গাঁৱত যি সকল খেতিয়কৰ মাটি প্ৰয়োজনতকৈ বহুত কম—তেওঁলোকৰ কি উপায় হ'ব? তদুপৰি গান্ধীজীয়ে পাহৰি গৈছিল যে ৰাইজক বঞ্চিত কৰি হ'লেও মাটি-বাৰী কল-কাৰখানা প্ৰভৃতিৰ মালিকানা বজাই ৰাখিবলৈ মালিক শ্ৰেণীৰ হাতত ৰাষ্ট্ৰযন্ত্ৰ আছে—পুলিছ, মিলিটাৰী আইন আদালত, বিষয়া-মন্ত্ৰী, এইবোৰৰ যোগেদি মালিকে অন্যায় ভাবে নিজৰ মালিকানা বা শোষণ চলাই থাকে। মজুৰী বঢ়াবলৈ বা মাটিৰ বাবে ৰাইজে আন্দোলন কৰিলে পুলিছ লগাই উৎপীড়ন আৰু দমন চলায়। ৰাষ্ট্ৰযন্ত্ৰ সম্পৰ্কে লেনিনৰ তুলনাত গান্ধীজীৰ ধাৰণা বহুত দূৰ অবৈজ্ঞানিক।

মাৰ্ক্সবাদী সূত্ৰ অনুসৰণ কৰি লেনিনে বুজিছিল সমাজৰ বিকাশৰ আৰু পৰিবৰ্তনৰ এটা ধাৰা আছে, এই ধাৰাই হ'ল ইতিহাস। এই মতে ইতিহাসৰ ধাৰা বুজি ললে সমাজৰ পৰিবৰ্তনত মানুহে সহায় কৰিব পাৰে। শ্ৰেণী সংগ্ৰামেই হ'ল সমাজ পৰিবৰ্তন আৰু বিকাশৰ মূল কথা, আৰু শ্ৰেণী সংগ্ৰাম সদায় একোটা পতনমুখী শ্ৰেণীৰ লগত এটা উঠি অহা শ্ৰেণীৰ মাজত হয়। পতনমুখী শ্ৰেণীটোও একালত উঠি আহি উৎপাদন ব্যৱস্থাৰ মালিকানা আয়ত্ব কৰিছিল। তাৰ ক্ষয় আৰু পতনৰ কাৰণ সেই উৎপাদন ব্যৱস্থাৰ

মাজতে উদ্ভূত হয়। উদাহৰণ স্বৰূপে কল কাৰখানা আৰু যান্ত্রিক কৃষিৰ যোগেদি যিমান উৎপাদন সম্ভৱ, সিমান উৎপাদন কৰিবলৈ গলে পুঁজিপতিৰ লাভ নবৰগে। এই অন্তৰ্দ্বন্দ্বৰ বাবে পুঁজিবাদৰ সংকট (মন্দা) হয় আৰু মাজে মাজে বহু উদ্যোগৰ পতন ঘটে—লগে লগে পুঁজিপতিবোৰৰ মাজত যি প্রতিযোগিতা হয় তাৰ ফলতো বহু ব্যৱসায়ী-শিল্পপতি অপসাৰিত হয়। এনে দুর্যোগৰ মাজতো আন শিল্প-উদ্যোগ হজম কৰি যিবোৰ বিৰাটকায় পুঁজি গঢ়ি উঠে সিহঁতো শেষলৈ থাৱৰিব নোৱাৰে। পুঁজিবাদৰ মৃত্যুক্ষণ ওচৰ চাপি অহাৰ লগে লগে শ্রামিক শ্রেণী আগবাঢ়ি আহে, পুঁজিপতিৰ ব্যক্তিগত মালিকানাৰ অবসান ঘটাই উৎপাদনৰ সকলো আহিলা শ্রমিক সাধাৰণৰ সম্পত্তি কৰিবলৈ। এই দৰেই ইতিহাসত পুঁজিবাদৰ যুগ শেষ হয়, আৰু তাৰ পৰবর্তী সমাজতন্ত্রৰ যুগ আৰম্ভ হয়। পুঁজিবাদৰ উৎপত্তিও এনে শ্রেণী সংগ্রাম আৰু উৎপাদন ব্যৱস্থাৰ লগত সমাজ ব্যৱস্থাৰ এনে দ্বন্দ্বৰ পৰাই হৈছিল।

মার্ক্‌ছবাদী ঐতিহাসিক তত্ত্বৰ মতে শ্রেণীবিৰোধ ঐতিহাসিক বিকাশৰ মূল আৰু এই শ্রেণী বিৰোধৰ গুৰিৰ কাৰণ হ'ল উৎপাদন ব্যৱস্থাৰ পৰিৱর্তনৰ বিশেষ ধাৰা অর্থাৎ শ্রেণীবিলাকৰ মনৰ ভাবে ইতিহাসৰ ধাৰা প্রকৃততে নিয়ন্ত্রণ কৰা নাই। প্রকৃততে কেতবোৰ বাস্তৱ শক্তিৰ বিকাশৰ বাবে এই শ্রেণীবিৰোধ আৰু ঐতিহাসিক বিৱর্তন। অর্থাৎ মানুহৰ মনৰ লীলাখেলা নহয়, ভগবানৰ ইচ্ছা নহয় বাস্তৱিক শক্তিসমূহৰ বিকাশেই মানুহৰ ভাগ্য তথা বুৰঞ্জীৰ গুৰিৰ কথা। প্রত্যেক বস্তুৰেই উৎপত্তি বিকাশ আৰু ক্ষয়ৰ নিয়মত চলে। বস্তুৰ এই অন্তহীন পৰিৱর্তনৰ কাৰণ হ'ল তাৰ আভ্যন্তৰীণ সংঘাত।

কিন্তু মার্ক্সবাদ লেনিনবাদৰ এই বস্তুবাদী তত্ত্ব গান্ধীবাদৰ বিপৰীত। গান্ধীবাদে ভাবে যে মানুহৰ মানসিক শক্তিয়েই পৰিবর্তন ঘটাব পাৰে। সেই বাবেই ভাৰতৰ উৎপাদনব্যৱস্থা, শ্রেণীব্যৱস্থাৰ বস্তুবাদী বিশ্লেষণ নকৰাকৈ নৈতিক সত্যাগ্রহৰ যোগেদিয়েই গান্ধীবাদে

সমাজত পৰিবৰ্তন আনিব খুজিছিল। কি হু লেনিনবাদী বিশ্লেষণেহে আমাক বুজাব পাৰে ভাৰতত আমাৰ সমাজ বিকাশৰ কোনটো স্তৰত উপনীত হৈছে, আৰু বৰ্তমান কেনে ধৰণে সেই সমাজ পৰিবৰ্তিত হব পাৰে। সাম্ৰাজ্যবাদে—পুঁজিবাদৰ বৰ্তমান ৰূপে—মাৰ্কিন নেতৃত্বত কি ভূমিকা লৈছে, আৰু ভাৰতৰ পুঁজিবাদে বৰ্তমান কি ধৰণে গঢ় লৈছে তাকে নুবুজাকৈ আমি সমাজ পৰিবৰ্তনৰ কামত এখোজো আগবাঢ়িব নোৱাৰোঁ। সেইদৰে শ্ৰমিক শ্ৰেণীয়ে সংগ্ৰামৰ সংগী হিচাবে কৃষকসমাজৰ কোনখিনি মানুহক কেতিয়া কেনেকৈ পাব, নুবুজাকৈ ইতিহাসৰ দায়িত্ব আমি পালন কৰিব নোৱাৰিম, শেহাস্তৰত আমাৰ সকলোৰে দুখমোচন কৰিব পৰা শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰোঁতে ব্যৰ্থ হম। এইবোৰ প্ৰশ্নৰ সদুত্তৰ দিব পাৰিব লেনিনবাদেহে, গান্ধীবাদে নহয়।

ভাবপ্ৰৱণ মানুহে কব খোজে গান্ধীবাদৰ দয়া-ধৰম মানি চলা আন্দোলনে সমাজৰ পৰিৱৰ্তনত মানুহৰ দুখকষ্ট অত্যধিক নকৰাকৈ ৰাখে। এনে ভাব প্ৰৱণতাই বাস্তৱধৰ্ম্মী আৰু সাৰ্থক কৰ্ম্মপন্থাৰ পৰা আমাক আঁতৰাই ৰাখিব। নিষ্ঠুৰ শ্ৰেণীসংগ্ৰাম ঢাক খাই থাকিলেও নিষ্ঠুৰেই। দয়া-ধৰমে তাত কেৱল শোষিত মানুহৰ ক্ষতিহে কৰে। অনাহকতে নিষ্ঠুৰতা দেখুৱা কোনো সুস্থ মানুহৰ লক্ষণ নহয়—কিন্তু নিষ্ঠুৰ, নিৰ্মম শ্ৰেণীযুদ্ধত জয়লাভ কৰিবলৈ লৌহকঠোৰ শৃঙ্খলা, কেন্দ্ৰৰ লগত শ্ৰমিকদলৰ সকলো অংশৰ ঘনিষ্ঠ সম্পৰ্ক আৰু শোষিত অথচ উন্নতিশীল শ্ৰেণীৰ আগৰণুৱা হিচাবে শ্ৰমিকশ্ৰেণীৰ দলৰ সজাগ ব্যস্ততাৰ প্ৰয়োজন। এনেবোৰ উদ্দেশ্য সিদ্ধি কৰিবলৈকে বহুবছৰৰ অধ্যয়ন, অভিজ্ঞতা আৰু বিশ্লেষণৰ মাজেৰে লেনিনে গঢ়ি তুলিছিল ৰাজনৈতিক সেনানী, সাম্যবাদী দলৰ সংগঠন। এনে সংগঠনৰ বলতেই ৰাছিয়াত শ্ৰমিক শ্ৰেণীৰ বিপ্লৱ সাফল্যমণ্ডিত হৈছিল। শ্ৰেণী বিবোধৰ যুগত তাৰ বাবে আমিও প্ৰস্তুত হব লাগিব।

(গণশক্তি, ৭ মেই, ১৯৭০)

॥ বেজবৰুৱাৰ জীৱনৰ এটা অধ্যায় ॥

বেজবৰুৱাৰ জীৱনী কেইবাখনো ওলাইছে। বেজবৰুৱাৰ জীৱনৰ আৰু চৰিত্ৰৰ কেইবাটাও দিশ এইবোৰে উদঘাটন কৰিছে। দুই এখন পূৰ্ণাঙ্গ তথ্যবহুল জীৱনচৰিতো ওলাইছে। কিন্তু এখনকো ঠিক সাহিত্যিকৰ জীৱনী বুলিব নোৱাৰি : জীৱনৰ লগত সাহিত্যকৰ্মৰ সম্পৰ্কৰ বিষয়ে সেইবিলাকত একো উৱাদিহ পোৱা নাযায়। বেজবৰুৱাৰ জীৱনী নহৈ সেইবোৰ হয়তো কোনো ৰাজনীতিজ্ঞৰ, বা সেনাধ্যক্ষৰ জীৱনীও হব পাৰিলেহেঁতেন।

এটা বিশেষ অভিজ্ঞতাই বেজবৰুৱাৰ জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। বহু বিষয়ত তেওঁৰ মানসিক জীৱনৰ স্ফূৰ্তী সলাই দিছিল। সংসাৰৰ বিষয়ে তেওঁৰ অভিজ্ঞতা আৰু তেওঁৰ জীৱনদৰ্শন গভীৰ আৰু স্পষ্ট হোৱাত সহায় কৰিছিল। অথচ এই ঘটনাটোৰ ওপৰত এইফালৰ পৰা কোনো চিন্তাচৰ্চা বা লেখামেলা হোৱা নাই।

ঘটনাটো হ'ল বি বৰুৱাৰ লগত তেওঁৰ কন্দল। বেজবৰুৱাই পৰৱৰ্তী কালত নিজেই এই বিষয়ে খোলাখুলিকৈ কথা কবলৈ আহুকাল পাইছিল। তেওঁৰ এই অস্বস্তি যেন তেওঁৰ জীৱন চৰিতকাৰ

সকলৰ মাজতো প্ৰবল। বেজবৰুৱাৰ দৰে বি বৰুৱাও অসমৰ এজন অগ্ৰগণ্য লোক—অসমীয়াৰ জাতীয় চেতনাৰ অন্যতম প্ৰতিনিধি। ছুয়োজনৰে এই দীঘলীয়া আৰু তিক্ত খৰিয়ালখন ভদ্ৰতা বা ভীৰুতাৰে এৰাই যোৱাই বা "মানে মানে" স্পৰ্শ কৰি যোৱাই আমাৰ বৰ্তমান কালৰ সমালোচকসকলৰ অভ্যাস।

ঘটনাটো খোলোচাকৈ বা নিৰপেক্ষভাৱে আলোচনা কৰাৰ সমল আৰু সময় মোৰ হাতত নাই। পিচত কোনো কৃতী নবীন গৱেষকে এইবিষয়ে পোহৰ পেলালে সুখী হম। আপাততঃ কেৱল বেজবৰুৱাৰ নিজস্ব আৰু বিষয়ীগত (Subjective) বিৱৰণৰে সহায় লৈ আলোচনাত ব্ৰতী হন।

বেজবৰুৱাৰ জীৱন সোঁৱৰণৰ পৰা বোধ হয় যে জীৱনৰ আগডোখৰত এনেকি বিয়াৰ পিচলৈকে, বেজবৰুৱাৰ জীৱন আৰু আত্মাত সংসাৰৰ গ্লানি লগা নাছিল। তেওঁৰ উৎসাহী, মুকলি-মূৰীয়া আৰু সৰবৰহী ব্যক্তিত্বই কোনো বাধাকে যেন কেৰেপ কৰা নাছিল। পৰীক্ষাৰ পাছ ফেল ব্যাপাৰত তেওঁ আছিল নিৰ্ব্বিকাৰ। সাহিত্য ৰচনাত তেওঁৰ সহজ নৈপুণ্য প্ৰায় আটাইবোৰ গুণী মানুহে মানি লৈছিল। ঠাকুৰ পৰিয়ালৰ ছোৱালীৰ লগত বিয়াও তাহানিৰ মানসম্ভ্ৰম জড়িত সামাজিক পৰিবেশত আছিল তেওঁৰ অপ্ৰতিহত অগ্ৰগতিৰ শেহতীয়া তোৰণদ্বাৰ। তেওঁৰ প্ৰাণশক্তি আৰু ৰসবোধ —ইংৰাজীত যাক কয় High Spirits—তেওঁৰ বন্ধু বান্ধৱসকলৰ আদৰ আৰু শ্ৰদ্ধাৰ বস্তু আছিল। স্বভাৱতে এই কালছোৱাত তেওঁৰ মনোবৃত্তি আছিল জীৱনৰ প্ৰতি এক অকুণ্ঠ আৰু Naive (অসংশয়ী) আস্থা।

তেওঁৰ এই সহজ বিশ্বাসত আঘাত পৰিল বি বৰুৱাৰ ব্যৱহাৰ আৰু মনোভাবৰ পৰা। বি বৰুৱাৰ ব্যৱসায়ত লক্ষ্মীলাভ পোনতে বহুদূৰ বেজবৰুৱাৰ সহায় আৰু হাতযশ (Contacts)ৰ বাবে হৈছিল নিশ্চয়। (অৱশ্যে ধাৰণা হয়, ব্যৱসায়ৰ মূল কৌশল

আৰু নীতিবোৰ বি বৰুৱাৰ অভিজ্ঞ আৰু বিচক্ষণ মনৰ পৰাহে ওলাইছিল।) ইমানদিন ইফালে সিফালে টিঘিলঘিলাই, একোতে Committed নোহোৱা বেজবৰুৱাই হয়তো নিজৰ ওপৰত বিৰক্ত হৈয়ে জীৱনৰ ভৰত্থুপৰীয়া মনপুতি ব্যৱসায়ত নামিছিল। তেওঁ যে এই ব্যৱসায়ত ঐকান্তিক পৰিশ্ৰম কৰিছিল তেওঁৰ ডায়েৰিত তাৰ অজস্ৰ প্ৰমাণ আছে, আৰু একযোগে কাম কৰাৰ অভিজ্ঞতাৰ পৰা বি বৰুৱাৰ প্ৰতি তেওঁৰ মনত প্ৰগাঢ় শ্ৰদ্ধা আৰু ভালপোৱা জন্মিছিল। তেওঁৰ এই সময়ৰ সোঁৱৰণৰ পৰাই প্ৰমাণ হয় যে বি বৰুৱাৰ প্ৰতি তেওঁৰ এই ভালপোৱা আছিল আবেগময় সৌখ্যৰ (intense Comradeship) ভাবেৰে ৰঞ্জিত।

সন্দেহ নাই ব্যৱসায়ত লাভ হোৱাৰ উপৰিও ব্যক্তিগত আৰু বৈষয়িক ফালৰ পৰা দুয়ো দুয়োৰে বহুত ওচৰ চাপি গৈছিল। তাৰ পিচত পৰিবৰ্তন আহিল। মানৱ সম্পৰ্ক মধুময় আৰু প্ৰগাঢ় হলেও তাৰ স্থায়িত্ব সন্দেহাতীত নহয়—ব্যৱসায়ত প্ৰতিদ্বন্দ্বিতা হ'লেতো আৰু মস্কিলৰ কথা। এই কথাটো যেন বেজবৰুৱাই ব্যক্তিগত অভিজ্ঞতাৰ পৰা বুজা নাছিল।

বেজবৰুৱাৰ মতে বি বৰুৱাই তেওঁৰ লগত কৰা ব্যৱহাৰক পূৰ্ব-পৰিকল্পিত প্ৰতাৰণা বুলিব পাৰি। ইমান নিয়াৰিকৈ কৰা হক বা নহওক, এই কথা ধ্ৰুপ যে বেজবৰুৱাৰ পৰা যথেষ্ট আৰু গুৰুত্বপূৰ্ণ-ভাবে উপকাৰ আৰু সহায় পোৱাৰ পিচত বি বৰুৱাই যেতিয়া সাফল্যৰ শিখৰত উঠিলগৈ, তেতিয়া তেওঁ একচ্ছত্ৰী সম্ৰাট হিচাপে প্ৰতিষ্ঠানত বহিবলৈ মন মেলিলে আৰু নিতান্ত নিষ্ঠুৰভাৱে আৰু অন্যায়কৈ তেওঁ তৎক্ষণাৎ বেজবৰুৱাৰ সঙ্গ এৰিলে। এইখিনি সময়ত তেওঁ বেজবৰুৱাৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰ অভাৱনীয় ধৰণে নিষ্ঠুৰ।

তাৰ পিচৰ পৰা বেজবৰুৱাৰ দিনপঞ্জীত যেন ব্যবহাৰিক জীৱনৰ উল্লেখ কমি আহিল। তাৰ ঠাইত তেওঁৰ লেখাত সংসাৰচক্ৰৰ বিষয়ে, মানুহৰ ভাগ্যৰ বিষয়ে আৰু আধ্যাত্মিক প্ৰয়োজনৰ বিষয়ে

গহীন মন্তব্যই ঠাই পালে। এই পৰিবৰ্তন বৰ তাৎপৰ্য্যপূৰ্ণ। জীৱনৰ প্ৰতি থকা, মানুহৰ প্ৰতি স্বাভাৱিক মমতা আৰু আস্থা যেন বন্ধুবিচ্ছেদ আৰু বিশ্বাসঘাতকতাৰ অভিজ্ঞতাৰ পৰা ঘোলা হৈ পৰিছে। সেয়ে এই সময়ত বেজবৰুৱাই যেতিয়া "ঈশ্বৰ" বুলি মাতিছে, তেতিয়া যেন তাত আগতে নথকা ধৰণৰ আন্তৰিকতা আৰু গভীৰ আবেগ ফুটি ওলাইছে। কোনো বস্তুৰে প্ৰতি গভীৰ আৰু অবিচল Commitment নথকা বেজবৰুৱাই যেন একাধাৰে উপলব্ধি কৰিছে Commitmentৰ বিপদ, দুখৰ আশংকা আৰু ভাৰ লগে লগে Commitment ৰ গৌৰৱ আৰু মহত্ব। জীৱনৰ মৰ্মত যেন এই প্ৰথমবাৰৰ বাবে তেওঁ প্ৰবেশ কৰিছে।

অৱশ্যে কৈ আহিছোঁ এই ব্যাখ্যা সম্পূৰ্ণ বিষয়ীগত। বি বৰুৱাৰ পক্ষ সমৰ্থন কৰিব পৰা তথ্যপাতি আছে নে নাই নাজানো। আচল তথ্য এদিন পোহৰলৈ আহিব। কিন্তু মোৰ প্ৰবন্ধৰ মৰ্ম হ'ল বেজবৰুৱাৰ নিজৰ আবেগিক প্ৰতিক্ৰিয়া, তাৰ উত্তাপ আৰু বেগ। ধনতান্ত্ৰিক প্ৰতিযোগিতাৰ সোৱাদ বুলিও তাক ধৰিব পাৰি।

"তৰা" নামৰ কবিতাত থকা মৰ্মস্পৰ্শী বৈৰাগ্য, আৰু লোকোত্তৰ শান্তিৰ প্ৰতি হাবিয়াস, "জয়মতী কুঁৱৰী" নাটকত থকা সংসাৰৰ যন্ত্ৰণাৰ প্ৰতি আধ্যাত্মিক প্ৰতিক্ৰিয়া আৰু ডালিমীৰ মাজেদি ফুটি ওলোৱা অনাবিল আনন্দৰ স্বৰ্গীয় ৰূপ—সেই সকলো জানো বেজ-বৰুৱাৰ জীৱনৰ এই প্ৰথম Serious অভিজ্ঞতাৰ পৰা ওলোৱা নাছিল ? (নতুন অসমীয়া, ২২ নবেম্বৰ ১৯৭০)

॥ শংকৰদেৱৰ চৰিত্ৰ অধ্যয়ন ॥

অসমৰ ঐতিহ্যৰ মূলবস্তু সমূহৰ ভিতৰত প্ৰধান হ'ল শ্ৰীমন্ত শংকৰৰ অৱদান। বঙালীজাতিৰ বাবে চৈতন্যদেৱ যেনে, আমি অসমীয়াৰ বাবে শ্ৰীমন্ত শংকৰ কিন্তু তাতোকৈ প্ৰভাৱশালী পুৰুষ। চৈতন্যদেৱৰ বৈষ্ণৱধৰ্ম বঙ্গদেশৰ প্ৰধান ধৰ্ম্মমত নহয়। বঙ্গদেশৰ সাহিত্য আৰু সংস্কৃতিত চৈতন্যদেৱৰ দান শংকৰদেৱৰ লেখীয়া নহয়। আমাৰ কিন্তু কীৰ্ত্তন কেৱল ধৰ্মপুথিয়েই নহয়, অসমীয়া সাহিত্যৰ এটা লাইখুটা। শংকৰদেৱৰ বড়গীত আমাৰ সংগীতৰ এটা গৌৰৱ। বিভিন্ন ঠাইত বিপুল উৎসাহে ৰাইজে পতা ভাওনা আমাৰ ৰঙ্গমঞ্চৰ শ্ৰেষ্ঠ কীৰ্তি। শংকৰদেৱৰ ধৰ্ম্মমতে গঢ়ি তোলা নামঘৰ আৰু সত্ৰ-সমূহ আমাৰ সমাজ ব্যৱস্থাৰ প্ৰধান অংশ। নামঘৰ বোৰত এসময়ত কেৱল নামপ্ৰসংগই, নহয় নানা ৰাজহুৱা মেলমিটিং আনকি স্থানীয় বিচাৰ পৰ্যন্ত অনুষ্ঠিত হৈছিল। অসমীয়া মানুহৰ মাজত কেউফালে শিপা বিস্তাৰ কৰি থকা প্ৰশস্ত মহীৰুহৰ দৰে শ্ৰীমন্ত শংকৰৰ প্ৰতিভা। আনকি কোচ কলিতা বামুন কছাৰী মিলি এটা অসমীয়া জাতি হোৱাৰ পথতো শ্ৰীমন্ত শংকৰৰ অবিহনা লেখত লবলগীয়া। অৱশ্যে এই ধৰ্মমত আৰু প্ৰভাৱ এতিয়া পূৰ্বৰ দৰে প্ৰবল নহয়। বহু ঠাইত

নামঘৰ বোৰ জহিখহিগৈছে—ৰাইজৰ কাণৰাৰ নাই। কোনো কোনো ঠাইত আকৌ ধনী-দুখীয়াৰ দুটা বেলেগ নামঘৰ হৈছে। আমাৰ সত্ৰসমূহত পুৰণা ধৰ্ম আৰু সংস্কৃতিৰ খোলাটোহে টিকি আছে—শাহটো নাই। পিছৰ যুগত জাতি-অজাতিৰ বিচাৰ, আচাৰপ্ৰধান নৈষ্ঠিকতা আৰু ভকতীয়া ভণ্ডামিৰ কেৰোণে এই ধৰ্মৰ ভিতৰখন খুলি খুলি খালে। চান্দসাইৰ বংশধৰ সকলকে শৰণ নিদিয়া হ'ল। আৰু এতিয়া দেখ্‌দেখ্‌কৈ এই ধৰ্মৰ প্ৰভাব কমি আহিছে। আনকি ধৰ্মৰ প্ৰভাবেই মানুহৰ মাজত কমি আহিছে। সংসাৰৰ পৰা পৰিত্ৰাণ পোৱাৰ কথা আজিৰ মানুহে সিমান নাভাবে—যদিও সংসাৰৰ দুখকষ্ট আমাৰ দিনত কমিছে বুলি কোনেও কব নোৱাৰে। সকলো কথাতে নামপ্ৰসংগতকৈ মাহচাউলৰ প্ৰতিহে আজিৰ মানুহৰ লোভ বেছি—কিন্তু মাহচাউলৰ লোভে এটা ধৰ্ম বচাই ৰাখিব নোৱাৰে।

এইবাবেই শংকৰদেৱৰ প্ৰতিভাৰ মূল্যায়ন কঠিন হৈ পৰিছে। আমি ক্ৰমাৎ প্ৰাচীন সমাজৰ পৰা ইমান আঁতৰি আহিছোঁ যে মনেপ্ৰাণে শংকৰদেৱৰ প্ৰতি প্ৰাচীন সমাজৰ মনোভাব আমি অনুভৱ নকৰোঁ। আনহাতে আমাৰ বৰ্ত্তমান যুগটোৰ মানুহবিলাক টকাপয়চাৰ উপাৰ্জনতে ব্যস্ত—সামাজিক সম্মানৰ বাবে অহৰ্নিশে ব্যতিব্যস্ত। এই তৰাং বুদ্ধিৰ উতনুৱা মানুহৰ মাজত কোনো গভীৰ চিন্তাভাবনা নাই। সেইবাবেই আমি ভাবিচোৱা নাই আমিনো শংকৰদেৱৰ প্ৰতিভাৰ বেহ-ৰূপ প্ৰকৃততে কেনেকৈ লব পাৰোঁ? আমাৰ মনোবৃত্তি, আমাৰ যুগৰ চশমাৰে শ্ৰীমন্ত শংকৰৰ প্ৰতিভা কেনেদৰে দেখা যায়? কাৰণ ধনৰ থকেই আমাৰ যুগৰ একমাত্ৰ লক্ষণ নহয়। আমাৰ যুগৰ ভাবচিন্তাও বেলেগ। আদৰ্শও বেলেগ।

এই কামটি হাতত লবৰ হ'ল। কিন্তু আপোনালোকে নাভাবিব যে গুৰুজনাৰ প্ৰতি ৰাইজৰ প্ৰাচীন শ্ৰদ্ধা ভক্তি মই লাঘৱ কৰিব খুজিছোঁ। মই কেৱল কৈছোঁ যে বিভিন্ন যুগত মানুহৰ ভাবচিন্তা

বদলে, মানুহে বেলেগ বেলেগ বস্তু ভাল পায়, শ্ৰদ্ধা কৰে, বেলেগ আদৰ্শৰ প্ৰভাৱত পৰে। আমাৰ আগৰ যুগবিলাকতো সেই অনুসাৰে শ্ৰীমন্ত শংকৰৰ ব্যক্তিত্ব আৰু অৱদানৰ বেলেগ বেলেগ মূল্যায়ন হৈ আহিছে। আজি শংকৰদেৱৰ ব্যক্তিত্ব বেলেগ বেলেগ যুগত মানুহে কেনেদৰে চাইছিল তাকে আলোচনা কৰি মই এইবিষয়ৰ এটা ইংগিত দিম যাতে বৰ্তমানৰ ঘনঘটাৰ উন্মাদনাৰ মাজতো আমি ঠিৰাং কৰিব পাৰো আমি মহাপুৰুষৰ কি গুণ পছন্দ কৰো আৰু শ্ৰদ্ধা কৰো।

তাহানি আধুনিক অৰ্থত জীৱনীসাহিত্য নাথাকিলেও মহাপুৰুষ কেইজনৰ ব্যক্তিত্বৰ বৈশিষ্ট্য আৰু সেইসকলৰ কীৰ্তিকলাপ ভক্তসকলে চৰ্চা নকৰাকৈ নাছিল। কেৱল শংকৰমাধৱৰ ধৰ্মমতেই নহয়— তেওঁলোকৰ জীৱন কাহিনীও ভক্তসমাজত পুৰুষানুক্ৰমে চৰ্চা হৈ আহিছিল। বেজবৰুৱাৰ আত্মজীৱনীত আছে নামপ্ৰসংগৰ দৰেই কেতিয়াবা সভক্তিৰে গুৰুসকলৰ জীৱনচৰিত বিস্তাৰিতভাবে বৰ্ণনা কৰা হৈছিল—এই অনুষ্ঠানক "চৰিত তোলা" বোলা হৈছিল। এইদৰেই মৌখিকভাবে গুৰুসকলৰ জীৱনকাহিনী ভক্তৰ সমাজত চলি আহিছিল। এই কাহিনীবোৰ পুথি আকাৰেও লেখি উলিওৱা হৈছিল। তাৰে ৰামচৰণ, দৈত্যাৰি ঠাকুৰ প্ৰভৃতিৰ গুৰুচৰিত্ৰ আৰু বৰপেটা সত্ৰত পোৱা কথাগুৰুচৰিত উল্লেখযোগ্য।

চৰিতপুথি বিলাকৰ মাজত শংকৰমাধৱৰ বিৰাট ব্যক্তিত্বৰ সম্ভেদ পোৱা যায়। অতুল প্ৰতিভা, বিপুল মেধা আৰু চৰিত্ৰৰ নিৰ্মলতা আৰু দৃঢ়তাৰ গুণত দুয়ো ভক্তসকলৰ ওপৰত অপৰিসীম প্ৰভাৱ বিস্তাৰ কৰিছিল। অসমৰ গুণমুগ্ধ বাহজে দুয়োৰে পৰা কেবল ধৰ্মমত নহয়, যেন সন্ধান পাইছিল এক নতুন জীৱনৰ। আচৰিত নহয় যে চৰিতপুথি বিলাকত মহাপুৰুষ দুজনা কেৱল অতিমানব নহয়, ঈশ্বৰৰ অৱতাৰ হিচাবেই প্ৰতিভাত হৈছে। চৰিতপুথি বিলাকত প্ৰায়ে আছে গুৰু মহেন্দ্ৰ কন্দলী, বুঢ়ী আই খেৰসূতী, ভক্তসকল আৰু বহুতেই অকস্মাৎ শংকৰদেৱক চতুৰ্ভুজ ৰূপত বা আনধৰণে ঐশ্বৰিক

ৰূপত দেখা পাইছিল। সেইদৰে শংকৰদেৱৰ এনে বহু সৎকাৰ্যৰ উল্লেখ কৰা হৈছে যিবোৰত মানুহৰ ক্ষমতাৰ অতীত দৈৱী মহিমা প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে শ্ৰীমন্ত শংকৰৰ লৰাকালিৰ বৰ্ণনাত আছে:

"আৰু একদিনা "ভেকুৰিৰ" ভুগ্‌ভুগলি খেদোতে হাত ভাগিল। পিতামাতা শপোতে গুৰুজনে ক'তনো ভাগিল বুলি ধৰি চালে। মুহূৰ্তে সজ হল, আৰু একদিনা টোপ খেদোতে "বন্দেৰ" বস্ত্ৰ খণ্ড খণ্ড হ'ল। পাচগৈ বাপেক কেতাই খাঁ ভূঞাত গোচৰ দিলে। সেই কথা আএ শুনি শপিলে। গুৰুজনে হাতে চুই মেলি দেখালে, পুনু সজ হ'ল। আৰু তিতাৰাম আতৈৰ ভটা খেদোতে কান ছিগিল, কুসুমদেৱে শুনি দাবি দি খেদা মাইলে। গুৰুজনে পলাই গৈ বোলে, চাঞঁচোন, ক'তনো ছিগিল, এই বুলি ধৰি টিপা মাইলে, যোৰা খালে পূৰ্ববত"। (পৃঃ ২০)

এনে অলৌকিক কাৰ্যকলাপ—ইংৰাজীত যাক miracle বোলা হয়—পৃথিৱীৰ সকলো ধৰ্মগুৰুৰ নামত পৰম্পৰাক্ৰমে প্ৰচলিত আছে। ভক্তসকলৰ বিস্ময়বিমুগ্ধ শ্ৰদ্ধাভক্তিৰ গুণত এনে বহু ঘটনাৰ জন্ম হৈছে। মানুহৰ চকুৰ ওপৰত মনৰ প্ৰভাৱ থাকে—ধৰ্মপৰায়ণ যুগত ধৰ্মিষ্ঠ মানুহে এনে দিব্যঘটনা দেখাটো আচৰিত নহয়। তেওঁলোকৰ ভক্তিৰ চিনস্বৰূপে আমি আজিকালি এনে ঘটনা মানি লব পাৰোঁ হক। কিন্তু যেতিয়া এনেতৰহৰ অৱতাৰী ধাৰণাৰ গুণত মহাপুৰুষসকলৰ মনুষ্যপ্ৰকৃতি ঢাক খাই যায় তেতিয়া তাৰপৰা অপকাৰ হবৰ সম্ভাৱনা। কেৱল ভেড়াৰ দৰে মহাপুৰুষসকলৰ অনুসৰণ নকৰি যদি তেওঁলোকক সঁচাকৈ দেহেমনে অনুসৰণ কৰিব লাগে, তেন্তে অৱতাৰ পাতি তেওঁলোকক দূৰলৈ ঠেলি দিয়াতকৈ তেওঁলোকৰ মনুষ্যস্বভাৱলৈ লক্ষ্য ৰখাটোহে সজ হব। মহাপুৰুষ দুজনাৰ গুণৰাশিৰ একাংশও আমাৰ দৰে মানুহে গোটেই জীৱন যুঁজিও আয়ত্ত কৰিব নোৱাৰিব। কিন্তু তেওঁলোকক মানুহ বুলি বুজিলে নিশ্চয় তেওঁলোকৰ গুণৰ

একাংশৰ একাংশও আয়ত্ত কৰিবলৈ আমি প্ৰেৰণা পাম। তাৰ ফল হব অতি কল্যাণকৰ।

দুটামান উদাহৰণ দিওঁ। সৰাকালত শংকৰদেৱ আছিল অতি তেজী স্বভাৱৰ লৰা। সাধাৰণ শ্ৰেণীৰ লৰা এনে হলে তাক উৎপতীয়া, বাঘৰ তেল খোৱা আদি আখ্যা দিয়া হয়। এনেবোৰ ঘটনাক কিন্তু ভক্তসকলে সাধাৰণ মানবীয় দেহাৰ কীৰ্তি বুলি লবলৈ সংকোচ কৰিছে। সেয়ে সেইবোৰ ঘটনাত অলৌকিক পোহৰ পেলাই তেওঁলোকে যেন শংকৰক আন ল'ৰাছোৱালিতকৈ নিলগ কৈ থব খুজিছে। এইখিনিতে মোৰ মনত পৰিছে ৰবীন্দ্ৰনাথ ঠাকুৰৰ এষাৰি কথা: সকতে যিবোৰ ল'ৰা বৰ বাধ্য, বৰ শান্ত হৈ থাকে, সেই-বিলাকৰ মাজত প্ৰাণশক্তিৰ অভাৱ হবও পাৰে। আনহাতে উদণ্ড, উৎপতীয়া স্বভাৱৰ লৰাবোৰৰ উৎপাতত প্ৰায়ে ফুটি ওলায় দুৰ্দমনীয় প্ৰাণশক্তি। মোৰ ধাৰণা শ্ৰীমন্ত শংকৰৰ বাল্যকালৰ নানা কীৰ্তি-কাহিনীত তেনেধৰণৰ অফুৰন্ত আৰু উচ্ছল জীৱনীশক্তিৰে পৰিচয় পোৱা যায়। টোলৰ পৰা পলাই খেলাধুলাত মজি থকাত, লুইতত বুৰ মাৰি শিহু ধৰি অনাত, দৌৰ মাৰি হাবিৰ পহু ধৰি অনাত, লগৰ সমনীয়াৰ লগত চিঞৰবাখৰ দৌৰজাপ মাৰি কেউফাল থলক লগাই থকাত যি জীৱনীশক্তিৰ চিন ওলাইছে সিয়েই তেওঁৰ সুদীৰ্ঘ জীৱনত নানা ঘাতপ্ৰতিঘাত জয় কৰি নানা সৃষ্টিমূলক কাৰ্যত স্মৰণীয় সাফল্য লভিবলৈ তেওঁক বল দিছিল।

শ্ৰীশংকৰৰ মানবীয় চৰিত্ৰৰ অন্যান্য দিশো চৰিত পুথিবিলাকত সৰলভাৱে ধৰা পৰিছে। ধীৰগম্ভীৰ চৰিত্ৰৰ মহাপুৰুষৰো এদিন অতিপাত খং উঠিছে তেওঁৰ উৎপতীয়া গৰুটোক ঘৈণীয়েকে "চোৰৰ গৰু" বুলি গালি পৰাত। ব্ৰাহ্মণপণ্ডিতসকলৰ কুতৰ্ক, দুৰ্নামৰটনাৰ ডাৱৰ ফালি সূৰ্যৰ দৰে প্ৰকাশিত হোৱা মহাপুৰুষেও কিন্তু আন আন সাধাৰণ মানুহৰ দৰে দুৰ্ণাম আৰু দুষ্টৰ ষড়যন্ত্ৰত আঘাত পাইছিল।:

ব্ৰাহ্মণৰ বাক্যশৰ প্ৰহাৰৰ খোচে।
হৃদয় কলীয়া পৰি সাঞ্চ বান্ধি আছে॥
আঠ আঙ্গুলক লাগি মজ্জা ভেদি গৈলা। প্ৰভৃতি।

(গুৰুচৰিত : সপ্তম খণ্ড)

ঠিক এইদৰেই চৰিতপুথি সমূহৰ পৰা শংকৰদেৱৰ মানবীয় চৰিত্ৰটি উদ্ধাৰ কৰা দৰকাৰ। কেৱল দুৰ্বলতা বিচাৰিলে নহব— কাৰণ তেওঁৰ চৰিত্ৰত দুৰ্বলতা আছিল তাকৰ। কিন্তু তেওঁৰ প্ৰেম-স্নেহ, সহানুভূতি, চাৰিত্ৰিক দৃঢ়তা, জীৱৰ প্ৰতি দয়া, অন্যায় অধৰ্মৰ প্ৰতি ঘৃণাৰ প্ৰমাণবোৰ আকৌ মানুহৰ মাজত প্ৰচাৰ কৰিবলৈ হ'ল। চৰিতপুথি সমূহত যি নিৰ্মল ভক্তিৰ প্ৰকাশ ঘটিছে সেই নিৰ্মল ভক্তি অপাত্ৰৰ হৃদয়ত ভণ্ডামিলৈ অধঃপতিত হয়। মহাপুৰুষক অৱতাৰ কৰি দূৰলৈ ঠেলিলে তেওঁৰ গুণাৱলী অনুকৰণ কৰাতকৈ কীৰ্তন কৰাতহে মানুহৰ ধাউতি বাঢ়ে। আনহাতে আজিৰ দিনত “মইমোৰ” ভাব ইমান বাঢ়ি গৈছে যে কাৰো প্ৰতি শ্ৰদ্ধাভক্তিৰ ভাবেই আমাৰ মনৰ পৰা অন্তৰ্হিত হৈছে। আমাৰ যুগত যি সমালোচনা আৰু বিশ্লেষণৰ ভাব দেখা দিছে তাৰ বহু শুভফল আছে। কিন্তু প্ৰায়েই সি ঈৰ্ষাপ্ৰণোদিত আৰু অহংকাৰী নিন্দাবাদত পৰিণত হয়। সেয়ে চৰিতপুথিৰ মনোভাৱ সম্পূৰ্ণ নিজৰ কৰি নললেও তাৰপৰা শিকিবলগীয়া কথা বহুত আছে।

ব্ৰিটিছ আমোল প্ৰৱৰ্তিত হবৰ পৰা আমাৰ নবশিক্ষিত সম্প্ৰদায়ে কিন্তু আমাৰ মহাপুৰুষীয়া ধৰ্মৰ পৰা ফালৰি কাটি নগ'ল। ব্ৰাহ্মধৰ্মৰ দৰে নতুন ধৰ্মমতৰ প্ৰয়োজন তেওঁলোকে অনুভৱ নকৰিলে। বৰং বিশেষকৈ বেজবৰুৱাৰ যোগেদি তেওঁলোকে মহাপুৰুষীয়া ঐতিহ্যৰ গৌৰৱ সংৰক্ষণ কৰিবলৈ উঠি পৰি লাগিল। এই প্ৰচেষ্টাই যে বাধা নাপাইছিল তেনে নহয়। “আসাম বান্ধৱ” পত্ৰিকাত দুৰ্গোৎসৱক অসমৰ জাতীয় উৎসৱ প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস চলিছিল। দামোদৰীয়া আৰু হৰিদেৱী পন্থাৰ লোকসকলেও দামোদৰদেৱ

হৰিদেৱৰ স্থান শংকৰমাধৱৰ শাৰীতে বুলি প্ৰচাৰ কৰিব খুজিছিল। এই কন্দলখনৰ শেহত কিন্তু শংকৰমাধৱৰ প্ৰতিভাৰ তেজ চৰিলহে। বেজবৰুৱাই নিজে মহাপুৰুষীয়া ধৰ্মমতৰ মৰ্ম বুজি, তাৰ ৰস গ্ৰহণ কৰি তাক হৃদয়ত স্থান দিছিল। তেওঁ যে খোৱালোৱা পিন্ধাউৰাত ভকতীয়া আছিল তেনে নহয়—তেওঁ পৰিমিত মাত্ৰাত কেতিয়াবা মদ খাইছিল, মুৰ্গীৰ মাংস তেওঁৰ প্ৰিয় খাদ্য আছিল। তথাপি তেওঁৰ জীৱন, চৰিত্ৰ, কামকাজ আৰু ভাবনাচিন্তাত মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাব গভীৰ। সেয়ে তেওঁৰ পুথি "মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ"ত তেওঁ নতুনকৈ জীৱনী নেলেখি চৰিতপুথি সমূহৰ ওপৰত ভেঁজা দি কেৱল ভাষাটো আধুনিক সাঁচত দি এখন জীৱনী লেখিছিল। বংকিমচন্দ্ৰৰ কৃষ্ণৰ জীৱনীৰ দৰে বৈজ্ঞানিক দৃষ্টিভংগীৰে ঐতিহাসিক ঘটনাৰ পৰা আখ্যানভাগ দূৰ কৰাৰ প্ৰয়োজন তেওঁ বোধ কৰা নাছিল। Miracle-ৰ বিষয়ে তেওঁৰ মন্তব্য দ্ব্যৰ্থবাচক। হলেও পাতনিত তেওঁ আদৰ্শ ব্যক্তি হিচাবেই শংকৰদেৱৰ চৰিত্ৰলৈ আঙুলীয়াইছে। অসমত যে অসমীয়াৰ মাজতো এদিন এজন অসীম প্ৰতিভাধৰ, চৰিত্ৰবলত বলীয়ান, পৰহিতব্ৰতত উদ্যোগী মহাপুৰুষ ওলাইছিল, বেজবৰুৱাৰ বাবে শংকৰদেৱৰ জীৱনীৰ সি এটা প্ৰধান শিক্ষা। এইদৰেই আধুনিক অসমীয়া জাতীয় ভাবধাৰাত বেজবৰুৱাই শ্ৰীমন্ত শংকৰৰ প্ৰভাবৰ বীজ ৰোপন কৰিলে।

বেজবৰুৱাৰ পিছৰ যুগত তেওঁৰ সুযোগ্য উত্তৰাধিকাৰী জ্যোতি-প্ৰসাদৰ ৰচনাতো শ্ৰীমন্ত শংকৰৰ অৱদান অতীব গুৰুত্বপূৰ্ণ বুলি স্বীকাৰ কৰা হ'ল। এইযুগত প্ৰথমতে ভাৰতৰ স্বাধীনতা সংগ্ৰাম জনসাধাৰণৰ যোগদানৰ ফলত সবল হৈ উঠে। দেশৰ মধ্যবিত্ত বুদ্ধিজীৱীয়ে সাধাৰণৰ মাজত যেন দেখিলে সুপ্ত সিংহৰ বিক্ৰম। তাৰ উপৰিও জনসাধাৰণৰ মাজত বলবান হৈ থকা শংকৰী কৃষ্টিৰ সোঁতটো বিষ্ণুৰাভা আৰু জ্যোতিপ্ৰসাদে পুনি-মেটেকা জাহিজাবৰ গুচাই পুনৰ ফটফটিয়া ফটিক ধাৰাত পৰিণত কৰিলে।

দুয়োৰে ৰচনা আৰু চিন্তাধাৰাত সেয়ে শ্ৰীমন্ত শংকৰৰ প্ৰভাব এনে প্ৰবল। জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাত মানুহৰ সকলো মহৎ শক্তি আৰু সম্ভাবনাৰ প্ৰতিনিধি হ'ল শিল্পী :

"মানুহ হৈছে সপোনক দিঠকলৈ পৰিণত কৰা শিল্পী। সেইহে মই মানুহ—মই শিল্পী। আপোনালোক মানুহ—আপোনালোক শিল্পী। পৃথিবীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্প-সংস্কৃতিৰ সম্পদৰ প্ৰদৰ্শনী।" (১৯৫৭ চনত শিৱসাগৰত দিয়া ভাষণৰ পৰা।)

আনহাতে শিল্প মানুহৰ বাবে। যি শিল্প মানুহৰ সুখদুখৰ সমভাগী নহয়, মানুহৰ কল্যাণত ব্ৰতী নহয়, সেই শিল্পত সূক্ষ্মতা থাকিব পাৰে, মসৃণতা (sophistication) থাকিব পাৰে—তাত কলাকৃষ্টিৰ উচ্চ মান প্ৰকৃততে থাকিব নোৱাৰে। জ্যোতিপ্ৰসাদৰ বাবে সেয়ে শংকৰদেৱ আছিল অক্ষয় বিস্ময় আৰু সম্মানৰ পাত্ৰ। সেয়ে দেশবিদেশৰ কলাকৃষ্টিৰ মাজেদি স্ৰষ্টা মানবৰ নানা কীৰ্তিকলাপৰ ৰস লৈ অৱশেষত তেওঁ ঘৰৰে শংকৰদেৱৰ ওচৰত মূৰ দোঁৱাইছিল :

"আগে নিচিনিলোঁ আবেসে জানিলোঁ

তেন্তে তুমি শ্ৰীৰাম ;

অজ্ঞানীক মোক প্ৰভু ক্ষেমিয়োক

চৰণে কৰো প্ৰণাম।"

কিন্তু জ্যোতিপ্ৰসাদৰ শংকৰদেৱ নামধৰ্মৰ প্ৰচাৰক, একশৰণ ভাগৱতী ধৰ্মৰ বাহক শংকৰদেৱ নহয়। তেওঁৰ শংকৰদেৱ স্ৰষ্টা শংকৰদেৱ। কেৱল গীটনাটৰে স্ৰষ্টা নহয়। জনগণৰ বাবে এক উন্নত, সুখী, সমৃদ্ধ, সংস্কৃত জীৱনযাত্ৰাৰ স্ৰষ্টা। শংকৰীকৃষ্টি কেৱল কিতাপত নহয়—মিউজিয়ামত নহয়—জনসাধাৰণৰ জীৱনৰ আঁহে আঁহে সোমাই আছে। কেৱল তাত্ত্বিক মতৰ ঠাইত নতুন ধৰ্মমত প্ৰচাৰ কৰা প্ৰচাৰক বুলিলে শংকৰদেৱৰ তাৎপৰ্য ভালদৰে ব্যাখ্যা নহয়।

আমাৰ বৰ্তমান যুগটো বহুত দিশৰ পৰাই অধঃইচ যুগ। আমাৰ জনসাধাৰণৰ মাজত শংকৰী কৃষ্টিৰ অমৃতোপম প্ৰভাৱ শুকাই আহিছে। এনেদিন আহিব যেতিয়া তাক তাৰ পুৰণি ৰূপত, পুৰণি সাঁচত ৰক্ষা কৰা টান হব। শংকৰী কৃষ্টিৰ নামত যিবোৰ ভণ্ডামি চলিছে তাৰপৰা অনুমান হয় যে শংকৰী কৃষ্টিৰ বান্ধোন ক্ৰমে শিথিল হৈ আহিছে। আমাৰ শিক্ষিত সম্প্ৰদায়ৰ মাজতো দেখা যায় যে ব্যক্তিগত প্ৰতিষ্ঠা আৰু সন্মানৰ বাবে আমি যেনে লালায়িত, মহৎ আদৰ্শৰ বাবে, জনসাধাৰণৰ কল্যাণৰ বাবে তেনে অনুপ্ৰাণিত নহওঁ। সেয়ে বেজবৰুৱাৰ শংকৰদেৱ, জ্যোতিপ্ৰসাদৰ শংকৰদেৱৰ তাৎপৰ্য এতিয়াও আমাৰ বাবে গুৰুত্বপূৰ্ণ। বেজবৰুৱাৰ শংকৰদেৱ আছিল মহান মনুষ্যত্বৰ প্ৰতিনিধি, জ্যোতিপ্ৰসাদৰ শংকৰদেৱ আছিল স্ৰষ্টা আৰু সংস্কাৰক মানৱৰ প্ৰতিনিধি। আজিকালি দিনকাল বদলিছে, পৰিবেশ বদলিছে। মনুষ্যত্বৰ সাধনা এতিয়া কঠিন। নতুন সমাজৰ বেহ-ৰূপ শংকৰমাধৱৰ ধৰণে কল্পনা কৰিলেও নহব—জাতিভেদ সামাজিকভাবে শংকৰদেৱে উপেক্ষা কৰা নাছিল। সেই মনোভাব এতিয়া আৰু কোনেও গ্ৰহণ নকৰে। কিন্তু আজিৰ যুগৰ উপযোগী সমাজ এখন ৰচনা কৰোঁতে, নানাতৰহৰ জঘন্য আধুনিক বামাচাৰৰ পৰা আমাৰ ৰাইজৰ মনপ্ৰাণ মুক্ত কৰি সৃষ্টিশীল নতুন জীৱনত তেওঁলোকক উদ্বুদ্ধ কৰোঁতে আমি নিশ্চয় শ্ৰীমন্ত শংকৰৰ পৰা প্ৰেৰণা পাম। (ৰভিয়া শংকৰ জন্মোৎসৱত পঠিত, ১৯৬৯)

॥ বুদ্ধিজীৱীৰ ভূমিকা ॥

অলপতে এজন ছাত্ৰবন্ধুৱে মোক সোঁৱৰাই দিলে: "ছাৰ, অসমত নিবনুৱাৰ সংখ্যা তেৰ লাখ।" ঠিকেই। এই অসংখ্য মানুহৰ ভৰণপোষণৰ প্ৰশ্নটো এবাই যোৱাটো অমানুষিক হব। যদিও পুঁজিবাদেই তাৰ স্বাভাৱিক অন্তৰ্দ্বন্দ্ব অনুযায়ী এই বিপুলসংখ্যক নিবনুৱা সৃষ্টি কৰিছে যদিও এই সকলো মানুহকে জীৱননিৰ্বাহৰ বাট পুঁজিবাদে দেখৱাই দিব নোৱাৰে, তথাপি নিবনুৱাৰ কৰ্মসংস্থানৰ দাবী স্বাভাৱিক, মানবীয়, সকলো ফালৰ পৰাই সমৰ্থনীয়। সেয়ে শিল্পায়ন বা উদ্যোগকৰণ, এনেকি থলুৱা লোকক অগ্ৰাধিকাৰ দিয়াৰ দাবীও বহুদূৰ সমৰ্থন কৰিব লাগিব।

কিন্তু আগতে কৈ আহিছো, এই সকলো শিক্ষিত আৰু অৰ্দ্ধশিক্ষিত মানুহক তেওঁলোকৰ যোগ্যতা অনুযায়ী পুঁজিবাদে চাকৰি দিব নোৱাৰে। বৰং নিম্নমধ্যবিত্তক সৰ্বহাৰাত পৰিণত কৰাৰ (proletarianization) যি কথা Communist Manifestoত কোৱা হৈছে, এই নিবনুৱাৰ এটা বৃহৎ অংশই তাৰ তিতা সোৱাদ পাব। পুঁজিবাদ বিনাশৰ ব্যৱস্থা নললে এই ট্ৰেজেডিৰ পুনৰাবৃত্তি ঘটিব।

আনহাতে স্কুল কলেজ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সলালেই যে সমস্যাৰ সমাধান হব তেনে নহয়। পাঠ্যক্ৰম নিশ্চয় সলাব লাগিব। সমাজতন্ত্ৰৰ বিষয়ে সমাজতান্ত্ৰিক দেশবোৰৰ বিষয়ে আমাৰ স্কুলকলেজৰ পাঠ্যপুথিত আৰু কথা থাকিব লাগিব। বিশেষকৈ বৃত্তিমূলক (vocational) শিক্ষাৰ ব্যাপক বন্দোবস্ত কৰিব লাগিব। কিন্তু শিক্ষা দিলেই যে চাকৰি ওলাব তাৰ প্ৰমাণ কত? আধুনিক কাৰখানাত আকৌ বনুৱাৰ সংখ্যা কমোৱাৰ ফন্দীফিকিৰ চলিয়েই আছে! যি হিন্দুস্থান মেছিন টুল্‌ছৰ কাৰখানাৰ উৎপাদন এসময়ত চৰকাৰৰ ৰাষ্ট্ৰীয় শিল্পানুষ্ঠানবোৰৰ গৌৰৱ আছিল আজি তাৰ অৱস্থা পৰি অহা বিধৰ। অৰ্থাৎ ভাৰতীয় পুঁজিবাদৰ সংকটত কলকাৰখানাই ভালকৈ নচলে—নতুন চাকৰি ওলাব ক'ৰ পৰা?

এই নিৰ্মম সত্যটো নুবুজিলে যুৱছাত্ৰ আন্দোলন লক্ষ্যভ্ৰষ্ট হব। পুঁজিবাদৰ বিনাশৰ লক্ষ্যটো আৰু তাক সাধন কৰাৰ পদ্ধতি আওহেলা কৰি এই আন্দোলনে তাৰ বিপুল সম্ভাৱনা অপচয় কৰাৰ আশংকা আছে।

ছাত্ৰ আন্দোলনত যে সদায় স্বাৰ্থ জড়িত থাকে তেনে নহয়। স্বাৰ্থতকৈ আদৰ্শ আৰু স্বপ্নই তেওঁলোকৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰে। চীনৰ সাম্যবাদী আন্দোলনো এসময়ত ছাত্ৰআন্দোলনৰ লেটাৰ পৰাই ওলাইছিল। কিন্তু বাস্তৱ অভিজ্ঞতাৰ অভাৱ আৰু তৰুণসুলভ অধীৰতাৰ বাবে ছাত্ৰ আন্দোলনৰ কেতবোৰ সুকীয়া মোহ দেখা যায়ঃ

(১) সামাজিক সংকটৰ সময়ত সক্ৰিয় হলেও ছাত্ৰই কেতিয়াও দেশৰ শাসনভাৰ বা ৰাষ্ট্ৰযন্ত্ৰ নিজৰ হাতলৈ আনিব নোৱাৰে। প্ৰত্যক্ষভাবে ছাত্ৰবিক্ষোভে অইন এক শক্তিকহে ক্ষমতাসীন হবলৈ সহায় কৰে। মতাদৰ্শগত অস্পষ্টতাৰ বাবে কেতিয়াবা তেওঁলোকে ছদ্মবেশী প্ৰতিক্ৰিয়াকো সহায় কৰে। ইন্দোনেছিয়াৰ ছাত্ৰসকলৰ মনলৈ এতিয়া চৈতন্য আহিছে যে সুকৰ্ণক অপসাৰণ কৰা দলটো

দেশৰ প্ৰগতিৰ মিত্ৰ নহয়। সেয়ে কেৱল "মাৰ মাৰ !!" কৈ দাঁত কামুৰি ফুৰা দল মাত্ৰেই যে প্ৰকৃত বিপ্লৱী নহয়, ছাত্ৰসকলে মনত ৰাখিব লাগিব।

(২) যথাযথ সামাজিক বিশ্লেষণৰ অভাৱ আৰু স্বপ্নবিলাসৰ পৰা কেতিয়াবা জনসাধাৰণৰ প্ৰতি ছাত্ৰসকলৰ অৱজ্ঞা দেখা যায়। অজ্ঞান জনসাধাৰণক বীৰৰ দৰে উদ্ধাৰ কৰাৰ মনোভাবেৰে এওঁলোকে অকলে আগবাঢ়ি গৈ সংগ্ৰামত লিপ্ত হয়। ভাবি নেচায় যে জীৱন ধাৰণৰ প্ৰয়োজনতে জনসাধাৰণ সচৰাচৰ ৰক্ষণশীল বা সাৱধান। কিন্তু জনসাধাৰণৰ সক্ৰিয় সহযোগিতা অবিহনে বিদ্ৰোহ ব্যৰ্থ হবলৈ বাধ্য। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিপ্লৱী ছাত্ৰআন্দোলন চেতনাত অতি অগ্ৰসৰ হলেও জনসাধাৰণৰ লগত সংযোগ স্থাপনত অতি অমনোযোগী আছিল—আজি সেয়ে তাৰ ঢিমিকঢামাক অৱস্থা। বিশ্ববিদ্যালয়ত অধ্যয়ন গবেষণা বন্ধ কৰি দি এই আন্দোলনে সমাজৰ ৰূপান্তৰ অনিব পৰা নাই।

১৮৫০ চনত একধৰণৰ ষড়যন্ত্ৰমুখী বিপ্লৱীৰ কথা মাৰ্ক্সে এই ধৰণে লেখিছিল: "এই চক্ৰান্তকাৰী সকলে সৰ্বহাৰাক সংগঠন কৰাৰ দৰে সাধাৰণ কামত লাগিব নোখোজে। ওহোঁ! ইহঁতৰ কাম হ'ল কোনো বাঢ়ি অহা বৈপ্লবিক প্ৰক্ৰিয়াক জবৰদস্তি কৰি কৃত্ৰিম উপায়ে বিপ্লৱৰ মুখলৈ ঠেলি দিয়া, বিপ্লৱৰ পৰিস্থিতি নোহোৱাকৈ বিপ্লৱ তৈয়াৰ কৰা। ইহঁতৰ বাবে বিপ্লৱৰ একমাত্ৰ প্ৰয়োজনীয় চৰ্ত্ত হল নিজৰ চক্ৰান্তটো সংগঠন কৰা। বিপ্লৱৰ সাফল্যৰ বাবে নানাৰকমৰ বোমা-ফট্কা বনোৱাত ইহঁত মজি যায়—যেন বৰ্তমান চৰকাৰটো উৰাই দিব পাৰিলেই বিপ্লৱৰ যোল্ল কলা পূৰ হয়। আৰু এইবাবেই শ্ৰমিকবিলাকক তেওঁলোকৰ শ্ৰেণীস্বাৰ্থৰ তত্ত্ব বুজোৱাৰ দৰে মামুলি কামত ইহঁত নালাগে। সেয়ে যিবিলাক শিক্ষিত মানুহে এই কাম কৰিব খোজে সেইবিলাকৰ প্ৰতি ইহঁতৰ সৰ্বহাৰাসুলভ নহয় বৰং বৰ্বৰোচিত ৰোষ।"

অসমৰ যুৱছাত্ৰ আন্দোলনেও এই সতৰ্কবাণী শুনিবৰ সময় হৈছে।

অসমত বৰ্ত্তমান যি ৰাজনৈতিক চেতনা প্ৰৱল যেন দেখা গৈছে তাৰ চৰিত্ৰ নিম্নমধ্যবিত্ত। সমাজবাদৰ নামত যিবোৰ পুঁজিবাদী সা-সুবিধা ইতিমধ্যে ওলাইছিল সি বহুতৰে আশা আৰু বাসনা জাগ্ৰত কৰিলে কিন্তু স্বাভাৱিকতে সুবিধাবোৰ এমুঠি মানুহৰহে কৰায়ত্ত হ'ল। সেইবোৰ সা-সুবিধা বিচৰা মানুহৰ সংখ্যা অনুপাতে সা-সুবিধা পুঁজিবাদী সমাজত তাকৰ হবলৈ বাধ্য। তদুপৰি সেইবোৰ সা-সুবিধা, চাকৰি-বাকৰি পুঁজিবাদৰ বৰ্তমান প্ৰয়োজন আৰু সামৰ্থ্য অনুযায়ীহে সৃষ্ট হয়। ভাৰতীয় পুঁজিবাদৰ বৰ্তমান সংকট ইমান গুৰুতৰ যে চতুৰ্থ পৰিকল্পনাৰ অগ্ৰগতিয়েই অনিৰ্দ্দিষ্ট আৰু অনিশ্চিত। এনে অৱস্থাত নতুন চাকৰি-বাকৰি—ডাক্তৰ, ইঞ্জিনিয়াৰ, অধ্যাপক, সাংবাদিক—বেছি ওলোৱাৰ সম্ভাৱনা নাই।

কিন্তু মধ্যবিত্তৰ ঘৰে-ঘৰে ল'ৰা-ছোৱালীক ডাক্তৰ বা ইঞ্জিনিয়াৰ হবলৈ, আই-এ-এছ, এ-চি-এছ, কম পক্ষেও য়ুনিভাৰ্ছিটিৰ অধ্যাপক হবলৈ উদগাই দিয়া হৈছে। অভিভাৱক সকলেও প্ৰাণান্তকৰ পৰিশ্ৰম কৰিছে। এইবোৰ লৰা-ছোৱালীৰ বহুতেই শিল্প-ব্যৱসায় খোলাৰ মূলধন বা কৌশল আয়ত্ত কৰিব নোৱাৰে। আগতে কৈ অহা মতে শিল্প ব্যৱসায়ৰ বিকাশৰ অৱকাশো বৰ্ত্তমান বৰ সংকীৰ্ণ। উচ্চস্তৰৰ চাকৰি আৰু তথাকথিত বৃত্তি (profession) তেওঁলোকৰ একমাত্ৰ আশা। কিন্তু আশা অনুযায়ী সাফল্য এওঁলোকে আৰ্জন কৰিব নোৱাৰে। যেহেতু পুঁজিবাদী সমাজত সমাজৰ উৎপাদন তথা ধনবিতৰ বিতৰণ বৈষম্যমূলক, সেয়ে এওঁলোকৰ বহুতেই নিম্নস্তৰৰ স্কুল কলেজত শিক্ষা লাভ কৰিব লগা হৈছে। মিনিষ্টাৰ-অফিচাৰৰ অনুগ্ৰহ নহলে এওঁলোকৰ মাজৰ মাত্ৰ অতি মেধাবী বা কৰ্মঠ সকলেহে জীৱনত উদগতি কৰাৰ সৌভাগ্য লাভ কৰে।

বাকী বিলাকৰ—মানে সৰহ সংখ্যকৰে—মনত হতাশা আৰু

ক্ষোভ পুঞ্জীভূত হয়। এই ক্ষোভৰ প্ৰকাশ সৃষ্টিধৰ্মী হব পাৰে, প্ৰতিক্ৰিয়াশীলো হব পাৰে। কেনেকৈ?

অন্ধ বিক্ষোভ বা মাৰামাৰি ইত্যাদিৰ বাহিৰেও সমাজৰ এই অংশৰ মাজত ৰাজনৈতিক সংগঠন আৰু চেতনা আৰম্ভ হয়। যেতিয়া শ্ৰমিক আৰু কৃষক আন্দোলনৰ প্ৰভাৱত এওঁলোকে বুজি পায় যে সমাজৰ এইবোৰ বৈষম্য আৰু অবিচাৰ পুঁজিবাদী একনায়কত্ব দূৰ নহলে নেযাব আৰু শ্ৰমিক-কৃষকেই পুঁজিবাদ বিনাশৰ বাবে উপযুক্ত নেতৃস্থানীয় শক্তি, তেতিয়া তেওঁলোকে সমাজবাদী আন্দোলনত দেহেকেহে জপিয়াই পৰি তাক নানাধৰণে পৰিপুষ্ট আৰু শক্তিমান কৰি তোলে। এওঁলোকৰ বিদ্যা আৰু মগজু তেতিয়া শ্ৰমিক আন্দোলনৰ অস্ত্ৰ হৈ পৰে।

কিন্তু যদি কোনো সমাজত শ্ৰমিক-কৃষকৰ আন্দোলন অপৈণত বা দুৰ্বল হয়, তেতিয়া এই অংশটোৰ মনত এটা নতুন মায়াৰ সৃষ্টি হয়। চিঞৰবাখৰ কৰি পুঁজিবাদী সমাজৰ উচ্চতৰ সোপান বিলাকত স্থান লবলৈ বিচাৰে। জনসাধাৰণ য'ত অচেতন বা অৰ্দ্ধচেতন তেতিয়া তেওঁলোকে জনসাধাৰণৰ নাম লৈ, হয়তো সমাজবাদৰ নামতে, বিচিত্ৰ ধৰণৰ বিক্ষোভ আৰম্ভ কৰে। কিন্তু তেওঁলোকৰ কৰ্মসূচীত জনসাধাৰণৰ সমস্যাই অতি গৌণ স্থান পায়। জনসাধাৰণৰ নামত তেওঁলোকে যি আন্দোলন আৰম্ভ কৰে তাৰ শেষ-লক্ষ্য হ'ল চাকৰি-বাকৰিৰ সংখ্যা বৃদ্ধি। এতিয়া যিবোৰে ৰাজপাট খাই আছে সেইবোৰৰ ৰাজসভাত গাব বলেৰে সোমাই লোৱাই এওঁলোকৰ ঘাই প্ৰেৰণা। হাতেকামে পুঁজিবাদী সমাজৰ শ্ৰেণীচৰিত্ৰ বিলোপ কৰাৰ ৰাস্তা এওঁলোকে নলয়।

শাসকশ্ৰেণী এই আন্দোলনত বিব্ৰত হ'লেও বিপন্ন নহয়। বৰং এনে অংশৰ বাবে যথেষ্ট ঠাই মুকলি কৰিবলৈ শাসক শ্ৰেণীয়ে পাৰ্যমানে চেষ্টাও কৰে। জনসাধাৰণৰ নামত এই আন্দোলন হোৱা বাবে জনসাধাৰণৰ মূল লক্ষ্যবোৰ অৱহেলা কৰিবলৈ চৰকাৰে সুযোগ

পায়। কোটি কোটি কৃষকক মাটি দিবলৈ গ'লে বর্তমান শোষক চৰকাৰৰ তথা শোষক শ্ৰেণীৰ ভেটি উছন হব। তাতকৈ কেইজনমান মানুহক অধ্যাপক, ইঞ্জিনিয়াৰ, ডাক্তৰ পদত মকৰল কৰাৰ খৰচ বহুত কম !!! সেইবাবেই মূলতঃ এনেবোৰ আন্দোলনৰ প্ৰতি চৰকাৰ সততে সহানুভূতিশীল। আমাৰ তেল-শোধনাগাৰ আন্দোলনত এনে নিম্নমধ্যবিত্ত লক্ষ্য কিমানদূৰ সক্ৰিয় সি ভাবিবলগীয়া কথা।

কোনো কোনো ঠাইত এই শ্ৰেণীটোৱে নতুন আৰু ভ্ৰান্ত ভাবাদৰ্শৰো জন্ম দিয়ে। ইয়াৰ এটা পৰিচিত সংস্কৰণ হ'ল বুদ্ধি-বিৰোধিতা (anti-intellectualism).

অধ্যাপক-বৈজ্ঞানিক প্ৰভৃতিৰ "সৌভাগ্য"ত ঈৰ্ষান্বিত অংশটোৰ সমালোচনা কেৱল বুদ্ধিজীৱীৰ অন্যায় Privilege বা ক্ষমতাতে সীমাবদ্ধ নাথাকে। বৰং এটা আৱাজ উঠে যে অধ্যাপক বা বৈজ্ঞানিকবিলাকৰ কামৰ কোনো মূল্য বা সামাজিক সুফল নাই। কোৱা হয় যে বুদ্ধিৰ দম্ভত এইবোৰ মানুহ সমাজৰ শত্ৰুত পৰিণত হৈছে। কেতিয়াবা ইয়াৰ প্ৰকাশ ঘটে অধ্যাপক-বৈজ্ঞানিকৰ ওপৰত নানা অশালীন বা অন্যায় আক্ৰমণত। কেতিয়াবা যুক্তিবিচাৰ আৰু বুদ্ধিচৰ্চাৰ ঠাইত নিৰ্জ্ঞান মন বা অযৌক্তিক শক্তি (যথা আবেগ বা শাৰীৰিক প্ৰবৃত্তি) পূজা কৰা হয়। এনে বিশ্লেষণহীন অন্ধ ভাবাবেগ শেহান্তৰত গৈ দানবীয় একচেটিয়া পুঁজিবাদৰ হাতীয়াৰ হৈ পৰে— সকলো ন্যায়-অন্যায়ৰ ধাৰণা বিসৰ্জন দি এইবোৰ যুৱকে ক্ষমতা (power) তথা পুঁজিবাদী ৰাষ্ট্ৰক্ষমতাৰ অন্ধ উপাসনাত মজি যায়। প্ৰত্যেকেই ভাবে তেওঁ ব্যক্তিগত জীৱনত সমাজ, সংস্কাৰ, সভ্যতাৰ বিৰুদ্ধে বিদ্ৰোহী বীৰ, শক্তিৰ উপাসক—কাৰ্যক্ষেত্ৰত প্ৰত্যেকেই নাৎছি এছ এছ (s s) দলৰ দৰে একচেটিয়া পুঁজিবাদৰ শ্ৰমিক বিৰোধী চাওদাং মাত্ৰ। (অসমত তাৰ চেহেৰা হব বিহাৰী মাৰণৰ চেহেৰা !)

এই কথা ঠিক যে বৰ্তমান ভাৰতৰ সমাজত বৈজ্ঞানিকৰ সাধনা,

বিদ্বানৰ বিদ্যাচৰ্চা, শিল্পীৰ শিল্পচৰ্চা সকলো চলে পুঁজিবাদৰ টকাত। তেওঁলোকৰ গৱেষণা পুঁজিবাদী উৎপাদন বৃদ্ধি কৰাতহে ঘাইকৈ ব্যৱহাৰ হয়। চৰকাৰী কিতাপ আৰু ক্ষমতাৰ লোভত কোনো কোনো পণ্ডিত বা বৈজ্ঞানিকে হয়তো চৰকাৰৰ লগত সৰ্বান্তঃকৰণে সহযোগিতা কৰে—বিশেষজ্ঞ হৈ পুঁজিবাদক সমস্যাৰ পৰা মুক্ত কৰিবলৈ যত্ন কৰে।

ইয়াৰ অৰ্থ এয়েনেকি যে পুঁজিবাদৰ গোলামিৰ দোষত তেওঁলোকৰ শিল্প-বিদ্যা বিজ্ঞান সকলো সম্পূৰ্ণৰূপে দূষিত? ইয়াৰ তাৎপৰ্য এয়ে নেকি যে বিদ্যা-বিজ্ঞান-কলাক বিসৰ্জন দিব লাগে? "নতুন পুৰুষে" অধ্যাপকক মাৰপিট কৰি, বৈজ্ঞানিকৰ লেবৰেটৰি ভাঙি, শিল্পীৰ কেনভাচ পুৰি সমাজৰ ৰূপান্তৰ ঘটাব পাৰেনেকি?

কোৱা বাহুল্য এনে ধাৰণা ভ্ৰান্ত। পুঁজিবাদৰ ভিত্তি শোষণ, তাৰ ৰক্ষাকৰ্তা হ'ল পুঁজিবাদী ৰাষ্ট্ৰ। আধুনিক পুঁজিবাদী ৰাষ্ট্ৰই ডাক্তৰ-ইঞ্জিনিয়াৰ-শিল্পী-অধ্যাপকৰ খোৰাকী নিয়ন্ত্ৰণ কৰে বহু-পৰিমাণে। কিন্তু পুঁজিবাদৰ মূল ভিত্তি এইবোৰ বুদ্ধিজীৱীৰ প্ৰত্যক্ষ বা পৰোক্ষ সহযোগিতা নহয়। বৰং পুঁজিবাদে বুদ্ধিজীৱীৰ স্বাধীন চিন্তা আৰু নিৰপেক্ষ অনুসন্ধানত নানাধৰণে বাধা দি, হস্তক্ষেপ কৰি ঐকান্তিক গবেষকৰ মনত হতাশা আৰু ক্ষোভ সৃষ্টি কৰে। কিমান অৰ্থনীতিজ্ঞৰ সমীক্ষা আৰু বিবৃতি আমাৰ চৰকাৰে গোপন কৰিছে বা হেঁচা দি ৰাখিছে তাৰ ঠিকনা নাই!

পুঁজিবাদৰ আৰম্ভণিতে সামন্ততন্ত্ৰৰ সমালোচক হিচাবে, নতুন সভ্যতাৰ অগ্ৰদূত হিচাবে বুদ্ধিজীৱীৰ চিন্তাৰ যিখিনি স্বাধীনতা আৰু সজীৱতা আছিল, আজি পুঁজিবাদৰ সংকটাপন্ন অৱস্থাত সেই স্বাধীনতা আৰু তেজ থাকিব নোৱাৰে। কিন্তু পুঁজিবাদী সভ্যতাৰ মাজত যি বৈজ্ঞানিক বিশ্লেষণ আৰু অনুসন্ধানৰ ঐতিহ্য গঢ়ি উঠিছে সি সম্পূৰ্ণ শেষ হৈ যোৱা নাই। কোনো কোনো ক্ষেত্ৰত এই বৈজ্ঞানিক দৃষ্টিকোণেই বুদ্ধিজীৱীক মাৰ্ক্সবাদ আৰু সমাজবাদৰ কাষ

ছপাই আনিছে। বহুক্ষেত্রত পুঁজিবাদী গবেষণা আৰু চিন্তাৰ ফলখিনি সমাজবাদী আন্দোলনতো ব্যৱহৃত হব পাৰে। লে'নিনৰ "সাম্ৰাজ্যবাদ" নামৰ কেন্দ্ৰীয় গ্ৰন্থৰ সৰহখিনি তথ্যই (তত্ত্ব নহয়) এজন বুৰ্জোৱা অৰ্থনীতিজ্ঞৰ কিতাপৰ পৰা লোৱা। সেইদৰে বস্তুবাদী দৰ্শনৰ প্ৰচাৰত বুৰ্জোৱা বৈজ্ঞানিক চিন্তাধাৰাৰ পৰা বহুক্ষেত্ৰত সহায় পোৱা যাব পাৰে।

নিম্নমধ্যবিত্ত বঞ্চিতৰ দলে কৈ ফুৰে যে বৰ্তমানৰ বুদ্ধিজীৱী দলটো পুঁজিবাদৰ কিনাগোলাম। কথাটো মানি ললেও প্ৰশ্ন উঠে: নিম্নমধ্যবিত্ত সমালোচক সকলে কি বিচাৰে? পুঁজিবাদৰ অৱসান? তেনে দাবী তেওঁলোকৰ মাজত শুনা নাযায়। বৰং পুঁজিবাদৰ শোষণৰ ফল যাতে তেওঁলোকৰ ভাগতো পৰে, প্ৰকাৰান্তৰে তেওঁলোকে তাকে বিচাৰে। চাফ কথাত তেওঁলোকেও গোলামিৰ সোণৰ শিকলিডাল বিচাৰে। নিজকে ফাকি দি তেওঁলোকে কথাটো স্বীকাৰ নকৰে মাত্ৰ। সেই বাবেই তেওঁলোকৰ দাবী হয় অৰ্হতাৰ মান কমোৱা বা তেনেবিধৰ। সন্দেহ নাই, যে এবাৰ বিষয় খাবলৈ পালে এওঁলোকৰ মাজত "জনসাধাৰণ"ৰ প্ৰতি সহানুভূতিৰ উত্তাপ বহুত কমি যাব।

বিদ্যাৰ্জনৰ সা-সুবিধা বহলাই দিয়াৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। কিন্তু পুঁজিবাদৰ ক্ষমতা বিনাশ প্ৰাপ্ত হলেও একেদিনেই পৃথিৱীৰ সকলো মানুহ বিদ্বান বা মেধাবী হৈ নপৰে। পুঁজিবাদৰ কবলৰ পৰা সমাজক মুক্ত কৰিব পাৰিলেও সমাজৰ সকলো সৃষ্টিশক্তি একেকোবে উলিয়াই অনাটো অসম্ভৱ। আনহাতে মানবসভ্যতাৰ ইতিহাসত বুদ্ধিৰ অনুশীলন তথা বিদ্যাচৰ্চাই যি মান আৰু উন্নতি অৰ্জন কৰিছে, সেই মান, সেই উন্নতি সংৰক্ষিত হৈছে শ্ৰেণীসমাজৰ নানা বিদ্যালয় আৰু বুদ্ধিজীৱীৰ যোগেৰেই। অৱশ্যে এই বুদ্ধিজীৱী সকলৰ কিঞ্চিৎ স্বাধীনতা যে আজিও আছে, অস্বীকাৰ কৰিব নোৱাৰি। সম্পত্তি বা সামাজিক প্ৰতিপত্তিৰ লোভ নাথাকিলে

এওঁলোকে পুঁজিবাদ বিৰোধী শক্তিক সহায় কৰিব পাৰে। এওঁলোকৰে এটা অংশই নিজৰ শ্ৰেণীসত্তা আৰু শ্ৰেণী স্বাৰ্থ জলাঞ্জলি দিয়াৰ মানসেৰে শ্ৰমিক আন্দোলনত যোগ দিয়েহি।

মাৰ্ক্স এ'ংগে'লছৰ ৰচনাত বহুবাৰ সন্দেহাতীত ভাবে ঘোষণা কৰা হৈছে যে শ্ৰেণীসমাজৰ সভ্যতা আৰু মানৱতা নিদাৰুণ দ্বন্দ্বৰ প্ৰতিমূৰ্তি। পুঁজিবাদ এহাতে বিজ্ঞান আৰু যন্ত্ৰবিদ্যাৰ অভূতপূৰ্ব বিকাশ আনহাতে অমানুষিক শোষণৰ আধাৰ। সেইদৰে শ্ৰেণীসমাজত জ্ঞান আৰু বিদ্যাৰ উদ্গতি নিৰ্ভৰ কৰে বিদ্যাচৰ্চাটো এটা সুকীয়া বৃত্তিত পৰিণত হোৱাৰ ওপৰত। শ্ৰমবিভাজনৰ শেহতীয়া পৰিণতি হ'ল এই বুদ্ধিজীৱী শ্ৰেণীৰ বিকাশ। এওঁলোক জ্ঞানবিজ্ঞানৰ ধাৰক বাহক হলেও শোষক শ্ৰেণীৰ আশ্ৰিত। তাৰ অৰ্থ এনে নহয় যে শোষণৰ অবসানৰ বাবে-জ্ঞান আৰু সভ্যতাৰো বিলুপ্তি ঘটাব লাগিব। বৰং সেই জ্ঞান আৰু সভ্যতাৰ পৰিপূৰ্ণ প্ৰয়োগ সম্ভৱ হব সমাজবাদী সমাজতহে—য'ত এমুঠি মানুহৰ মুনাফাই মানুহৰ জীৱন, সুখদুখ, সংস্কৃতি নিয়ন্ত্ৰণ নকৰিব।

বুৰ্জোৱা বুদ্ধিজীৱী বিলাকৰ অহমিকা আৰু খিয়লাখিয়লিৰ ওপৰত লে'নিন আছিল খড়্গহস্ত। আনহাতে তেওঁ পাৰ্টিৰ গোড়া ভকত সকলৰ বিৰুদ্ধে আৰু অশিক্ষিত শ্ৰমিকৰ অবিশ্বাসৰ বিৰুদ্ধে অবিৰত সংগ্ৰাম কৰি বুদ্ধিজীৱী বিলাকক ৰক্ষা কৰিছিল আৰু তেওঁলোকক সমাজতন্ত্ৰ নিৰ্মাণত নিয়োগ কৰিছিল। সন্দেহ নাই, পুঁজিবাদৰ আশ্ৰিত বুদ্ধিজীৱীৰ শিৰাই শিৰাই স্বতন্ত্ৰপ্ৰিয়তা আৰু দায়িত্বহীনতা। সন্দেহ নাই, বহুত বুদ্ধিজীৱীৰ মনত টকাৰ লালচ, ক্ষমতাৰ থক। কিন্তু সেইবোৰ দোষ আৰু দুৰ্বলতা পাৰ্যমানে শোধন কৰি, নাইবা শাসন কৰি লে'নিনে তেওঁলোকৰ সামৰ্থ্যক সমাজতন্ত্ৰ গঠনত ব্যৱহাৰ কৰিছিল। তেওঁ স্পষ্টভাষাত ঘোষণা কৰিছিল যে পুঁজিবাদৰ অৱশেষৰ পৰাই সমাজতন্ত্ৰৰ ৰচনাৰ বাবে অপৰিহাৰ্য বিশেষজ্ঞ সংগ্ৰহ কৰিব লাগিব—আন কতো তেনে বিশেষজ্ঞ পোৱা

নাযায়। মাৰ্ক্সবাদৰ প্ৰতি কোনোদিন কোনো কৌতূহল প্ৰকাশ নকৰা বিখ্যাত বস্তুবাদী মনস্তত্ত্ববিদ পাভ্‌লভক সন্মান দেখুৱাব জানিছিল শিশু ছোভিয়েট ৰাষ্ট্ৰই।

বৰ্দ্ধিত উৎপাদন আৰু উন্নত কৌশল অবিহনে আধুনিক বৈজ্ঞানিক সমাজতন্ত্ৰ গঠিত হব নোৱাৰে। সেয়ে নতুন উদ্যোগৰ বিকাশ আৰু সম্প্ৰসাৰণ, বৈজ্ঞানিক গৱেষণাৰ বিকাশ, নতুন শিক্ষা আৰু ভাবধাৰা প্ৰচাৰত বুদ্ধিজীৱী সকলক নিয়োগ কৰিবই লাগিব। লগে লগে কঠোৰ সজাগতা, ধৈৰ্য আৰু সহানুভূতিৰে এওঁলোকৰ অসামাজিক আৰু দায়িত্বহীন মনোভাব শুধৰাবলৈ পাৰ্টিয়ে চেষ্টা কৰিব।

সেয়ে বুদ্ধিজীৱী সকলৰ প্ৰতি অন্ধ আৰু অসংযত ৰোষ প্ৰকৃততে মাৰ্ক্সবাদীৰ লক্ষণ নহয়—বুদ্ধিৰ প্ৰতি বিৰাগতো নহয়েই। সম-সাময়িক বিপ্লবী ৱাইৎলিং শ্ৰমিক শ্ৰেণীৰ পৰা অহা সত্ত্বেও মাৰ্ক্সৰ সন্মান পোৱা নাছিল। কাৰণ, মাৰ্ক্সৰ ভাষাত বুদ্ধি আৰু মেধা নহলে কোনো দৰ্কাৰী কামেই নিসিজে। বুদ্ধিৰ প্ৰতি অপৰিমিত অশ্ৰদ্ধা আৰু ঘৃণা কুমতলবী, স্বাৰ্থপৰায়ণ নিম্নমধ্যবিত্তৰ চক্ৰান্তৰ লক্ষণ। সি শোষিত মানুহৰ মুক্তিৰ পথ নহয়।

(নক্সা, নবেম্বৰ ১৯৭০)

দুটা সম্পাদকীয় ঃ

॥ অসম সাহিত্য সভা ॥

স্বাধীন চিন্তাৰ অভাৱত আমাৰ সাহিত্য এতিয়াও শৈশৱ অৱস্থাতে আছে। যদি আমাৰ সাহিত্যিকদলে অসমীয়া সমাজৰ দুখ, অভাৱ, আৰু আশাৰ কথা নাট, উপন্যাস আদিত অবিকৃতভাবে অঙ্কিত কৰি দেখুৱাবলৈ সমৰ্থ হয়, যদি তেওঁলোকে আমাৰ গাৱঁলীয়া জীৱন, কৃষক জীৱন আৰু দৰিদ্ৰ জীৱনৰ চিত্ৰ ফটফটীয়াকৈ দেখুৱাব পাৰে, তেনেহ'লে স্বাধীন চিন্তা আৰু আত্মকেন্দ্ৰতাৰ বাট মুকলি হ'ব, সমাজ আৰু সাহিত্য উভয়ে উন্নতিৰ পথ ধৰিব..........নিম্নস্তৰৰ লোকক আমাৰ সুখ দুখৰ কথা কব লাগিব, তেওঁলোকৰো শুনিব লাগিব। তেওঁলোকৰ পৰা আঁতৰ হৈ আমি কোনোমতে উন্নতিৰ পথত আগুৱাব নোৱাৰো।"

: ১৯১৮ চনৰ 'অসম সাহিত্য সভা'ৰ বৰপেটা অধিবেশনত সভাপতি কালিৰাম মেধিৰ উক্তি :

১৯১৭ চনৰে পৰা—অৰ্থাৎ আধুনিক অসমীয়া জাতি আৰু ভাষা থিয়ডঙা দিবৰে পৰা—আজি অৰ্ধশতিকাৰো ওপৰ কাল অসম সাহিত্য সভা অসমীয়া ৰাইজৰ আদৰৰ অনুষ্ঠান হৈ আহিছে। অৱশ্যে ইতিমধ্যে তাৰ অৱস্থাৰ যথেষ্ট পৰিবৰ্তন হৈছে। টোকো না অৱস্থাৰ পৰা গৈ সি এক স্বচ্ছল নহলেও ব্যয়বহুল অনুষ্ঠানত পৰিণত হৈছে। অসমৰ চুকে-কোণে, পাহাৰে-ভৈয়ামে বৰ্তমান তাৰ শাখা সভা। তাৰ চৰিত্ৰৰো পৰিবৰ্তন ঘটিছে চকুত পৰাকৈ। ৰাইজে সেয়ে আজি ভাবিবৰ সময় হ'লঃ সাহিত্যসভাখনৰ পৰানো আমাৰ কি কাম হৈছে?

বাৰ্ষিক অধিবেশনৰ জাকৃজমকতে সাহিত্য সভাৰ অস্তিত্ব সীমবদ্ধ নহয়, যদিও ফুল ফুলিবৰ সময়তহে সোণাৰু গছ চকুত পৰাৰ দৰে অধিবেশনৰ আড়ম্বৰতহে বাইজে সাহিত্য সভাৰ অস্তিত্ব সাধাৰণতে অনুভৱ কৰে। কিন্তু ওবে বছৰ সাহিত্যসভাই আনুষ্ঠানিক ভাবে যি কাৰ্যক্ৰম হাতত লয়, বিষয়ববীয়াসকলে যি কাৰ্যক্ৰমক ৰূপ দিবলৈ খাটে, সিহে সাহিত্য সভাৰ প্ৰকৃত পৰিচয়।

সেই কাৰ্যক্ৰমত আজিকোপতি মধ্যবিত্ত নেতৃত্বৰ বিশেষ প্ৰভাৱ নুই কৰিব নোৱাৰি। তাহানিতে অসমৰ নতুন মধ্যবিত্ত শ্ৰেণীয়ে শদিয়াৰ পৰা ধুবুৰীলৈ যিবোৰ সাংস্কৃতিক লক্ষ্যত একমত হব পাৰিছিল সেইবোৰেই সাহিত্যসভাৰ কাৰ্যসূচীৰ মূলকথা। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা অক্ষুণ্ণ ৰখা, অসমৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত ঐক্য স্থাপন, অসমৰ বিভিন্ন অঞ্চলৰ মাজত এক জাতীয় সত্তাৰ বিকাশ সাধন— অসম সাহিত্য সভাৰ এইবোৰ আছিল প্ৰধান লক্ষ্য। ১৯৩০ আৰু ১৯৪০ চনত মুছলমান সাহিত্যিকে ইয়াৰ সন্মানিত সভাপতিৰ আসন শুৱাইছিল। ১৯১৭ চনৰ প্ৰথম অধিবেশনতে মোছলেহুদ্দিন আহমদে "অসমীয়া সাহিত্য আৰু মুছলমান" বোলা প্ৰবন্ধ এটা পাঠ কৰিছিল। প্ৰায় প্ৰতিজন সভাপতিৰ বক্তৃতাত আছিল অসমীয়া হিন্দুমুছলমানৰ সম্প্ৰীতি আৰু সীমামূৰলীয়া গোৱালপাৰা লৈ উদ্বেগ। এতিয়ালৈকে গোৱালপাৰা জিলাত পাঁচ বাৰ অধিৱেশন বহিছে, আৰু ১৯২৩ আৰু ১৯৩১ চনত দুজন গোৱালপাৰাৰ সাহিত্যিকক সভাপতি বৰণ কৰা হৈছে। সভাৰ পোন প্ৰথম শাখাসভা বিলাকৰ ভিতৰত গৌৰীপুৰৰ শাখাসভাখনো আছিল।

তাহানিৰ মধ্যবিত্ত নেতৃত্ব এতিয়াও সভাত প্ৰবল। কেৱল জানিবা মধ্যবিত্ত শ্ৰেণীৰ ভিত্তি স্বাধীনতাৰ পিছৰ পৰা বহলি যোৱাত তাহানিৰ দৰে ৰায়চাহাৰ আৰু চাহখেতিয়কৰ প্ৰতাপ আজিৰ সভাত নাই। কিন্তু বৰ্তমানৰ বিষয়ভোগী আৰু ব্যৱসায়ী মধ্যবিত্তয়ো জাতীয় স্বাৰ্থৰ কথা আগৰ দৰেই ব্যাখ্যা কৰি আছে। ৰাজ্য-ভাষা আন্দোলন,

ৰাজ্য পুনৰ্গঠনৰ প্ৰশ্ন, নেফাত আৰু চাহ বন্নুৱাৰ মাজত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰতিষ্ঠাত সভাই যি উত্তম দেখুৱাই আহিছে সি তাৰ প্ৰাচীন ঐতিহ্যৰে পৰিণাম।

এইবোৰ আন্দোলনে প্ৰমাণ কৰে যে ভাষা-সাহিত্যৰ প্ৰশ্নটো ৰাজনীতিৰ পৰা সম্পূৰ্ণ নিলগাই ৰাখিব নোৱাৰি। এনেবোৰ সংকল্পক পোনপতীয়াকৈ আক্ৰমণ নকৰিও আমি সুধিব পাৰোঁনে অসমীয়া মধ্যবিত্তৰ এনে প্ৰচেষ্টাৰ ফলাফল কি? উদাহৰণ স্বৰূপে নেফাত অসমীয়া ভাষা প্ৰৱৰ্তনৰ ৰেলিকা সাহিত্য সভাৰ অপৰিমিত উৎসাহ কোনেও লক্ষ্য নকৰাকৈ থকা নাই। কিন্তু সেই অনুপাতে নেফাবাসীৰ প্ৰতি অসমীয়া ৰাইজৰ মৰম আৰু শ্ৰদ্ধা জগাই তোলাত সাহিত্য সভাৰ উদাম কুহুমীয়া। নেফাবাসীৰ খবৰ আজিও অসমীয়া ৰাইজে ভালদৰে নেপায় আৰু নাৰাখে। নে'ফাৰ স্কুলবোৰত চাকৰি লবলৈ এদল আদৰ্শবাদী ডেকা শিক্ষক সভাই প্ৰস্তুত কৰিব নোৱাৰিলে। নে'ফাৰ অগ্ৰগতিত কোনো বৰঙণি নোযোগোৱাকৈ অসমীয়া ভাষা তাত জাপি দিবলৈ গ'লে সন্দেহ হোৱাটো স্বাভাৱিক যে নে'ফাত ওলাব পৰা চাকৰি আৰু সা সুবিধা কৰায়ত্ত কৰিবলৈকে এই ব্যৱস্থা পেছ কৰা হৈছে !!! সাহিত্য সভাৰ কোনো কোনো উদ্যোক্তাৰ মাজত নে'ফাৰ প্ৰীতি মৰম আন্তৰিক হব পাৰে, কিন্তু সাহিত্য সভাৰ নে'ফা নীতি হয়তো সন্দেহৰ অতীত নহয়। সেইদৰে চাহবন্নুৱাসকলক অসমীয়া সাঁচত ঢালিবলৈ যাওঁতে পাহৰা হয় যে সামাজিকভাৱে চাহবন্নুৱাসকলক অসমীয়া সমাজে এতিয়াও ভালদৰে গ্ৰহণ কৰা নাই। সহজ কথাত পৰিস্থিতি অনুযায়ী সাহিত্য সভাই সাংস্কৃতিক আন্দোলনৰ লগতে সমাজ সংস্কাৰৰ গুৰি ধৰিব লাগিব——তাকো আধাডুখৰীয়াকে কৰিলে নচলিব।

বৰ্ত্তমানৰ সন্ধিক্ষণতো সাহিত্যসভাৰ সমুখত কেতবোৰ নতুন সমস্যা আৰু দায়িত্বই দেখা দিছে। আমাৰ সাহিত্যৰ পাঠক আজিও এমুঠি—এই এমুঠি পাঠকে এটা সবল সাহিত্য গঢ়াত সহায় কৰিব

নোৱাৰে! অসমৰ বাহিৰতো সোনকালে অসমীয়া সাহিত্যৰ বহুল অধ্যয়ন হোৱাৰ আশা ক্ষীণ। এনেস্থলত অসমীয়া সাহিত্য বচাবলৈ হলে অসমীয়া মানুহৰ মাজত সাক্ষৰতা বেগাই বঢ়াব লাগিব। বয়স্কলোকৰ শিক্ষা আৰু জনশিক্ষাৰ আঁচনিত সাহিত্য সভাই সক্রিয় অংশগ্রহণ কৰিব লাগিব। সেইদৰে জনসাধাৰণৰ মনোৰঞ্জন আৰু শিক্ষাৰ বাবে সুলভ মূল্যত ৰাশি ৰাশি সৎ গ্রন্থ ছপাই ৰাইজৰ হাতৰ কাষচপাব লাগিব।

- গল্প উপন্যাসৰ বাহিৰে আমাৰ ভাষাত আন serious কিতাপ বেছি প্রকাশ হোৱা নাই! অথচ তেনে গ্রন্থ আৰু তাৰ প্রচাৰৰ অবিহনে চিন্তাৰ বাহন হিচাবে আমাৰ ভাষাও চালুকীয়া অৱস্থাতে আছে। সেয়ে বিজ্ঞান দর্শন আৰু নানা বিদ্যাৰ ওপৰত পূৰ্ঠ গ্রন্থ আৰু স্বীকৃত ৰচনাৰ অনুবাদ আৰু প্রচাৰ সাহিত্যসভাৰ অন্যতম মুখ্য দায়িত্ব।

বৰ্ত্তমান বিশ্বব্যাপি ব্যৱসায়ী সংস্কৃতিৰ প্রভাৱ অসমতো কাকতীফড়িং সোমোৱাদি সোমাইছে। ফলত সংস্কৃতি চর্চাৰ মান বহুদূৰ বিপন্ন হৈছে—সেইবিষয়ে যথাযোগ্য মনোযোগ আৰু অধ্যৱসায়ৰ অভাৱ। আজি বোধ হয় শতকৰা ৭৫ জন স্নাতকেই শুদ্ধ অসমীয়া লেখিব নেজানে—সাবলীল আৰু প্রকাশক্ষম অসমীয়াতো দূৰৰ কথা! সাহিত্য সভাই সেইফালেও কানসাৰ কৰিব লাগিব। সেইদৰে অধইচ মার্কিন সাংস্কৃতিক আমদানিৰ যি সকলে বিৰোধিতা কৰে, অথচ যাৰ দৃষ্টি অতীতৰ ফালে নহয়. ভবিষ্যতৰ কালে—তেনে লোক-সকলকো নেতৃত্ব দিব লাগিব অসমীয়াৰ নিজৰ অনুষ্ঠান সাহিত্য সভায়েই। সেইদৰে উমাই উমাই জ্বলা সাম্প্রদায়িক বিৰোধৰ জুই নুমাবলৈ সাহিত্য সভাই সুচিন্তিত কৰ্ম্মপন্থা হাতত লব লাগিব।

প্রশ্ন হ'ল, তাৰ বৰ্ত্তমান ৰূপত সাহিত্যসভাই এনে ভবিষ্যৎমুখী, সৃষ্টিশীল কর্মপন্থা হাতত লব পাৰিবনে?

॥ অসমত সাংবাদিকতা ॥

গণতান্ত্রিক সমাজত সংবাদপত্ৰৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি এষাৰ কথা প্ৰায়ে শুনা যায়। ভবা হয় যে গণতন্ত্ৰত চৰকাৰ যেহেতু ৰাইজৰ প্ৰতিনিধি, ৰাইজৰ সুখ দুঃখ, অভাব-অভিযোগৰ লগত চৰকাৰে বাতৰিকাকতৰ যোগেদিয়েই বহুদূৰ সম্পৰ্ক ৰাখিব পাৰে। বিৰোধী দল সমূহৰ বাবেও বাতৰিকাকতৰ প্ৰয়োজন একে কাৰণতে গুৰুত্বপূৰ্ণ। আনহাতে চৰকাৰ নিৰ্বাচনৰ পূৰ্বে প্ৰতিজন নাগৰিকে স্বাধীন, সংস্কাৰমুক্ত ভাবে সকলো কথা খৰচি মাৰি জানিবুজি সিদ্ধান্ত লব পাৰিব লাগে—তাৰ বাবে তথ্যপাতি সহজে পাব পৰা পৰিবেশৰ প্ৰয়োজন। বাতৰি কাকতেহে এনেদৰে তথ্যৰ যোগান ধৰিব পাৰে। তদুপৰি গণতন্ত্ৰত সকলো ধৰণৰ মতামত আৰু সমালোচনা প্ৰকাশৰ স্বাধীনতা আৰু সুবিধা থাকিব লাগিব। চৰকাৰ আৰু জাতীয় অনুষ্ঠান সমূহৰ কৰ্ম্মনীতি আৰু কামকাজ সমালোচনা কৰাৰ সুযোগ থাকিব লাগিব।

এয়া হল কিতাপৰ কথা। কাৰ্যক্ষেত্ৰত হৈছে কি ?

ভাৰতৰ বহুপ্ৰচাৰিত ইংৰাজী দৈনিক কেইখনে আৰু নিৰপেক্ষতাৰ মুখা পিন্ধি থকাৰ প্ৰয়োজন বোধ কৰা নাই। খোলাখুলিকৈ সিহঁতে

পুজিপতি শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰিছে, পুজিপতিৰ লাভ হ'ব পৰা নীতি প্ৰচাৰ কৰিছে। জনসাধাৰণে যেতিয়া বয়বস্তুৰ দামৰ হেঁচাত ত্ৰাহি ত্ৰাহি সুঁৱৰিছে, তেতিয়া সিহঁতে ভাৰতৰ জাতীয় শিল্পৰ দুৰৱস্থাৰ বাবে বিলাপ কৰি বয়বস্তুৰ দাম বঢ়াব লৈকো চৰকাৰৰ ওচৰত দাবী জনায়। আমেৰিকাৰ দৰে দেশতো পুজিপতি শ্ৰেণীয়ে যথেষ্ট কৰকাটল দিয়ে—অথচ ভাৰতৰ বাজেটত দেখা যায় দেশৰ দৰিদ্ৰ শ্ৰেণীৰ পৰাই সৰহভাগ কৰকাটলৰ ধন আহিছে। অথচ কৰৰ হেঁচাত উদ্যোগ ধ্বংশ হ'ল বুলি সিহঁতে বিনায়। সেইদৰেই সিহঁতে R. S. S.ৰ দৰে প্ৰতিক্ৰিয়াশীল, অন্ধ আৰু জনবিৰোধী লাঠিয়াল দলক সন্মান দেখুৱাব ধৰিছে—যেন গান্ধীৰ হত্যাকাৰী দলো এটা সাধাৰণ নিৰামিষ দলহে! সেইদৰেই সকলো ধৰণৰ জন আন্দোলনৰ বিৰুদ্ধে নানা ধৰণৰ বিভৎস আৰু নিৰ্লজ্জ অপপ্ৰচাৰত ইহঁতৰ দক্ষতা বিস্ময়কৰ। ৰবীন্দ্ৰ সৰোবৰ"ৰ নঘটা ঘটনাটো এই প্ৰসংগতে মনত পেলাব পাৰি। সেইদৰেই তিলকে তাল কৰি যত্ৰতত্ৰ আইন-শৃঙ্খলাৰ অৱমাননা আৱিষ্কাৰ কৰি সিহঁতে ৰাইজৰ ওপৰত পুলিচ মিলিটাৰিৰ ৰাজত্ব গঢ়ি তুলিবলৈ দেখ্ দেখ্ কৈ ষড়যন্ত্ৰ কৰিছে। যাতে অত্যাচাৰৰ বিৰুদ্ধে মাত মতাৰ সুযোগকণো ৰাইজৰ হাতত নাথাকে।

প্ৰকৃততে সামন্ততন্ত্ৰৰ পৰা মুক্তিৰ যুগত পুজিপতিৰ সংবাদপত্ৰই যি প্ৰগতিশীল ভূমিকা লব পাৰে, তাৰ একচ্ছত্ৰী ৰাজত্বৰ সময়ত সেই ভূমিকা তাৰ বাবে হৈ পৰে ভালুকৰ সাঙী। চিন্তাৰ স্বাধীনতা আৰু মুক্ত সমালোচনাৰ ঠাইত বিপুল জনসাধাৰণক ভুৱা দি বিপথে নিবলৈ সিহঁতে চেষ্টা কৰে। দৈত্যাকাৰ কলকাৰখানাৰ দৰে বহু প্ৰচাৰিত সংবাদপত্ৰও একচেটিয়া পুজিপতিৰ সম্পত্তি আৰু সিহঁতৰ প্ৰচ্ছন্ন মুখপত্ৰ। এনেস্থলত পুজিপতিৰ সংবাদপত্ৰৰ"সংবাদ" সংশয় আৰু সমালোচনাৰে বিচাৰ কৰি চোৱাৰ সময় আহিছে। সৌভাগ্যৰ কথা যে সিহঁতৰ ক্ষমতা প্ৰবল হলেও ক্ৰমাৎ ৰাইজৰ মুখপত্ৰ দুই এখন ওলাব ধৰিছে, আৰু সিহঁতৰ সাংবাদিকতাৰ ফাকিফুকাৰ জাল ফালি

ৰাইজক আচল ঘটনাৰ ওৰ জনাব ধৰিছে। ক্রমশঃ সিহঁতে উদ্ভাৱন কৰা প্রচাৰ আৰু জনমতগঠনৰ বাহন ব্যৱহাৰ কৰাত ৰাইজৰ দলবোৰো অভ্যস্ত হৈছে।

এই বিষয়ত অসমৰ অৱস্থা দুখলগা। অসমৰ স্থানীয় পুজিপতি বিলাক দুৰ্বল হোৱা বাবে আৰু স্থানীয় মধ্যবিত্ত শ্রেণী শিক্ষা-দীক্ষাত পিচপৰা হোৱা বাবে অসমত পুজিবাদী সাংবাদিকতাৰ ৰূপ আৰু জঘন্য।

অসমৰ সংবাদপত্রবোৰ গ্রাহকৰ সংখ্যা আৰু স্থানীয় শিল্প-ব্যৱসায়ৰ বিজ্ঞাপনৰ ওপৰত নির্ভৰ কৰি চলিব নোৱাৰে। আমাৰ মধ্যবিত্ত পাঠক সমাজৰ ৰাজনৈতিক জ্ঞান আৰু চেতনা দুৰ্বল। ক্ষোভ সত্বেও কংগ্রে'ছ চৰকাৰৰ প্রতি বহুতৰে মোহ ভঙা নাই। জড় আৰু নিশ্চেতন পদাৰ্থৰ দৰে এওঁলোকক চৰকাৰৰ নীতিয়ে টানি লৈ ফুৰাইছে। যি সকল মধ্যবিত্তই অভাৱৰ হেঁচাত সাৰ পাইছে, বাতৰিকাকত কিনি পঢ়াৰ সম্বল তেওঁলোকৰ বহুতৰে নাই। আৰু স্থানীয় ব্যৱসায়ী আৰু শিল্পপতি সকল নানা ধৰণৰ ঋণ, আৰ্থিক সাহায্য লাইচেন্স প্রভৃতিৰ বাবে চৰকাৰৰ ওচৰত সম্পূর্ণ সেও। চৰকাৰৰ হাতত থকা আৰ্থিক শক্তিও এওঁলোকতকৈ বেছি। চৰকাৰী বিজ্ঞাপন কেনেবাকৈ বন্ধ হব লাগিলে কি ভয়াবহ দুৰ্দ্দশা হয় সেই শিক্ষা দুখনমান বাতৰি কাকত পাইছে: এবাৰ সাপে খালে কেঁচুলৈকে ভয়।

ফলত আমাৰ সংবাদ পত্র সমূহ ৰাইজৰ মতামত আৰু অভাৱ অভিযোগৰ মুখপত্র হব নোৱাৰাটোৱেই স্বাভাৱিক। বৰং চৰকাৰ তথা বৃহৎ পুঁজিপতি আৰু জমিদাৰ চক্রৰ সমালোচনা নহয়—সেই চক্রৰ বাবে সমর্থন গঢ়ি তোলাই অসমৰ সংৱাদপত্র কেইখনৰ মূখ্য উদ্দেশ্য হবলৈ বাধ্য।

কিছুমান উদাহৰণ দিয়া যাওক। বিধান সভাৰ গলাবাজীৰ পৰা কাম বিশেষ নহয়—তথাপি চৰকাৰৰ কোনো নীতি বা কাৰ্যৰ চোকা আৰু যুক্তিপূর্ণ সমালোচনা বিধানসভাৰ মজিয়াত হয়। এনেকি

কেতিয়াবা কংগ্রে'ছী মানুহেই চৰকাৰৰ খেলখন উদঙাই দেখুৱায়। কিন্তু সেইবোৰৰ উমানকে আমাৰ সংবাদ পত্ৰই নিদিয়ে। বিধানসভাৰ সকলো আলোচনা আৰু সমালোচনাৰ বছা-বছা "নিৰামিষ" অংশহে বাইজক ভুককিয়াবলৈ তোলা হয়।

দ্বিতীয়তে খবৰ-পৰিবেশনত আমাৰ প্ৰায়কেইখন বাতৰিকাকতৰে শিথিলতা লক্ষ্য কৰিব লগীয়া। অমুক গাঁৱৰ ছোৱালী এজনী ৰাতাৰাতি অমুক ডেকাৰ লগত পলাল—অমুক ঠাইত ছয়ঠেঙীয়া গৰুপোৱালিৰ জন্ম হৈছে—এইবোৰ খবৰ হব পাৰে। কিন্তু বিৰোধী দলবোৰে কৰা মেল মিটিং, সেইবোৰৰ নানা বিবৃতি আৰু গোহাৰিত সযতনে ঢাকনি দি ৰখা হয়। তাৰ কাৰণ কি? কাৰণ জনসাধাৰণৰ ৰাজনৈতিক চেতনা, উচ্চস্তৰৰ হোৱাটো সংবাদপত্ৰ কেইখনে বাঞ্ছা নকৰে। উম্ভট' চাঞ্চল্যকৰ খবৰ মাথোন সৰবৰাহ কৰি জনসাধাৰণক শিশুৰ শাৰীত ৰখা হয়। কাৰণ ৰাইজ জাগি উঠিলে যে বিপদ।

তৃতীয়তে কোনো বিষয়তে তথ্যপাতি দি সহজ ভাষাত শিক্ষিত জনমত গঢ়ি তুলিবলৈ কাকত কেইখন ব্যগ্ৰ নহয়। এজন বঙালী মানুহে এখন কাকত পঢ়োতে আধাঘণ্টাৰ পৰা এঘণ্টা সময় লয়—আৰু এজন অসমীয়া মানুহে লয় পাচমিনিট। কাৰণ ঠিক-মতে বাতৰিকাকত পঢ়াৰ অভ্যাস ৰাইজক শিকাব খোজা হোৱা নাই। আমাৰ কাকত বোৰে অ'ৰ ত'ৰ টুকুৰা টুকুৰি খবৰ ঢেৰ পৰিবেশন কৰে—কিন্তু সেই-বোৰৰ মাজৰ সম্পৰ্ক কি তাক কেতিয়াও ফঁহিয়াই নেদেখুৱায়। বিভিন্ন খবৰৰ বিশ্লেষণ আমাৰ কাতকবোৰত কমেই হয়। আনকি সম্পাদকীয়বোৰো গুৰু-গম্ভীৰ ত্ৰিকালদৰ্শী মুনিৰ মন্তব্যৰ দৰে—সংবাদৰ বিশ্লেষণ, তথ্যৰ ভিত্তিত আলোচনা আৰু সুস্পষ্ট ৰাজনৈতিক দৃষ্টিভংগী তাত প্ৰায় অদৃশ্য। এনে ধৰণৰ বিশ্লেষণ আৰু সমীক্ষাৰ অভাৱত আমাৰ বাতৰিকাকতৰ পাঠকেও খবৰকাগজ পঢ়াৰ আচল শিক্ষা নাপায়।

আনহাতে বাতৰিৰ নামত চৰকাৰ বা শাসক শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা

কৰা নানা ৰকমৰ মত আৰু ধাৰণা প্ৰচলন কৰা হয়। চাকৰিৰ ক্ষেত্ৰত হয়তো কোনো কোনো ঠাইত অসমীয়া প্ৰাৰ্থীৰ ওপৰত প্ৰবঞ্চনা আৰু অবিচাৰ চলিছে—সেইবোৰ অভিযোগ স্পষ্টকৈ আৰু তথ্যপাতিৰে তুলি ধৰিব লাগে। কিন্তু নিবনুৱা সমস্যাৰ মূল কাৰণ যে বহিৰাগতৰ স্ৰোত নহয়, অন্ততঃ বিহাৰীলোক মাৰপিট কৰি যে আচল দোষীক দণ্ডিব নোৱাৰি, সেই কথা জানো আমাৰ কাকত কেইখনে প্ৰচাৰ কৰিছে? সাধাৰণ মানুহৰ মাজত মাৰপিট লগাই ওপৰ মহলত স্বৈৰাচাৰ বজাই ৰখাৰ কৌশলতো আৰু নতুন নহয়।

অলপতে "আৱাহনৰ" সম্পাদকীয়ৰ যোগেদি উত্তৰ কামৰূপৰ বাইজৰ মাজত ভয়াবহ আকাল আৰু অনাহাৰৰ ছবি তুলি ধৰা হৈছিল।* সেই ধৰণে বিভিন্ন অঞ্চলত জনসাধাৰণৰ বিভিন্ন অংশই অশেষ নিকাৰ ভুগি আছে। সেইবোৰৰ দীঘলীয়া, তথ্যবহুল বিৱৰণ দিব পৰা ষ্টাফ্ ৰিপৰ্টাৰ নাইনেকি? জনজাতীয় বাইজৰ অৱস্থাৰ কি উন্নতি হৈছে, গাঁৱৰ শিক্ষালয় আৰু চিকিৎসালয় বোৰৰ কি অৱস্থা, ধাৰ ঋণে গঞা বাইজক কিদৰে চেপা মাৰি ধৰিছে, scholarshipৰ টকাবোৰ কেনেকৈ ক'লৈ যায়—অলপ কষ্ট কৰি তেনেবোৰ বিষয়ে লেখা সাংবাদিক অসমত ওলোৱা নাই নেকি? এনে অকামিলা সাংবাদিকতাৰ কিবা প্ৰয়োজন আছে জানো?

কিন্তু চৰকাৰ আৰু ধনিক শ্ৰেণীৰ বহতীয়া বাতৰি কাকতে চেপাকুঁহিয়াৰৰ দৰে "তথ্য" পৰিবেশন কৰিবই। সমালোচনা মূলক চিঠি প্ৰকাশ বন্ধ কৰিবই। আমাৰ প্ৰয়োজনত নহা চাঞ্চল্যকৰ বেবেৰিবাং (নিউয়ৰ্কত স্কাৰ্ট কেই ইঞ্চি উঠিল বা নামিল তাৰ নিৰ্ভুল বৈজ্ঞানিক হিচাপ!) যোগাই থাকিবই।

কিন্তু বাইজ সতৰ্ক হবৰ হল। যিসকল সাংবাদিকৰ বিবেক আৰু বুদ্ধি এতিয়াও ধোঁৱাখুলীয়া হোৱা নাই, তেওঁলোক উদ্যোগী হবৰ হল। নহলে অসমৰ সাংবাদিকতা আমাৰ বাবে হবগৈ নতুন জাতৰ কানি বৰবিহ।

---

* সেই সম্পাদকীয় শ্ৰীযুত তাৰকচন্দ্ৰ গোস্বামীদেৱে লেখা।

॥ বুর্জোৱা দেশৰ প্ৰশংসাত ॥

বিলাতত ধনতন্ত্ৰই কেৱল শিল্পবিপ্লৱৰে সূচনা কৰা নাই, এটা সভ্যতাৰো জন্ম দি গ'ল। সেই সভ্যতাৰ কেতবোৰ দোষ ত্ৰুটি নোহোৱা নহয়ঃ শোষণৰ ওপৰত নিৰ্ভৰশীল বাবে সমাজৰ অধিকাংশ মানুহকে দেশৰ উৎপাদনক্ষমতা, সমৃদ্ধি আৰু উন্নতিৰ জোখাৰে ব্যক্তিত্ব গঢ়াৰ সুযোগ ই নিদিয়ে। কিন্তু সন্দেহ নাই, সেই সভ্যতাৰ কেতবোৰ কৃষ্টিগত লক্ষণ মানুহৰ দীঘলীয়া ইতিহাসৰ ভিতৰতে উল্লেখযোগ্য। সেইবোৰ আওকাণ কৰাটো প্ৰগতিশীল মনোবৃত্তিৰ লক্ষণ নহয়। যিদৰে Communist Manifesto ত মাৰ্ক্স আৰু এংগেলছে ধনতন্ত্ৰৰ যুক্তিবাদ, অভিযাত্ৰী মনোভাৱ আৰু উৎপাদন বিভূতি মুক্তকণ্ঠে প্ৰশংসা কৰিব পাৰিছে, সেইদৰে আজিৰ বামপন্থী নেতা বা বুদ্ধিজীৱী সকলেও উন্নত ধনতান্ত্ৰিক দেশবোৰৰ নানা কীৰ্ত্তি আৰু সম্পদ সমাদৰ কৰিব জানিব লাগিব। ইয়াত ধুতি বিধুতিৰ মনোবৃত্তি মাৰ্ক্সবাদী চিন্তাধাৰাৰ লক্ষণ নহয়, যুক্তিবিৰোধী ভকতীয়া কুসংস্কাৰৰহে লক্ষণ। পুঁজীবাদী জীৱনযাত্ৰা নানা তৰহৰ শোষণ দমনৰ ভিত্তিত প্ৰতিষ্ঠিত ঠিকেই, যিদৰে গ্ৰীক বিজ্ঞান, দৰ্শন আৰু কলা আছিল দাস প্ৰথাৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু সেই জীৱনযাত্ৰাৰ স্বতন্তৰীয়া মহত্ব বা মৰ্যাদা থকাটো অভাৱনীয় নহয়,

কোনো কোনো বিষয়ত বিলাতৰ সমাজৰ জীৱনযাত্ৰা ৰাশ্যা আৰু চীনতকৈও আগবঢ়া, যদিও ভবিষ্যৎ নিশ্চয় ৰাশ্যা আৰু চীনৰ সমাজব্যৱস্থাৰ প্ৰতিহে অনুকূল।

সভ্যতাৰ অৰ্থনৈতিক ভিত্তি সম্পৰ্কে মন্ত্ৰ মাতি ফুৰিলেই সকলো প্ৰশ্নৰ ওৰ নপৰে, এফালৰ পৰা চাবলৈ গ'লে ভাৰততো ধনতন্ত্ৰ আৰু ব্যাপক আনুষ্ঠানিক সাধাৰণতন্ত্ৰ প্ৰচলিত। কিন্তু ভাৰতত সাধাৰণ-তন্ত্ৰৰে পূৰ্ণ বিকাশ ঘটিছেনে ? বৰ্ত্তমান সমাজত লুকাই থকা বৰ্ণভেদৰ প্ৰকোপ সাধাৰণতন্ত্ৰৰ লক্ষণ নেকি ? ৰাজনৈতিক দলবোৰে নিৰ্ব্বাচনত জাতি, সম্প্ৰদায় প্ৰভৃতিৰ আচলত ধৰাটোৱে সাধাৰণতন্ত্ৰৰ কি চৰিত্ৰ সূচায় ? হিন্দুৰাজত্বৰ ডংকাবাদনে যেতিয়া এটা বুজন অংশৰ ডেকা মানুহক আকৃষ্ট কৰে তেতিয়া সাধাৰণতন্ত্ৰই ধৰ্ম্মনিৰপেক্ষ দৃষ্টি লব পাৰিবনে ? নিয়োগৰ ক্ষেত্ৰত গুণাগুণ বিচাৰ (merit, efficiency) যি দেশত বিৰল, তাত নিৰ্ব্বাচনী সাধাৰণতন্ত্ৰৰ চাউল কিমান দিন ?

কোৱা হয় যে "একনায়কত্ববাদী" দেশবোৰত চিন্তাৰ আৰু প্ৰকাশৰ স্বাধীনতা নাই। ভাৰতত সেইখিনি স্বাধীনতা কেনেকৈ বজাই আছে এটা উদহৰণ দিয়া যক : কেইবছৰমান আগতে প্ৰখ্যাত ঔপন্যাসিক শ্ৰীযুত পদ্মবৰকটকীৰ লগত তেখেতৰ এখন উপন্যাস সম্পৰ্কে মোৰ এটা বিতৰ্ক চলিছিল এখন সাপ্তাহিকৰ পাতত। বৰকটকীদেৱে উত্তৰ দিয়াৰ পিছত সময়মতে মোৰ প্ৰত্যুত্তৰো পঠোৱা হৈছিল। কিন্তু সাপ্তাহিকখনে সেই প্ৰত্যুত্তৰতো ছপা নকৰিকেই সাপ্তহিকখনলৈ পঠোৱা মোৰ ফালৰ পৰা যে এটা প্ৰত্যুত্তৰ গৈছিল, পাঠকসকলক তাকো জানিবলৈ নিদিলে। অৱশেষত অনুৰোধ কৰিলো সম্পাদক মহোদয়ে যেন ৰাজহুৱা ভাবে বিবৃতি দিয়ে যে বিতৰ্কটো বন্ধ কৰি দিয়া হৈছে। সেইটো কৰিবলৈ সাপ্তাহিকখন অনিচ্ছুক যেন দেখা গ'ল। ফলস্বৰূপে বাইজৰ চকুত মই অলপ অপদস্থ হলোঁ। কিন্তু তাৰ উপৰিও দুটা বেয়া কথা হ'ল (১) ৰাজহুৱা-ভাবে এটা বিতৰ্ক আৰম্ভ কৰি তাক ন্যায়সংগতভাৱে শেষ হবলৈ নিদি

সাংবাদিকতাৰ ক্ষেত্ৰত কাকতখনে কুশিক্ষা ললে আৰু দিলে; (২) বিতৰ্কৰ বিষয় সম্পৰ্কে সম্ভৱপৰ সকলো যুক্তিতৰ্কৰ আভাস পোৱাৰ পৰা ৰাইজ বঞ্চিত হ'ল। চিন্তাৰ স্বাধীনতা মানে এনেধৰণৰ খামখেয়ালি জানো? স্বাধীনতাৰ অন্তৰালত কেতবোৰ প্ৰমূল্যৰ প্ৰতি যি দায়িত্ববোধ থকা উচিত তাৰ লেশমানো এনে ঘটনাই প্ৰকাশ কৰেনে?

ব্যক্তিগত মতামত, প্ৰতিবাদ (dissent)ৰ প্ৰতি সম্মান নাথাকিলে, আলোচনাৰ সুফল সম্পৰ্কে ভৰসা নাথাকিলে চিন্তাৰ স্বাধীনতা ফাক্‌কাৰাজ হবলৈ বাধ্য। বিলাতৰ অন্যান্য ৰাজহুৱা অনুষ্ঠানৰ দৰে সংবাদপত্ৰয়ো কেতবোৰ নীতিনিয়ম নিষ্ঠাৰে পালন কৰে। Times, The Guardian প্ৰমুখ্যে কাকত বোৰৰ প্ৰত্যেকখনৰে অৱশ্যে বিশেষ নিজস্ব ৰাজনৈতিক আৰু সামাজিক আদৰ্শ আছে, তাৰ বাতৰি পৰিবেশন আৰু সম্পাদকীয় মন্তব্য সেই অনুযায়ী হয়। কিন্তু Timesৰ চিঠিপত্ৰৰ শিতানত অন্য তৰহৰ মতামত প্ৰচুৰ প্ৰকাশিত হয়, এনেকি দুই এজন এনে লেখক আৰু সাংবাদিকৰ ৰচনা নিয়মিত প্ৰকাশ হয় যিবিলাকৰ মতামত স্পষ্টকৈ বামপন্থী। কাকতৰ মতামত বা অনুসৃত নীতিৰ কঢ়া সমালোচনা কৰি আন কোনোবাই চিঠি লেখিলেও সততে প্ৰকাশ কৰা হয়। অসমৰ দুখনমান বহুপ্ৰচাৰিত সংবাদপত্ৰত কেইজনমান ব্যক্তি, কেইটামান চৰ্কাৰী বিভাগ, কেইটামান অনুষ্ঠান সম্পৰ্কে কোনো বিৰূপ মন্তব্য কাহানিও প্ৰকাশ নহয়। এনেকি চৰ্কাৰৰ নীতিৰ বিষয়ে সমালোচনাও হয় অতি দুৰ্ব্বল আৰু সংকুচিত ভাবে, অৱশ্যে তাৰ এটা কাৰণ হ'ল এয়ে যে চৰ্কাৰৰ ৰৰমূৰীয়া কেইজনবো সমালোচনাৰ প্ৰতি এনে অসহিষ্ণু মনোভাব যে নামমাত্ৰ সমালোচনা হ'লেই বিজ্ঞাপন আৰু অন্যান্য পৃষ্ঠপোষকতা বন্ধ কৰি কাকত কেইখনৰ ভাত মাৰিব পাৰে। কাকত কেইখনবো মূল আদৰ্শ আৰু নীতি সুস্পষ্ট নহয়, বন্ধুত্বৰ খাটিৰত বা শত্ৰুক শাস্তিবলৈ তেওঁলোকে

বহু দায়িত্বহীন কাম কৰিব পাৰে। অৱশেষত অসমৰ বাতৰি কাকত কেইখনৰ এটা স্বাধীনতাই থাকিব হবলা: সি হ'ল কুৎসাৰটনাৰ স্বাধীনতা। ফলস্বৰূপে বাইজৰ বৌদ্ধিক আৰু নৈতিক শিক্ষা কেনে স্তৰৰ হব, সেই বিষয়ে কল্পনা কৰিলে আশংকা হয়। এনে বাতাৱৰণত গণতন্ত্ৰ শীঘ্ৰে ফেছিবাদত পৰিণত নহবনে ?

বিলাতৰ অতি আঢ্যৱন্ত মানুহজনৰ পৰা দৰিদ্ৰতম শ্ৰমিকলৈ সকলোৱে সামাজিক জীৱনত fair play ত বিশ্বাস কৰে ধনতান্ত্ৰিক প্ৰতিযোগিতামূলক সমাজত এনে fair play সীমাবদ্ধ হবলৈ বাধ্য ! কিন্তু fair play যে নাই, তেনে ধাৰণা ভুল হব। বিভিন্ন ব্যক্তিৰ স্বকীয় মৰ্য্যাদাৰ প্ৰতি ইয়াৰ প্ৰতিজন মানুহেই বেছ সচেতন। প্ৰমূল্যৰ ফালৰ পৰা এনে কেতবোৰ বিশ্বাসেই গণতন্ত্ৰৰ চকৰি-বোৰত মামৰ লাগিব নিদিয়াকৈ ৰাখে। আমাৰ সমাজত এনে বিশ্বাসৰ ইমান অভাৱ যে ছলেবলে কৌশলেৰে আনৰমূৰত কঠাল ভঙাই আমাৰ ইয়াত প্ৰতিযোগিতাৰ অৰ্থ হৈ পৰিছে। এনেতৰহৰ প্ৰতিযোগিতাৰ মাজেৰে যি নেতা নিৰ্ব্বাচিত হব তেওঁলোকৰ দায়িত্ববোধ আৰু নৈতিক ব্যক্তিত্ব কেনেৱিধৰ হব আমি সেই শিক্ষা দিনৌ হাতে কামে পাই আহিছোঁ।

বৰ্ত্তমান বিলাততো এই ব্যবস্থাৰ অবক্ষয় দেখা দিছে। উদাহৰণ স্বৰূপে ক্ৰমশ: আৰ্থিক দুৰ্য্যোগ আৰু ফেছিবাদী প্ৰচাৰৰ পৰিণাম স্বৰূপে ভাৰতীয় সকলৰ বিৰুদ্ধে বিষোদগাৰ, অবিচাৰ বাঢ়ি আহিছে। মই কিন্তু নকৈ নোৱাৰোঁ যে তেওঁলোকৰ আৰ্থিক মান আৰু বিশেষ মনোবৃত্তিৰে ভাৰতীয় সকলে বহুদূৰ এই অপমান নিজে মাতি আনিছে। নিজৰ ঘৰৰ সকলো জঞ্জাল ৰাজহুৱা আলিবাটত পেলোৱা তেওঁলোকৰ অভ্যাস, মটৰ গাড়ী, ৰে'ফ্ৰিজৰেটৰ আৰু টেলিবিশ্যনৰ প্ৰতি তেওঁ-লোকৰ যেনে উগ্ৰ লোভ, বিলাতৰ জীৱনযাত্ৰা আৰু সামাজিক নিয়ম অনুকৰণ কৰিবলৈ বা বুজিবলৈ তেনে আগ্ৰহ নাই। ফলত বিলাতৰ নানা সামাজিক অনুষ্ঠানত এওঁলোকে অংশ গ্ৰহণ কৰিব নোৱাৰা

অৱস্থা। কোনোৱে কব যে ঔপনিবেশিক শোষণৰ যোগেদি ঘাইকৈ বিলাতত যি সমৃদ্ধিৰ সূচনা হ'ল তাৰ ভাগ লবলৈ ভাৰতীয় মানুহৰ পুৰা অধিকাৰ আছে। আমাৰ সমাজত বৰ্ত্তমান প্ৰকট স্বাৰ্থপৰতা আৰু দায়িত্বহীনতাহে এনে যুক্তিয়ে উদ্ঘাটন কৰিছে। কোৱা বাহুল্য বিলাতত থিতাপি লবলৈ যোৱা মানুহবিলাক ভাৰতৰ জনসংখ্যাৰ এমুঠি। তেওঁলোকৰ সমৃদ্ধি ভাৰতৰ সমৃদ্ধি নহয়। ঔপনিবেশিক শোষণৰ ক্ষতিপূৰণ সমগ্ৰ দেশতে আৰ্থিক সাহায্য (foreign aid) হিচাবে অহাই ভাল। ইয়াৰ উপৰিও বিলাতৰ অৰ্থনীতি আৰু সমাজত কোনো ৰৰঙণি যোগাৰ নোৱাৰা মানুহক তেওঁলোকে স্বাগতম জনায় কেনেকৈ? অৱশ্যে Enoch Powell বিলাতৰ সভ্যতাৰ কলংক। এওঁৰ গলাবাজীয়ে বোধহয় সকিয়ায় যে বিলাতৰ ঐতিহ্যও বৰ্ত্তমান পৰিৱৰ্ত্তনৰ পথত।

বিলাতৰ কল্যাণকামী ৰাষ্ট্ৰ (welfare state) সমাজবাদী ব্যৱস্থাৰ পৰা ভালেখিনি দূৰত। বহু বৈষম্যই, সুযোগ সৌভাগ্যৰ বহু তাৰতম্যই গণতন্ত্ৰৰ আদৰ্শ তাত সদায় ক্ষুণ্ণ কৰি আহিছে। কিন্তু প্ৰত্যেক ব্যক্তিকে পাৰ্য্যমানে প্ৰাপ্য সুযোগ আৰু উৎসাহ দিবলৈ এওঁলোকে আন্তৰিকতাৰে চেষ্টা কৰে। শ্ৰমিকৰ ঘৰত জন্মিলেই শিক্ষা সংস্কৃতিৰ ফালৰ পৰা কেতবোৰ অসুবিধা থাকে, তথাকথিত "জন্মগত" বহু দোষ ত্ৰুটি বা অনগ্ৰসৰতাৰ মূলতে এনে পৰিবেশ, সমাজবাদেহে যাক পৰিৱৰ্ত্তন কৰিব পাৰে। তথাপি শ্ৰমিকৰ ঘৰত ওপজা প্ৰতিভাবান সকলো মানুহকে ন্যায্য সুবিধা দিয়াত তেওঁলোক বহুদূৰ সফল হৈছে। বৰ্ত্তমান বিলাতৰ বহু উচ্চ পৰ্য্যায়ৰ লেখক, বৈজ্ঞানিক, শিল্পী হ'ল শ্ৰমিকবংশোদ্ভৱ।

চাৰি বছৰৰ মূৰত বিলাত এৰি ভাৰত যেতিয়া পালোহি তেতিয়াই মোৰ উপলব্ধি হৈছিল ভাৰতত জগৎখন যেন বৰ বেছি ঠেক। সদায়েই যেন ঠেলা হেঁচা লাগিয়েই আছে, ঠেলা হেচাৰ কোবত কোনো মানুহৰে আন মানুহলৈ চাবলৈ আহৰি নাই। ইয়াত বাটত কাৰোবাৰ

লগত খুন্দা লাগিলে আপুনি ক্ষমা প্ৰাৰ্থনা নকৰে। দোকানীৰ পৰা মধুৰ ব্যৱহাৰ আশা নকৰে, বেলে বাছে আন মানুহৰ সুবিধা অসুবিধালৈ কাণ নকৰে। চুবুৰিয়াৰ ঘৰত অসুখ হলে আপোনাৰ ঘৰত লাহে লাহে কথা নাপাতে। এনেবোৰ সৰুসুৰা কথাই জীৱনটো যিমান সহনীয় আৰু সুমধুৰ কৰে, তুলনা নকৰিলে বুজি নাপায়। তদুপৰি এনেবোৰ সৰু সুৰা কথাৰ পৰা বুজা যায় ডাঙৰ কথাবোৰতো অবিচাৰ আৰু দুৰ্নীতি তাত সীমিত।

কিছুমান কথা পাহৰিব নোৱাৰি। আপোনাৰ ঘৰখন দুখীয়া হব পাৰে, কিন্তু আপোনাৰ ওচৰতে মনোৰঞ্জন আৰু জ্ঞান আৰ্জ্জনৰ বাবে আপুৰুগীয়া কিতাপেৰে ভৰা লাইব্ৰেৰী, নানা ধৰণৰ বস্তু পৰিপাটিকৈ সজাই থোৱা, সহজ ভাষাত খৰচি মাৰি বুজাই দিয়া সংগ্ৰহালয়। আৰু আপোনাৰ মন চহৰৰ ধোঁৱা আৰু ধুলিৰে ঢাক খাই গলে তাক মুকলি কৰিবলৈ বিবিধ গছৰে ভৰা ফুলেৰে সজোৱা বিৰাট আৰু মনোৰম ৰাজৱা বাগিছা। পৌৰ সভাৰ কৰ্ম্মকৰ্ত্তা সকলেই এইবোৰ ব্যৱস্থা কৰিছিল, আজিও কৰি আছে। আৰু তাৰ কুফল চহৰৰ দুখীয়া নিচলায়ো বিনা পয়চাই উপভোগ কৰিছে।

চহৰী মানুহবিলাকে কেৱল সুখ সুবিধাৰ কথাই চব্বিশ ঘণ্টা ভাবি থকা নাই। আনহাতে ইয়াৰ সাধাৰণ মানুহৰো দায়িত্ব জ্ঞান যথেষ্ট। দেখা সাক্ষাৎ কৰিবলৈ হলে বান্ধি থোৱা সময়তকৈ কোনেও দেৰীকৈ নাহে, পাঁচ মিনিটতে বেংকত একাউণ্ট খুলিব পাৰি। কাম কৰিবলৈ কোনোবাই গাত ললে সাধাৰণতে কান পৰি নাথাকে। প্ৰত্যেকৰে জীৱন নিৰ্ব্বাহ হোৱাৰ উপৰিও সমাজৰ উমৈহতীয়া কোনো কাম পিচ পৰি নাথাকে। নিঃসন্দেহেই বুৰ্জ্জোৱা শ্ৰেণীৰ নেতৃত্ব তথা শিক্ষাৰ ফল।

ইংলেণ্ডৰ Civil Service কেনে সুদক্ষ আৰু ন্যায়বান বহুতে শুনিছে। অৱশ্যে আজিকালি হেনো তাৰ কাম সিমান খৰতকীয়া নহয়। তথাপিও ভাৰতৰ তুলনাত এই বিষয়াসকল যেনে দক্ষ আৰু

পৰিশ্ৰমী ঠিক তেনেকৈ তেওঁলোকৰ ৰাজহুৱা ভাব ভংগীৰ আঁৰত অনুভব কৰিব পাৰি তেওঁলোকেৰ মানবীয় সহৃদয়তা। তেওঁলোকেৰ ওচৰত গোচৰ দিবলৈ অহা, খবৰ সুধিবলৈ অহা বা সময় বিচাৰি অহা মানুহবিলাকক তেওঁলোকে মানুহ বুলি যেন বুজি পায়।

ইংৰাজ লিবাৰেলিজমে প্ৰত্যেক ব্যক্তিৰ মনুষ্যত্বৰ প্ৰতি সম্মান দেখুৱাব পাৰে। সেইবাবে অৱশ্যে এই সমাজৰ আৰ্থিক সংগতি আছে। কল্যাণকামী ৰাষ্ট্ৰ সমাজবাদ নহয়, লিবাৰেলিজমৰে প্ৰকাশ মাথোন। এই লিবাৰেলিজিম মানব ইতিহাসত স্থায়ী হব নোৱাৰে। কিন্তু ইয়াৰ সামাজিক সাংস্কৃতিক কীৰ্ত্তি সমূহ বিচাৰ আৰু পৰ্য্যালোচনা নকৰিলে সমাজবাদ হব কুকুৰিকণা।

বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত এই মনোবৃত্তি বেছ গা কৰি উঠিছে। সম্পত্তিৰ ন্যায়সংগত বিতৰণ আজিও সম্ভৱ নাই হোৱা। বিলাতৰ শ্ৰমিক শ্ৰেণীৰ মাত্ৰ এমুঠি সন্তানেহে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ সুযোগ পাইছে। শ্ৰেণীব্যৱস্থাৰ আমূল পৰিৱৰ্ত্তন অবিহনে এনে আৰু বহু বৈষম্য দূৰ নহব। কিন্তু তাৰ ভিতৰতে প্ৰগতিশীল মনোভাবৰ শিক্ষাবিদ সকলে যিকণ কাম কৰিছে, সি নিশ্চয় প্ৰংশসনীয়। বিলাতৰ প্ৰতিজন স্কুলীয়া ছাত্ৰ ছাত্ৰীয়ে শিক্ষকৰ সহানুভূতি আৰু মনোযোগ আকৰ্ষণ কৰিব পাৰিব লাগে বুলি শিক্ষাবিদসকলে বিশ্বাস কৰে। ভালদৰে ৰপ্ত নকৰাকৈ কৌতুহল বা আগ্ৰহ নোহোৱাকৈ ছাত্ৰ ছাত্ৰীয়ে কিছুমান কথা মুখস্থ কৰি যাওক ই তেওঁলোকৰ লক্ষ্য নহয়। তেওঁলোকৰ লক্ষ্য প্ৰত্যেক ছাত্ৰ ছাত্ৰীৰ পৰ্য্যবেক্ষণ শক্তি, অনুসন্ধিৎসা আৰু বোধশক্তি জাগ্ৰত কৰা, যাতে নিজে নিজেই সকলোৱে আজীৱন শিক্ষালাভ কৰি যাব পাৰে। দ্বিতীয়তে জোৰ দিয়া হয় এক সমালোচনামূলক দৃষ্টিভংগীৰ ওপৰত। যাতে দেখা শুনা পঢ়া সকলো কথাকেই নিৰ্ব্বিবাদে গ্ৰহণ নকৰি বিচাৰৰ ভিত্তিতে তাক গ্ৰহণ কৰে। ছাত্ৰছাত্ৰী প্ৰত্যেকৰে গাইগুটীয়া ব্যক্তিত্বৰ ওপৰত ইমান গুৰুত্ব দিয়া হৈছে যে Risinghill নামৰ এখন স্কুলৰ এগৰাকী

শিক্ষয়িত্ৰীয়ে এই কাৰণে পদত্যাগ কৰিছিল যে বনুৱা শ্ৰেণীৰ পৰিয়ালৰ পৰা অহা লৰাছোৱালীক তথাকথিত মাৰ্জিত বা ভদ্ৰ কথাবতৰাৰ শিকলি পিন্ধাই মধ্যবিত্ত ব্যাক্তিত্বৰ মুখা পিন্ধোৱত তেওঁ সহযোগিতা নকৰে। অৱশ্যে এনে উগ্ৰ ব্যক্তিস্বাতন্ত্ৰ্যবাদৰ পৰিণতি স্ববিৰোধপূৰ্ণ। সামাজিক শিক্ষাত অলপ বাধ্যবাধকতা থাকিবই।

অসম তথা ভাৰতত দেখিছোঁ বৰ্ষীয়ান সকলৰ ক্ষমতা সাংঘাতিক। কেনেবাকৈ একোজন বয়োজ্যেষ্ঠ ক্ষমতাবান লোকৰ কোপদৃষ্টিত পৰিলে আপোনাৰ ভবিষ্যত ৰাহুগ্ৰস্ত হব। কিন্তু বিলাতত authorityৰ লেকাম কেতিয়াও শিকলিত পৰিণত হবলৈ দিয়া নহয়। কেম্ব্ৰিজত থাকোঁতে এজন গণ্যমান্য ব্যক্তিৰ লগত মোৰ কাজিয়া লাগিছিল। সেইজন ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাবান মানুহেও যিমানদূৰ ন্যায়সংগত বুলি ভাবিছিল সিমানদূৰ মোৰ অধিকাৰ আৰু স্বাতন্ত্ৰ্য সমৰ্থন কৰিছিল খোলাখুলিকৈ। মোৰ লগত কাজিয়া লগা মানুহজনেও বুজিছিল যে তেওঁ মোৰ বিৰুদ্ধে বহুদূৰ যাব নোৱাৰিব। অৱশ্যে বিলাততো বেছি ভাগ মানুহৰে আচাৰ ব্যৱহাৰৰ মূলনীতি legality হে, morality নহয়। কিন্তু দায়িত্ববান আৰু উচ্চ পদস্থ মানুহখিনিৰ মাজত নীতিবোধ আৰু ন্যায়নিষ্ঠাৰ প্ৰতি আনুগত্য আছে। ভৰতত কিন্তু ক্ষমতাবানৰ দম্ভ আৰু বৰ্ব্বৰতা বিশ্ববিশ্ৰুত Oriental despotism ৰে আধুনিক সতি সন্ততি মাত্ৰ।

সামাজিক জীৱনত নীতিবোধ আৰু শৃঙ্খলাৰ যি অভাৱ পৰিলক্ষিত হয় সি আমাৰ জীৱনযাত্ৰাৰ কেউফালে নাগপাশ বিস্তাৰি আছে। মধ্যবিত্ত সভ্যতাই আমাৰ দেশত কেৱল আৰ্থিক উন্নতিৰ ওপৰতে কামোৰ মাৰি পৰি আছে। (তাতো তেওঁলোক বিশেষ সফল হব পৰা নাই) ব্যাপক ভাবে মানবীয় উন্নতিৰ নানা মান (Standards of excellence) প্ৰকাশ আৰু প্ৰচাৰ কৰিব পৰা নাই। এখন ভাল কিতাপ ওলালে তাৰ মোল বুজা মানুহৰ সংখ্যা তাকৰ—চৰকাৰী বটা নোপোৱালৈকে আমাৰ সাহিত্যিকৰ মন্দ দশা।

সেইদৰে বিদ্যাচৰ্চ্চা সুকুমাৰ কলা বিজ্ঞানসাধনাত পাৰদৰ্শিতা আৰু উচ্চ মানৱ কৃতিত্ব বহুলভাবে স্বীকৃত হব পৰা অৱস্থা আমাৰ মাজত নাই। হয়তো আমাৰ বহুৱা চৰকাৰ আৰু ফটুৱা সমাজপতিসকলে আৰু সেইধৰণৰ সভ্যতা প্ৰতিষ্ঠা কৰিব নোৱাৰিব। কিন্তু বামপন্থী-সকলে ও চিঞৰবাখৰ নকৰি লিবৰেল (অথবা Social-democratic) ইংলেণ্ডৰ অস্থায়ী কীৰ্ত্তিখিনিও ঠাণ্ডা মগজুৰে বিচাৰ কৰাত বাধা কি? বিলাতৰ অগ্ৰগণ্য বুৰ্জ্জোৱা সংবাদপত্ৰ Timesৰ তথ্যবহুলতা আৰু অধ্যৱসায়ৰ প্ৰশংসা কৰা বহু মানুহৰ ভিতৰত এজন আছিল স্বয়ং লে'নিন।

: (আন্তৰিক)

॥ বোম্বে' চিনেমা—মুৰ্দ্দাবাদ ॥

অসমৰ বাহিৰৰ পৰা যি সকল লোক আহিছে তেওঁলোকে ব্রিটিছ শাসনৰ আদিৰে পৰাই প্ৰায় অসমৰ থলুৱা জাতিৰ মিহলি হব পৰা নাই। ইতিপূৰ্বে মই উন্নুকিয়াইছো যে তাৰ এটা প্ৰধান কাৰণ হ'ল এয়ে যে নতুন লোকসকল অসমলৈ উন্নততৰ জীৱন যাত্ৰা আৰু অৰ্থনীতিৰ অগ্ৰদূত হৈ আহিছে—গতিকে থলুৱা জীৱনযাত্ৰাৰ ঐতিহ্য গ্ৰহণ কৰিবলৈ তেওঁলোকৰ বিশেষ ধাউতি নাই। আৰু এটা কাৰণ বৰ্ত্তমানে আৰু মৌলিক বুলি ভাবো। সাম্ৰাজ্যবাদী কৰ্তৃত্বৰ বাবে অসমৰ অৰ্থনীতি আৰু শাসনৰ ভাৰ অসমৰ থলুৱা মানুহৰ হাতত নাছিল। চাহবাগান, তেল প্ৰভৃতিৰ বিপুল প্ৰসাৰ আৰু উন্নয়ন অসমীয়া মানুহৰ নেতৃত্বত হোৱা নাছিল। অসমৰ পিছপৰা অৰ্থনীতিত professional শ্ৰেণীবোৰ বাঢ়ি অহাৰ পথতো বহুত বাধা আছিল। তাতে নতুন সাম্ৰাজ্যবাদী ৰাষ্ট্ৰীয় সংহতিৰ ছত্ৰছাঁয়াত অসমীয়া ভাষা সাহিত্যৰ ওপৰতো আক্ৰমণ চলিছিল। সেয়ে আধুনিক অসমীয়া জাতীয় সংস্কৃতি বহুক্ষেত্ৰত আত্মৰক্ষামূলক, প্ৰেৰণাহীন আৰু অনুকৰণ প্ৰিয়।

ভাৰতীয় পুঁজিবাদৰ শেহতীয়া কালচোৱাত অসমীয়া থলুৱা সংস্কৃতিৰ ওপৰত আৰু এক শ্ৰেণীৰ আক্ৰমণ চলিছে। সি হ'ল বম্বে'

মাৰ্কা চিনে'মাৰ যোগেদি এক ভ্ৰষ্ট ছিন্নমূল সংস্কৃতি—আধাখেচৰা আৰু উপকৰা। ই সম্পূৰ্ণ বজকৰা। বজাৰত ওলোৱা বং-বেৰঙৰ নতুন বেহানি কিনাই যেন মানুহৰ জীৱনৰ চূড়ান্ত লক্ষ্য—হিন্দী চিনে'মাৰ এয়ে Message। আমাৰ জীৱনৰ সমস্যাবোৰ বুজাত বা সমাধান কৰাত হিন্দী চিনেমাৰ পৰা কোনো সহায় পোৱা নাযায়। বৰং সেইবোৰৰ পৰা মনটো আঁতৰাই ৰখাই যেন হিন্দী চিনে'মাৰ উদ্দেশ্য।

এনে এটা সমস্যাৰ কথা অসমীয়া কাকতে পত্ৰে বৰকৈ লেখা হৈছে আজিকালি—প্ৰেম আৰু বিবাহৰ সমস্যা। সেই বিষয়ে হিন্দী চিনেমাই বা কি কয়? অনিচ্ছুক, গোৰ্হাৰ মাক-বাপেকৰ বাহিৰে প্ৰেমৰ পথত আন বাধা নাই। যি অবিশ্বাস্য দগাবাজে (villain) সাময়িক বিৰহৰ আমদানি কৰে, তাৰো মৰণ সুনিশ্চিত। প্ৰেমৰ পৰিপূৰ্ণতাৰ বাবে নাৰীৰ যি স্বাধীনতাৰ প্ৰয়োজন আমাৰ দেশত তাৰ অভাৱৰ কথা হিন্দী চিনে'মাই কাকো সোঁৱৰাই নিদিয়ে। আৰ্থিক নিৰাপত্তাৰ আৰু সামাজিক সাম্যৰ অভাৱত যে প্ৰেমৰ অপঘাত মৃত্যু আমাৰ চাৰিওফালে সদায় ঘটিব লাগিছে, হিন্দী চিনে'মাই নকয়। তদুপৰি যি প্ৰেমৰ পৰিণতি ঘটে এগৰাকী শিক্ষিতা ছোৱালী কামবন নকৰাকৈ ঘৰৰ বন্দিনী হোৱাত—অৰ্থাৎ যি প্ৰেমে ছোৱালীক প্ৰকাৰান্তৰে বন্দিতাত পৰিণত কৰে, সেই প্ৰেমৰ মূল্য সম্পৰ্কেও হিন্দী চিনে'মাৰ কবলগীয়া একো নাই। তেনেস্থলত "নগ্নতা আৰু চুম্বন" ৰূপালি পৰ্দাত দেখুৱাব নোৱাৰাকে প্ৰেমৰ আটাইতকৈ ডাঙৰ বাধা বুলি ভবা হিন্দী চিনে'মাৰ মালিক আৰু গোলাম বিলাকৰ শিক্ষাৰ মান, সংস্কৃতিৰ মান কি হব পাৰে, ভাবক। তেনে চিনে'মাই আমাৰ সমস্যাবোৰ সমাধান কৰাততো সহায় নকৰেই, বৰং তেনে সমস্যা স্পষ্টকৈ বুজাৰ বাটতো হেঙাৰ ধৰে।

অথচ হিন্দী চিনে'মাৰ বানপানী ৰোধ কৰাৰ কোনো উপায় নাই। কোটি কোটি টকাৰ মূলধন বম্বে'ৰ কথাছবি শিল্পত গোট

খাইছেগৈ আৰু অসমৰ দূৰৰ গাওঁ-ভূঁইৰ মাজতো দৌল দেৱালয়ৰ দৰে গঢ়ি উঠিছে চিনেমা হল। বহু শতিকা অলৰ হৈ থকাৰ পিছত আমাৰ সমাজত পৰিবৰ্তন আহিছে—টকা-পইছা আহিছে (যদিও এমুঠি মানুহৰ হাতলৈহে)—লাহ বিলাকৰ সুযোগ আহিছে। সেই নতুন গতিশীলতা, নতুন সুযোগ জনসাধাৰণৰ জীৱন উন্নত, সংস্কৃত কৰাত ব্যৱহাৰ হোৱা নাই। বৰং চিনে'মাৰ যোগেদি তাৰ ব্যৱহাৰ কৰা হৈছে। জনসাধাৰণক অধঃপতিত কৰিবৰ বাবে, পুঁজিবাদী শিল্পৰ উৎপাদনৰ পিছত মতলীয়া কৰি তেওঁলোকক দৌৰাবলৈ। জনসাধাৰণ চিনে'মাৰ যোগেদি হৈ পৰিছে বিৰাট এদল গ্ৰাহক—তেওঁলোকৰ সংগ্ৰাম আৰু সৃষ্টিৰ ক্ষমতাক চিনে'মাই জাগ্ৰত নকৰে। হিন্দী চিনে'মা পুঁজিবাদী শোষণৰ অস্ত্ৰ মাত্ৰ।

আমাৰ যিসকল বুদ্ধিজীৱী আৰু যিবোৰ আলোচনী হিন্দী চিনে'মাৰ খবৰ লোৱা আৰু বিলোৱাত পাকৈত, সেই সকলো পুঁজিবাদৰ দালাল মাত্ৰ।

এই ব্যাধিৰ পৰা উদ্ধাৰৰ উপায় কি? এক নতুন সজীৱ সাংস্কৃতিক আন্দোলন। কিন্তু এই আন্দোলন আলাসতে কৰিব পৰা নেযায়। সমাজৰ দ্বন্দ্বৰ মাজেৰে যিবোৰ নতুন সৃষ্টিশীল সম্ভাৱনা আৰু শক্তিৰ উদয় হৈছে সেইবিলাকক আশ্ৰয় কৰিহে এনে নতুন সাংস্কৃতিক আন্দোলন স্থায়ী আৰু সফল হব পাৰিব। কেৱল অনুকৰণেৰে নহয়।

কৃষক আন্দোলন, বনুৱাৰ সংগ্ৰাম, বিপৰ্যস্ত আৰু বিবেকবান মধ্যবিত্তৰ হাবিয়াস আৰু হুমুনিয়াহ—তাকে লৈ গঢ়ি উঠিব লাগিব নতুন সাংস্কৃতিক আন্দোলন। বেচেৰা গান্ধীৰ ছবি সহজে পুৰিব পাৰি। হিন্দী চিনে'মাৰ নায়ক নায়িকাৰ ছবি ফলা আৰু পোৰা, সেইবোৰৰ ভাবমূৰ্ত্তি বিনাশ কৰা হ'ল দুঃসাধ্য অথচ জৰুৰী প্ৰয়োজন। কিন্তু তাৰ আগতে নতুন জীৱনৰ উদ্দীপনাৰ, সংগ্ৰামৰ, আত্মত্যাগৰ আদৰ্শেৰে আমাৰ চকুৰ আগত ফুটি উঠিব লাগিব কৃষক, মজদুৰ

মধ্যবিত্ত তৰুণৰ মূৰ্ত্তি। অৰ্থাৎ নতুন সাংস্কৃতিক আন্দোলন নতুন সামাজিক সংগ্ৰামৰ পৰা দূৰৈত আৰম্ভ কৰিব নোৱাৰি! আৰু সি হব লাগিব অসমৰ সমাজৰ বুকুত।

সমাজৰ বুকুত বিদ্ৰোহী চেতনাৰ কঁপনি ক'ত উঠিছে তাক সদায় পাৰ্টিয়ে কব নোৱাৰে। পাৰ্টিয়ে কয়, পাশ্চাত্যৰ নতুন pop আৰু folk music সাম্ৰাজ্যবাদৰ ক্ষয়ৰ চিন। পাৰ্টিয়ে নাজানে যে উচ্ছৃঙ্খল তৰুণৰ মাজতো প্ৰাচীন সমাজৰ নানা ফাকিফুকা, সামাজিক অবিচাৰ, ভণ্ডামিআৰু অমানুষিকতাৰ বিৰুদ্ধে প্ৰতিবাদ উচ্চাৰিত হৈছে folk musicৰ মাজেৰে; folk musicৰ মাজেদি তৰুণে ঘোষণা কৰিছে সাম্ৰাজ্যবাদী যুদ্ধলিপ্সাৰ বিৰুদ্ধে সংগ্ৰাম, পুঁজিবাদৰ প্ৰতি বিতৃষ্ণা।

কিন্তু অসমত folk music কেনে ধৰণৰ হব? পুঁজিবাদী ধৰণ-কৰণৰ পৰা পলাবলৈ গৈ যদি তাৰ musicianএ গিটাৰ বজায়, পুৰণি সুৰ বিচাৰি দেশ চলাথ কৰে তেন্তে অসমীয়া folk musicianএ দোতাৰা বা টোকাৰি লব লাগিব, লব লাগিব বিহু, বনগীত, লোক-গীতৰ সুৰ—তাত দিব লাগিব নতুন জীৱনৰ তেজ; কেৱল চুলি দীঘল ৰাখিলেই কাম নিসিজে।

বেজবৰুৱা—জ্যোতিপ্ৰসাদ—বিষ্ণু ৰাভাৰ ঐতিহ্য পুনৰ শ্ৰদ্ধাৰে আঁকোৱালি লব লাগিব। কিন্তু তেওঁলোকৰ ভাষা য'ত ভাববাদী, অথবা ভাবপ্ৰৱণ, অথবা বিমূৰ্ত্ত, তাৰ ঠাইত প্ৰাণৱন্ত বাস্তৱমুখী, সমসাময়িক ভাষা গীতে-নাটে চলাব লাগিব। চাব লাগিব ওজাপালি, ভাওনা, গোৱালপাৰাৰ লোকনাট্যক নতুন সাঁচত ঢালিব পৰা যায় নেকি। বৰ্জন কৰিব লাগিব মধ্যবিত্ত লাজ সংকোচ—যি আমাক নতুন সৃষ্টিৰ পৰিশ্ৰমৰ পৰা আঁতৰাই ৰাখে। ভূপেন হাজৰিকাৰ যিবোৰ গানত জনসাধাৰণৰ দুখকষ্টৰ কথা, আশা আকাঙ্ক্ষাৰ কথা সুৰ লৈ ফুটি উঠিছে সেইবোৰ চলাব লাগিব। তাৰ পৰা শিকিব লাগিব। যিবোৰ গানত তেওঁৰ আত্মকেন্দ্ৰিকতা আৰু আত্মপ্ৰচাৰ ধ্বনিত হৈছে সেইবোৰ বাদ দিব লাগিব।

আধুনিক গানৰ নাকি "ন্যাকামো" আৰু ভাববিলাস এৰি প্ৰকৃত অনুভূতিৰ বেদনা আৰু শিহৰণ গানলৈ আনিব লাগিব। ভায়োলিনৰ পেন্‌পেননিৰে বঙ্গমঞ্চত দুখানুভূতি সৃষ্টি নকৰি দেখুৱাব লাগিব মানুহৰ সঁচা সুখ দুখ—কান্দিকাটি যাৰ পাৰ পাব নোৱাৰি। আৰু আমাৰ নামৰ যি সমবেত শক্তি আৰ অন্তৰস্পৰ্শী তাল, জনসাধাৰণৰ নতুন সংস্কৃতি প্ৰচাৰত তাক এক প্ৰধান মাধ্যম কৰি তুলিব লাগিব। অসমীয়াৰ নাই কি? ফৰফৰাই ইংৰাজী মাতিব পৰা ডেকালৰা হয়তো কম। কিন্তু মিছা লাজ ভুৱা সম্ভ্ৰম ভাঙিলে দেখা যাব তাৰ বহুত কেইজনেই নাম গোৱাত ওস্তাদ। আৰু ইংৰাজী কব পৰাতকৈ তাৰ দাম কম নহয়—হয়তো বেছি।

॥ সাহিত্য আৰু ৰাজনীতি ॥

অলপতে 'সাপ্তাহিক নীলাচল'ৰ পাতত নতুন পুৰুষৰ প্ৰতিনিধি বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে তেওঁলোকৰ মতামত প্ৰকাশ কৰিছিল মুকলিমূৰীয়াভাৱে। প্ৰায় আটাইকেউজনে মন্তব্য কৰিলে যে দলীয় ৰাজনীতিত তেওঁলোকৰ আস্থা নাই। তাৰে দুই এজনে হয়তো ভবিষ্যতে নিৰ্দলীয় ৰাজনীতিত তেওঁলোকৰ আস্থাৰ প্ৰমাণ দিব independent M. L. A. বা M. P. হৈ। কিন্তু বাকী সকলোৰে মন্তব্যত আন্তৰিকতা আছিল। প্ৰশ্ন হ'ল ৰাজনীতি বৰ্তমান অৱস্থাত দলীয় নহৈ কেনেকুৱা হ'ব পাৰে? ব্যক্তিগত প্ৰচেষ্টাৰে ৰাজনীতিত বিশেষ প্ৰভাৱ বিস্তাৰ কৰাটো অসম্ভৱ। সংগঠন, আন্দোলন আৰু জনমত দল (party) নোহোৱাকৈ জানো সম্ভৱপৰ?

এনে মনোবৃত্তিৰ কাৰণ কি? প্ৰথমতে, সন্দেহ নাই, তথাকথিত সংসদী ৰাজনীতিৰ কাণ্ড-কাৰখানাই মানুহক আমুৱাইছে। সংসদী পদ্ধতিৰে গাদী অৰ্জন কৰাৰ পিচত ভাৰতত অনুন্নত পুঁজিবাদ আৰু আমোলাতন্ত্ৰৰ নানান ফাঁকেৰে দেশৰ উপাৰ্জনেৰে ব্যক্তিগত ধনৰ মোনা ভৰোৱাটো বহু ৰাজনীতিজ্ঞৰ জীৱনত জ্বলজ্বল্ পট্‌পট্। তাৰ বাহিৰে যেন তথাকথিত সংসদী পৰিস্থিতিত আন একোকে কৰা সম্ভৱ নহয়। ভাৰতত যি বস্তুটোৰ বৰ্তমান জৰুৰী প্ৰয়োজন—আশু, দ্ৰুত আৰু পৰিকল্পিত পৰিৱৰ্তন—সংসদী পদ্ধতিৰে সেইটো হৈ উঠাটো সম্ভৱ নহয় বুলি প্ৰমাণ হৈ গৈছে?

দ্বিতীয়তে গণভিত্তি নথকা বাবে কংগ্ৰেছৰ সক বিকল্প দলৰ মাজত ৰাজনীতি অধঃপতিত হৈছে। বামপন্থী ৰাজনৈতিক দলৰ নেতাসমূহৰ মাজতো সেই কুৎসা ৰটনা, অতি সৰু সৰু কথা লৈ দলাদলি প্ৰভৃতি সৌ সিদিনালৈ ইমান ব্যাপক যে মতাদৰ্শ আৰু নীতিৰ বিৰোধ আৰু পাৰ্থক্য প্ৰায়ে ঢাক খাই গৈছিল, আৰু গাঁৱলীয়া মেলৰ মেলুৱৈৰ বিৰক্তিকৰ ফেৰিয়াফেৰিত পৰিণত হৈছিল। স্বাভাৱিকতে এই 'কৰ্ম-পদ্ধতি' আৰু মনোবৃত্তিয়ে আদৰ্শবান যুৱকক আকৃষ্ট কৰিব নোৱাৰে।

কথাৰ ৰাজনীতি বেছি হোৱা বাবে কামৰ ৰাজনীতি তেনেকৈ আৰম্ভই হোৱা নাই। গতিকে লম্বাচৌড়া কথাৰ নিচানে সাধাৰণ মানুহক আৰু ভোল নিয়াব নোৱাৰে। যেতিয়ালৈকে নেতৃত্ব আৰু ৰাজছৱা খ্যাতিৰ মোহ নেযায়, যেতিয়ালৈকে ৰাজনৈতিক আদৰ্শৰ দাবীত বিনাদ্বিধাই মানুহে প্ৰাণ দিবলৈ ৰাজী নহয়, তেতিয়ালৈকে ভাৰত তথা অসমৰ ৰাজনীতিত একো নঘটে।

তাৰবাবে প্ৰয়োজন হব গণসংগঠন আৰু গণভিত্তিৰ—তাৰবাবে প্ৰয়োজন হব ৰাজনৈতিক আদৰ্শ আৰু আন্দোলন পদ্ধতিৰ প্ৰচাৰ আৰু তীব্ৰতাৰ। সহজ কাম নহয়। অচিৰে ফল পোৱাৰ আশাও হয়তো ভুল।

কিন্তু সেইবোৰ কাম কেনেকৈ আৰম্ভ হ'ব? কোনে কৰিব?

আমাৰ যুৱকসকলে, তৰুণ ছাত্ৰসকলে লাজ পোৱা উচিত যে তেওঁলোকে তাৰ উত্তৰ এৰাই গৈছে। গাঁৱে-ভূঞে সাধাৰণ ৰাইজেও কয়, "অমুক গাঁওবুঢ়াই কৰক, তমুক মৌজাদাৰ, তমুক মাষ্টৰে কৰক।" ফলত এতিয়া গাঁৱে-ভূঞে, সত্ৰই-নামঘৰে, পঞ্চায়ত-কৃষক সভাত এমুঠি প্ৰবীণ দগাবাজৰ স্বেচ্ছাচাৰিতা চলিছে। আৰু আমাৰ তৰুণ-সকলেও একেধৰণে বয়োবৃদ্ধসকলৰ ওপৰত বৰ বেছি ভৰসা কৰা কাৰণে দায়িত্ব ল'বলৈ সাহস কৰা নাই। ৰাজনৈতিক জীৱন অন্তঃসাৰশূন্য হৈ পৰিছে।

আমাৰ তৰুণ ছাত্ৰসকলৰ চৰিত্ৰৰ দৃঢ়তা বা কৰ্মক্ষেত্ৰত ক্ষিপ্ৰতা আৰু উৎসাহ দুয়োটাৰে অভাৱ দেখিলে বেয়া লাগে। বয়সীয়াল লোকৰ শাসন আৰু শৃঙ্খলা তেওঁলোকে নামানে। কিন্তু কামৰ বেলিকা নিলাজৰ দৰে সেই বয়সীয়াল মানুহ কেইজনৰে পিছত থিয় হয়গৈ। নিজে আগবাঢ়ি আহি দায়িত্ব লোৱাৰ সাহস তেওঁলোকৰ নাই, পৰীক্ষাৰ উৎসাহ নাই, অন্বেষণৰ মনোভাৱ নাই। এনে মানুহে অভিজ্ঞতা কেনেকৈ অৰ্জন কৰিব। কচুপাতৰ পানীৰ দৰে সকলো কথাই জানো তেওঁলোকৰ মনৰ পৰা পিছলি নপৰিব ?

ৰাজনৈতিক দলসমূহৰ নিম্নস্তৰৰ ফেৰিয়াফেৰি হয়তো বেয়া। কিন্তু মতভেদ মাত্ৰেইতো বেয়া বস্তু নহয়! মনে-প্ৰাণে বিশ্বাস কৰা মতৰ অমিলতে সামাজিক প্ৰগতিৰ আধা কিটিপ লুকাই আছে। অথচ আমাৰ ছাত্ৰসকলৰ মাজত তাৰ কোনো উমঘামেই নাই।

প্ৰকৃততে তেওঁলোকে ৰাজনীতি বস্তুটোকে ভয় কৰে। কিছুমানে চাকৰি-বাকৰি নহব বুলি ভয় কৰে। তেওঁলোকে সপোন দেখে যে তাহানিৰ ডা-ডাঙৰীয়াৰ লেমটো হৈ উচ্চপদ পোৱাৰ দৰে এতিয়াও 'কৰ্তৃপক্ষ'ৰ সু-নজৰত থাকিব পাৰিলে ভৱিষ্যৎ মুকলি। তেওঁলোকে নুবুজে বৰ্তমানৰ 'কৰ্তৃপক্ষ' স্বেচ্ছাচাৰী ৰজাৰ মহানুভৱতাৰে নচলে। সেই আমোলাতন্ত্ৰৰ ভিতৰুৱা নীতি আৰু নিৰ্মম আৰু অমানুষিক— নিজকে ক্ষমতাত ৰখাই তেওঁলোকৰ একমাত্ৰ নীতি।

অধিকাংশ ছাত্ৰ আৰু যুৱকে ভাবে যে তেওঁলোকৰ 'জীৱন' ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত। ৰাস্তাত গৈ শ্লোগান দিলেহে তেওঁলোকৰ জীৱনলৈ ৰাজনীতিৰ কাকতিফৰিং নামিব !!

কিন্তু ভাবক এজন কেৰাণী বা মধ্যম কৃষকৰ ল'ৰাৰ কথা। তেওঁৰ নিজৰ ঘৰৰ দুৰ্দশা আৰু তেওঁৰ গ্লানিময় ভৱিষ্যতৰ কথা তেওঁক বুজাব নালাগে। এনেস্থলত তাৰপৰা পৰিত্ৰাণৰ পথ জানো তেওঁ চিন্তা কৰা উচিত নহয় ? কিন্তু অকলে যে এই ভয়াবহ পৰিস্থিতিৰপৰা ৰক্ষা পাব নোৱাৰি, তেওঁ তাকো বুজে। তাৰ পিচত কিন্তু তেওঁক

দেখা গ'ল নিতৌ গধূলি চিনেমাঘৰত। তেওঁ এনে কেতবোৰ চিনেমা হেঁপাহ পলুৱাই চায়, যাৰ অবাস্তৱ, অসম্ভৱ ঘটনাৱলীয়ে তেওঁক সংগ্ৰামৰ প্ৰয়োজন পাহৰাই ৰাখে—যাৰ সুখসমৃদ্ধি আৰু সহজ যৌন আনন্দৰ সপোনে তেওঁৰ বৰ্তমানৰ একঘেঁয়ে দাৰিদ্ৰ্য আৰামদায়ক কৰি তোলে। তেওঁৰ শ্ৰেণীগত পৰিস্থিতিত তেওঁ কামনা কৰা বস্তুৰ অভাৱ চিনেমাই সপোনেৰে পূৰায়। তেওঁৰ এই মনোভাব আৰু প্ৰতিক্ৰিয়া হয়তো স্বাভাৱিক, মনুষ্যজনোচিত। কিন্তু তাৰ অইন নাম কাপুৰুষালি, পলায়নবাদ। ৰাজনীতি অস্বীকাৰ কৰাৰ অৰ্থ এইক্ষেত্ৰত হ'ল পৰিপূৰ্ণ জীৱন লাভৰ সংগ্ৰামৰপৰা পলায়ন।

আৰু কিমান উদাহৰণ দিম? প্ৰতিভাৰ অৱহেলা, বিয়া-বাৰুৰ ক্ষেত্ৰত সামাজিক বা অৰ্থনৈতিক অন্তৰায়, শিক্ষা-দীক্ষাৰ সা-সুবিধাৰ অভাৱ, নানাবিধৰ সামাজিক বৈষম্য,—আমাৰ যুৱকসকলে ভোগ কৰা বহু কষ্ট, বহু যন্ত্ৰণা, বহু বেদনাৰ মূলতে আছে ভাৰতৰ বৰ্তমান সমাজ-ব্যৱস্থা। সেই সমাজ-ব্যৱস্থাৰ পৰিৱৰ্তন ৰাজনীতিলৈ পিঠি দিলেই হ'বনে?

সস্তীয়া হিন্দী চিনেমাৰ ভাৰত মছগুল হৈ ফুৰিলে আৰু নচলে। যুৱকসকলে প্ৰশ্ন কৰক, পৰীক্ষা কৰক। চকু মেলি চাৰিওফালে চাওক। মিলিজুলি কাম কৰক। প্ৰতিষ্ঠাৰ বাবে নহয়, নেতৃত্বৰ বাবে নহয়—আমাৰ দেশৰ অতি প্ৰয়োজনীয় কেতবোৰ পৰিৱৰ্তনৰ বাবে।

তেনেধৰণে সজাগ হ'লে তেওঁলোকে দেখিব জীৱনৰ বিভিন্ন অংশত কেনেকৈ বিভিন্ন ধৰণে ৰাজনীতিৰ ছাঁ-পোহৰ পৰিছেগৈ। এনেকি সাহিত্যৰ লগতো ৰাজনীতিৰ ওতঃপ্ৰোত সম্বন্ধ।

ৰাজনীতি মানে ভোট খেল নহয়। ভাৰতৰ বৰ্তমান পৰিস্থিতিত ৰাজনীতি হ'ল সমাজ পৰিৱৰ্তনৰ নীতি। প্ৰাচীন সামন্তবাদী শোষণ আৰু পাশ্চাত্য পুঁজিবাদী শোষণৰ কবলত পৰি এখন সমাজ নিশ্চল হৈ আছে। সেইখন সমাজৰ উৎপাদন নগণ্য, তাৰ বিতৰণত চৰম

অন্যায় আৰু বৈষম্য। কোটি কোটি মানুহ সেই নিশ্চল দেশত মূৰ দাঙিব নোৱাৰা হৈ পৰি আছে। এই অবস্থাৰ পৰিৱৰ্তন ঘটাব লাগে। কেনেকৈ হব এই পৰিৱৰ্তন? আমাৰ পশ্চাদ্‌গামিতাৰ বাবে দায়ী কোন বা কি? ট্ৰেনত পঢ়িবলৈ যিখন কিতাপ কিনে, বিয়াই সবাহে যিখন কিতাপ উপহাৰ দিয়ে তাৰ মাজতে কেতিয়াবা থাকে উত্তৰৰ আভাস—অন্ততঃ প্ৰশ্নৰ সাহস। আমাৰ অগ্ৰগণ্য ঔপন্যাসিকসকলেও সেই কথা ভাবিছে।

ধৰক যেনিবা যোগেশ দাসৰ 'ছাঁ জুই খেদি' আৰু চৈয়দ আব্দুল মালিকৰ 'অঘৰী আত্মাৰ কাহিনী'। আন এঠাইত এই কিতাপ দুখনৰ সমালোচনা কৰিছোঁ। ইয়াত কেৱল ক'ব খুজিছোঁ যে বৰ্তমানৰ অস্থিৰতাৰ ৰূপ বিশ্লেষণ কৰিবলৈ আৰু তাৰ সমাধান কৰিবলৈ দুয়োজন লেখকে চেষ্টা কৰিছে। ফলত দুয়ো দুটা বিকল্প আৰু প্ৰায় পৰস্পৰ বিৰোধী পথৰ নিৰ্দেশ কৰিছে। আপাতদৃষ্টিত প্ৰেম আৰু বিয়াবাৰুৰ ব্যক্তিগত সমস্যা লৈ লিখা হ'লেও দুয়োখন উপন্যাসেই দিয়া ইংগিতবোৰৰ বহল ৰাজনৈতিক তাৎপৰ্য লক্ষ্য কৰা যায়। তাৰ আলোচনাতো ৰাজনীতি এৰাব নোৱাৰি।

যোগেশ দাসৰ উপন্যাসত নাগৰিক পৰিবেশৰ মাজত উচ্চশিক্ষিত, উচ্চাকাঙ্ক্ষী অথচ অস্থিৰ আৰু অসুখী এচাম মানুহে তেওঁলোকৰ জীৱনত 'কিবা' পাবলৈ লব ধৰিছে। নায়িকা বিমলাৰ ভৱিষ্যত-ভাবনা আৰু জীৱনৰ অংশীদাৰ নিৰ্বাচনৰ চিন্তাত সেই জীৱনযাত্ৰাৰ সম্পৰ্কে ঔপন্যাসিকৰ সন্দেহ জাগ্ৰত হৈ উঠিছে: এনে জীৱনৰ মূল্য কি? মালিকৰ উপন্যাসত এটা দম্পতীয়ে—যাৰ মাজত দেহ-মনৰ সম্পৰ্ক শুকাই গৈছে, অথচ যি তাৰ অৱসানৰ সাহস আৰু বল নাপাই যান্ত্ৰিক, অসত্য যৌথ জীৱন যাপন কৰিছে—সৎসাহসেৰে নিজৰ জীৱন নিৰ্ধাৰণ কৰি নলৈ অসফল ৰাজনীতিত নিজৰ চেতনা ডুবাই ৰাখিছে। এজন তৃতীয় পক্ষৰ মানুহে এই অক্ষমতাৰ মেৰঘৰ ভাঙি দিছে। কিন্তু অপৰাজিতাৰ স্বামী নিৰঞ্জনে অৰ্থহীন দেশপ্ৰেমত

জলাঞ্জলি দিছে নিজৰ প্ৰকৃত ব্যক্তিগত জীৱনৰ লক্ষ্য বিচাৰি। আৰু অপৰাজিতাক উদ্ধাৰ কৰিব খোজা শশাংকই তীব্ৰ ভাষাত দেশপ্ৰেমক আক্ৰমণ কৰিছে—তেওঁৰ বিশ্বাস, প্ৰত্যেকেই দেশপ্ৰেম বাদ দি নিজৰ কাম ভালকৈ কৰিলেহে দেশৰ কল্যাণ হব। নিৰঞ্জনৰ চৰিত্ৰৰ যোগেদি যেন কংগ্ৰেছী ৰাজনীতিৰ অৱক্ষয় (decadence) ঘোষিত হৈছে আৰু শশাংক যেন নৱাগত আৰু যুক্তিবাদী পুঁজিবাদৰ প্ৰতিভূ। দুয়োখন উপন্যাসতে ঠিক এনেকৈ আমাৰ সমাজৰ সমুখত দেখা দিয়া কিছুমান choice এইদৰে মূৰ্ত হৈ উঠিছে।

উপন্যাস দুখনৰ নামৰ পৰাই বুজা যায় যে দুয়োজন লিখকৰ বাস্তৱজ্ঞান তথা জীৱনবোধত এক অস্থিৰতা আৰু অশান্তিৰ প্ৰচ্ছায়া পৰিছে। গতিশীল পুঁজিবাদে ভাৰত তথা অসমৰ মন্থৰ জীৱনযাত্ৰাত যি পৰিৱৰ্তনৰ আগজাননী দিছে তাৰ ছন্দ দুটা বেলেগ বেলেগ মনত বেলেগ ধৰণে ধ্বনিত হৈছে। মালিকৰ বাবে তাৰ সকলো বিপত্তি আৰু অশান্তি সত্ত্বেও এই গতিশীলতাত যেন এড্‌ভেঞ্চাৰ আৰু ৰোমাণ্টিক অভিযানৰ প্ৰতিশ্ৰুতি আছে। যোগেশ দাসৰ বৈৰাগ্যধৰ্মী মনত কিন্তু এই গতিশীলতাৰ স্বৰূপ মৰীচিকাৰ চামিল। মালিকৰ নায়ক হ'ল দৃপ্ত, বলিষ্ঠ, গহীন ব্যৱসায়ী-বীৰ, জীৱনৰ হাতত বেয়াকৈ মাৰ খায়ো যি পৰাজয় বৰণ কৰা নাই। যোগেশ দাসৰ নায়ক হ'ল এজন দুৰ্বলচেতা, সুৰাসক্ত, কথাচহকী, অথচ স্পৰ্শকাতৰ আৰু সম্যগ্‌দৰ্শী পুৰুষ। মালিকৰ নায়কে নতুন সংসাৰৰ আবৰ্ততো অভিযানৰ, সংগ্ৰামৰ কথা কয়। আৰু যোগেশ দাসৰ নায়কে নায়িকাক শিকাব পাৰে যে আত্মসমৰ্পণেই হ'ল প্ৰেমৰ ভাষা, আৰু প্ৰেমেই জীৱনৰ ঘাই ধৰণী। এজন কৰ্মক্ষেত্ৰত বীৰ কিন্তু (মালিকে ভাবক বা নাভাবক) উপলব্ধিৰ ক্ষেত্ৰত যেন অলপ বিবুধি। আনজন কৰ্মক্ষেত্ৰত প্ৰায় পৰাজিত, কিন্তু উপলব্ধিৰ ক্ষেত্ৰত ঋষিতুল্য—আৰু (যোগেশ দাসে ভাবক বা নাভাবক) চৰিত্ৰৰ ফালৰ পৰা দুৰ্বল। বুৰ্জোৱা ভাবাদৰ্শৰ সংকটকালত আদৰ্শ ব্যক্তিত্বৰ এনে বিভাজন

(polarity) অপ্ৰত্যাশিত নহয়। পৃথিৱীৰ উচ্চতম উপন্যাস-সাহিত্যৰ মানৰ ফালৰ পৰা দুয়োখনৰে vision যেন অসম্পূৰ্ণ। আদৰ্শ জীৱন আৰু আদৰ্শ ব্যক্তিত্বৰ অনুসন্ধানত সমুখৰ ঘোপ মৰা অন্ধকাৰ দুয়ো সম্পূৰ্ণৰূপে আলোকিত কৰিব পৰা নাই। কিন্তু এয়া হ'ল উপন্যাসৰ সৰ্বোচ্চ মানৰ কথা। আনহাতে কৌতূহল, অনুসন্ধান আৰু পৰ্যবেক্ষণৰ প্ৰমাণ দুয়োখনতে যথেষ্ট।

যোগেশ দাসৰ উপন্যাসত আধুনিক জীৱন যাত্ৰাৰ ব্যক্তিৰ আত্ম-কেন্দ্ৰিক অভিযানৰ অসত্য প্ৰমাণিত হৈছে। ব্যক্তিৰ জীৱনে এনেদৰে পৰিপূৰ্ণতা লাভ নকৰে। গ্ৰাম্য জীৱনৰ শান্তি, সন্তুষ্টি আৰু আসক্তিৰ বল তাত এক কাম্য জীৱনৰ আদৰ্শ। আনহাতে মালিকৰ উপন্যাসত সেই বিকল্পৰ আভাস মাত্ৰ নাই। তাত সমাধান আছে এক সবল, আত্মবিশ্বাসী স্বাতন্ত্ৰ্যৰ মাজত। সমাজৰ হিতসাধন তাৰ শীতল পোহৰত আত্মপ্ৰবঞ্চনা মাত্ৰ। আনহাতে এই সংসাৰত ব্যক্তিৰ স্বাতন্ত্ৰ্যৰ মূল্য হৈছে আন বহুতৰ জীৱনত হতাশা আৰু পৰাজয়।

দুয়োখনৰে সংসাৰ-দৰ্শনত এটা অভাৱ দেখা যায়। দুয়োটা সমাধানেই আমাৰ মনঃপুত নহয়। সন্দেহ হৈ যায় যে আৰু বহুত কথা থাকি গ'ল। কি কথা? ভাৰতীয় সমাজত কৃষক আৰু মজদুৰ সমাজৰ মাজত সমাজবাদী চিন্তাধাৰা এতিয়াও প্ৰবল হোৱা নাই। দুয়োখন উপন্যাসতে সেয়ে তাৰ চেহেৰা অদৃশ্য। কিন্তু ই ধ্ৰুপ যে তেনে শক্তিৰ অভ্যুত্থানে দুয়োজনৰে অভিজ্ঞতা আৰু কল্পনাক প্ৰকৃতপক্ষে অন্তৰ্ভেদী কৰি তুলিলেহেঁতেন।

সি যি নহওক, বৰ্তমানৰ সামাজিক শক্তিবোৰৰ বিকাশ অপৰিণত হোৱা সত্বেও লিখক দুজনে দেখুৱাই দিছে যে প্ৰেমৰ দৰে অত্যন্ত ব্যক্তিগত প্ৰশ্ন এটাৰ লগতো এৰাব নোৱাৰাকৈ সাঙোৰ খাই আছে সামাজিক প্ৰশ্ন। আৰু সামাজিক প্ৰশ্নৰ সমাধান বিচাৰিলেই হয় ৰাজনীতি।

("চলমান," ১৯৬৯)

॥ লেনিনৰ সাহিত্য চিন্তা ॥

কোনো বিষয়ে ভাল চৰ্চা আৰু অধ্যয়ন নাথাকিলে সেই সম্পৰ্কে মন্তব্য কৰাটো লে'নিনৰ স্বভাৱবিৰুদ্ধ আছিল। সাহিত্য সম্পৰ্কেও তেওঁ সেয়ে সুনিৰ্দ্দিষ্ট আৰু সুস্পষ্ট তত্ত্ব ডাঙি ধৰা নাছিল। "লুনাচাৰ্স্কিক সোধাচোন"—"সাহিত্যৰ বিষয়ে মোৰ জ্ঞান নগণ্য"—তেওঁৰ এনে বহুত মন্তব্যৰ পৰা তেওঁৰ মনোভাবৰ আভাস পোৱা যায়। কিন্তু তেওঁৰ বহু নিবন্ধ, চিঠিপত্ৰ আৰু মন্তব্যৰ পৰা তেওঁৰ সাহিত্যচিন্তাৰ ৰেহৰূপ জনা যায়। বিপ্লৱৰ তাত্বিক আৰু সাংগঠনিক প্ৰস্তুতিত আত্মনিয়োগ কৰা তেওঁৰ জীৱনত সাহিত্যচৰ্চাৰ সময় বেছি নাছিল। কিন্তু লে'নিনৰ সাহিত্য অধ্যয়ন আছিল বিস্তাৰিত আৰু সংস্কৃত—প্ৰকৃতাৰ্থ তেওঁ ৰসজ্ঞ সাহিত্যানুৰাগী। কেৱল পাৰ্টিৰ কামৰ ফাণ্টু লিগিৰা কৰি সাহিত্যৰ ভূমিকা তেওঁ নিৰ্ণয় কৰা নাছিল।

এই বিষয়ে তেওঁৰ প্ৰসিদ্ধ ১৯০৫ চনত প্ৰকাশিত Party Organisation and Party literature (দলীয় সংগঠন আৰু দলীয় সাহিত্য) প্ৰবন্ধৰ ভুল ব্যাখ্যাৰ প্ৰচলন কৰিছে ফটুৱা মাৰ্ক্সবাদী সকলে। এইবিলাক তাত্বিকে ভাবে যে এই প্ৰবন্ধত সৰ্বকালৰ বাবে লে'নিনে সাহিত্যক দলীয় ৰাজনীতিৰ হাতধৰী লিগিৰীৰ বাব দি গৈছে। কিন্তু প্ৰবন্ধটোত লে'নিনে স্পষ্টকৈ কৈছে

যে ১৯০৫ চনৰ সন্ধিক্ষণৰ পিছত বিপ্লৱৰ প্ৰস্তুতি জৰুৰী হৈ পৰা বাবেহে তেওঁ এই আহ্বান দিছিল। তাৰ উপৰিও প্ৰবন্ধটোত সৃষ্টি ধৰ্মী সাহিত্যতকৈ সংবাদপত্ৰ, ৰাজনৈতিক পত্ৰিকা আৰু দলিল আদিৰ কথাহে বেছিকৈ ভবা হৈছিল। সৰ্বশেষত লেনিনে এই প্ৰবন্ধতে কৈ গৈছে যে সাহিত্যৰ ক্ষেত্ৰত পাৰ্টিৰ শাসন আৰু অভিভাৱকত্ব বেলেগ ধৰণৰ হব লাগিব—ইয়াত লেখকৰ ব্যক্তিগত ৰুচি-অভিৰুচি, মতামত আৰু সংকল্প (initiative) ৰ গুৰুত্ব বেছি। হাত ডাঙি সংখ্যাগৰিষ্ঠ অংশ এটাৰ মতামত লেখকৰ ওপৰত নিৰ্বিচাৰে জাপি দিব নোৱাৰি। অথচ কটুৰা মাৰ্ক্সবাদীসকলে এনে ভাব দেখুৱায় যেন এই প্ৰবন্ধত লেনিনে সাহিত্যৰ ওপৰত পাৰ্টিৰ চকিদাৰী এটা অবিসম্বাদী আৰু সৰ্বকালীন তত্ত্ব হিচাবে প্ৰতিষ্ঠা কৰি থৈ গৈছে।

অৱশ্যে বুৰ্জোৱা সমাজৰ কৰ্ম্মধাৰা আৰু বৃত্তিৰ নিয়মত অভ্যস্ত লেখক আৰু বুদ্ধিজীৱীৰ অহমিকা আৰু উগ্ৰ ব্যক্তিস্বাতন্ত্ৰ্য তেওঁ পছন্দ কৰিব পৰা নাছিল। বিলম্বিত তৰ্কাতৰ্কি আৰু কৰ্ম্মবিমুখতাৰে এইবোৰ মানুহে প্ৰয়োজনীয় পাৰ্টিৰ কামকাজত বাধাৰ সৃষ্টি কৰিছিল। বুৰ্জোৱা স্বাধীনতাকণো যে ব্যৱসায়ী তথা অৰ্থৰ দাসত্ব—এইবোৰ মানুহে বুজি নাপাইছিল। এনে মনোবৃত্তিৰ মানুহক একেবাৰে আওকাণ কৰিবও নোৱাৰি। সমাজবাদৰ ভিত্তি ৰচনা কৰোঁতে আন আন বুৰ্জোৱা বিশেষজ্ঞৰ দৰে এওঁলোকৰো সহায় লব লাগিব—সেই কামত নিয়োগ কৰোঁতে এইবোৰ মানুহৰ ভিতৰত প্ৰগতিশীল আৰু বিপ্লৱৰ প্ৰতি সহানুভূতিশীল লেখকক সাদৰে আৰু সহানুভূতিশীল ব্যৱহাৰ কৰিব লাগিব। কিন্তু ভবিষ্যৎ সমাজবাদী সমাজৰ পৰা উগ্ৰ ব্যক্তিস্বাতন্ত্ৰ্যৰ পৰা মুক্ত আৰু নমনীয় শিল্পীসত্তাৰ উদ্ভৱ বাঞ্ছনীয়।

লেনিনৰ মতে সাহিত্য হ'ল সামাজিক বাস্তৱৰ প্ৰত্যক্ষ অৱলোকন। সাহিত্যিকৰ দৃষ্টি আৰু মানসত অৰ্থনীতিবিদ আৰু সমাজবিজ্ঞানীৰ সহায় বিনেও সামাজিক বাস্তৱৰ পূৰ্ণাংগ আৰু

প্ৰত্যক্ষ ছবি ফুটি উঠিব পাৰে। অৰ্থাৎ শিক্ষিত ৰাজনীতিজ্ঞই সমাজৰ গতি নিৰ্ণয়ত সাহিত্যৰ পৰা এক বিশেষ ধৰণৰ সাক্ষ্য আৰু শিক্ষা আহৰণ কৰিব পাৰে। এই ক্ষেত্ৰত সাহিত্যিকৰ প্ৰত্যক্ষ ৰাজনৈতিক আনুগত্য ডাঙৰ কথা নহয়—তেওঁৰ সাহিত্যৰ দৰ্পণত ফুটি উঠা সমাজৰ ছবিখনহে বিচাৰ্য্য। বিশেষকৈ চেৰ্নিছেভ্স্কিৰ (Chernishevsky) ভাবধাৰাৰ প্ৰভাৱত লেনিনে সাহিত্যক বাস্তৱভিত্তিক বুলি অভিহিত কৰে; তাৰ অৰ্থ এনে নহয় যে কল্পনাৰ স্থান গৌণ—বৰং কল্পনাই সমাজৰ বাস্তৱৰ ভৱিষ্যৎ ৰূপৰ ইংগিত ডাঙি ধৰে। লেনিনে কাউৎস্কিৰ উক্তি প্ৰায়ে আওৰাইছিল যে আগৰ সমাজবাদী সকল প্ৰায় প্ৰত্যেকেই কবি।

টল্ষ্টয় আছিল তেওঁৰ এজন প্ৰিয় গ্ৰন্থকাৰ। টল্ষ্টয়ৰ মতবাদক তেওঁ ঘিণাইছিল—বিশেষকৈ নিষ্কৰ্ম্মা নীতিবাদ আৰু পাপৰ প্ৰতি নিষ্ক্ৰিয় মনোবৃত্তি (Non-resistance to evil) লে'নিনৰ মতে আছিল চূড়ান্ত প্ৰতিক্ৰিয়াশীলতা। আনহাতে টল্ষ্টয়ৰ কলাৰ মহত্ব তেওঁৰ মতে টল্ষ্টয়ৰ দুৰ্বলতাৰ লগত নিবিড়ভাবে জড়িত—নতুনকৈ পুঁজিবাদৰ হাতোৰাত পৰা ৰুছদেশৰ বিপুল গ্ৰাম্যসমাজৰ জীৱনলৈ অহা গতি আৰু আলোড়ন লে'নিনৰ মতে টল্ষ্টয়ৰ কলাৰ ঘাই প্ৰেৰণা। তাৰ বলতে তেওঁ জমিদাৰ আৰু খেতিয়কৰ জীৱনৰ সত্য মৰ্ম্মস্পৰ্শী ভাবে চিত্ৰিত কৰিব পাৰিছিল। তেওঁৰ নিজৰ জন্ম সম্ভ্ৰান্ত বংশত হ'লেও অবশেষত তেওঁ খেতিয়ক সকলৰ দৃষ্টিভংগী আঁকোৱালি লৈছিল। সেয়ে ৰুছ খেতিয়ক শ্ৰেণীৰ হতাশা, বিক্ষোভ, আৰু যন্ত্ৰণাৰ লগে লগে সেই শ্ৰেণীৰ মাজত সাৰ পাই উঠা অবাস্তৱ অথচ মাদকতাময় বৈপ্লৱিক চেতনাও টল্ষ্টয়ৰ শিল্পীমানসত প্ৰতিফলিত হৈছিল। কৃষক জাগৰণৰ বিপুল আলোড়ন আৰু বিপুল মোহ টল্ষ্টয়ৰ ৰচনাৱলীত সুস্পষ্ট। আধুনিক সৰ্বহাৰাৰ দৃষ্টিকোণেৰে তাৰ দুৰ্বলতা প্ৰকাশলৈ অনাৰ লগে লগে তাৰ শক্তি আৰু সৃষ্টি প্ৰেৰণাও স্বীকাৰ কৰিব লাগিব।

টল্‌স্তয়ৰ ওপৰত লেখা ৰচনা কেইখনতে লে'নিনৰ সাহিত্যচিন্তাৰ বহল আৰু জটিল চৰিত্ৰ ধৰা পৰিছে। কিন্তু ভাবাদৰ্শগত সমালোচনাৰ গুৰুত্ব উপলব্ধি কৰিলেও সাহিত্য আৰু ভাবাদৰ্শৰ তাত্ত্বিক প্ৰকাশক তেওঁ একেধৰণৰ বস্তু বুলি ভবা নাছিল। আৰেৰ্‌ চে'ংকোৰ দৰে ছোভিয়েৎ-বিৰোধী লেখকৰ ব্যঙ্গৰচনাৰ তেওঁ মুক্ত প্ৰশংসা কৰিছিল। আনহাতে কেৱল বিপ্লৱী বাবেই মায়াকভ্‌স্কিৰ কাব্য পছন্দ কৰাৰ স্থল নাই। সাহিত্যৰ বিচাৰৰ নিয়ম সাহিত্যিক। "সৰ্বহাৰা সাহিত্য"লৈ উন্মাদ প্ৰলেট্‌কাল্টৰ (Proletkult) প্ৰচাৰক তেওঁ তেওঁ সেয়ে গৰিহণা দিছিল—কাৰণ কেৱল সংকীৰ্ণ শ্ৰেণীগত দৃষ্টিভংগীৰে মানব সভ্যতাৰ ঐতিহ্য সম্পূৰ্ণ নাকচ কৰিব নোৱাৰি। সমাজবাদ কেৱল শ্ৰেণীসমাজৰ নেতিকৰণ নহয়—সমাজবাদ মানবসমাজৰ ইতিহাসৰ অন্তিম স্তৰো।

আধুনিক সৰ্বহাৰাৰ তত্ত্ব হৃদয়ংগম নকৰিলে কায়মনোবাক্যে থাপি লব নোৱাৰিলে আমাৰ সাহিত্য বিচাৰ (অৰ্থাৎ সত্যবিচাৰ) বিকৃত হব। আনহাতে তত্ত্ব মুখস্থ কৰিলেই সাহিত্যিক ৰচনাৰ বিশেষ (Specific) চৰিত্ৰ আৰু প্ৰকৃতি বুজা নাযায়। লে'নিনৰ সাহিত্য চিন্তাত দুয়োটা প্ৰয়োজনৰে সাৰ্থক সমন্বয় ঘটিছে। এই বিষয়ে আৰু সন্দেহ থাকিব নোৱাৰে যে আধুনিক যুগৰ শ্ৰেষ্ঠ মাৰ্ক্সবাদী সমালোচক লুকাচ্চৰ (Georg Lukacs) চিন্তাধাৰা লে'নিনৰ সাহিত্য চিন্তাৰে উন্নত আৰু বিশদ ৰূপ।

(সাহিত্য অকাডে'মিৰ লে'নিন শতবাৰ্ষিকীত পঢ়া প্ৰবন্ধৰ সংক্ষিপ্ত ৰূপ।)

॥ লেনিন আৰু অৰ্থনীতিবাদ-বিৰোধী সংগ্ৰাম ॥

মতাদৰ্শগত বিৰোধৰ স্বৰূপ সদায় কেৱল যুক্তিগত নহয়—তাৰ শ্ৰেণীগত তথা বস্তুগত ভিত্তি আছে। সকলো বিৰোধ সকলো সময়তে মৌলিক নহয়। আনহাতে মৌলিক বিৰোধ সমূহৰ তীব্ৰতা আৰু গুৰুত্বই প্ৰায়ে শ্ৰেণীসংগ্ৰামৰ অমোঘ নিয়মহে প্ৰকাশ কৰে।

মাৰ্ক্সবাদ-লেনিনবাদৰ অন্যতম প্ৰধান তত্ত্ব হ'ল শ্ৰেণীসংগ্ৰামৰ ঐতিহাসিক গুৰুত্ব। মানুহৰ ইতিহাসৰ পৰৱৰ্ত্তী স্তৰলৈ উত্তীৰ্ণ হোৱাৰ ৰাস্তা শ্ৰেণীসংগ্ৰামৰ বাহিৰে আন একো হব নোৱাৰে—কেবল শিক্ষা বা নৈতিক আন্দোলনৰ জৰীয়তে সি সম্ভৱ নহয়। সৰ্বহাৰাৰ শ্ৰেণী-আন্দোলন আৰু শ্ৰেণীসংগ্ৰামৰ ফলতেই বুৰ্জোৱা সভ্যতাৰ অৱসান ঘটে—নতুন সমাজ আৰু নতুন সভ্যতাৰ ভেটি গঢ়ি উঠে। অৰ্থাৎ কেৱল নিপীড়িত বুলিয়েই, বা কেৱল অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিৰোধেৰেই সৰ্বহাৰাই তাৰ ঐতিহাসিক ভূমিকা ফলৱতী কৰিব নোৱাৰে। সেই সংগ্ৰামে উদ্দেশ্যধৰ্মী, আক্ৰমণাত্মক ৰূপ লব লাগিব। এনে উদ্দেশ্যৰ পটভূমিতহে মাৰ্ক্সৰ সেই আহ্বানৰ মৰ্ম্ম উপলব্ধি কৰিব পাৰি: The proletariat have nothing to lose but their chains.

কিন্তু শ্ৰমিক শ্ৰেণীৰ ওপৰত চলি থকা শোষণ কিছুদূৰ বুজি পালেও ইতিহাসৰ প্ৰকৃত জ্ঞানৰ অভাৱত শ্ৰমিক আন্দোলনৰ প্ৰকৃতি

সম্পৰ্কে বহুতৰে ভুল ধাৰণা ওপজে। কিন্তু ইতিহাস সম্পৰ্কে এই মায়া (false consciousness) শোষিত শ্ৰেণীৰ পৰা শ্ৰেণীগত আৰু ভাবগত দূৰত্বৰে পৰিণাম। উদাহৰণ-স্বৰূপে পুঁজিবাদী মালিক আৰু কাৰখানাৰ শ্ৰমিকৰ মাজৰ সংঘৰ্ষ পাতলাই দিয়াটোৱেই গান্ধীজীৰ অন্যতম লক্ষ্য আছিল—সংগ্ৰামৰ ঠাইত তেওঁ সম্প্ৰীতি স্থাপন কৰিবলৈ বিচাৰিছিল। কিন্তু শোষণৰ ভিত্তিত বুৰ্জোৱা সমাজৰ সকলো ব্যৱস্থা বাচি থাকে, এনেস্থলত সংগ্ৰামৰ গুৰুত্ব হ্ৰাস কৰাটো শোষণৰ ওচৰত প্ৰকাৰান্তৰে আত্মসমৰ্পণ কৰাহে মাথোন।

এনেধৰণৰ কিছুমান ভ্ৰমে উনবিংশ শতিকাৰ পৰাই শ্ৰমিক আন্দোলনক প্ৰায়ে পথচ্যুত কৰিছে। নতুন সমাজ গঠনৰ বৈপ্লৱিক ৰাজনৈতিক উদ্দেশ্য পাহৰি যেতিয়াই শ্ৰমিক আন্দোলনে প্ৰায়ে কেৱল মজুৰি, ভাট্টা বা অন্যান্য অৰ্থনৈতিক দাবীৰ মাজত তাৰ লক্ষ্য সীমাবদ্ধ কৰি ৰাখে, তেতিয়াই সি অৰ্থনীতিবাদৰ বিকাৰৰ কবলত পৰে। প্ৰকৃত ৰাজনৈতিক শিক্ষা আৰু চেতনাৰ অভাৱত এনে ব্যাধিৰ প্ৰকোপ শ্ৰমিকমহলত বেছ বিয়পিব পাৰে। সে'দিনৰ প্ৰচাৰৰ কাৰ্যসূচীৰ ভিতৰত অৰ্থনীতিবাদৰ বিৰুদ্ধে সংগ্ৰাম আছিল জৰুৰী।

সচৰাচৰ অৰ্থনীতিবাদৰ মোহ প্ৰবল হোৱাৰ কাৰণ পুঁজিবাদী সংকটৰ সাময়িক উপশম। পুঁজিবাদী চক্ৰৰ (capitalist production cycle) নিম্নগামী গতিৰ সময়ত অৱশ্যে অৰ্থনীতিবাদৰ লক্ষ্য দেখ্‌দেখ্‌কৈ বিফল হয়—হাজাৰ বিজাৰ শ্ৰমিক বেকাৰ হয়, মজুৰিৰ হাৰ হুহুকৈ নামি আহে, বজাৰৰ সংকোচনৰ কোবত বহু কাৰখানাত তলা লাগে। পুঁজিবাদী মালিকানাৰ নৈৰাজ্য আৰু বিপদ সম্পৰ্কে তেতিয়া আৰু সন্দেহৰ অৱকাশ নাথাকে। কিন্তু আন সময়ত জীৱনৰ মান নিম্নস্তৰৰ হ'লেও, বা বহু বঞ্চনা আৰু অসুবিধা ভোগ কৰিলেও শ্ৰমিকসকলৰ মনত ভ্ৰান্ত নিৰাপত্তাবোধ জন্মিব পাৰে। ফলত কাৰখানাৰ মালিকগোষ্ঠীৰ পৰা আন্দোলন বা আলোচনাৰ

যোগেদি কেৱল অধিক পৰিমাণৰ সা-সুবিধা আদায় কৰাতে নিমগ্ন হৈ ৰাজনৈতিক তথা বৈপ্লৱিক উদ্দেশ্য বিস্মৃত হব পাৰে।

কিন্তু মাৰ্ক্সে দেখুৱাইছে যে যোৱা আমোঘ নিয়মমতে পুঁজিবাদী উৎপাদনৰ প্ৰসাৰণ স্থায়ী নহয়—তাৰ সংকোচন আৰম্ভ হ'লেই অৰ্থ-নীতিবাদৰ বিফলতা প্ৰমাণিত হয়। লগে লগে অৰ্থনীতিবাদত ভোল যোৱা শ্ৰমিক আন্দোলনত বিপৰ্যয় আৰু বিভ্ৰান্ত সৃষ্টি হয়। প্ৰকৃত ৰাজনৈতিক শিক্ষা নোপোৱা বহু শ্ৰমিকে কেতিয়াবা এনে পৰিস্থিতিত বিক্ষুব্ধ হৈ প্ৰতিক্ৰিয়াশীল মতাদৰ্শও গ্ৰহণ কৰে। বিলাতৰ একশ্ৰেণী শ্ৰমিকে অলপতে ভাৰতীয় বিৰোধী মনোভাব পোষণ কৰাৰ কাৰণো এয়ে। ভাৰততো অৰ্থনীতিবাদৰ পৰিণাম স্বৰূপে উপযুক্ত ৰাজনৈতিক আৰু ঐতিহাসিক ধাৰণা নথকাত কিছুমান শ্ৰমিকে প্ৰতিক্ৰিয়াশীল প্ৰবঞ্চকৰ বক্তৃতাত ভোল গৈ সাম্প্ৰদায়িক সংগ্ৰামত যোগ দিয়া দেখা যায়।

তাৰ বাবে প্ৰত্যক্ষভাবে জগৰীয়া হ'ল শ্ৰমিক আন্দোলনৰ এক শ্ৰেণীৰ নেতা। শ্ৰমিক সকলৰ দৈনন্দিন জীৱনৰ দুখদৈন্য আৰু অভাৱ-অভিযোগৰ হেঁচাৰ সুবিধা লৈ তেওঁলোকে শ্ৰমিক আন্দোলনক নিতান্তই অৰ্থনৈতিক সাঁচত চালে। অসমৰ চাহবাগানবোৰত এসময়ত INTUCৰ প্ৰভাৱ যে এনেধৰণৰ আছিল, সেই বিষয়ে এতিয়া বহুতৰে চকু মুকলি হৈছে।

অৱশ্যে মনত ৰাখিব লাগিব অৰ্থনৈতিক দাবী আৰু গোহাৰি শ্ৰমিক আন্দোলনত অপৰিহাৰ্য। শ্ৰেণীসংগ্ৰামৰ প্ৰাথমিক চেতনা কণ আহিবলৈকো অৰ্থনৈতিক দাবীৰ ভিত্তিত আন্দোলনৰ প্ৰয়োজন। অৰ্থনৈতিক সংগ্ৰামেহে শোষণৰ নগ্ন স্বৰূপ শ্ৰমিকৰ সমুখত উদ্ঘাটিত কৰে। শ্ৰমিক শ্ৰেণীৰ সংগঠন আৰু সংগ্ৰামী সংহতিও তাৰ ভিত্তিতহে গঢ়ি উঠে। ৰাজনৈতিক শিক্ষা আৰু প্ৰস্তুতি তাৰ অবিহনে দুঃসাধ্য। অৰ্থনৈতিক আন্দোলনৰ প্ৰতি খোজতে ৰাজনৈতিক শিক্ষা সাঙুৰি দিলেহে অধিকতৰ উন্নত চেতনাৰে শ্ৰমিক শ্ৰেণীক আগুৱাই নিব পৰা

যাব। তত্ত্বগতভাবে এটা বিশেষ বিন্দুৰ পিছত খুচুবা অৰ্থনৈতিক সংগ্ৰাম অৰ্থনৈতিক ব্যৱস্থাৰ মালিকানাৰ সংগ্ৰামত পৰিণত হয়। এই পৰিণতিত কায়মনোবাক্যে বিশ্বাস কৰা নেতৃত্বইহে শ্ৰমিক আন্দোলন সঠিক পথেৰে পৰিচালিত কৰিব পাৰে। ১৯১৭ চনৰ জানুৱাৰী মাহত ৰচিত "Lecture on the 1905 Revolution"ত লে'নিনে দেখুৱাইছে যে স্বচ্ছল, উন্নত, শিক্ষিত, আৰু শ্ৰেণীচেতন ধাতুকৰ্ম্মী (metal-workers) সকলৰ মাজত ১৯০৫ চনৰ বৈপ্লৱিক বছৰটোত গুৰিবেপৰা ৰাজনৈতিক ধৰ্ম্মঘট প্ৰবল আৰু সঘন আছিল। আনহাতে সবাতকৈ পিছপৰা, কম মজুৰিত খটা বয়নশিল্পৰ কৰ্ম্মী (Textile-workers)ৰ মাজত পোনতে অৰ্থনৈতিক ধৰ্ম্মঘট আছিল সঘন, আৰু বছৰৰ শেষতহে ৰাজনৈতিক ধৰ্ম্মঘট সঘন হব পাৰিছিল। অৰ্থাৎ অৰ্থনৈতিক সংগ্ৰামেহে শোষিত শ্ৰমিক শ্ৰেণীৰ পিছপৰা অংশক শিক্ষিত কৰি প্ৰকৃত সংগ্ৰামৰ বাবে প্ৰস্তুত কৰিব পাৰে। অৱশ্যে নেতৃত্বত অৰ্থনীতিবাদ প্ৰতিষ্ঠিত হ'লেই বিপদ।

অৰ্থনীতিবাদে কেনেকৈ প্ৰতিপত্তি অৰ্জন কৰে? লে'নিনে কৈছে অৰ্থনীতিবাদ বস্তুতঃ বুৰ্জোৱা শ্ৰেণীৰেই গোপন হাতীয়াৰ। শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত বুৰ্জোৱা মনোভাবৰ কেৰোণ সোমালেই অৰ্থনীতিবাদ মূৰ ডাঙি উঠে। এই অৱস্থানৰ বাবে মূলতঃ জগৰীয়া :

(১) পুঁজিবাদৰ সাময়িক আৰু অস্থায়ী সমৃদ্ধি আৰু খন্তেকৰ বাবে হলেও বুৰ্জোৱা শ্ৰেণীৰ আত্মবিশ্বাস আহৰণ।

(২) ফলস্বৰূপে শ্ৰমিক শ্ৰেণীৰ এটা অংশৰ মাজত পুঁজিবাদৰ প্ৰতি আনুগত্যৰ অনুপ্ৰবেশ।

(৩) মতাদৰ্শগত শিক্ষা আৰু সমালোচনাত শ্ৰমিক ৰাজনৈতিক দলবোৰৰ হেলা আৰু বিফলতা।

লে'নিনৰ সময়তে উনবিংশ শতিকাৰ শেষত আৰু কুৰি শতিকাৰ প্ৰাৰম্ভত পুঁজিবাদী শিল্পসমূহৰ দুই দশক জোৰা বিপুল উন্নতি আৰু প্ৰসাৰৰ ফলত বুৰ্জোৱা শ্ৰেণীৰ আত্মবিশ্বাস বাঢ়িছিল। আনহাতে

বিশ্বজোৰা সাম্ৰাজ্যবাদী (imperialistic) পুঁজিবাদৰ এটা নতুন কায়দা আছিল অনুন্নত অঞ্চলবোৰৰ শোষণৰ পৰা পোৱা অপৰ্যাপ্ত মুনাফাৰ একাংশ বৰ্দ্ধিত মজুৰি বা ভাট্টাৰ যোগেদি শ্ৰমিকশ্ৰেণীৰ একাংশক দান কৰা। ফলত সেই শ্ৰমিক সকলেও বুৰ্জোৱা ব্যৱস্থাৰ উচ্ছেদ বিচাৰিবলৈ এৰি সেই ব্যৱস্থাৰ অংশীদাৰ হিচাবে নিজকে গণ্য কৰিবলৈ ধৰিছিল। পাশ্চাত্য পুঁজিবাদী দেশবোৰত তথাকথিত স্বাধীন অনুন্নত দেশবোৰৰ ওপৰত চলি থকা শোষণৰ ভাগ এনেকৈ শ্ৰমিকে এতিয়াও ভোগ কৰি আছে।

(৪) কিন্তু অৰ্থনীতিবাদৰ আন এটা উৎসও আমাৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ। সি হ'ল শ্ৰমিক শ্ৰেণীৰ মাজত হোৱা কিছুমান ব্যৱধান। দক্ষ (skilled) আৰু অশিক্ষিত (unskilled) শ্ৰমিকৰ মাজতো ব্যৱধান আছেই। শ্ৰমিক শ্ৰেণীৰ মাজৰে এটা অংশই শিক্ষা আৰ দক্ষতাৰ ফালৰ পৰা কাৰখানা বা উদ্যোগত এনে স্থান অধিকাৰ কৰে যে পুঁজিবাদী মালিক গোষ্ঠিয়ে এওঁলোকক সুকীয়া বটাবাহন দি প্ৰায়ে নিজৰ ফলীয়া কৰি লব খোজে। তাহানি খনতে ইংলেণ্ডত Amalgamated Engineers নামৰ ট্ৰেড্ য়ুনিয়নে অন্যান্য শ্ৰমিকৰ লগত মিলিবলৈ সংকোচ কৰিছিল। আমাৰ ভাৰততো কিছুমান বিশেষ পৰ্যায়ৰ শ্ৰমিক আৰু কাৰিকৰে এইদৰে নিজকে অভিজাত শ্ৰমিক (labour aristocrats) বুলি ভাবে। এনে শ্ৰমিকসকলেও শ্ৰমিক আন্দোলনত যোগ দিলে মালিকপক্ষৰ হৈ প্ৰকাৰান্তৰে ওকালতি কৰে। কেৱল পুঁজিবাদী অৰ্থনৈতিক সংকটৰ সময়তহে এওঁলোকৰ চৈতন্য হয়—যদিও সেই ক্ষেত্ৰতো এওঁলোকৰ নিৰাপত্তা আন শ্ৰমিকতকৈ বেছি।

এনে অৱস্থাত আমূল পৰিৱৰ্তনতকৈ আপোচৰ প্ৰতিহে শ্ৰমিক আন্দোলন আকৃষ্ট হয়। ৰাজনৈতিক দলবোৰৰ বিচক্ষণতাৰ অভাৱত সামান্য সমৃদ্ধি আৰু নিৰাপত্তাৰ বিনিময়ত বিপুলসংখ্যক দেহশ্ৰমিকে অধিক শিক্ষিত আৰু সক্ৰিয় উচ্চশ্ৰেণীৰ শ্ৰমিক আৰু বুৰ্জোৱাৰ হাতত

আন্দোলনৰ নেতৃত্ব এৰি দিয়ে। লে'নিনৰ সময়ত ঘাইকৈ দুটা ৰূপত অৰ্থনীতিবাদ প্ৰকাশ পাইছিল—এটা হ'ল কেৱল অৰ্থনৈতিক সংগ্ৰামৰ দ্বাৰা শ্ৰমিকশ্ৰেণীৰ অৱস্থাৰ ক্ৰমাৎ উন্নতি কৰাৰ প্ৰবৃত্তিত (Bernsteinৰ Evolutionary socialism তথা Revisionismএ প্ৰকাৰান্তৰে যাক উদগনি দিছিল); আনটো হ'ল তথাকথিত "স্বতঃস্ফূৰ্ত্ত" শ্ৰমিক আন্দোলনৰ নামত কাৰ্যসূচী আৰু মতাদৰ্শৰ পৰা ৰাজনীতিক বাদ দিয়াৰ ষড়যন্ত্ৰত। কোনো কোনো ক্ষেত্ৰত—যেনে Legal Marxist সকলৰ বেলিকা—মাৰ্ক্সবাদৰ নাম লৈয়েই অৰ্থনীতিবাদে তাৰ পাশ্চাৎঘাতী কাৰ্যকলাপ চলাই গৈছিল। এইবোৰ প্ৰবৃত্তি আৰু তত্ত্বৰ আচল স্বৰূপ সম্পৰ্কে লে'নিন আৰু বলশ্বে'ভিক দল সজাগ থকা বাবেই তেওঁলোকে শ্ৰমিক দলৰ সংগ্ৰামী মনোভাব অটুট ৰাখিব পাৰিলে আৰু ৰাশ্যাত পুঁজিবাদৰ পৰৱৰ্ত্তী সংকটৰ বেলিকা শ্ৰমিক সকলে তেওঁলোকৰ ৰাজনৈতিক ভূমিকা সগৌৰৱে পালন কৰিব পাৰিলে। আৰু সেই সংকটৰ সময়তে শ্ৰমিক সাধাৰণে হাতে হাতে প্ৰমাণ পালে যে অৰ্থনীতিবাদৰ পাণ্ডাসকল বুৰ্জোৱা শ্ৰেণীৰ সহচৰ মাথোন। আনহাতে বিলাতত ট্ৰেড্ য়ুনিয়ন আন্দোলনৰ প্ৰতিপত্তি যথেষ্ট—কিন্তু ৰাজনৈতিক ভূমিকাত সি বুৰ্জোৱা ৰাজনৈতিক দলসমূহৰ পশ্চাদ্‌গামী মাত্ৰ। কেইবাবাৰো লে'বাৰ দলৰ (Labour party) হেঁচুকনিত বিলাতৰ trade union congressএ মাৰ্কিন সাম্ৰাজ্যবাদৰ বৈদেশিক নীতি পৰ্যন্ত সমৰ্থন কৰিছে। ঔপনিবেশিক শোষণৰ প্ৰসাদ শ্ৰমিক শ্ৰেণীৰ হাতত পৰাত ইমানদিনে বিলাতৰ শ্ৰমিক আন্দোনত বুৰ্জোৱা নেতৃত্ব আৰু অৰ্থনীতিবাদ প্ৰবল আছিল। এতিয়াহে তাৰ বিপৰ্যয় আৰম্ভ হৈছে।

লে'নিনৰ মৃত্যুৰ পিছৰ চাৰিটা দশকত আগৰ উপনিবেশবোৰে ৰাজনৈতিক স্বাধীনতা অৰ্জন কৰিলেও অৰ্থ নৈতিকভাৱে সাম্ৰাজ্যবাদৰ গৰাহৰ পৰা মুক্ত হব পৰা নাই। ভাৰততে বৈদেশিক পুঁজিৰ শোষণ আৰু প্ৰভাৱত দেশপ্ৰেমিক ভাৰতীয়মাত্ৰেই ক্ষুব্ধ হৈ উঠিছে।

পৃথিবীৰ বহু দেশ আৰু জাতিৰ মাজত সমাজবাদী ব্যৱস্থা গা কৰি উঠিছে। কিন্তু সমাজবাদী ৰাষ্ট্ৰবোৰৰ লগত পৃথিবীৰ বিভিন্ন দেশৰ শ্ৰমিক আন্দোলনৰ সম্পৰ্ক বৰ্তমান ঘনিষ্ঠ নহয়—সেইবোৰ দেশত বহুক্ষেত্ৰত অৰ্থনীতিবাদেই শ্ৰমিক আন্দোলনৰ ৰাজনীতিত আজিও প্ৰবল। বিশেষকৈ সংগঠনৰ ফালৰ পৰা এটা পৰিবৰ্ত্তন উল্লেখযোগ্য। সংকটৰ হাত সাৰিবলৈ বৃহৎ একচেটিয়া পুঁজিয়ে এহাতে ৰাষ্ট্ৰৰ লগত ঘনিষ্ঠ সম্পৰ্কত আবদ্ধ হৈ State Monopoly Capitalismৰ জন্ম দিছে। আনহাতে শ্ৰমিক সংগঠনবোৰো ক্ৰমশঃ বৃহৎ দেশব্যাপি সংগঠনৰ তলত একত্ৰিত হৈছে। ৰাষ্ট্ৰই যেনেকৈ পুঁজিবাদৰ প্ৰথম পৰ্যায়ৰ নিষ্ক্ৰিয় ৰূপ বিসৰ্জন দি পুঁজিবাদী পৰিকল্পনা আৰু সংগঠনৰ স্নায়ুকেন্দ্ৰত পৰিণত হৈছে, সেইদৰে অৰ্থনীতিবাদৰ কবলত পৰা শ্ৰমিক সংগঠনবোৰো তেনে ৰাষ্ট্ৰৰ বহতীয়া সংস্থাত পৰিণত হৈছে। Peter Drucker নামৰ জনৈক প্ৰতিক্ৰিয়াশীল বুদ্ধিজীৱীৰ মতে Labour union বোৰ বৰ্ত্তমান যুগত এক ধৰণৰ Corporationৰ দৰে—ব্যৱসায়ী Corporationৰ লগত সিহঁতৰ মৌলিক প্ৰভেদ নাই। কোৱা বাহুল্য লক্ষ লক্ষ শ্ৰমিকৰ ভাগ্য এনেদৰে আমোলা-তান্ত্ৰিক শাসন আৰু নিয়ন্ত্ৰণৰ পুতলা কৰি এই তথা কথিত labour union বোৰে state monopoly capitalismকে ঢোকা দি ৰাখিছে—কেৱল মাজে মাজে অ'ত ত'ত নিপীড়িত শ্ৰমিকৰ মাজত আপোনা আপুনি বিক্ষোভ (wildcat strikes) আৰু বিদ্ৰোহ দেখা দি এই আমোলাতান্ত্ৰিক "আন্দোলন"ৰ উৎপীড়নৰ মুখা খুলি দিয়ে সাময়িকভাবে। এনেস্থলত শ্ৰমিক শ্ৰেণীৰ "ঐক্যৰ" নামত কি ভয়াবহ স্বৈৰাচাৰ চলিবলৈ ধৰে, কল্পনা কৰিব নোৱাৰি। ই কাৰো অবিদিত নহয় যে কেইবাটাও বৃহৎ মাৰ্কিন শ্ৰমিক সংঘ বৰ্ত্তমান মাফিয়া নামৰ কুখ্যাত ডকাইত দলৰ হাতৰ মুঠিত। ধন্য মাৰ্কিন গণতন্ত্ৰ! অৰ্থনীতিবাদৰ পতন হলেহে মাৰ্কিন শ্ৰমিক আন্দোলনে তাৰ প্ৰকৃত পথত পুনৰ ভৰি দিব পাৰিব।

আধুনিক পুঁজিবাদৰ অন্যতম বৈশিষ্ট্য হ'ল "ভদ্ৰলোক কৰ্ম্মীৰ" (white-collar employees) সংখ্যাধিক্য: পুঁজিবাদী ৰাষ্ট্ৰৰ আমোলাতান্ত্রিক নাগপাশ সম্প্ৰসাৰিত হোৱাৰ লগে লগে আৰু পুঁজিবাদী উদ্যোগত পৰিকল্পনা আৰু প্ৰশাসন জটিল হৈ অহাৰ লগে লগে আগৰ বহুত স্বাধীন জীৱিকা আৰু ব্যৱসায় বৰ্ত্তমান বেতনভোগী চাকৰিত পৰিণত হৈছে আৰু চাকৰিজীৱীৰ সংখ্যা প্ৰবল বেগে বাঢ়ি আহিছে। এই বুদ্ধি-মজুৰ শ্ৰেণীৰ মাজত ৰাজনৈতিক শিক্ষা এতিয়াও ব্যাপক আৰু প্ৰবল হৈ উঠা নাই। তাৰ উৰ্দ্ধতন স্তৰবিলাক সম্পূৰ্ণৰূপে শোষক শ্ৰেণীৰ অংগ। কেৱল তলখাপৰ কেৰাণী, মহৰী, আৰু নানাৰকমৰ সহায়ক কিংবা assistantৰ মাজতহে শোষিত শ্ৰেণীৰ চেতনা বৰ্ত্তমান। (লেবৰেটৰিৰ কম দৰ্মহা পোৱা assistantৰ পৰা এড্‌ভাৰ্টাইজিং এজে'ন্সিৰ অধস্তন কৰ্ম্মচাৰীলৈ এওঁলোকৰ মাজত বহু ধৰণৰ বৃত্তি আছে।) সাক্ষৰতা আৰু সাধাৰণ শিক্ষাৰ জোৰত যদিও এহাতেদি এওঁলোকে ৰাজনৈতিক তত্ত্ব সহজে আয়ত্ত কৰে, আনহাতে প্ৰকৃত ৰাজনৈতিক সংগ্ৰামত এওঁলোকে সাধাৰণতে আগভাগ লব নোৱাৰে। অৰ্থনৈতিক অভাবত জ্বলাকলা হলেও বা অৰ্থনৈতিক দাবীসমূহ তীব্ৰভাবে ডাঙি ধৰিলেও এওঁলোকৰ ওপৰত বুৰ্জোৱা শ্ৰেণীৰ মানসিক প্ৰভাব প্ৰবল—ওচৰত নিজৰ ঘৰমাটি অকণ কিনাৰ সপোন এওঁলোকে বৰ্জন কৰিব নোৱাৰে। সেয়ে এওঁলোকৰ মাজত বুৰ্জোৱা ৰাজনীতিৰ প্ৰভাব বিয়পাৰ সম্ভাৱনাও কম নহয়। ফেছিষ্ট আন্দোলন বিলাকৰ যি গণভিত্তি সচৰাচৰ দেখা যায় তাত এই ভদ্ৰলোক কৰ্ম্মীৰ অংশ নগণ্য নহয়। শ্ৰমিক আন্দোলনৰ বলিষ্ঠতাইহে এওঁলোকৰ সংগঠন আৰু ৰাজনীতি অৰ্থনীতিবাদ আৰু প্ৰতিক্ৰিয়াৰ পৰা মুকলি কৰি ৰাখিব পাৰে।

ভাৰতৰ শ্ৰমিক আন্দোলনতো অৰ্থনীতিবাদৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। ১৯০৮ চনত তিলকৰ মুক্তিৰ হকে যেতিয়া বোম্বাই চহৰৰ শ্ৰমিক সকলে ধৰ্ম্মঘট কৰিছিল তেতিয়াই লেনিনে ভাৰতৰ

শ্ৰমিক আন্দোলন পৈণত হৈ অহা বুলি মত প্ৰকাশ কৰিছিল। কিন্তু ভাৰতৰ শ্ৰমিক আন্দোলনত উচ্চস্তৰৰ ৰাজনৈতিক চেতনা সদায় সবল হৈ থকা নাই। সাম্ৰাজ্যবাদৰ বিদায়গ্ৰহণৰ পিছত ঘাইকৈ বুৰ্জোৱা নেতৃত্বৰ INTUCৰ বুধি-ভৰসা মতে শ্ৰমিক শ্ৰেণীৰ বিপুল অংশই অৰ্থনীতিবাদৰ পথ লৈছিল। জাতীয় স্বাধীনতা আন্দোলনত জনসাধাৰণক নেতৃত্ব কৰা বুৰ্জোৱা শ্ৰেণীয়ে স্বাধীনতা লাভৰ পিছত পুঁজিবাদী ব্যৱস্থাৰ ভেটি বহল কৰিবলৈ যি চেষ্টা কৰিছে তাৰ সামান্যতম সাফল্যও শ্ৰমিক আন্দোলনৰ অৰ্থনীতিবাদৰ বাবেই সম্ভৱ হৈছে। বৰ্ত্তমান ইন্দিৰা চৰকাৰেও প্ৰয়াস কৰিছে পুঁজিবাদৰ সম্প্ৰসাৰণ শ্ৰমিক শ্ৰেণীৰ সহযোগিতাতে সফল কৰিবলৈ। কিন্তু ভাৰত সাম্ৰাজ্যবাদী ৰাষ্ট্ৰ নহয়—শ্ৰমিক শ্ৰেণীক ঘোচ-ঘাচ দিব পৰা সংগতি ভাৰতীয় পুঁজিবাদৰ এতিয়াও হোৱা নাই। সেয়ে ভাৰতীয় বুৰ্জোৱা শ্ৰেণীয়ে ঘোচ-ঘাচৰ উপৰিও আমোলাতান্ত্ৰিক "সংগঠন"ৰ জৰিয়তে অৰ্থনীতিবাদ প্ৰচাৰ কৰিবলৈ বিচাৰিছে। AITUCৰ বিভাজনৰ মূলতে এই অৰ্থনীতিবাদৰ বিৰুদ্ধে এক শ্ৰেণীৰ শ্ৰমিক সংস্থাৰ বিদ্ৰোহ।

ভাৰতীয় পুঁজিবাদী ব্যৱস্থাত ৰাষ্ট্ৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। অনুন্নত ভিত্তিৰ ওপৰতে—বিশেষকৈ ভূস্বামীবিলাকৰ সহযোগিতাত—ভাৰতীয় পুঁজিবাদেও প্ৰশাসন আৰু পৰিকল্পনাত ক্ৰমশঃ State monopoly capitalismৰ ফালে আগ বাঢ়িছে। ভাৰতৰ public sectorৰ যোগেদি বৃহদায়তন উদ্যোগবোৰৰ উন্নত শ্ৰমিক সকলৰ সংগঠন আৰু সংগ্ৰামত ৰাষ্ট্ৰই কৌশলেৰে হস্তক্ষেপ কৰিছে। যোৱা পোন্ধৰ বছৰে দেশৰ দুখীয়া ৰাইজৰ ধন চুঁচি public sectorৰ বৃহৎ শিল্পায়তন সমূহ আৰু নানা আধা-চৰকাৰী উদ্যোগবোৰ সজোৱা আৰু চলোৱা হৈছে। বেচৰকাৰী খণ্ডৰ তুলনাত ইহঁতৰ লাভ আৰু সমৃদ্ধি বহুত পিছপৰা। ইহঁতৰ কাম হৈছে ঘাইকৈ বেচৰকাৰী খণ্ডই নিজৰ মূলধনেৰে সাজিব নোখোজা কিছুমান ভিত্তিস্থানীয় (basic) মছলা

উৎপাদন কৰি বেচৰকাৰী খণ্ডৰ উন্নতি আৰু প্ৰসাৰত সহায় কৰা চৰকাৰী বৃহৎ উদ্যোগবোৰত শ্ৰমিকসকলৰ মজুৰি আৰু সা-সুবিধা দেশৰ সাধাৰণ মানুহৰ তুলনাত বহুত বেছি। সেয়ে এওঁলোকৰ মাজত অৰ্থনীতিবাদৰ প্ৰভাব বৈ যোৱাৰ সম্ভাৱনা। বেচৰকাৰী বৃহৎ উদ্যোগবোৰতো মজুৰিৰ হাৰ বেছি—কিন্তু নিয়োগৰ নিৰাপত্তা তাত সমূলি নাই, কৰ্তৃপক্ষৰ শাসনো বেছি কঢ়া আৰু শ্ৰমিক পক্ষৰ মনোভাব বেছি সতৰ্ক। বৰ্খাস্ত কৰাৰ ভাবুকি আৰু lock-upৰ কায়দাৰেই মালিকপক্ষই যোৱা কেইবাবছৰ ধৰি বৃহৎ উদ্যোগৰ শ্ৰমিক সকলৰ ৰাজনৈতিক দূৰৰে কথা অৰ্থনৈতিক দাবীও প্ৰতিৰোধ কৰি আহিছে।

বৃহদায়তন কৰেখানাৰ শ্ৰমিকসকলৰ মাজত সংগঠন আৰু চেতনাৰ উন্নতি হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। এনেস্থলত কেবল অতিবাম (ultra-left) মনোবৃত্তিৰে তেওঁলোকক ৰাজনৈতিক বনবাস দি কেৱল কৃষক আন্দোলনৰ ওপৰত বা ক্ষুদ্ৰ শিল্পৰ শ্ৰমিকৰ ওপৰত নিৰ্ভৰ কৰাটো হঠকাৰিতা মাত্ৰ। দেশত ব্যাপক মুদ্ৰাস্ফীতি আৰু বস্তুবাহানিৰ দুৰ্মূল্যই বৃহদায়তন শিল্পৰ অপেক্ষাকৃত উন্নত মজুৰিও ক্ৰমাৎ মূল্যহীন কৰি তুলিছে, পুঁজিবাদীপক্ষই সংকটৰ হাত সাৰিবলৈ automationৰ শৰণ লৈছে—নিয়োগ তথা মজুৰিৰ ধন (wage fund) কমাবলৈ। পৰিণামত অ'ত ত'ত শ্ৰমিকসকলৰ ক্ষোভ বিস্ফোৰিত হৈছে। অলপতে Assam State Electricity Boardৰ কৰ্মীসকলৰ ন্যায্য দাবীও বহুদিন আওকাণ কৰি আহি অৱশেষত দমননীতিৰ আশ্ৰয় লোৱা চৰকাৰৰ শ্ৰেণীচৰিত্ৰও শ্ৰমিকসকলৰ মাজত অস্পষ্ট হৈ থাকিব নালাগে। ভাৰতৰ জাতীয় চৰকাৰক সাম্ৰাজ্যবাদ-বিৰোধী বুৰ্জোৱাৰ প্ৰগতিশীল যন্ত্ৰ বুলি যি সকলে বিশ্বাস কৰে, তেওঁলোকে চৰকাৰৰ এইবোৰ প্ৰগতিশীল কাৰ্যকলাপ কেনেকৈ সমৰ্থন কৰে বুজা টান। ভাৰতৰ বৰ্ত্তমান চৰকাৰক সাম্ৰাজ্যবাদ-বিৰোধী বুলি ধৰিলে তাক প্ৰগতিশীল বুলি ভবাৰ স্থল থাকে। তাৰ নেতৃত্বত

দেশৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ বুলি ভবাৰ স্থল থাকে। শ্ৰমিক শ্ৰেণীৰ চূড়ান্ত সংগ্ৰামকো হঠকাৰিতা বুলি ভাবি শ্ৰমিকসংগ্ৰামত যুদ্ধবিৰতিৰ মনোভাব লোৱাৰ স্থল থাকে। কিন্তু ভাৰতৰ বৰ্ত্তমান চৰকাৰ যে জনসাধাৰণৰ পক্ষপাতী নহয়, সেই বিষয়ে প্ৰমাণ দিয়াৰ দৰকাৰ নাই। উক্ত ৰাজনৈতিক দলৰ নেতৃত্বত শ্ৰমিক আন্দোলন ক্ৰমশঃ অৰ্থনীতিবাদৰ চাকনৈয়াত পৰাটো আচৰিত নহয়। আনহাতে নিৰ্বাচনী ৰাজনীতি কৌশল হিচাবে গ্ৰহণ কৰা শ্ৰমিক দলেও constituencyৰ পুনৰ্গঠন প্ৰভৃতিৰ সহায়েৰে এই নতুন পৰ্যায়ৰ ৰাজনীতিত শ্ৰমিক শ্ৰেণীক অভ্যস্ত কৰি তুলিব লাগে। ৰুছ বিপ্লৱৰ আগমুহূৰ্ত্তত যি soviet প্ৰথাই গঢ় লৈছিল, তাৰ অবিহনে আপাততঃ বুৰ্জোৱা শাসনযন্ত্ৰকে—বিভিন্ন আঞ্চলিক, প্ৰাদেশিক, ৰাষ্ট্ৰীয় স্তৰত—ঠিকমতে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। লগতে বুৰ্জোৱা নিৰ্বাচনী ৰাজনীতিৰ নানা ফাকিফুকা, স্বাৰ্থপৰতা, গোষ্ঠিপ্ৰীতি, দুৰ্নীতিৰ মুখ খুলি শ্ৰমিক সাধাৰণক তীব্ৰতৰ সংগ্ৰামৰ বাবে সাজু কৰিব লাগিব।

ভাৰতত কৃষক আন্দোলন ব্যাপক হব ধৰাৰ লগে লগে তাৰ বিপদ বুজি বুৰ্জোৱা শ্ৰেণীয়ে তাৰ নেতৃত্বক বশ কৰিবলৈ উঠিপৰি লাগিছে। কেৱল absentee landlordism উৎখাত কৰাই যেন কৃষক আন্দোলনৰ চূড়ান্ত লক্ষ্য, তেনে মনোভাব প্ৰকাশ কৰিছে। পুঁজিবাদী কৃষিৰ প্ৰতি আকৃষ্ট ধনী খেতিয়ক আৰু ভূস্বামীদল গ্ৰামাঞ্চলত বুৰ্জোৱা শ্ৰেণীৰ বন্ধু। দৰিদ্ৰ আৰু ভূমিহীন কৃষকৰ মাজত চেতনা আৰু সংগঠনে প্ৰাথমিক স্তৰ নৌ পাওঁতেই তাত সোমাই লৈ এইবোৰ মানুহে কৃষক আন্দোলনক অৰ্থনীতিবাদী ৰূপ দিবলৈ চেষ্টা কৰিছে। নিজৰ ভাগত থকা মাটিৰ ভাগ বঢ়াবলৈ ইচ্ছুক ধনী খেতিয়কে স্বাভাৱিকতে সম্পত্তিৰ প্ৰকৃত পুনৰ্বিতৰণ নিবিচাৰে। চৰকাৰী মাটি আৰু Reserveৰ মাটি কাঢ়ি নিজৰ হাতৰ মুঠিলৈ অনাই এওঁলোকৰ উদ্দেশ্য। আনহাতে চিলিং এক্ট ফাকি দি নানা

উপায়ে শ শ বিঘা মাটি গ্রাস কৰা স্থানীয় জমিদাৰ জোতদাৰৰ লগত এই ধৰণৰ কৃষক আন্দোলনে সংঘৰ্ষত নমা নাই। প্ৰকৃত ভূমিহীন কৃষকেও যেনতেন প্ৰকাৰেণ দুই এ বিঘা মাটিৰ দখল বিচাৰিয়েই ক্ষান্ত হৈ আছে যদিও নতুন মাটি ভাঙি, চহাই তাক নিজৰ কৰি লোৱাৰ, চৰকাৰী বিষয়াক ঘোচ-ঘাচ দি দখলীস্বত্ব লোৱাৰ সম্বলৰ অভাৱত এই মাটিও শেষত ধনী কৃষকৰে হাতত পৰেগৈ। অৰ্থাৎ শ্ৰেণীচেতন, অৰ্থনীতিবাদৰ পৰা মুক্ত, কৃষক সংগঠন নহলে এই আন্দোলনৰ ফল ভাল নহব। প্ৰকৃত শ্ৰেণীসংগ্ৰামৰ শিক্ষাৰ পৰা গাৱঁৰ দৰিদ্ৰ কৃষক বঞ্চিত হব।

অসমৰ স্বকীয়া পৰিস্থিতিৰ কথাও বামপন্থী নেতাসকলে চিন্তা কৰাৰ সাহস অৰ্জন কৰা নাই। পোনপতীয়া প্ৰশ্ন হল এয়েঃ পশ্চিমবঙ্গ বা কেৰালাৰ উন্নত শ্ৰেণীসংগ্ৰামৰ অন্ধ অনুকৰণ কৰি কিবা লাভ আছে জানো? অসমত সংগ্ৰামৰ শক্তি, সম্ভাৱনা আৰু অন্তৰায়ৰ কথা আমাৰ নিজৰ সংগঠন আৰু অধ্যয়ন অবিহনে আমি জানো বুজি পাম? পশ্চিমবঙ্গৰ ব্যস্ত নেতাসকলে অসমৰ পৰা সহায়-সহযোগিতাহে বিচাৰিব—তেওঁলোকে আমাৰ বৰ্ত্তমান পথ আঙুলীয়াই দিব নোৱাৰে। উদাহৰণ স্বৰূপে পশ্চিমবঙ্গৰ প্ৰায় বৈপ্লৱিক পৰিস্থিতিত মধ্যবিত্ত শ্ৰেণীৰ মাজত যি দ্বিধা, সংকোচ, সুবিধাবাদ, শোধনবাদ, দেখা দিছে তাৰ ফলত তাৰ শ্ৰমিকদল মধ্যবিত্তৰ ওপৰত বিতুষ্ট। সেই মনোভাব অসমলৈ হুবহু আমদানি কৰাটো ঐতিহাসিক চিন্তাৰ অভাৱৰ প্ৰমাণ। অসমৰ শ্ৰেণীসংগ্ৰামৰ বৰ্ত্তমান পৰ্য্যায়ত জনসাধাৰণৰ ওচৰলৈ মাৰ্ক্সবাদী তত্ত্ব বহন কৰি লৈ যোৱাৰ দায়িত্ব, জনসাধাৰণৰ সংগ্ৰামৰ পৰা শিক্ষাক তত্ত্বগত ৰূপ দিয়াৰ দায়িত্ব সম্পূৰ্ণভাবে অসমত এতিয়াও মধ্যবিত্ত মাৰ্ক্সবাদীৰ হাততে আছে। এনেদৰে প্ৰচাৰ আৰু আন্দোলন আৰম্ভ নকৰি বৈপ্লৱিক শ্লোগান দি ফুৰিলে অসমত সঠিক মাৰ্ক্সবাদী তত্ত্ব আৰু আন্দোলন নিশিপাব—কেবল কেতবোৰ ক্ষুদ্ৰ অঞ্চলত বঙ্গদেশৰ প্ৰভাৱৰ যোগেদি সীমাবদ্ধ হৈ থাকিব। অসমত

প্রকৃত মাৰ্ক্সবাদৰ দায়িত্ব কি কেৱল পশ্চিমবঙ্গৰ জনসংগ্ৰামক দূৰৰ পৰা সমৰ্থন জনোৱা ? এনে মনোভাবে big power chauvinism আৰু আঞ্চলিক বৈষম্য চিৰস্থায়ী কৰিব মাত্ৰ।

অসমৰ কৃষক আন্দোলনো বঙ্গদেশৰ কৃষক আন্দোলনৰ লেখীয়া হব নোৱাৰে। তাৰ এটা ঐতিহাসিক কাৰণ আছে। সৰুসুৰা কৃষক মালিকানা (small peasant proprietorship) অসমত বঙ্গদেশতকৈ পুৰণি আৰু প্ৰভাৱশীল। অসমত জমিদাৰী প্ৰথা ব্ৰিটিছে প্ৰবৰ্ত্তন নকৰিলে—দুই এখন জিলা বাদ দিলে। বৃহৎ ভূসম্পত্তি (large land-holding) অসমত এতিয়াও বেছি নহয়। তাহানিৰ ব্ৰিটিছ অফিচাৰ বিলাকৰ বিবৃতি আৰু সমীক্ষাত স্পষ্ট হৈছে যে ৰায়তৱাৰী প্ৰথাৰে প্ৰতিজন খেতিয়কক মালিকানা দিয়াৰ পিছত অসমৰ খেতিয়ক শ্ৰেণীৰ প্ৰভূত উন্নতি হৈছিল—কোনো কোনো চাহাবে উনবিংশ শতিকাৰ মাজভাগত অসমীয়া সাধাৰণ চহাখেতিয়কৰ নতুন কৈ ওপজা আত্মসম্মান আৰু মৰ্যাদাবোধৰ কথাও লেখি গৈছে। ফলস্বৰূপে অসমৰ ভৈয়ামৰ হিন্দু খেতিয়ক সমাজৰ মাজত petit bourgeois স্বাতন্ত্ৰ্যবোধ প্ৰবল। কৃষক আন্দোলনতো কিছুদিন ধৰি এই মনোবৃত্তি সক্ৰিয় হোৱাৰ সম্ভাৱনা। অৱশ্যে চাহবাগানৰ বনুৱাৰ কথা বেলেগ। গ্ৰামাঞ্চলত অৱশ্যে জোতদাৰ শ্ৰেণী এটা লাহে লাহে গজি উঠিছে—সৰুসুৰা, দৰিদ্ৰ কৃষকৰ সম্পত্তি গ্ৰাস কৰি। দৰিদ্ৰ কৃষকৰ হাতৰ পৰাও ধাৰ-ঋণ, আৰু পৈতৃক সম্পত্তিৰ বণ্টনৰ ফলত মাটি গৈ আছে। তথাপি peasant proprietor হোৱাৰ সপোন ভঙা নাই। মাটি এডোখৰ নিগাজীকৈ দখল কৰিব পাৰিলেই হ'ল—শ্ৰেণীসংগ্ৰামৰ প্ৰয়োজন বহুতে এতিয়াও উপলব্ধি কৰিব পৰা হোৱা নাই। অৱশ্যে অসমৰ কোনো কোনো ঠাইত সেই পৰ্যায় পাইছেগৈ। তদুপৰি কৃষক সমাজৰ বিভিন্ন অংশৰ মাজত সম্প্ৰদায় আৰু সংস্কৃতিগত বিভাজনেও শ্ৰেণীৰ চেতনা অহাত বাধা জন্মাই আছে। অৰ্থনীতিবাদৰ বাবে এনে পৰিবেশ সাৰুৱা।

দৰিদ্ৰ কৃষকে যে উন্নত অঞ্চলতো সহজে সংগ্ৰামী ঐক্য আৰু চেতনা অৰ্জন কৰিব পাৰিছে তেনে নহয়। পশ্চিম বংগত মাটিৰ মালিকানা লৈ বিভিন্ন কৃষক দলৰ মাজত হোৱা মুৰফলাফলি হয়তো অৱশ্যম্ভাবী। কিন্তু পুৰণি ধৰণে মেল বা পঞ্চায়ৎ বহুৱাই তেনে বিবাদৰ নিস্পত্তি কৰাটো অসম্ভৱ নে? বুৰ্জোৱা বাতৰিকাকতৰ অতিৰঞ্জন আৰু অপপ্ৰচাৰ বাদ দিলেও কৃষকৰ মাজত চলা এনেবোৰ খণ্ডযুদ্ধই আমাক উদ্বিগ্ন কৰে; কাৰণ এই যুদ্ধ সদায় শ্ৰেণীভিত্তিক নহয়। উপযুক্ত শিক্ষা আৰু শৃঙ্খলাবদ্ধ সংগঠন নহলেও এনে বোৰ দুৰ্ঘটনাৰ অপ্ৰয়োজনীয় পুনৰাবৃত্তি ঘটিব। আৰু পাহৰিলে নচলিব যে গ্ৰামাঞ্চলতো অৱশেষত ভূসম্পত্তিৰ অৱসান ঘটোৱাই সমাজবাদৰ লক্ষ্য।

॥ অসমৰ বৌদ্ধিক জীৱন ॥

অসমীয়া সাহিত্যৰ বছৰেকীয়া প্ৰকাশৰ ভিতৰত পাতপাতকৈ বিচাৰিলেও দুই এখনহে যদি এনে কিতাপ ওলায়, য'ত নানান সমস্যাই আগুৰি ধৰা জীৱনৰ গতিপথ পৰিষ্কাৰভাবে নিৰ্ণীত হৈছে। এইকথা কোনেও অস্বীকাৰ নকৰে যে অৰ্থনীতি, সমাজব্যৱস্থা, শিক্ষা-সংস্কৃতি সকলো দিশতে আমি অভূতপূৰ্ব আৰু ভয়ানক সংকটৰ সন্মুখীন হৈছোঁহক। বস্তুবাহানিৰ দাম হুহুকৈ বাঢ়ি গৈছে; হাজাৰ হাজাৰ দৰিদ্ৰ কৃষক ধাৰেঋণে সৰ্বস্বান্ত হৈও দুবেলা দুসাজ খাবলৈ পোৱা নাই; শিক্ষাৰ নামত স্কুলে-কলেজে এনে ভেকোভাওনা চলিছে যাৰ প্ৰতি ছাত্ৰ-শিক্ষক কাৰো শ্ৰদ্ধা নাই; নিবনুৱা যুৱকৰ মনত জমা হৈছে তীব্ৰ ঘৃণা আৰু ক্ষোভ—অথচ সমাজৰ ওপৰ মহলত দুৰ্নীতি, অমানুষিক ধনলোভ, আৰু দুখীয়া প্ৰজাৰ প্ৰতি ঔদাসিন্য চক্ৰবৃদ্ধিহাৰত উধাই গৈছে। আৰু এশএটা উপসৰ্গই আমাক সঁকিয়াই দিছে যে আমাৰ সমাজ বিশেষ সংকটৰ সন্মুখীন হৈছে। অথচ সেই সংকটৰ কাৰণ, প্ৰকৃতি আৰু সমাধান নিৰ্ণয় কৰিব পৰা চিন্তা বা ৰচনা আমাৰ মাজত যেন এতিয়াও বৰ কম।

ই এক উদ্বেগজনক পৰিস্থিতি। ইয়াৰ পৰা উদ্ধাৰ নেপালে আমাৰ সমুখৰ অন্ধকাৰ গাঢ়তৰ হব মাত্ৰ।

মধ্যযুগৰ চিন্তা আছিল ঘাইকৈ সংসাৰ বিৰাগী, পাৰলৌকিক। সংসাৰৰ দুখযন্ত্ৰণাৰ বাস্তৱধৰ্ম্মী সমাধানৰ ঠাইত পাৰলৌকিক সান্ত্বনাইহে সেই চিন্তা অনুপ্ৰাণিত কৰিছিল। তেতিয়া প্ৰকৃতিৰ ওপৰত শাসন খটোৱাৰ বিদ্যা মানুহে আৰ্জন কৰিব পৰা নাছিল। কি বানপানী, কি মহামাৰী, কি অৰ্থনৈতিক সংকট—কোনো বিপদৰ পৰাই সম্পূৰ্ণ মুক্ত হোৱাৰ আশা তেতিয়াৰ মানুহে কৰিব পৰা নাছিল। কিন্তু ৰিণে'ইছাঁচৰ পিছৰ পৰা ইউৰোপত বিজ্ঞানৰ প্ৰবল অগ্ৰগতি ঘটে। মধ্যযুগৰ ভূমিভিত্তিক, প্ৰধানকৈ কৃষিজীৱী সমাজৰ অবসান ঘটাই মধ্যবিত্ত শ্ৰেণীয়ে পত্তন কৰে এখন নতুন সমাজৰ, য'ত সকলো বস্তুৱেই বজাৰৰ বাবে তৈয়াৰ হয়, আৰু প্ৰতিটো বস্তুৱেই কাৰো নহয় কাৰো জীৱিকাৰ উপায় হৈ পৰে। এই নতুন সমাজৰ চিন্তা হয় বাস্তৱধৰ্ম্মী, বাস্তৱমুখী। পাৰ্থিব সমস্যাৰ পাৰ্থিব সমাধান বিচৰা বিধৰ। এই সমাজৰ বুদ্ধিজীৱী সকলেও কিতাপৰ বজাৰৰ যোগেদি পাঠক সমাজৰ আগত তেওঁলোকৰ চিন্তা বিক্ৰী বা প্ৰচাৰ কৰিবলৈ ধৰে।

সৌভাগ্যবশতঃ বুৰ্জোৱা সভ্যতাৰ পাতনিতে এই চিন্তা বজৰুৱা বা ন্যস্ত স্বাৰ্থৰ অনুগামী নাছিল। বুদ্ধিজীৱীসকলৰ মতামত, বিশ্লেষণ আৰু বিচাৰ ঘাইকৈ এই নতুন সমাজখন গঢ়াত সহায় হৈছিল। সপ্তদশ শতিকাৰ নিউটন প্ৰমুখ্যে বিখ্যাত বৈজ্ঞানিকসকল, আৰু ভল্টায়াৰ, ৰুছো প্ৰভৃতি অষ্টাদশ শতিকাৰ সংস্কাৰক আৰু বিপ্লৱী মনিষী সকলৰ চিন্তাই প্ৰাচীন সমাজৰ চিন্তাধাৰাৰ নানান দিশত আঘাত হানি এহাতে যেনেকৈ নতুন সমাজ গঢ়াত সহায় কৰে, আনহাতে সেইদৰে নতুন চিন্তাধাৰাৰো ভেটি স্থাপন কৰিলে। ফলত ৰোগব্যাধি হলে আৰু ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰা নহয়, প্ৰতিকাৰৰ উপায় চিন্তা কৰা হয়। অৰ্থনৈতিক আৰু ৰাষ্ট্ৰীয় সংকট হলে মধ্যযুগৰ মানুহে কাৰণ নুবুজি তাক প্ৰলয় বা কলিযুগৰ চিন বুলি ভাবিছিল। এতিয়া ক্ৰমাৎ মানুহে বুজিছে যে তেনে সংকটৰ সমাধানো মানুহৰ হাততে আছে।

অসমত মধ্যযুগৰ অৱসান ঘটিছিল অভূতপূৰ্ব ৰাষ্ট্ৰীয় উপপ্লৱ আৰু বৈদেশিক শক্তিৰ আক্ৰমণৰ মাজত। ইংৰাজ শাসনৰ আবিৰ্ভাৱে ডা-ডাঙৰীয়া সকলৰ প্ৰতাপৰ ভিকাচন ভাঙিলে—ঘাইকৈ তেওঁলোকৰ গোলামি খাটি থকা অসংখ্য পাইক আৰু বন্দীবেটি মুকলি কৰি দি। তেওঁলোকৰ ভিতৰত যি দুই-এজনে নতুন পৰিৱেশৰ লগত খাপখুৱাব পাৰিলে, তেওঁলোক কথমপি বাচিল—কিন্তু ৰাজকীয় স্বেচ্ছাচাৰিতা দূৰ হোৱাত সাধাৰণ তৰপৰ বহু মানুহে কিঞ্চিৎ সা-সম্পত্তি কৰি বিত্তবান শ্ৰেণীৰ অন্তৰ্ভুক্ত হ'ল। বিশেষকৈ আহোম ৰাজত্বত হিচাব-পত্ৰ আৰু লেখামেলাৰ কাম চলোৱা আমোলা বিলাকে যোদ্ধা আৰু শাসনকৰ্ত্তা ডা-ডাঙৰীয়াবিলাকতকৈ বহু সহজে নতুন শাসনতন্ত্ৰৰ গঢ়গতি বুজি তাত খাপখাই পৰিল। নতুন চৰকাৰৰ বিষয়ভোগী আৰু আস্থাৰ পাত্ৰও হ'ল এওঁলোকেই। ইংৰাজে সমগ্ৰ ভাৰতত প্ৰবৰ্ত্তন কৰা নতুন শিক্ষাৰ সুবিধা এওঁলোকেই কৰায়ত্ত কৰিলে।

এওঁলোক আৰু এওঁলোকৰ সতিসন্ততি সকলেই ঘাইকৈ আধুনিক অসমীয়া সংস্কৃতি আৰু সমাজৰ ভেটি তুলিলে। প্ৰাচীন সমাজৰ ৰক্ষণশীল মনোভাবৰ বিৰুদ্ধে এওঁলোকে থিয় দিলে। এওঁলোকৰ মাজতে পৈতৃক বৃত্তি এৰি নতুন ধৰণৰ বৃত্তি অৱলম্বন কৰা, ইংৰাজ আচাৰ অনুষ্ঠানৰ ওচৰ চপা, জাতিভেদৰ বাহ্যিক পৰিণামৰ প্ৰতি অশ্ৰদ্ধা দেখুৱা প্ৰভৃতি সৰসুৰা বিদ্ৰোহৰ চিন পৰিলক্ষিত হ'ল। কিন্তু এওঁলোকৰ এই বিদ্ৰোহ সুদূৰ প্ৰসাৰি নহলগৈ। সমাজৰ আমূল পৰিৱৰ্ত্তন ঘটোৱা ইংৰাজ সাম্ৰাজ্যবাদৰ উদ্দেশ্য নাছিল। ইংৰাজৰ উদ্দেশ্য কেৱল আছিল খাজনা বা অন্যান্য লাভৰ উদ্দেশ্যে দেশৰ প্ৰচলিত শাসন আৰু সমাজব্যৱস্থাত কিঞ্চিৎ হেৰফেৰ ঘটোৱা। শাসন চলাবলৈ কেৰাণীমহৰী লাগে—সেয়ে নতুন ধৰণৰ শিক্ষা। খাজনা আদায় কৰিবলৈ হ'লে মাটিৰ পট্টা গাইগুটিয়া কৰিলে ভাল—সেয়ে বিশ বা দহ বছৰৰ মূৰত settlement হোৱা নিগাজী পট্টা।

তেনেকৈ কিছুপৰিমাণে অসমৰ উৎপন্নবস্তুবোৰ বজাৰত মুকলি হ'লে অথবা বাহিৰৰ বস্তু অসমলৈ আহিলে কৰৰ বাবদ চৰকাৰৰ লাভ— সেয়ে অসমত এখন আঞ্চলিক বজাৰ সৃষ্টি কৰিবলৈ ইংৰাজ চৰকাৰে কিঞ্চিৎ চেষ্টা কৰিলে। কিন্তু দেশৰ এটা আগৰণুৱা শ্ৰেণীয়ে উৎপাদনৰ আহিলাপাতি আয়ত্ত কৰি দেশৰ সৰ্বাংগীন উন্নতি সাধক—এনেধৰণৰ পৰোপকাৰৰ মতলবেৰে ইংৰাজ চৰকাৰে দেশীয় মধ্যবিত্ত শ্ৰেণীক আগবঢ়াই অনা নাছিল। অসমৰ অৰ্থনীতিত বিশেষ গুৰুত্বপূৰ্ণ চাহ-উদ্যোগো ইংৰাজ বেপাৰীৰ স্বাৰ্থতে ঘাইকৈ বিকশিত হৈছিল—যিবাবে অসমৰ ৰে'লপথ পৰ্যন্ত চাহবাগিছাৰ কাষেকাষে গৈছে, অথচ হয়তো প্ৰধান প্ৰধান চহৰবোৰো এৰাই গৈছে!

অসমৰ নতুন মধ্যবিত্ত শ্ৰেণীটো গুৰিতে আছিল সম্পূৰ্ণ পৰ-মুখাপেক্ষী, পৰবশ—এনেকি যিবোৰ কাৰবাৰত অসমীয়া উদ্যোগী মানুহে অলপ অচৰপ স্বাধীনতাৰ সোৱাদ পাইছিল, যেনে কাঠৰ কাৰবাৰ, তাতো ইংৰাজ কোম্পানিবোৰৰ প্ৰতিপত্তি আছিল প্ৰবল। ওকালতি প্ৰভৃতি তথাকথিত "স্বাধীন" জীৱিকাতো পৰাধীনতাৰ শিকলিডাল প্ৰায়েই ঝংকাৰি উঠি অসমীয়া মধ্যবিত্তৰ প্ৰেৰণাত বাধা দিছিল। সাম্ৰাজ্যবাদী আমোলত স্বাধীনভাবে আৰু কিবাৰ সুযোগ আছিল নিতান্তই সীমিত। অৱস্থাপন্ন মানুহৰ ধনবিত, কাৰবাৰী মানুহৰ লাভ—সকলো গৈ পুনৰ নিয়োগ হৈছিল মাটি কিনাত। এইদৰেই আমাৰ মধ্যবিত্ত শ্ৰেণীৰ ওপৰত গ্ৰামীণ, ভূমিকেন্দ্ৰিক সমাজৰ প্ৰভাৱ গভীৰ হৈ বৈ গ'ল। নতুন উৎপাদন পদ্ধতি আৰু চিন্তাধাৰা এওঁলোকে প্ৰবৰ্ত্তন কৰিব নোৱাৰিলে। স্বাধীনতাৰ পিছত দেখা গ'ল পৰিকল্পনাৰ টকাবোক ঘাইকৈ খৰচ হৈছে কেতবোৰ অঞ্চলৰ শিল্পোদ্যোগৰ বিকাশসাধনত। তাৰ পৰা অসম বিশেষ লাভবান হোৱা নাই। আজিৰ অসমীয়া মধ্যবিত্ত শ্ৰেণীও অনা-অসমীয়া বৃহৎপুঁজিপতি শ্ৰেণীৰ ওচৰত সেও। এওঁলোকৰ স্বাধীন উদ্যমৰ সুবিধা বা প্ৰেৰণা বেছি দেখা নেযায়।

এনে অর্থনৈতিক ভিত্তিৰ ওপৰত বৌদ্ধিক বিপ্লৱ বিশেষ হ্ব নোৱাৰে। অনা-অসমীয়া পুঁজিপতিৰ আগ্ৰাসী অভিযানৰ পৰা নিজৰ সা-সম্পত্তি বচোৱা আৰু অনা-অসমীয়া মসিজীবীৰ লগত চাকৰিৰ ভাগলৈ হেতা-ওপৰা কৰা—অসমীয়া মধ্যবিত্তৰ শ্ৰেণীগত সংগ্ৰাম এয়েই। ই অভিযাত্ৰী, ভবিষ্যৎমুখী নহয়। বৰং নিৰাপত্তা-বিলাসী আৰু স্থবিৰ—সম্ভৱ প্ৰতিক্ৰিয়াশীল। একমাত্ৰ ভাষা-সাহিত্যৰ নিজস্বতা প্ৰতিষ্ঠা কৰা আন্দোলনেই অসমীয়া মধ্যবিত্তৰ একমাত্ৰ ঐতিহাসিকভাবে তাৎপৰ্য্যপূৰ্ণ আন্দোলন। আন কোনো বৌদ্ধিক আলোড়ন অসমত তেনে পৰ্যায়লৈ উধাব পৰা নাই। কেতবোৰ কুসংস্কাৰৰ বিৰুদ্ধে প্ৰতিবাদ অৱশ্যে "অৰুণোদই"ৰ দিনৰে পৰা চলি আহিছে। কিন্তু আনকি জাতিভেদৰ বিৰুদ্ধেও যুক্তিপূৰ্ণ, সতেজ, সবল বৌদ্ধিক আন্দোলন অসমত সৃষ্টি নহ'ল। বঙ্গদেশত ব্ৰাহ্মধৰ্ম্মকে আদি কৰি যিবোৰ অপেক্ষাকৃত অভিনৱ আন্দোলনে বৌদ্ধিক জগতত নতুন ধাৰা ৰচনা কৰিলে, সেইবোৰৰো প্ৰভাৱ অসমত হ'ল ক্ষীণ। সমান্তৰাল ধাৰাও নকৈ অসমৰ ওপৰেদি বৈ নগ'ল। বিজ্ঞান, দৰ্শন আৰু সমাজচিন্তাত অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে স্বাভাৱিকতে স্মৰণীয় অৱদান যোগাব পৰা নাই।

অসমত খবৰৰ কাগজ আৰু সাহিত্য আলোচনী উলিওৱাৰ পথতো নানা বিঘিনি আছিল। এই কথা স্বীকাৰ নকৰি নোৱাৰি যে অসমৰ নতুন সাংস্কৃতিক আন্দোলন বহুদূৰ নতুন বঙালী সংস্কৃতিৰ প্ৰতিধ্বনি আছিল। "জোনাকী"ৰ পৰা "আৱাহন"লৈ কেইবাখনো আলোচনী কলিকতাৰ পৰাই প্ৰকাশ হৈছিল—কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলৰ অৱদান আৰু সহযোগিতাৰে। অসমত নতুন নাট্যপ্ৰবাহ বা সংগীত পোনতে আধুনিক বঙালী সংস্কৃতিৰ প্ৰভাৱতে আৰম্ভ হৈছিল।

কলিকতাৰ লগত অসমৰ বৌদ্ধিক জীৱনৰ সম্পৰ্ক ক্ৰমাৎ ক্ষীণ হৈ আহিছে। অৱশ্যে আজিও শিক্ষিত অসমীয়াৰ বাবে বঙালী

সাপ্তাহিক বা উপন্যাস অৱশ্যপাঠ্য। কিন্তু নতুন নতুন সাংস্কৃতিক ধাৰাৰ প্ৰভাৱ পোনপতীয়াকৈ গাত পৰা লোকৰ সংখ্যা কমি আহিছে। বাহিৰৰ শক্তিশালী বৌদ্ধিক বা মানসিক চৰ্চাৰ কেন্দ্ৰবোৰৰ পৰা শিক্ষাপোৱা অসমীয়া ডেকাগাভৰু আৰু অসমলৈ ঘূৰি অহাৰ প্ৰেৰণা অনুভৱ নকৰে। আনহাতে স্থানীয় বৌদ্ধিক জীৱন উল্লিখিত কাৰণত স্তিমিত, গতানুগতিক। দুয়োখন বিশ্ববিদ্যালয়তে কেইজনমান তীক্ষ্ণধী বিদ্বান থকা সত্বেও অসমৰ বৌদ্ধিক জীৱনত দুয়োখনৰে অৱদান নগণ্য।

অসমীয়া মধ্যবিত্তৰ বৌদ্ধিক ভীকতা আৰু সংকোচৰ ফলত বৈপ্লবিক চিন্তাধাৰাৰ প্ৰভাবো আমাক মাজত বিশেষ লক্ষণীয় নহয়। সম্পত্তি কৰা আৰু সম্পত্তি ৰক্ষা কৰাত ব্যস্ত বুদ্ধিজীৱী প্ৰকৃতাৰ্থত বুদ্ধিজীৱী নহয়। নতুন সৃষ্টিত এই শ্ৰেণীটো যেনে বন্ধ্যা, সেইদৰে প্ৰাচীন সংস্কৃতিৰ যথাৰ্থ ৰসগ্ৰহণ এওঁলোকৰ পক্ষে যেন অসম্ভৱ। সেয়ে সাংস্কৃতিক ভেদজ্ঞান আৰু ৰুচি আমাৰ পাঠকসমাজত ক্ৰমশঃ অস্পষ্ট আৰু দুৰ্বল হৈছে।

মান (standards) ৰক্ষা আৰু বৈপ্লবিক পৰিবৰ্ত্তনৰ সূচনা— দুয়োটা কামৰ বাবে যেনে নিষ্ঠা আৰু নৈতিক বলৰ প্ৰয়োজন আমাৰ স্থবিৰ মধ্যবিত্তশ্ৰেণীৰ মাজত সিও নাই। চিন্তা-চৰ্চাটো যেন একধৰণৰ আলংকাৰিক বিলাস। বুদ্ধিমান মানুহে নিজৰ বুদ্ধিৰ সূক্ষ্মতা বা ঔজ্জ্বল্য প্ৰদৰ্শন কৰিয়েই থালাচ। কোনোধৰণৰ গভীৰ, সত্যনিষ্ঠ গৱেষণাৰ বাবে তেওঁলোক প্ৰস্তুত নহয়। সেয়ে ক্ৰমান্বয়ে সাংবাদিকসুলভ অস্থিৰচিত্ততা, ফাজলামি আৰু দায়িত্বহীনতাই আমাৰ বৌদ্ধিক জীৱনতো গা কৰি উঠিছে। কোনো উদ্দেশ্য বা আদৰ্শৰ প্ৰতি আন্তৰিক আনুগত্য নথকা আত্মকেন্দ্ৰিক বুদ্ধিজীৱীবোৰৰ টকাপয়চা, মানসম্ভ্ৰম, চৰকাৰী খিতাপ ইত্যাদি লৈ লাগিথকা খোৱা-কামোৰাত বাইজে আমোদ পালেও উৎসাহ নাপায়। অম্বিকাগিৰী, বাণী কাকতি, কেদাৰনাথ গোস্বামী, ভবানন্দ দত্ত প্ৰভৃতি মনিষীৰ চিন্তাৰ ক্ষুৰধাৰ

গতি, প্ৰকাশভংগীৰ চুম্বকতা আৰু তত্ত্বৰ মৌলিকতাৰ ঠাই ল'লে ক্ৰমে ৰম্যৰচনাসুলভ পাতল লয়লাসে আৰু শিথিল চিন্তাই। ভাষাৰ ফাগৰ পৰা তেওঁলোকৰ ৰচনাই আমাৰ সাহিত্য সমৃদ্ধ কৰিলেও, অসমীয়া পাঠকক বহুত নতুন-নতুন বস্তুৰ লগত চিনাকী কৰি দিলেও, নকৈ নোৱাৰি যে হেম বৰুৱা আৰু মহেন্দ্ৰ বড়াৰ ৰচনা আমাৰ চিন্তাৰ অৱনতিমুখী গতিৰ জ্বলন্ত সাক্ষ্যস্বৰূপ। হোমেন বৰগোহাঞিৰ গদ্যত মাজে সময়ে অন্তৰ্দৃষ্টিৰ আভাস থাকিলেও তেওঁৰ চিন্তা বিশেষ সুশৃঙ্খল নহয়, তেওঁৰ ভাষা বহুবৰ্ণী আৰু ভাববিলাসী, আৰু তেওঁৰ বিচাৰ (judgment) অগভীৰ। ভবেন বৰুৱাই চিন্তাৰ শিথিলতা, যুক্তিৰ খেলিমেলি, ভাষাৰ অস্পষ্টতাৰ পৰা আধুনিক গদ্যক উদ্ধাৰ কৰিবলৈ আমাৰ তথাকথিত "অগ্ৰগণ্য" সকলৰ দুৰ্বলতা বেছ সাহস, ধৈৰ্য্য আৰু বৰ্লিষ্ঠতাৰে উদ্‌ঘাটন কৰি দেখুৱালে। কিন্তু তেওঁৰ গদ্য কোনো মৌলিক আৰু সৃষ্টিশীল চিন্তাপ্ৰবাহে সঞ্জীৱিত কৰা নাই আজিকোপতি। সেয়ে মাজে মাজে তেওঁৰ লেখা উৎকৃষ্ট ওকালতি যেনহে লাগে। সৃষ্টিশীল চিন্তাৰ পৰিৱেশ গঢ়ি নুঠা বাবেই আমাৰ এই গদ্যলেখক সকলৰ এই দুৰৱস্থা।

তাৰো পিছৰ যুগটোৰ সম্ভাৱনাৰ প্ৰমাণ কেতিয়াবা চকুত পৰিছে। তথাপি কব লাগিব যে সেইবোৰ প্ৰমাণ সিঁচৰতি হৈ পৰি আছে। এটা যুগ বা পুৰুষ হিচাবে সমগ্ৰভাৱে আমাৰ ডেকা বুদ্ধিজীৱীসকল উন্নত আৰু সৃষ্টিশীল চিন্তাত অভ্যস্ত হোৱা নাই। তেওঁলোকৰ বহুতৰে নাই মৌলিক হব পৰাৰ সৎসাহস বা মনোবল, নাই অতীতৰ পৰা শিকিব পৰা শ্ৰদ্ধা আৰু নিষ্ঠা। কিছুমান দেখিছোঁ লব্ধপ্ৰতিষ্ঠ সকলৰ লেমটৌ হৈ সহজে নাম কিনিব খোজাত ব্যস্ত। কিছুমান আকৌ মগজনোহোৱা, বিচাৰ নোহোৱা কিম্ভূত নতুনত্বৰ আৰাধনাতে মতলীয়া।

"নতুন পুৰুষ", "পুৰণা পুৰুষ" উভয়েই বুদ্ধিচৰ্চাৰ নামত যি চাৰ্কাছ চলাই আছে, সি আন একো নহয়, মধ্যবিত্ত সংস্কৃতিৰ সংকটৰ

বহিঃপ্ৰকাশ। যথাৰ্থ নতুন চিন্তা নতুন সমাজ ৰচনা কৰা উদ্যমৰ পৰা পৃথক হব নোৱাৰে। তেহে যদি বহু উঁৱলি যোৱা ধ্যানধাৰণা হেলাৰঙে বৰ্জন কৰি আগবাঢ়িবলৈ আমাৰ সাহস হয়। তেহে যদি তীক্ষ্ণদৃষ্টিৰে আমাৰ বৌদ্ধিক ঐতিহ্য বিচাৰ কৰাৰ প্ৰয়োজন মানি লওঁ। তাৰ বাবে মধ্যবিত্ত বুদ্ধিজীৱীয়ে একমনে লক্ষ্য কৰিব লাগিব উঠি অহা সংগ্ৰামী শ্ৰমিক-কৃষকক। এই অভ্যুত্থানৰ লগত তেওঁৰ হৃদয়মন জড়িত কৰিব লাগিব।

+ + +